!

# নামঘৰ

(নামঘৰ বিষয়ক প্ৰবন্ধ সংকলন)

**NAMGHAR**

*A collection of articles pertaining to Namghar, edited by Diganta Mahanta, Porabheti Satra, Jakhalabandha, Nagaon (Assam) & published by Indu Hazarika, Missa, Nagaon (Assam).*

*2nd Edition : April, 2020* *Price : Rs. 160/-*

**নামঘৰ**

নামঘৰ বিষয়ক প্ৰবন্ধ সংকলন

**সম্পাদনা সমিতি**

মুখ্য পৃষ্ঠপোষক

শ্ৰীযুতা ইন্দু হাজৰিকা

উপদেষ্টা :

শ্ৰীযুতা যোগদা হাজৰিকা, শ্ৰীযুত ফণী হাজৰিকা

সভাপতি : শ্ৰীৰূপেশ্বৰ হাজৰিকা

সম্পাদক : শ্ৰীদিগন্ত মহন্ত

পুনৰীক্ষণ সম্পাদক ঃ শ্ৰীদীনেশ মহন্ত

সদস্য :

শ্ৰীদিলীপ নেওগ, শ্ৰীলীলাধৰ শইকীয়া

**প্ৰথম প্ৰকাশ- ২৮ জানুৱাৰী, ২০১৯**

**দ্বিতীয় প্ৰকাশ- এপ্ৰিল, ২০২০**

প্ৰকাশক : ইন্দু হাজৰিকা

গ্ৰন্থস্বত্ব : প্ৰকাশক

(ফোন - ৭০০২৯৬৭১৭৭, ৯৪৩৫৪৮৬০৬৭, ৯১০১৯৩৬৩৩০)

লে আউট ডিজাইন : পাখি প্ৰেছ, সৰুভগীয়া, জখলাবন্ধা- ৭৮২১৩৬, নগাঁও (অসম)

ফোন ৯৮৫৪৫৩৪৪৩৫, ৮৮৭৬৩৮৫৫৪৯


Email- pakhi.press@gmail.com

**মুদ্ৰণ ঃ গ্ৰাফিকা, জামুগুৰিহাট, শোণিতপুৰ**

ফোন ৬০০২৩৪৬৭৮৮

# নামঘৰ

(নামঘৰ বিষয়ক প্ৰবন্ধ সংকলন)



*"পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম-সিংহ*
*প্ৰকাশ কৰয় আতি বৰে।*
*যাৰ ধ্বনি শুনি ভয়ে মহাপাপী হস্তীচয়*
*পলায় আতি ত্ৰাসতে লৰৰে।।"*

*— নামঘোষা। ২৫*



# উৎসৰ্গা

পিতৃদেৱতা প্ৰয়াত গঙ্গাধৰ হাজৰিকা আৰু
মাতৃদেৱী প্ৰয়াত গিৰিবালা হাজৰিকাৰ সোঁৱৰণত
‘নামঘৰ’ পুথিভাগ উৎসৰ্গা কৰা হ’ল।

— **ইন্দু** (প্ৰকাশিকা)

# প্ৰকাশকৰ চিন্তা

*"মায়াৰ নিগ্ৰহে মঞিও পৰম আতুৰ ভৈলো*
*প্ৰাণ যদুপতি জীৱন যদুপতি।*
*অনাথৰ নাথ হৰি তুমি কৃমাপয় বিনে*
*মোৰ আৰ নাহি আনগতি।।"*
*—নামঘোষা।। ৬৫*

মনুষ্য জীৱন দুৰ্লভ। এই মনুষ্য জনম লাভ কৰি জীৱনৰ যাত্ৰা পথত আমি বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে অতিক্ৰম কৰোঁ। জীৱনৰ যাত্ৰা পথৰ প্ৰতিটো ঘাত-প্ৰতিঘাতৰ পৰা একমাত্ৰ ভগৱন্তৰ বাহিৰে আন কোনেও উদ্ধাৰ কৰিব নোৱাৰে। শৈশৱত জীৱনবোধৰ জটিল সন্ধিক্ষণৰ কথা কল্পনাতীত। সঠিক দিশেৰেই জীৱনটো অতিবাহিত কৰিছিলো। ২০০০ চনৰ পৰা শাৰীৰিক অসুস্থতাই জীৱনটো আন দিশলৈ গতি কৰালে। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ দৃষ্টিশক্তি হেৰুৱাই মানসিক আৰু শাৰীৰিক যন্ত্ৰণাত দিশহাৰা হৈ পৰিলো। এনে যন্ত্ৰণাময় জীৱনৰ মাজতেই শাৰীৰিক বাধাগ্ৰস্ততাক অভিশাপ বুলি নাভাবি আধ্যাত্মিক চিন্তাৰে ভগৱন্তৰ চৰণত মনস্থিৰ কৰি মানসিক তৃপ্তি লাভ কৰোঁ। নামঘৰত সৎসঙ্গত থাকি শ্ৰৱণ-কীৰ্তনেৰে মানসিক প্ৰশান্তিৰে জীৱনবোধৰ অন্য এক শিক্ষা লভিলো। জীৱনৰ কষ্টোপাৰ্জিত ধন নামঘৰৰ সামগ্ৰিক উন্নয়ন সাধনৰ বাবে উছৰ্গা কৰি, ধৰ্মীয় চিন্তা-চৰ্চাৰে মানসিক আনন্দ লাভ কৰোঁ। নামঘৰত বাপ-বান্ধৱ, আইমাতৃৰ সঙ্গৰ মাজতেই মনলৈ গুৰুজনা সৃষ্ট নামঘৰৰ প্ৰতিভাগ সম্পদৰ আধ্যাত্মিক তাৎপৰ্যৰ বিষয়ে জানিবলৈ মন ব্যগ্ৰ হৈ পৰে। এনে তাত্ত্বিক বিষয়সমূহ মৌখিকৰূপত চৰ্চা হৈ থাকে, কিন্তু নামঘৰ

আৰু ইয়াৰ সম্পদৰ তাত্ত্বিক বিষয়বস্তুক এভাগ গ্ৰন্থৰূপত পাবলৈ মনস্থিৰ কৰি এই বিষয়ত জড়িত কেইবাগৰাকীও ব্যক্তিৰ পৰামৰ্শ লৈ এভাগি গ্ৰন্থ প্ৰকাশ কৰাৰ কথা এই অভাজনে চিন্তা কৰোঁ।

এইক্ষেত্ৰত বহুজনে আমাক সহায় কৰিলে। আমাৰ ইচ্ছাৰ কথা প্ৰথমে ব্যক্ত কৰোঁ আমাৰ ভাগিন মৃদুল হাজৰিকাক। মৃদুলে আগভাগ লৈ কিতাপখনি যুগুত কৰিবলৈ তৎপৰ হয়। সেই অনুযায়ী শ্ৰীযুত ৰূপেশ্বৰ হাজৰিকাক সভাপতি আৰু ভাতৃপ্ৰতীম দিগন্ত মহন্তক সম্পাদক হিচাপে লৈ এখনি সম্পাদনা সমিতি গঠন কৰা হয়। তেখেতসকলে আমাৰ সপোন বাস্তৱত ৰূপ দিবলৈ যৎপৰোনাস্তি কৰিছে। সেয়ে সম্পাদনা সমিতিৰ সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলো। সম্পাদনা সমিতিৰ আহ্বানক্ৰমে যিসকল ধৰ্মপ্ৰাণ লেখক-লেখিকাই লেখনি দি গ্ৰন্থখনি সজোৱাত সহায় কৰিলে, তেখেতসকললৈ মোৰ ধন্যবাদ যাচিলো। ইয়াৰোপৰি এই গ্ৰন্থভাগিৰ সৈতে জড়িত সকলোৰে পৰমেশ্বৰৰ ওচৰত মঙ্গল কামনা কৰিলো।

এই কৰ্মভাগিত মোৰ অপৰাগতাৰ বাবে হয়তো বহু ত্ৰুটি ৰৈ গৈছে। সকলো দোষ শিৰ পাতি লৈ পাঠক-পাঠিকাসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

*কোটি কোটি ঘোৰ অপৰাধ নিতে*
*কৰো আমি দুৰাশয়।*
*হে হৰি মোক দাস হেন মানি*
*ক্ষমিয়োক কৃপাময়।।*
*—নামঘোষা।।৩১৭*

সেৱাৰে—

**ইন্দু হাজৰিকা**
মিছা, কলিয়াবৰ

২২ জানুৱাৰী, ২০১৯

**<u>সভাপতিৰ একেষাৰ</u>**

# সংস্কৃতি আৰু সংহতিৰ প্ৰতীক নামঘৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ যিদৰে সাহিত্য ৰচনা কৰিছিল, বৰগীত, নাট ৰচিছিল, সেইদৰে অসমীয়া জাতিৰ সংস্কৃতি আৰু সংহতি বিকশিত কৰাৰ উদ্দেশ্যে নামঘৰ প্ৰতিষ্ঠা কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱে অসমীয়া জাতিক ধৰ্ম, সংস্কৃতি সকলো দিশতে উদ্ভাসিত কৰি এটা উচচ মৰ্যাদাসম্পন্ন সংস্কৃতিবান জাতি হিচাপে গঢ় দি থৈ গৈছে। শঙ্কৰদেৱৰ কীৰ্ত্তন পুথি কেৱল ধৰ্ম পুথিয়েই নহয়, অসমীয়া সাহিত্যৰ এক স্তম্ভ। সত্ৰ, কীৰ্ত্তনঘৰ অসমীয়া সমাজ ব্যৱস্থাৰ প্ৰধান অঙ্গ। পঞ্চদশ-ষষ্ঠদশ শতিকাৰ পৰা অসমীয়া মানুহৰ ইতিহাসৰ এটা ডাঙৰ অধ্যায় নামঘৰে সামৰি আছে। ইয়াৰ দুৱাৰ সকলোৰে বাবে মুকলি হোৱাৰ কাৰণে স্বাভাৱিকতেই সামাজিক জীৱনৰ লগতো নামঘৰৰ অবিচ্ছেদ্য সম্পৰ্ক। অসমীয়া ৰাইজৰ মাজত একতা ৰক্ষা, ন্যায় বিচাৰ কৰাৰ উপৰিও মানুহক পৰস্পৰে পৰস্পৰক উপকাৰ কৰাৰ মনোভাৱ আদিৰ শিক্ষাও নামঘৰে দি আহিছে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই নামঘৰ অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ বুলি কৈছে।

মহাপুৰুষ গুৰুজনাই নাম-প্ৰসঙ্গৰ কাৰণে নামঘৰ সজাইছিল আৰু ইয়াৰ চাৰিবেৰ সদায় মুকলিকৈ ৰাখিছিল। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে ইয়াত মুকলিভাৱে অংশগ্ৰহণ কৰিব পাৰিছিল। নামঘৰৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ নামঘৰক কেন্দ্ৰ কৰিয়েই তৈয়াৰ হ'বলৈ ধৰিলে। অসমীয়াৰ জাতীয় অনুষ্ঠান এই নামঘৰে এখন সমাজ সৃষ্টি কৰিলে। 'সমাজ' শব্দটিত সংহতি, সংস্কৃতি,

ভাতৃত্ববোধ, প্ৰেম, সাম্য, প্ৰগতি আদি সকলো ভাবাদৰ্শ নিহিত হৈ থাকে।

ভাওনা অসমীয়াৰ এটি উল্লেখযোগ্য জাতীয় অনুষ্ঠান। মহাপুৰুষজনাই অনুভৱ কৰিছিল যে কেৱল নাম আৰু উপদেশেৰে জনসমাজৰ অন্তৰত ধৰ্মীয় দিশ জাগ্ৰত কৰা অসম্ভৱ। সেয়ে 'চিহ্নযাত্ৰা' ভাওনাৰ জৰিয়তে সাত বৈকুণ্ঠৰ পট অঙ্কন কৰি অঙ্কীয়া নাট-ভাওনাৰ সৃষ্টি কৰিলে। লগে লগে নামঘৰ অসমীয়াৰ জাতীয় মঞ্চৰূপে পৰিগণিত হ'ল। নাট এখন মঞ্চস্থ কৰাৰ বাবে প্ৰয়োজনীয় গীত-মাত, গায়ন-বায়ন, সূত্ৰধাৰ আদিৰ সৃষ্টিৰে শ্ৰীমন্ত শঙ্কৰদেৱে যি ব্যৱস্থাৰ সূত্ৰপাত কৰি গ'ল, তাৰ ওপৰতে ভেজা দিয়েই আজিৰ অসমৰ নাট্য আন্দোলনে আধুনিক ৰূপ পাইছে। নামঘৰৰ মজিয়াত অনুষ্ঠিত হোৱা ভাওনাত দুয়োকাষে বহা দৰ্শকৰ মাজৰ খালী ঠাইখিনিক ৰঙ্গমঞ্চ হিচাপে লৈ সূত্ৰধাৰৰ প্ৰয়োজনীয় নিৰ্দেশ অনুসৰি ভাৱৰীয়াই অভিনয় কৰে। খোল, তাল আদিৰ বোলত ভাৱৰীয়াই প্ৰৱেশ কৰি সংলাপ মাতি চৰিত্ৰ ৰূপায়ণ কৰি দৰ্শকৰ মাজেদিয়েই প্ৰস্থান কৰে।

অসমীয়া সমাজত নামঘৰৰ প্ৰাসংগিকতা আগতেও আছিল, এতিয়াও আছে আৰু অনাগত দিনতো থাকিব। কিন্তু এই বিৰল অনুষ্ঠানটিৰ বিশালতাক আমি অসমীয়াই আজি এক ঠেক পৰিসৰৰ মাজলৈ ক্ৰমান্বয়ে সুমুৱাই আনিছো। এটা সংস্কৃতিবান মন গঢ়ি তুলিবলৈ সুন্দৰ পৰিৱেশ আৰু ঠাইখনত প্ৰকৃত ধ্যান ধাৰণাৰে পুষ্ট নামঘৰেই যথেষ্ট। সময়ৰ সোঁতে নামঘৰৰ পৱিত্ৰতা ম্লান কৰিব পৰা নাই। সেয়েহে অসমীয়া সমাজত নামঘৰৰ প্ৰাসংগিকতা চিৰদিন থাকিব।

**ৰূপেশ্বৰ হাজৰিকা**
সভাপতি

সম্পাদকীয়

# কৰাপাট

অসমৰ সমাজ জীৱনত ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। পঞ্চদশ শতিকাৰ আগতে অসমৰ ধৰ্মীয় ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাই সমাজত বিভেদৰ সৃষ্টি কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাৰতবৰ্ষত সূত্ৰপাত হোৱা ভক্তি আন্দোলনৰ পৰিৱৰ্তিত ধাৰা অসমতো প্ৰচাৰ আৰু প্ৰসাৰ কৰি বিভেদৰ প্ৰাচীৰ ভাঙি বিভিন্ন জাতি-জনগোষ্ঠীয় লোকক ধৰ্মৰ প্ৰতি আকৃষ্ট কৰি ‘এক দেৱ এক সেৱ’ চিন্তাৰে বৈষ্ণৱ ধৰ্মৰ সংস্কাৰ সাধনেৰে সমাজখনক সু-সংগঠিত কৰি বৰদোৱাত পোনপ্ৰথম ‘নামঘৰ’ প্ৰতিষ্ঠা কৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণ কৰি ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থক্ষেত্ৰ দৰ্শন আৰু বৈষ্ণৱ পণ্ডিতসকলৰ চিন্তাৰাজিৰে পৰিৱৰ্তিত বৈষ্ণৱ ভক্তি আন্দোলনৰ ধাৰা অসমলৈ প্ৰবাহিত কৰি অসমীয়া সমাজ ব্যৱস্থাৰ লগত ৰজিতা খুৱাই সকলোৰে গ্ৰহণযোগ্য ধৰ্মীয় আদৰ্শ প্ৰচাৰ, প্ৰসাৰ কৰে। নামঘৰ অসমীয়া সমাজ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ। নামঘৰ সমন্বয়ৰ প্ৰতীক। সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক সমাজখনক সু-সংগঠিত কৰাৰ লগতে সমাজ উত্তৰণত আজিও নামঘৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে।

নামঘৰৰ বাটচ’ৰাৰ পৰা মণিকূট গৃহলৈকে প্ৰতিভাগ সম্পদতেই আধ্যাত্মিক তাৎপৰ্য অন্তৰ্নিহিত হৈ আছে। বৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় তাত্বিক বিষয়বস্তু প্ৰতীকীৰূপত গুৰুজনাই নামঘৰত উপস্থাপন কৰি আধ্যাত্মিক চিন্তাৰ উৎসৰূপেই প্ৰতিষ্ঠা কৰিছিল বাবে নামঘৰে সমাজৰ চালিকা শক্তিৰূপে আজিও তাৎপৰ্য্য বহন কৰি আছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নামঘৰক সাহিত্য-

সংস্কৃতিৰ বৰঘৰ ৰূপেও প্ৰতিষ্ঠা কৰে। ধৰ্মীয় চিন্তা-চৰ্চাৰ লগতে সাহিত্য কৃষ্টি-সংস্কৃতি চৰ্চা, বিকাশ আৰু সমাজৰ লোকসকলক আকৰ্ষিত কৰিবলৈ ভিন্ন পন্থা গ্ৰহণ কৰে। চিহ্নযাত্ৰাৰ জৰিয়তে অসমত পোনপ্ৰথম নাট্যচৰ্চাৰ নব্যধাৰা প্ৰচাৰ কৰি সকলোকে মুহিত কৰাৰ লগতে অঙ্কীয়া নাট ৰচনা, গীত-বাদ্যৰ সমাহাৰেৰে ধৰ্মীয়-সাংস্কৃতিক যাত্ৰাৰো সূত্ৰপাত ঘটায়। বৈষ্ণৱ ধৰ্মৰ কঠোৰ ৰীতি-নীতিৰ পৰিৱৰ্তে সৰল ধৰ্মীয় ৰীতি-নীতি প্ৰচাৰ, কাব্য, নাট, গীত আদি ৰচনাৰে সকলোকে একত্ৰিত কৰি অসমত পুনৰ এখন ধৰ্মীয় সমাজ গঠন কৰে। গুৰুজনাই প্ৰতিষ্ঠা কৰা শ্ৰেণী-বৰ্ণহীন সমাজখনে আজিও অসমৰ সমাজ জীৱনত সমন্বয়ৰ বাৰ্তা বহন কৰি আছে।

**আধ্যাত্মিক চিন্তা আৰু কৰণীয় ঃ**

সমাজখনত পূৰ্বৰ পৰাই স্বাৰ্থান্বেষী, উশৃঙ্খল এক শক্তিয়ে সদায় অস্থিৰ কৰি ৰাখে। এনে শক্তিৰ প্ৰভাৱ যেতিয়া বাঢ়ি যায় তেতিয়া শান্তিপ্ৰিয় সমাজৰ লোকসকলে শাৰীৰিক, মানসিক, আধ্যাত্মিকক্ষেত্ৰত কষ্ট ভোগ কৰে। প্ৰকৃতাৰ্থত যিসকলে সমাজখনক অস্থিৰ কৰি ৰাখি মানসিক তৃপ্তি লাভ কৰে তেনে শক্তিৰ প্ৰভাৱ ক্ষণস্থায়ী। শাস্ত্ৰৰ মূল ফলাফলেই হৈছে ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়। মাথো সুস্থ চিন্তাৰে উপলব্ধি নকৰোঁ। সমাজত যি বিভেদকামী শক্তিয়ে অস্থিৰ আৰু বিশৃঙ্খল পৰিৱেশ সৃষ্টি কৰে তাক যদি সূক্ষ্ম ৰূপত বিচাৰ বিশ্লেষণ কৰা যায় এনে পৰিৱেশ সৃষ্টিৰ কাৰক ঘৰখনতেই নিহিত হৈ থাকে। প্ৰতিঘৰ গৃহস্থীতেই যদি ধৰ্মীয় পৰিৱেশ বিৰাজমান হৈ থাকে তেনে পৰিবেশে সুস্থ আৰু পৰিমাৰ্জিত জীৱনৰ শিক্ষা দিয়ে। এনে পৰিমাৰ্জিত আৰু সুস্থ পৰিৱেশত জীৱন অতিবাহিত কৰা ব্যক্তিয়ে সমাজখনকো শৃঙ্খলিত ৰূপত গঢ়ি তুলিবলৈ প্ৰয়াস কৰে। পিতৃ-মাতৃয়ে সন্তানক শৈশৱৰ পৰাই সামাজিক, সাংস্কৃতিক, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, পৰিৱেশ পৰম্পৰা, ধৰ্মীয়, সংস্কাৰী ব্যৱস্থা আদি পৰিমাৰ্জিত ৰূপত শিক্ষা দিয়া উচিত। অসমৰ সমাজ ব্যৱস্থাত ধৰ্মীয় পৰিৱেশে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত বিভিন্ন জাতি-জনগোষ্ঠীক একিত্ৰত কৰি সমন্বিত সমাজ গঢ়ি তোলে। এনে ধৰ্মীয় সমাজ ব্যৱস্থায়ো সামাজিক, সাংস্কৃতিক, চাৰিত্ৰিক, আধ্যাত্মিক উৎকৰ্ষ সাধনত অহোপুৰুষাৰ্থ কৰি আহিছে। ইয়াৰ উপৰিও বিভিন্ন ধৰ্মাৱলম্বী লোকৰ সমন্বয়ক্ষেত্ৰ অসমৰ সমাজ ব্যৱস্থাত

এনে ধৰ্মীয় আদৰ্শৰে সকলোৱে বসবাস কৰি আছে। অসমত আজিৰ পৰা চাৰে পাঁচশ বছৰৰ আগতেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে উগ্ৰ ধৰ্মীয় চিন্তাধাৰা আৰু সাম্প্ৰদায়িকতাৰ বিভেদৰ প্ৰাচীৰ ভাঙি এখন শ্ৰেণী-বৰ্ণহীন ধৰ্মীয় সমাজ গঢ়ি তুলিবলৈ সক্ষম হৈছে। ধৰ্মীয় চেতনাৰে উদ্বুদ্ধ অসমীয়া সমাজ ব্যৱস্থাই আজি পৰ্যন্ত এনে আদৰ্শ বৰ্তাই ৰাখিছে যদিও উগ্ৰ ধৰ্মীয় চিন্তাধাৰাই যাতে অসমৰ সাতামপুৰুষীয়া শান্তি আৰু সম্প্ৰীতি বিনষ্ট কৰিব নোৱাৰে তাৰবাবে সকলোৱে ঐকান্তিক প্ৰচেষ্টা আৰু চিন্তাৰ প্ৰয়োজন আছে।

**কৃতজ্ঞতা ঃ**

আমি প্ৰথমেই কৃতজ্ঞতা যাচিছো গ্ৰন্থখনিৰ প্ৰকাশক শ্ৰদ্ধেয়া ইন্দু হাজৰিকা আইগৰাকীক। কিয়নো তেখেতে চিন্তা নকৰা হ'লে পাঠকসমাজে এই গ্ৰন্থভাগি লাভ নকৰিলেহেঁতেন। অসমৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট লোকসকলে তেখেতসকলৰ মূল্যবান লেখাসমূহৰে গ্ৰন্থখনিৰ পৰিপুষ্টি সাধন কৰাত আমি নথৈ কৃতজ্ঞ। তেখেতসকলৰ চিন্তাৰাজি অক্ষুণ্ণ ৰূপত প্ৰকাশ কৰা হৈছে। সম্পাদনা সমিতিৰ লগতে বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰয়াত দেৱকান্ত মহন্ত, ফণী হাজৰিকা, মৃণাল কুমাৰ হাজৰিকা, মৃদুল হাজৰিকা, দিনেশ মহন্ত, ভূপেন্দ্ৰ নাথ হাজৰিকা, পবিত্ৰ হাজৰিকাদেৱকে প্ৰমুখ্য কৰি সকলোলৈকে কৃতজ্ঞতা নিবেদিলো। গ্ৰন্থখনি কম সময়ৰ ভিতৰতে ছপা কৰি দিয়া বাবে ছপাখানাৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সকলো কৰ্মচাৰীলৈ আৰু বৰ্ণাশুদ্ধি চাই দিয়া বাবে শ্ৰীজ্যোতিপ্ৰভা গোস্বামীলৈ আমাৰ কৃতজ্ঞতা যাচিলো। শেষত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

*সহস্ৰ সহস্ৰ আতি অপৰাধ দিনে ৰাতি*
*কৰো মই মহা মূঢ়জন।*
*আমি প্ৰভু তযু দাস আকে মানি জগবাস*
*ক্ষমিয়োক শ্ৰীমধুসুধন।।*

—*নামঘোষা।।* ১৩৭

সেৱাৰে—

**দিগন্ত মহন্ত**

২২ জানুৱাৰী, ২০১৯

সম্পাদক

# সূচীপাত

শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ নামধৰ্ম ॥
ড° সঞ্জীৱ কুমাৰ বৰকাকতী ॥ ১৩
নামঘৰ ॥ ড° নৰেন কলিতা ॥ ২০
নামঘৰৰ উৎপত্তি ধৰ্মীয় তাৎপৰ্য আৰু বিৱৰ্তন ॥
ড° ৰাতুল চন্দ্ৰ বৰা ॥ ২৭
জয়-বিজয় মাহাত্ম্য ॥ ড° খৰ্গেশ্বৰ ভূএগ ॥ ৩৯
নামঘৰ ঃ আধ্যাত্মিক সমল ॥ দীনেশ মহন্ত ॥ ৫০
ৰসময়ী মাগোহো ভকতি ॥ ড° স্বাধীনতা মহন্ত ॥ ৭২
নামঘৰৰ বিভিন্ন অংগসমূহ ॥ ড° দূৰৰি গোস্বামী ॥ ৭৬
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ ॥ হিৰু প্ৰসাদ মহন্ত ॥ ৮২
নাম-প্ৰসঙ্গৰ মহত্ত্ব ॥ ফণীধৰ হাজৰিকা ॥ ৯১
নামঘৰৰ মুখ্য অংগ গুৰু আসন ॥ ৰিবা হাজৰিকা ॥ ৯৮
নামঘৰ আৰু ইয়াত সংৰক্ষিত পুথি আৰু বাদ্যযন্ত্ৰ ঃ এক অধ্যয়ন ॥ ড° গৌতম বৰা ॥ ১০৩
গুৰুজনাৰ নাটসমূহ ঃ এক চমু অৱলোকন ॥ ৰেৱত মহন্ত ॥ ১১০
মাধৱদেৱৰ ঝুমুৰা– এক অৱলোকন ॥ অলংকৃতা গোস্বামী ॥ ১১৭
ভাওনাৰ থলী নামঘৰ ॥ ভূপেন দাধৰা ॥ ১২৪
অসমৰ সমাজ ব্যৱস্থাত নামঘৰ আৰু উদ্‌যাপিত উৎসৱ অনুষ্ঠান ॥ দিগন্ত মহন্ত ॥ ১৩০
গৰুড় পক্ষীৰ জন্ম বৃতান্ত আৰু মাতৃৰ শাপ মোচন ॥ ১৩৫
নামঘৰ ঃ এখন লেখত ল'বলগীয়া গ্ৰন্থ ॥ উপেন্দ্ৰ বৰকটকী ॥ ১৩৯

# শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ নামধৰ্ম

ড° সঞ্জীৱ কুমাৰ বৰকাকতী

মধ্যযুগৰ কালছোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সামাজিক-ৰাজনৈতিক পৰিস্থিতি বৰ অশান্ত আৰু অস্থিৰ আছিল। মূল্যবোধৰ অৱক্ষয়ে পৰিস্থিতিৰ জটিলতা অধিক বৃদ্ধি কৰিছিল। তান্ত্ৰিক মাৰ্গৰ অশুভ সংস্কাৰসমূহে জনজীৱনক বিপৰ্যস্ত কৰিছিল। সৰ্বত্ৰ এক হতাশাৰ বাতাবৰণ বিৰাজ কৰিছিল। স্বাভাৱিকতে জনসাধাৰণে প্ৰজ্ঞা আৰু সংস্কৃতিৰ ধ্বজাবাহী পণ্ডিতসমাজৰ মুখলৈকে চাই আছিল। কিন্তু তেওঁলোকৰ মাজত অপসংস্কৃতিৰ গড্ডলিকা প্ৰবাহৰ বিপৰীতে থিয় দিব পৰা শক্তি আৰু সাহস কোনো এজনৰ নাছিল। গতিকে সময়ে অপেক্ষা কৰিছিল গন্ধৰ্ব কুসুম্বৰ ভূঞাৰ গৃহত শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰ্বিভাৱ হোৱালৈ। বৈদিক সংস্কৃতি ধমনীয়ে ধমনীয়ে প্ৰবাহিত হোৱা কণৌজমূলীয় ভূঞা বংশৰ এই নবাগতক যথা সময়ত জ্ঞান, বুদ্ধি, প্ৰজ্ঞাৰে বিভূষিত কৰি তুলিছিল পণ্ডিত মহেন্দ্ৰ কন্দলিয়ে। ভূঞা ৰাজ্যৰ উত্তৰাধিকাৰেও শ্ৰীমন্ত শঙ্কৰদেৱক প্ৰদান কৰিছিল সামাজিক কৰ্তৃত্ব। জ্ঞান, বুদ্ধি, শক্তিৰ অপূৰ্ব সমন্বয় ঘটিছিল তাৰাৰ মাজত। সমাজক অশুভ শক্তিসমূহৰ পৰা উদ্ধাৰ কৰিবলৈ সকলোৱে অধীৰভাৱে অপেক্ষা কৰি থকা ত্ৰাণকৰ্তাজনৰ অৱশেষত অভ্যুদয় ঘটিছিল।

প্ৰচণ্ড প্ৰতিভাশালী শ্ৰীমন্ত শঙ্কৰদেৱে তৎকালীন সমাজখনৰ কেৰোণসমূহ ভালদৰে বুজি পাইছিল। ধৰ্মশাস্ত্ৰসমূহ এচাম পুৰোহিতে নিজস্ব সম্পদৰূপে ৰাখি সেইবোৰৰ ইচ্ছামতে বিশ্লেষণ কৰি জনসাধাৰণক বিভ্ৰান্ত কৰিছিল।

দেৱী পূজাৰ নামত সমাজত ব্যভিচাৰমূলক কাৰ্য ঘটিছিল। বলিপ্ৰথাৰে পূজা প্ৰচলিত হৈ থকাত মানুহক বলি দিয়া হৈছিল। বলিৰ বাবে নিৰ্বাচিত 'ভোগী'য়ে যিকোনো মহিলাৰ শ্লীলতা হানি কৰিব পাৰিছিল। এই সমস্ত কুপ্ৰথাৰ বিৰুদ্ধে থিয় হ'বৰ বাবে প্ৰয়োজনীয় আত্মবিশ্বাস কাৰো মাজত নাছিল; কিয়নো তেওঁলোক শিক্ষিত নাছিল, শৈক্ষিক প্ৰতিষ্ঠান টোলসমূহ কেৱল উচ্চবৰ্ণৰ বাবে সংৰক্ষিত আছিল। তদুপৰি সামাজিক পৰিৱৰ্তনৰ বাবে আৱশ্যকীয় উমৈহতীয়া মঞ্চ ক'তো নাছিল।

এক সংস্কাৰ আন্দোলন গঢ়ি তুলিবৰ বাবেই হয়তো সম্পূৰ্ণ সচেতন পৰিকল্পনাৰে শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰিছিল একশৰণ নামধৰ্ম নামৰ এক ধৰ্মীয় পৰম্পৰা, সৃষ্টি কৰিছিল নামঘৰ নামৰ এটা প্ৰতিষ্ঠান আৰু পুৰোহিত নামৰ মধ্যভোগী ব্যৱস্থাৰ মূলোচ্ছেদ কৰিছিল। তাৰাই একশৰণ নামধৰ্মত একমাত্ৰ কৃষ্ণক উপাস্য দেৱৰূপে উপস্থাপন কৰি সমাজত ব্যভিচাৰৰ পোহাৰ মেলা তদানীন্তন দেৱী উপাসকসকললৈ এক প্ৰত্যাহ্বান আগবঢ়াইছিল। সহজ সৰল ভক্তিমাৰ্গৰ প্ৰসাৰেৰে তাৰাই জীৱ-জন্তুক বলি দি কৰা পূজা প্ৰথাৰ বিকল্প আগবঢ়াইছিল। জনগণৰ মুখৰ ভাষাত গীত-পদ-নাট ৰচনা কৰি সেইবোৰৰ বক্তব্যৰ মাজেৰে স্ত্ৰী-শূদ্ৰ প্ৰমুখ্যে সমাজৰ সমস্ত অৱহেলিত অংশক বিবেকবান আৰু প্ৰজ্ঞাবান কৰি তুলিছিল। অৱধাৰিতভাৱেই মহাপুৰুষজনাৰ ঈপ্সিত সংস্কাৰ আন্দোলনটো চুকে কোণে বিয়পি পৰিছিল আৰু প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হৈছিল। পাঁচটা শতিকাৰ পিছত আজিও সেই আন্দোলন সক্ৰিয়।

শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ নামধৰ্মৰ মূল তত্ত্ব হৈছে ভগৱান কৃষ্ণই একক পৰমসত্তা আৰু তেওঁক উপাসনা কৰিলেই জীৱৰ আত্মিক কল্যাণ সাধন হয়। কৃষ্ণৰ নাম-গুণসমূহ শ্ৰৱণ আৰু কীৰ্তন কৰিলেই তেওঁক উপাসনা কৰা হয়। ভক্তই ভগৱন্তৰ নামৰ মাজতে ভগৱন্তক বিচাৰি পাব পাৰে। তাৰবাবে তপ, জপ, যজ্ঞ, তীৰ্থ আদি কৰাৰ প্ৰয়োজন নাই। ঈশ্বৰৰ নামেই ঈশ্বৰৰ প্ৰতীক। সেইবাবে এই মাৰ্গত নামেই মূল সাধনা। যিজন ভকতে একান্ত চিত্তে ঈশ্বৰৰ নাম লৈ থাকে, তেওঁৰ জীৱাত্মা পৰমাত্মাৰ সৈতে একীভূত হৈ পৰে; সেয়ে এনে ভকতক ঈশ্বৰৰ মূৰ্ত ৰূপ বুলি ভক্তি কৰিব পাৰি। ভক্তিমাৰ্গৰ পথ প্ৰদৰ্শক গুৰুৰ ক্ষেত্ৰতো একেটা তত্ত্বই প্ৰযোজ্য। ভক্তই তেওঁকো ঈশ্বৰ বোধ কৰিব পাৰে। এইদৰে একশৰণ নামধৰ্মৰ গুৰুত্বপূৰ্ণ

চাৰি বস্তু গুৰু, দেৱ, নাম, ভকত অভিন্ন।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মতত্ত্বৰ উল্লেখনীয় দিশ হৈছে ঈশ্বৰ আৰু ব্ৰহ্মৰ অভিন্নতা। তাৰাই কৃষ্ণক ঈশ্বৰ ৰূপেও দেখুৱাইছে আৰু পৰমসত্তা ব্ৰহ্মৰূপেও দেখুৱাইছে। এইদৰে তাৰাই ভক্তিমাৰ্গ আৰু জ্ঞানমাৰ্গৰ সমন্বয় সাধন কৰিছে। নামক ঈশ্বৰৰ প্ৰতীক বুলি গ্ৰহণ কৰা বাবেই এইটো সম্ভৱ হৈ উঠিছে। চাৰি বস্তুৰ অভিন্নতা আৰু ব্ৰহ্ম ঈশ্বৰৰ অভিন্নতা একশৰণ নামৰ্ধমৰ অনন্য বৈশিষ্ট্য। উপনিষদীয় নঞাৰ্থক 'নেতি নেতি নেতি' অভিধাৰণাৰ সলনি এক ধনাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰা বাবেই শ্ৰীমন্ত শঙ্কৰদেৱে এনে অসাধ্য সাধন কৰিব পাৰিছিল। সনাতন ধৰ্মৰ আন গুৰুসকলে মনুষ্যদেহ তথা নৰজন্মক তুচ্চ জ্ঞান কৰাৰ বিপৰীতে শ্ৰীমন্ত শঙ্কৰদেৱে আধ্যাত্মিক উত্তৰণৰ আহিলা ৰূপে গণ্য কৰিছিল। তাৰাৰ এই বাস্তৱধৰ্মী, জীৱন মুখী দৃষ্টিকোণ সমকালীন ধৰ্মগুৰুসকলৰ মাজত অনন্য আছিল। সেইবাবে তাৰাই ধৰ্মীয় পৰম্পৰাৰ উপৰিও সাহিত্য, সংস্কৃতিৰ বিভিন্ন দিশত নিজ অনুগামীসকলক জড়িত কৰাইছিল। নৃত্য, গীত, নাট, ভাস্কৰ্য, চিত্ৰ, কৃষি, বয়নশিল্প আদি বিভিন্ন পৰিক্ষেত্ৰত সমানে ব্যুৎপত্তি অৰ্জন কৰাৰ পৰিৱেশ একশৰণ নামধৰ্মৰ উপৰিও আন কোনো সম্প্ৰদায়ত আছে বুলি আমি জ্ঞাত নহয়।

সনাতন ধৰ্মৰ অন্তৰ্গত আন বৈষ্ণৱ পন্থসমূহৰ পৰা শ্ৰীমন্ত শংকৰদেৱ প্ৰবৰ্তিত একশৰণ নামধৰ্মৰ কেতবোৰ মৌলিক পাৰ্থক্য আছে। তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্যটো হৈছে আন পন্থসমূহত বিষ্ণু উপাসনাৰ লগেত এক স্ত্ৰী সত্তাৰো উপাসনা কৰা হয়, যিটো নামধৰ্মত কৰা নহয়। ভাৰতৰ আন বৈষ্ণৱসকলে কৃষ্ণৰ লগতে ৰাধাক, ৰামৰ লগতে সীতাকো আৰাধনা কৰে। আনকি আলবাৰসকলেও শ্ৰী আদি দেৱীৰ প্ৰশস্তি গাইছিল। নামধৰ্মত এইটো গ্ৰহণযোগ্য নহয়, ইয়াত উপাসিকাক উপাস্যৰ সৈতে একে আসন দিয়া নহয়। ঠিক সেইদৰে নামধৰ্ম ভিন্ন আন বৈষ্ণৱ মাৰ্গসমূহৰ মন্দিৰত কৃষ্ণ বা বিষ্ণুৰ সৈতে শিৱকো আৰাধনা কৰা হয়, কিন্তু একশৰণ নামধৰ্মত শিৱক এজন ভক্ত হিচাপেই উপস্থাপন কৰা হয়, আৰাধ্য ৰূপে নহয়। 'হৰমোহন' অধ্যায়ত এই কথা সুস্পষ্ট হৈ পৰে।

আনকি কৃষ্ণভক্তিৰ ক্ষেত্ৰতো শ্ৰীমন্ত শঙ্কৰদেৱে আন বৈষ্ণৱ গুৰু সকলতকৈ অলপ পাৰ্থক্য প্ৰদৰ্শন কৰিছিল। ভক্তিৰ নৱিধ পন্থৰ ভিতৰত

তাৰাই দাস্যভাৱৰ ভক্তি গ্ৰহণ কৰিছিল। তাৰ বিপৰীতে আমি সনাতন ধৰ্মৰ আন কৃষ্ণভক্তসকলৰ মাজত মধুৰভাব বা সখিত্ব ভাৱৰ প্ৰাধান্য দেখোঁ। শ্ৰীমন্ত শঙ্কৰদেৱে মধুৰ ভাৱৰ ভক্তি সযতনে পৰিহাৰ কৰিছিল। এনে ভক্তি বৈষ্ণৱী সত্তাক উপাস্যৰ সৈতে একেলগে উপস্থাপন কৰা পন্থসমূহৰ মাজত সঠিকভাৱে দেখা গৈছিল আৰু সেইসকলেই সহজীয়া পন্থ প্ৰৱৰ্তন কৰি সমাজত ব্যভিচাৰ বিয়পাইছিল। আপাতদৃষ্টিত ভক্তিমাৰ্গৰ অনুগামী সেইসকল লেখকৰ বাবে নাৰীসমাজৰ আনকি সন্মান হানি হৈছিল। গতিকে মধুৰ ভাৱৰ পৰিৱৰ্তে দাস্যভাৱক গুৰুত্ব দিয়াৰ অন্তৰালতো এক সামাজিক প্ৰয়োজন আছিল। এই দিশবোৰে শ্ৰীমন্ত শংকৰদেৱৰ সংস্কাৰী সত্তাক প্ৰতিপাদিত কৰে। সামাজিক সংস্কাৰৰ প্ৰয়োজনে তাৰাক এক নতুন ধৰ্মীয় পন্থ প্ৰৱৰ্তন কৰিবলৈ প্ৰণোদিত কৰিছিল বুলি ভবাৰ বহুখিনি অৱকাশ আছে। তাৰাৰ বিশাল ৰচনাৱলীৰ পৃষ্ঠাই পৃষ্ঠাই ভৰি থকা সংস্কাৰমূলক উপদেশসমূহেও এইকথা সাব্যস্ত কৰে।

শ্ৰীমন্ত শঙ্কৰদেৱে যিহেতু ঈশ্বৰৰ নামক ঈশ্বৰৰ প্ৰতীকৰূপে গ্ৰহণ কৰিছিল, তাৰাৰ পন্থত মূৰ্তি পূজাৰ ব্যৱস্থা ৰখা হোৱা নাছিল। কীৰ্তনঘৰৰ গুৰু আসনত ভগৱন্তৰ নাম-গুণ সম্বলিত ক্ষুদ্ৰ পুস্তক 'গুণমালা'খন ৰখা হৈছিল। ভাগৱতৰ সংক্ষিপ্ত সাৰ 'গুণমালা'ত কৃষ্ণলীলাসমূহ বৰ্ণিত হোৱা বাবে স্বয়ং কৃষ্ণৰ প্ৰতীকৰূপে গ্ৰহণ কৰা হয়। একশৰণ নামধৰ্মৰ এই পৰম্পৰা সনাতন ধৰ্মত এক নব্য সংযোগ আছিল। শ্ৰীমন্ত শংকৰদেৱৰ পৰা আধ্যাত্মিক মাৰ্গদৰ্শন গ্ৰহণ কৰি পৰৱৰ্তীকালত সুকীয়া শিখধৰ্ম প্ৰৱৰ্তন কৰা নানকেও তাৰাৰ আৰ্হি গ্ৰহণ কৰি 'গ্ৰন্থচাহিব' শাস্ত্ৰখনক পৰমসত্তাৰ প্ৰতীকৰূপে উপস্থাপন কৰে।

একশৰণ নামধৰ্মত জাতি-বৰ্ণ-লিঙ্গ আদিৰ ভিত্তিত ভেদভাৱ নাই। শ্ৰীমন্ত শংকৰদেৱে এই পন্থটো এক উদাৰ মতবাদৰ শক্তিশালী ভেটিত গঢ়ি তুলিছিল। তদানীন্তন সমাজখনত উচ্চবৰ্ণৰ লোকে সামাজিক, ধৰ্মীয়, সকলো পৰিক্ষেত্ৰতে প্ৰভূত্ব বিস্তাৰ কৰি থকাৰ বিপৰীতে মহাপুৰুষজনাই তাৰাৰ পন্থৰ দুৱাৰখন সকলোৰে বাবে মুকলি কৰি দিছিল। কেৱল সিমানেই নহয়, সকলো ভকতে কীৰ্তনঘৰৰ মজিয়াত একেলগে বহিব আৰু একেলগে ঈশ্বৰৰ উদ্দেশ্যে আগবঢ়োৱা প্ৰসাদ গ্ৰহণ কৰিব পাৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ অনুগামী নানকেও এই পৰম্পৰাতে গুৰুদ্বাৰত লঙ্গৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। ইয়াৰ উপৰিও

মন কৰিবলগীয়া কথা এয়ে যে শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰসাদৰ উপাদানসমূহ চয়ন কৰোঁতেও ভকতসকলে যাতে উপযুক্ত পৰিমাণে খাদ্যপ্ৰাণ, প্ৰ'টিন আদি লাভ কৰিব পাৰে তাৰ প্ৰতি চকু দিছিল আৰু তাৰ লগত হজমকাৰক উপাদানো সন্নিৱিষ্ট কৰি দিছিল।

কৰ্মসংস্কৃতি শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ নামধৰ্মৰ অন্যতম বৈশিষ্ট্য। অন্য ধৰ্মগুৰুসকলৰ দৰে তাৰাই কেতিয়াও কৰ্মজীৱন ত্যাগ কৰিবলৈ কোৱা নাছিল, বৰঞ্চ শিষ্যসকলক গতানুগতিক বৃত্তিমূলক কৰ্মসমূহ সাত্বিকভাৱে কৰি যাবলৈহে উপদেশ দিছিল। তাৰাৰ পন্থত কেইগৰাকীমান কেৱলীয়া ভকত আছিল যদিও সেইসকল ব্যতিক্ৰমহে আছিল। সচৰাচৰ সকলো ভকতে গাৰ্হস্থ্য জীৱন যাপন কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱে মধুকৰী বৃত্তি ভাল নাপাইছিল আৰু শিষ্যসকলক নিজে উপাৰ্জন কৰি ল'বলৈ পৰামৰ্শ দিছিল। সম্ভৱতঃ পৃথিৱীত তাৰাই একমাত্ৰ ধৰ্মগুৰু যিজনে নিজৰ প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবে নিজে কৃষিকৰ্ম কৰাইছিল। তাৰাই শিষ্যৰ পৰা কোনো বৰঙণি নিবিচাৰিছিল, বৰঞ্চ কোনোৱে কিবা উপহাৰ দিলে ঘূৰাই দিবলৈহে বিচাৰিছিল। তাৰাৰ সৈতে থান চৌহদত থকা ভকতসকলে বিভিন্ন বৃত্তিত আত্মনিয়োগ কৰিছিল, যিটো পৰম্পৰা এতিয়াও থান-সত্ৰসমূহত পালন কৰি থকা হৈছে। প্ৰতিখন সত্ৰৰ নিগাজী বাসিন্দা ভকতসকলে সত্ৰৰ পৰা কিছু কৃষিৰ বাবে উপযোগী ভূমি লাভ কৰে আৰু তেওঁলোকে তাত কৃষিকৰ্ম কৰি প্ৰৱৰ্তিৰ লাগে। এই পৰম্পৰাৰ দ্বাৰা শ্ৰীমন্ত শঙ্কৰদেৱে থান-সত্ৰসমূহক আত্মনিৰ্ভৰশীলৰূপে গঢ় দি গৈছে, যাৰফলত পাঁচটা শতিকাৰ পিছতো এই থান-সত্ৰসমূহে বাহ্যিক সাহায্য নোহোৱাকৈও চলি থাকিব পাৰিছে।

ভক্তি কৰাৰ বাবে যি নৱিধ উপায় আছে, শ্ৰীমন্ত শঙ্কৰদেৱে তাৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তন নিৰ্বাচন কৰিছিল। হৰিনাম শ্ৰৱণ আৰু কীৰ্তন কৰি ভগৱন্তক ভক্তি কৰিবলৈ তাৰাই সকলোকে পৰামৰ্শ দিছিল। এনেদৰে সমূহীয়াভাৱে হৰিনাম কীৰ্তন কৰাৰ বাবেই একশৰণ নামধৰ্মৰ উপাসনা গৃহৰ নাম কীৰ্তনঘৰ হৈছিল। ১৪৬৮ খ্ৰীষ্টাব্দত বৰদোৱাত প্ৰথমবাৰ ৰাজহুৱাভাৱে সমূহীয়া নাম-কীৰ্তন সম্পন্ন হৈছিল। এইদৰে হৰিনাম কীৰ্তনক প্ৰথমবাৰৰ বাবে এক আনুষ্ঠানিক ৰূপ দিয়া হৈছিল। প্ৰাচীনকালৰ পৰা কীৰ্তনক নৱধা ভক্তিৰ অন্তৰ্ভুক্ত এক উপায় হিচাপে স্বীকৃতি দি অহা হৈছে যদিও শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰথমবাৰৰ বাবে ইয়াক আনুষ্ঠানিক পৰম্পৰাপৰূপে উপস্থাপন

কৰে। গতিকে চৈতন্যদেৱ (১৪৮৬-১৫৩৩ খ্রীষ্টাব্দ)ক সঙ্কীৰ্তনৰ উদ্ভাৱক বুলি অভিহিত কৰা কথাটো শুদ্ধ নহয়। মহাপুৰুষীয়া পৰম্পৰাৰ নাম-কীৰ্তন চৈতন্যপন্থৰ সংকীৰ্তনতকৈ কেইবা দশক পুৰণি। নিশ্চিতভাৱে চৈতন্যদেৱে ভক্তিৰ এই উপায়টোক অধিক জনপ্ৰিয় কৰি তোলে। কিন্তু সংকীৰ্তন ধাৰাৰ ভক্তিমাৰ্গৰ বাটকটীয়া বুলি শ্ৰীমন্ত শঙ্কৰদেৱক স্বীকৃতি দিবই লাগিব।

একশৰণ নামধৰ্মৰ অনুগামীসকলৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্তনঘৰ বা নামঘৰ নামৰ যি উপাসনা গৃহ সৃষ্টি কৰিছিল, সেইটো সনাতন ধৰ্ম তথা বিশ্বৰ সকলো ধৰ্মতে বিৰল। ইটা, শিল আদিৰে নিৰ্মিত সচৰাচৰ ব্যয়বহুল উপাসনা গৃহৰ বিপৰীতে তাৰাই প্ৰকৃতিত উপলব্ধ বাঁহ, কাঠ, খেৰ আদিৰে কম ব্যয়ৰ এক উপাসনা গৃহ প্ৰৱৰ্তন কৰিছিল। ই পৰ্যাবৰণৰ সৈতে খাপ খোৱা আছিল আৰু লগতে ভকতসকলক ৰাজকীয় সহায়ৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পৰা ৰক্ষা কৰিছিল। সাম্প্ৰতিক কালত কীৰ্তনঘৰ বা নামঘৰসমূহৰ নিৰ্মাণ ব্যয়বহুল হোৱা দেখা গৈছে যদিও ইয়াৰ কাৰ্যাৱলীত ব্যৱহৃত কলপাত, খৰাহি আদি সামগ্ৰীসমূহ এতিয়াও পৰ্যাবৰণৰ অনুকূল হৈ আছে। তদুপৰি শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰবৰ্তন কৰা এই উপাসনা গৃহটোৰ আন এক বৈশিষ্ট্য আছিল ইয়াৰ মুকলি পৰিৱেশ আৰু আঁৰ-বেৰ নোহোৱা ব্যৱস্থা, যাৰফলত ভকতসকলে গোৱা গীত-পদসমূহ চৌদিশে বিয়পি পৰি সকলোকে সংযত জীৱনৰ বাবে প্ৰণোদিত কৰিছিল। একশৰণ নামধৰ্মৰ এই সামাজিক দিশটো বিশ্বৰ ভিতৰতে অনন্য। একশৰণ নামধৰ্মৰ অভ্যুদয়ৰ অন্তৰালত থকা সামাজিক সংস্কাৰৰ প্ৰয়োজনীয়তা কীৰ্তনঘৰৰ পৰিকল্পনাতো প্ৰতিফলিত হৈছিল।

একশৰণ নামধৰ্মৰ এক অন্যতম বৈশিষ্ট্য হৈছে ধৰ্মীয় উপদেশবাণী কঢ়িয়াই নিয়াৰ বাবে সাংস্কৃতিক উপাদানৰ ব্যৱহাৰ। এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সমগ্ৰ বিশ্বতে বাটকটীয়া আছিল। তাৰাই নিজৰ ধৰ্ম-দৰ্শন সম্পৰ্কীয় বক্তব্যসমূহ জনসমাজলৈ কঢ়িয়াই নিয়াৰ বাবে বৰগীত, অঙ্কীয়া নাট আদি সাংস্কৃতিক আহিলাসমূহ উদ্ভাৱন কৰিছিল। আনকি ভাওনাত ব্যৱহৃত আহাৰ্যসমূহতো গঠনমূলক বক্তব্য সোমাই আছিল। মহাপুৰুষজনাই সমূহীয়া প্ৰাৰ্থনাবোৰতো সঙ্গীত প্ৰয়োগ কৰিছিল। গায়ন-বায়নৰ ঢেৰাপাক আদিৰ মাজেৰে ধৰ্মীয় তত্ত্ব সাৱলীলভাৱে উপস্থাপন কৰা হৈছিল। তাৰফলত কঠিন দাৰ্শনিক তত্ত্বও সহজবোধ্য হৈছিল। একশৰণ নামধৰ্মৰ এই বৈশিষ্ট্যই ইয়াক সৰ্বজন সমাদৃত কৰিছিল। এনেদৰে সাংস্কৃতিক আহিলাৰে ধৰ্ম প্ৰচাৰ কৰাৰ নিদৰ্শন পৃথিৱীত বিৰল।

শ্ৰীমন্ত শঙ্কৰদেৱৰ সংস্কৃত ভাষাৰ ওপৰত যথেষ্ট দখল আছিল। তাৰাৰ সংস্কৃত গ্ৰন্থ 'ভক্তি ৰত্নাকৰ' আৰু 'মধু দানৱ...' তোটয়ৰ পৰাই সেই পাণ্ডিত্যৰ আভাস পোৱা যায়। কিন্তু তাৰাই বেছিভাগ ৰচনা জনগণৰ কথিত ভাষাতে প্ৰস্তুত কৰিছিল যাতে সৰ্বসাধাৰণ ৰাইজে সেইবোৰ বুজিব পাৰে আৰু মধ্যভোগী পুৰোহিত শ্ৰেণীৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। সনাতন ধৰ্মত এইটো এক বৈপ্লৱিক পৰিৱৰ্তন আছিল। আনকি নিজৰ দৰ্শনক বিশ্বসমাজত প্ৰতিষ্ঠিত কৰিবৰ বাবে গ্ৰন্থ প্ৰৱৰ্তকসকলে বাদৰায়ণৰ ব্ৰহ্মসূত্ৰ গ্ৰন্থখনৰ সংস্কৃত ভাষ্য আগবঢ়োৱাৰ পৰম্পৰাটোৰ প্ৰতিও শ্ৰীমন্ত শংকৰদেৱে কোনো আগ্ৰহ প্ৰদৰ্শন নকৰিলে। সাম্প্ৰতিক কালতহে আমাৰ দৰে অনুগামীসকলে তাৰাৰ দৰ্শনক আছুতীয়া নামসহ প্ৰতিষ্ঠা কৰাৰ উদ্যম গ্ৰহণ কৰিছে।

বৰগীত আৰু অঙ্কীয়া নাটসমূহত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ উপৰি উক্ত সমীক্ষাৰে অংশ আছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ অন্য ৰচনাসমূহত ব্যৱহৃত অসমীয়া ভাষা তদানীন্তন সাধু ভাষাটো আছিল, কিন্তু বৰগীত অঙ্কীয়া নাটত ব্যৱহৃত ভাষা সেইকালৰ প্ৰচলিত অসমীয়া ভাষাৰ এক কথিত ৰূপ আছিল। পশ্চিম অসমত বেছিকৈ প্ৰচলিত এই ৰূপটো মিথিলা প্ৰমুখ্যে উত্তৰ ভাৰতৰ এলেকাসমূহৰ কথিত ৰূপৰ ওচৰ চপা আছিল, কাৰণ সেই সকলোবোৰ ভাষা একে উৎসৰ পৰা উদ্ভৱ হৈছিল। এই ভাষিক ৰূপটো চয়ন কৰি শ্ৰীমন্ত শঙ্কৰদেৱে খাটিখোৱা লোকসলকৰ প্ৰতি সন্মান জনাইছিল; চৰ্যাপদৰ সময়ৰ পৰা আন কোনেও সেই কাম কৰা নাছিল। স্বাভাৱিকতে আপামৰ জনতাই মহাপুৰুষজনাৰ বক্তব্যসমূহ মন দি শুনিছিল আৰু তাত পতিয়ন গৈ তাৰাক গুৰু হিচাপে বৰণ কৰিছিল। ■

---

*লেখক আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়, নগাঁৱৰ অধ্যাপক আৰু বিশিষ্ট গৱেষক।*

# নামঘৰ

ড° নৰেন কলিতা

অসমৰ জাতীয় জীৱনৰ পৰা বিছিন্ন কৰিব নোৱাৰাকৈ জড়িত থকা নামঘৰৰ মহত্বৰ লগত অসমীয়া মানেই সুপৰিচিত। জাতীয় অখণ্ডতাৰ ক্ষেত্ৰত কোনো সংকট উপস্থিত হ'লে বা ভাবুকি আহিলে নামঘৰেই এটা প্ৰতিষ্ঠান, যি অসমক, অসমৰ মানুহক একগোট কৰি ৰাখিব পাৰে। কুখ্যাত গ্ৰুপিং ব্যৱস্থাৰ পৰা অসমৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰা উদাহৰণটো আজিৰ পৰা প্ৰায় এশ বছৰমানৰ আগৰ উল্লেখযোগ্য উদাহৰণ। এইক্ষেত্ৰত গোপীনাথ বৰদলৈ আৰু মহাত্মা গান্ধী সদায় স্মৰণীয় হৈ থাকিব।

নামঘৰৰ লগত জড়িত বহুতো কথাৰ ভিতৰত সমাজৰ আধ্যাত্মিক চিন্তা-চেতনাই আৰম্ভণিৰ পৰাই মুখ্য ভুমিকা লৈ আহিছিল। একেদৰে সমাজৰ নন্দনদৃষ্টিৰ প্ৰকাশ যিবোৰ নামঘৰৰ স্থাপত্য আৰু শিল্পবস্তুৰ মাজেৰে পৰিস্ফুট হৈছিল, সেই ক্ষেত্ৰতো আধ্যাত্মিক চিন্তা-চেতনাৰ ভূমিকাই আছিল প্ৰশস্ত।

নামঘৰ নামৰ আধ্যাত্মিক ক্ষেত্ৰখনৰ বিষয়ে কিছু প্ৰশস্ত ৰূপত প্ৰথম উল্লেখ পোৱা যায় কুৰুৱাবাহী সত্ৰৰ ভাগৱত পাঠক ৰমানন্দ দ্বিজ বিৰচিত শ্ৰীশ্ৰীবংশীগোপাল দেৱৰ চৰিতত। পুথিখনৰ ৰচনাকাল বংশীগোপালৰ ১৬২২ খ্ৰীষ্টাব্দত তিৰোভাৱৰ কিছু পিছৰ অৰ্থাৎ সপ্তদশ শতিকা। তেতিয়াৰ পৰাই নামঘৰ নামৰ শব্দটো জনপ্ৰিয় হৈছিল বুলি ক'ব পাৰি। পুথিখনৰ একাধিক স্থানত 'নামৰ ঘৰ' শব্দকেইটাৰ উল্লেখ আছে। অকল উল্লেখেই নহয় শব্দকেইটাই আৱৰি লোৱা পবিত্ৰ ক্ষেত্ৰখন যে সেই সময়তে বিবিধ চিন্তা-চেতনাৰে সমৃদ্ধ

হৈছিল, সেইটোও বুজিব পাৰি। আনহাতে এই ক্ষেত্ৰখনে প্ৰতিনিধিত্ব কৰা বিশেষ অনুষ্ঠানটো আছিল সত্ৰ আৰু সত্ৰীয়া স্থাপত্য। অকল সেয়ে নহয় আজিৰ দিনত এখন সত্ৰ (বিশেষভাৱে উল্লেখযোগ্য হৈছে কেৰলীয়া সত্ৰ) বুলিলে যিবোৰ অংগ-প্ৰত্যংগৰে (নামঘৰ বা কীৰ্তনঘৰ, হাটীবহা আদি) অনুষ্ঠানটো সম্পূৰ্ণ হয়, চৰিত পুথিখনে তেনে এটা পূৰ্ণাংগ স্থাপত্যৰো ধাৰণা দিয়ে। উল্লেখযোগ্য যে, এনে এটা স্থাপত্যসজ্জাৰ এপদ অলংকাৰ মগৰক লৈ ৰজাঘৰ আৰু সত্ৰৰ মাজত ভুল বুজাবুজি হোৱাৰ ঘটনা বা দুৰ্ঘটনা এটাৰ কথাও চৰিত পুথিখনত বৰ্ণনা কৰা হৈছে। সত্ৰ নামঘৰ কেন্দ্ৰিক আৰু নামঘৰেই সকলো সত্ৰ প্ৰতিষ্ঠানৰ মূল।

মহাপুৰুষ শঙ্কৰদেৱৰ তিৰোভাৱৰ এটা মান দশকৰ ভিতৰত (অথবা অলপ পিছত) মহাপুৰুষ মাধৱদেৱৰ দিনত বৰপেটাত নিৰ্মাণ কৰা ৰঙিয়াল-ঘৰটিয়েই নামঘৰৰ পূৰ্বসূৰী হ'ব পাৰে। 'গুৰুচৰিত কথা'ত ৰঙিয়াল ঘৰ নিৰ্মাণৰ বিষয়েও বহলভাৱে উল্লেখ আছে। গুৰুজন বৈকুণ্ঠলৈ উঠাৰ পিছত ঠাকুৰ আতাই জীৱক পৰমাৰ্থত লগাবলৈ আৰু ধৰ্মৰ হাটখনো বহলাবলৈ 'বাজে হাতী হিংকৈ বৰঘৰ গায়ন বায়ন নটুৱা যাত্ৰা' কৰিবলৈ সখিয়েক মাধৱদেৱক খাটনি ধৰিছিল। ঠাকুৰ আতাই 'বাজে হাতী হিংকৈ' কথাষাৰ সহজবোধ্য হ'ব পৰাকৈ এজন সদাগৰ আৰু এজন ধূৰ্তৰ সংবাদটো যোগ দিলে। সদাগৰজনে জাতি হিঙৰ বেহাৰ কৰিছিল। কিন্তু বেহাৰত তেওঁ লাভৰ মুখ দেখা পোৱা নাছিল। কিয়নো জাতি হিং নিষ্কাষণ কৰোঁতে যি ব্যয় হয়, বিক্ৰী কৰি লাভ নাপায়, মূলৰো যায়হে। সেয়ে তেওঁৰ বৰ দুখ। এদিন এজন মানুহে লগ পালে সদাগৰক আৰু তেওঁৰ দুখৰ কাৰণ সুধিলে। সদাগৰে দুখৰ কথা সদৰি কৰাৰ পিছত মানুহজনে তেওঁক বুদ্ধি দি ক'লে যে সদাগৰে অলপ জাতি হিং তেওঁৰ হাতীটোৰ কুম্ভস্থলত সুমুৱাই দিলে হাতীটো মৰিব আৰু তাৰ গোটেই গাটো হিংময় হ'ব। তেতিয়া তাৰ মঙহ ডোখৰ ডোখৰ কৰি শুকুৱাই বেচিলে সদাগৰে বহুত ধন পাব। সদাগৰেও তাকে কৰিলে আৰু বুঢ়ী দুখুনী এজনীয়ে হিংময় হাতীৰ মঙহ একড়ি দুকড়ি দি কিনিবলৈ সমৰ্থ হ'ল। উদাহৰণটোৰে ঠাকুৰ আতাই ইয়াকো বুজাব খুজিলে যে হিং দি হাতীৰ মঙহ হিংময় কৰা আৰু হাটী বাতি (ভকতৰ হাটী বা চুবুৰী) কৰি ভকতৰ সংখ্যা বঢ়াব লাগে। নহ'লে চৰিত পুথিত আছে, মাধৱৰ ওচৰত দায়গ্ৰস্ত ভকতে তেৰাৰ সঙ্গ এৰি দামোদৰ গোসাঁইৰ ভকত সম্প্ৰদায়ৰ মাজত স্থান পাবলৈ ধৰিছে আৰু সেইমতে

দামোদৰৰো ভকত সম্প্ৰদায়ৰ বিস্তাৰ ঘটিছে। সখিৰ কথা শুনি মাধৱদেৱৰ খং উঠিল যদিও পিছত তেখেতক জানিবলৈ দিলে যে এনেধৰণৰে ভক্ত সংকুল গঠন কৰা, বৰঘৰ বৰমেল নটুৱা যাত্ৰা কৰাৰ ক্ষেত্ৰত গুৰুজনে বাধা দি গৈছে। সেয়ে এনে কৰা সম্ভৱ নহয়। কিন্তু মাধৱদেৱ পুৰুষক বৰপেটাত থাকিবলৈ সাজি দিয়া তিনি পুলিৰ ঘৰটো ঠেক হোৱাত তেৰাই নিজেই এফেৰি হৰিমন্দিৰ সজাৰ ইচ্ছা প্ৰকাশ কৰিলে মথুৰা দাস বুঢ়াআতাৰ আগত।

ৰাম লাডুৱা নামৰ এজন বৃদ্ধলোক সপত্নীক আছিল বৰপেটাত। তেওঁৰ এখন চোমনি বাৰী আছিল। সম্বন্ধত ৰাম লাডুৱা বুঢ়া আতাৰ পেহাক। তেওঁৰ পৰা চোমনি বাৰীখনৰ মাটি খুজি ল'লে গুৰুজনে। কীৰ্তন ঘৰ সজাৰ প্ৰস্তুতি চলিল। পৰ্বতীয়া কৃষ্ণ আতৈ, ৰাম কাৰিকৰ আতৈ, বিভীষণ আতৈ আদি প্ৰসিদ্ধ বাঢ়ৈসকল আহিল কাম কৰিবলৈ। সাঁ-সজুলি আদিৰ যোগানেৰে সহযোগ কৰিলে নাৰায়ণ দাস ঠাকুৰ আতা, দক্ষিণকুলীয়া বৰ বিষ্ণু আতা, উৰপোতৰ পঢ়িয়া মাধৱ, ভৱানীপুৰীয়া গোপাল আতা আদি বহুকেইগৰাকী গণ্য-মান্য লোকে। বালিচন্দা, ৰাংপতা, হেঙুল, মুঠি কচৰু আদি বস্তুও পৰ্যাপ্ত পৰিমাণে গোট খালে। সময়ত হেঙুল হাইতাল বুলোৱা, ৰাংপতা মুৰি দিয়া ৰজত সুবৰ্ণ যেন ৰঙিয়াল বা ৰঙ্গায়ন ঘৰটি স্থিত হ'ল। ৰঙিয়াল ঘৰ ৰঙ্গগৃহৰ সমাৰ্থক। গায়ন-বায়ন, নটুৱা যাত্ৰা ইয়াত পৰিবেশন কৰা শিল্পবস্তু। মন কৰিবলগীয়া কথা হৈছে আজিকালিৰ বহু ঠাইত নামঘৰেই নাটঘৰ হৈ আছে। গতিকে নামঘৰৰ বিকাশৰ মূলত নাটঘৰ বা ৰঙ্গগৃহৰ তাৎপৰ্য জড়িত হৈ থকাৰ কথা স্পষ্ট হয়। নামঘৰ ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ। নামঘৰেই যিহেতু নাটঘৰ, সেয়ে ইয়াৰ লগত লীলা চেতনা অৰ্থাৎ ভগৱানৰ বিনোদন লীলা জড়িত।

নামঘৰৰ স্থাপত্য সৰল আৰু অনাড়ম্বৰ। ভক্তিধৰ্মৰ সৰলতাৰে প্ৰভাৱিত নামঘৰৰ স্থাপত্যক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে ভূয়সী প্ৰশংসা কৰি গৈছে। ১৯৩৬ চনত তেওঁ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱালৈ আহি ইয়াত দেখিবলৈ পোৱা নামঘৰটোৰ লগতে ভাস্কৰ্যত ৰৌপিক সৰলতা দেখিবলৈ পাই বিস্ময়াভিভূত হৈ পৰিছিল। 'অসমীয়া স্থাপত্যৰ নৱৰূপ' নামৰ লেখা এটাত তেখেতে ৰৌপিক সৰলতাৰ বিষয়ে উল্লেখ কৰিছে যে নামঘৰত আলংকাৰিক আড়ম্বৰ নাই, কেৱল নৈৰ্মাণিক গঢ় এটা সহজ-সৰল ছিমেট্ৰীৰ মাজেৰে ফুটাই তোলা হৈছে। এইবিধ স্থাপত্যৰ প্ৰাথমিক চৰ্ত হৈছে আৱশ্যকতা, অৰ্থাৎ ব্যৱহাৰোপযোগিতা। ইয়াৰ ছিমেট্ৰীক বিন্যাসৰ বাবে প্ৰয়োজন জ্যামিতিক

সংৰচনা। এনে স্থাপত্যৰ প্ৰাথমিক চৰ্তটো হৈছে সৰল ৰূপপ্ৰজ্ঞা, যি অসংখ্য যোগ বিভাজন নিবিচাৰে। অসংখ্য কোণ বিভাজন ভাৰতীয় শৈল মন্দিৰৰহে বস্তু; নামঘৰত সেয়া নাই, নিতান্তই ঋজু অৰ্থাৎ সৰল।

সময় পাৰ হৈ যোৱাৰ লগে লগে ভকতসকলে নামঘৰৰ লগত বিবিধ তাত্ত্বিক ধাৰণা সংযোগ কৰিবলৈ ধৰিলে। এনেবোৰ ধাৰণা সেইবোৰৰ অন্তৰ্নিহিত তাৎপৰ্যৰে ভকতীয়া চৰ্চনৰ অন্তৰ্ভুক্ত হ'ল। ইয়াত তেনেকুৱা কেইটামান চৰ্চন উল্লেখ কৰিলো।

১) নামঘৰক ভগৱানৰ কূৰ্মৰূপ বুলি ধৰা হয়। এই ধাৰণাৰ আধাৰত নামঘৰ নিৰ্মাণৰ অৰ্থাৎ ইয়াৰ স্থাপত্যৰ চানেকি এটাই ৰূপ গ্ৰহণ কৰে। নামঘৰৰ চালখনত চানেকিটোৰ প্ৰতিফলন ঘটিছে— কূৰ্মৰ চলংখনৰ পিছফাল ঘেৰ খোৱাৰ দৰে গোলাকাৰ। একেদৰে নামঘৰৰ স্থাপত্য চানেকিটোও গোলাকাৰ টুপ এটাৰে অৰ্দ্ধগোলাকাৰ হয়। এনেধৰণৰ নামঘৰ দেখিবলৈ পোৱা যায় মধ্য অসম, উজনি অসম আৰু মাজুলীত। চৰ্চনটো ব্যাখ্যা কৰি কোৱা হয় যে কূৰ্মৰ ঠাঁচতে নামঘৰত তিনিখন দুৱাৰ থাকিব লাগে। এখন টুপত মূধচৰে প্ৰৱেশ কৰিবলৈ আৰু আন দুখন উত্তৰ আৰু দক্ষিণৰ পেট দুৱাৰ। উত্তৰৰ দুৱাৰ মোক্ষত কিন্তু দক্ষিণৰ দুৱাৰখন যমৰ দুৱাৰ বুলিয়েই ভাৰতীয় পৰম্পৰাত পৰিচিত। নামঘৰৰ বেলিকা কোনো কোনো ঠাইত এই বিধি মানি চলা হোৱা নাই।

২) আন এটা চৰ্চন মতে নামঘৰক কল্পতৰুৰ লগত তুলনা কৰা হয়। কোৱা হয় যে কল্পতৰুৰ চৈধ্যতা শাখা থকাৰ দৰে নামঘৰৰো চৈধ্যটা খুঁটা থাকিব লাগে। চৈধ্যটা খুঁটাই চৈধ্য পাৰিষদক অথবা চৈধ্যজন সাক্ষীৰ গুৰুত্ব দাঙি ধৰে। চৈতন্যময় আদি নিৰঞ্জনৰ শক্তি লাইখুঁটাটোত আৰোপ কৰা হয়। শাস্ত্ৰৰ মতে ভাগৱতেই কল্পতৰু। 'ৰহস্য বিচাৰ' নামৰ এখন পুথিত কল্পতৰুৰ তিনিটা প্ৰকাৰৰ কথা উল্লেখ আছে। সেয়া ভক্তিবৃক্ষ, ধৰ্মবৃক্ষ আৰু মায়াবৃক্ষ। পুথিখনৰ পৰা প্ৰতিবিধ বৃক্ষৰ ৰূপ-ৰহস্য আৰু লক্ষণৰ সবিশেষ কথা জনা যায়। বৃক্ষৰূপত দেৱতাৰ আৰু জীৱদেহৰ কল্পনা মানুহৰ আদিমতম বৃত্তি/ প্ৰবৃত্তিৰ পৰা আহিব পৰাৰ সম্ভাৱনাৰ বিষয়ে ড° কুমাৰ স্বামীৰ 'যক্ষ' নামৰ গ্ৰন্থখনত উল্লেখ পোৱা যায়।

৩) তীৰ্থনাথ গোস্বামী ডাঙৰীয়াই তেখেতৰ 'নামঘৰ' নামৰ সৰু গ্ৰন্থখনত উল্লেখ কৰিছে যে নামঘৰৰ টুপটো গোলাকাৰ হ'ব লাগে। বৈকুণ্ঠত ভকত বৈষ্ণৱ পাৰিষদবৰ্গই গোলাকাৰে বহি কীৰ্তন কৰে বাবেই টুপটো

গোলাকাৰ হোৱা প্ৰয়োজন।

৪) জীৱদেহৰ লগতো নামঘৰৰ ৰজিতা থকাৰ কথা এটা চৰ্চনত পোৱা যায়। অনাদি পাতনত আছে "ব্ৰহ্মাণ্ডৰ গুণ মানে আছে শৰীৰত" আৰু তাতে "সমস্ত চৌবিশ তত্ব কৰিলা নিৰ্মাণ"। হৃদয়কমলৰ আঠোটা পাহ। অনাদি পাতনৰ মতে— "আপুনি ঈশ্বৰ আছা হৃদয় কমলে"। সেয়ে জীৱৰ মায়া দেহটো ভক্তিগৃহলৈ ৰূপান্তৰ কৰিব পাৰি।

ৰামচৰণ ঠাকুৰৰ নামত প্ৰচলিত 'ভক্তিৰত্ন' নামৰ পুথিখনত ভক্তিগৃহ নিৰ্মাণৰ প্ৰতীকী ব্যাখ্যা সন্নিৱিষ্ট হৈছে। এই মতে থুলমূলকৈ প্ৰেম বা পুৰুষাৰ্থই খেৰ, দশ ইন্দ্ৰিয় ৰুৱা-কামি, সুবুদ্ধি কুঠাৰ, ধৈৰ্যই খুঁটা ক্ষমা হৈছে চতি, দয়াই মাৰলি আৰু শংকৰ বিশ্বাসত দুৱাৰ। মায়াদেহত বিশ্বব্ৰহ্মাণ্ডৰ যি বিৰাট প্ৰকাশ ঘটিছে (অনাদি পাতন) তাক ভক্তিগৃহলৈ ৰূপান্তৰিত কৰিলে এই ক্ষুদ্ৰ দেহতে বিৰাটৰ, অসীম অনন্তৰ উপলব্ধি হ'ব। সেইফালৰ পৰা ভক্তিগৃহ নামঘৰ ক্ষুদ্ৰতে বিৰাটৰ মূৰ্তি। জীৱদেহৰ লগত ৰজিতা দি কৰা নামঘৰ চৰ্চন বিৰাট ব্ৰহ্মাণ্ডৰ ৰূপ পৰিকল্পনাৰ এক আকৰ্ষণীয় তত্ত্ব। হিন্দু মন্দিৰত বাস্তু পুৰুষৰ কল্পনা কৰা হয়। এই পুৰুষজনা হৈছে- 'The Universal Essence, the principle of all things, the prime person whence all originates' (Hindu temple: Stella Kramrich) নামঘৰ সাজোঁতে ইয়াৰ ভেটিত অষ্টবসুৰ স্থান নিৰ্ণয় কৰি লোৱাটো এটা প্ৰাচীন নিয়ম আছিল। নামঘৰৰ কাৰণে নিৰ্বাচিত ভেটিৰ দীঘ আৰু পুতল যোগ কৰি পুনৰ তাৰ লগত তিনি যোগ কৰি আঠৰে হৰণ কৰিলেই অষ্টবসুৰ স্থানৰ বিষয়ে জানিব পাৰি। আঠ সংখ্যাৰে ভাগ কৰোঁতে বৈ যোৱা ভাগশেষেই একো একোজনা বসুৰ স্থান হয়। ভাগশেষ সাত বা শূন্য হ'লে নামঘৰৰ ভেটি উৎকৃষ্ট বুলি ধৰা হয়।

৫) অনন্ত চৰিত্ৰ নামৰ অন্য এখন প্ৰাচীন পুথিত নামঘৰৰ লগত ভগৱানৰ চৈধ্য পাৰিষদ, চাৰিবেদ, দ্বাদশ স্কন্ধ ভাগৱত, পুৰাণাদি গ্ৰন্থ, গৰুড়ৰ পাখি আৰু ৰাজহাড়, জয়-বিজয়, নৃসিংহ আৰু ৰামচন্দ্ৰ আদি জড়িত কৰা হৈছে। পুথিখনৰ মতে কেৱল ধৰ্মই ৰজা আৰু কেৱলৰ বিমান বা মন্দিৰ হৈছে জীৱৰ কাৰণে আশ্ৰয়ৰ নৌকা— 'অভয় ব্ৰহ্মৰ পদে পদ্মনৌকা দুই'।

ধৰ্মীয় আদৰ্শ আৰু তত্ত্বক বাদ দি নামঘৰৰ অস্তিত্ব বিচাৰ কৰিব নোৱাৰি। আগত উল্লেখ কৰি অহা নামঘৰ-অৰ্চনকেইটাৰ ভিতৰত প্ৰথম চৰ্চনটোক নামঘৰৰ প্ৰথাগত নিৰ্মাণ পদ্ধতিৰ আধাৰ বুলিব পাৰি।

নামঘৰকে কেন্দ্ৰ কৰি সত্ৰসমূহত বলি সভাৰ আৰ্হিৰ এক ধৰ্মীয় পৰিৱেশ গঢ় লোৱাৰ বিষয়ে জানিব পাৰি। বলি সভাখনৰ বিষয়ে বলি ছলনত সুন্দৰকৈ বৰ্ণনা কৰা আছে। এনে এখন সভাৰে আধ্যাত্মিক পৰিৱেশত থাকি ভকতসকলে পুৱাৰ তালকোবোৱা প্ৰসঙ্গৰ পৰা নামঘৰৰ লগত ওখ খাপৰ কিছুমান তত্ত্বৰ বিকাশ ঘটোৱাৰ উপৰি ৰৌপিক সৰলতা বিজড়িত নামঘৰটো মনোৰম কৰি তুলিবলৈ অনেক সাধনৰো উদ্ভাৱন কৰিছিল। প্ৰাচীনকালৰ সকলো বস্তু এতিয়া পাবলৈ নাই। শিল-বালি-লোহা-বিলাতী মাটিৰে সজা এতিয়াৰ নামঘৰত প্ৰাচীনত্বৰ সৌন্দৰ্য দেখিবলৈ পোৱা নাযায়।

প্ৰাচীনকালৰ নামঘৰ অনাড়ম্বৰ হ'লেও নানান অলংকাৰ আছিল। ৰামচন্দ্ৰই তেওঁৰ 'অনন্ত চৰিত্ৰ' নামৰ পুথিখনত এই অলংকাৰবোৰৰ বিষয়ে কৈছে— "আশীবিধ ভক্তি নানা চিত্ৰ ভৈল তাত"। ভক্তিপ্ৰকাশক এই চিত্ৰৰাজি নামঘৰৰ দুৱাৰ, দুৱাৰৰ চৌকাঠ, বেৰৰ ফলি, সিংহাসন আৰু ভিন ভিন মূৰ্তিৰ মাজেৰে প্ৰকাশ পাইছে। নামঘৰত কিমান দুৱাৰ থাকিব লাগে, সেই লৈ মতভেদ আছে। উত্তৰ পেট-দুৱাৰখন ধৰ্মীয় দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ। কোনো কোনো নামঘৰত দক্ষিণৰ পেট দুৱাৰখনৰ ঘাই দুৱাৰৰ ৰূপত গুৰুত্ব দিয়া হয়। দুৱাৰ কেৱল কাঠৰ হ'লেও কাঁহ বা পিতলৰ চকা লগোৱা আৰু চকাত পদ কটাৰ কাম কৰা পোৱা যায়। পিতলত ফুল-লতা, মূৰ্তি বছা প্ৰাচীনকালৰ দুখন দুৱাৰ অক্ষত হৈ আছে শ্ৰীশ্ৰীবটদ্ৰৱা থানত। সুন্দৰীদিয়াৰ ভঁাজঘৰৰ পুৰণি দুৱাৰ এখনত পিতলৰ চকাত পদ কটা আছে। দুৱাৰখন ১৭৬৯ শকৰ ১৭ মাঘত ভক্তচৰণ আতৈ নামৰ এজন লোকে দান দিছিল আৰু লয়ন কঁহাৰ নামৰ এজন শিল্পীয়ে সেইখন সাজি উলিওৱাৰ কথা দুৱাৰখনত কাটি থোৱা আছে। কাঁহ-পিতলৰ কাম কৰা দুৱাৰ আছে গণককুচি পাটবাউসী আদি ঠাইৰ নামঘৰতো। অকল কাঠতে কটা চিত্ৰ-বিচিত্ৰ দুৱাৰো আছে ঠায়ে ঠায়ে। বৰদোৱা, সুন্দৰীদিয়া আদিত দেখিবলৈ পোৱা দুৱাৰবোৰৰ বিশেষ আকৰ্ষণ হৈছে তাত থকা কপালীবোৰ।

এসময়ত নামঘৰৰ কাৰণে স্থানীয় শিল্পীসকলে বিবিধ মূৰ্তি কাটিছিল। এইবোৰ ভক্তি প্ৰকাশক চিত্ৰহে, উপাসনাৰ বিগ্ৰহ নহয়। বৰদোৱা, গড়মূৰ সত্ৰ আদি ঠাইত নিজস্ব শৈলীৰ কাঠৰ মূৰ্তিৰ অৱশিষ্ট আছে। গঠন-শৈলীৰ আদিমতাৰ কাৰণে এই মূৰ্তিবোৰ আকষৰ্ণীয় শিল্পবস্তু। এনে আদিমতাপ্ৰৱণ দুটা ভগ্নপ্ৰায় মূৰ্তি (বুঢ়া আৰু বুঢ়ী ১০ আছে দক্ষিণকুলৰ কাৰৈমাৰী সত্ৰত)

জানিব পৰা মতে এনে মূৰ্তিৰ সংখ্যা দহটা আছিল। মূৰ্তিকেইটাৰ মাজেৰে বৃদ্ধকালৰ দহোটা অৱস্থা (দুৰাৱস্থা) বৰ্ণনা কৰা হৈছিল। ৰূপ নিৰ্মাণৰ ফালৰ পৰা গড়মূৰ সত্ৰৰ ভাৰবাহী হনুমান, কূৰ্ম, অনন্ত, শিশু কৃষ্ণ, বলভদ্ৰ, জয়-বিজয়, নৃসিংহ, গৰুড় বেচ মঙহহাল, থোলোকা আৰু অস্থি বিন্যাস দুৰাপিঠীয়া। কোনো কোনো ঠাইত খুঁটাত দেৱতাৰ মূৰ্তি কটা হৈছিল। বৰদোৱাত তেনেকুৱা কেইবাটাও খুঁটা আছে। খুঁটাৰ নামকৰণো এটা মন কৰিবলগীয়া বিষয়। দক্ষিণপাট সত্ৰৰ নামঘৰত থকা খুঁটাবোৰৰ নাম আছিল। তাৰে এটা খুঁটা মেচাগৰৰ বৰগোহাঁইৰ নামত পতা, বৰদোৱাৰ প্ৰাচীন মূৰ্তিবোৰৰ বিষয়ে আমি 'বৰদোৱাৰ শিল্পবস্তু' নামৰ গ্ৰন্থখনত বহলাই আলোচনা কৰিছো।

এসময়ত নামঘৰৰ বেৰত কাঠৰ ফলি লগোৱা হৈছিল। এইবোৰ লেখত ল'বলগীয়া শিল্পবস্তু। বৰপেটা, শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰৰ নামঘৰৰ বেৰত এনে ফলি লগোৱা আছে। বৰদোৱাৰ ক্ষুদ্ৰ সংগ্ৰহালয়ত প্ৰাচীনকালৰ কেইখনমান ফলি সংৰক্ষিত হৈছে। ৰামায়ণ বালিবধ, গজেন্দ্ৰ উপাখ্যান, হৰিহৰ আদি কেইখনমান ফলি শিল্পগুণৰ ফালৰ পৰা অতি উৎকৃষ্ট। এনে ফলি ভাৰতীয় উপমহাদেশত বিৰল বুলি কৈছে ড° কল্যাণ কুমাৰ দাসগুপ্তই। নামঘৰৰ সিংহাসনবোৰ অকল ভাস্কৰ্য গুণৰেই নহয়, চিত্ৰগত সৌন্দৰ্যৰেও সুন্দৰ। চলিহা বাৰেঘৰ সত্ৰত এখন প্ৰাচীন সিংহাসনৰ (১৭৬৭ খ্ৰীষ্টাব্দত ভিতৰৰ) লেখনী পাটত সেই সত্ৰৰে এগৰাকী শিল্পী বিষ্ণু আতাই ১৭১৫ খ্ৰীষ্টাব্দত সচিত্ৰ কৰা অজামিল উপাখ্যান নাটৰ ভালেকেইখন ছবি পূৰ্ণকাম আতাই অংকন কৰিছিল।

নামঘৰৰ আধ্যাত্মিকতা আৰু শিল্পবস্তুৰ বৈচিত্ৰ্যৰ বিষয়ে আলোচনা কৰিবলগীয়া বহু দিশেই আছে। ইয়াত থুলমূলকৈ দুটামান কথাহে কোৱা হ'ল। গৱেষকসকল আগবাঢ়ি আহিলে অসমৰ সাংস্কৃতিক জীৱনৰ বিষয়ে বহু নতুন তথ্য পোহৰলৈ আনিব পাৰিব। ■

---

*লেখক আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়, নগাঁৱৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু বিশিষ্ট গৱেষক।*

# নামঘৰৰ উৎপত্তি
# ধৰ্মীয় তাৎপৰ্য আৰু বিৱৰ্তন

ড° ৰাতুল চন্দ্ৰ বৰা

**(ক) নামঘৰ নামৰ উৎপত্তি ঃ**

নামঘৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ অপূৰ্ব সৃষ্টি। এনেকুৱা অনুষ্ঠান ভাৰতবৰ্ষত ক'তো নাই। গুৰুজনাই ধৰ্ম চৰ্চাৰ উদ্দেশ্যে প্ৰথমতে নামঘৰ নিৰ্মাণ কৰিছিল। অৱশ্যে এতিয়াৰ দৰে 'নামঘৰ' নামটো প্ৰথমতে বহুলভাৱে প্ৰচাৰ হোৱা নাছিল। চৰিতপুথিবিলাকত কেইবাটাও নামপোৱা যায়, যেনে– দেৱগৃহ, দেৱমন্দিৰ, হৰিগৃহ, কীৰ্ত্তনঘৰ, থান আদি। বৰ্তমানেও কীৰ্ত্তনঘৰ আৰু থান এই দুটি নাম পোৱা যায়, যেনে– বৰদোৱা থান, বৰপেটা কীৰ্ত্তনঘৰ, মধুপুৰ থান (ধাম), থান শব্দটি স্থান শব্দৰ পৰা আহিছে। যেনে– মহাপুৰুষ শঙ্কৰদেৱৰ নাতি পুৰুযোত্তম ঠাকুৰৰ 'ন-ঘোষা'ত ব্যৱহৃত স্থান শব্দই বৰদোৱা থান বুজাইছে।

*জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।*
*সেহি স্থানে নিজ গুৰু ভৈলন্ত উদয়।।*

*শ্ৰীমন্ত শঙ্কৰদেৱেও কীৰ্ত্তন ঘোষাত লিখিছে–*

*তোমাৰ চৰণ-চিন্তি যথাত ভকত থাকে*
*সেহি পুণ্য সেহি তীৰ্থস্থান।*

গতিকে দেখা যায় যে, যি ঠাইত ভকতসকলে একগোট হৈ হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰে সেই পৱিত্ৰ ঠাইকে স্থান বা থান বুলি কোৱা হয়। প্ৰথম অৱস্থাত গুৰুজনাই যেতিয়া মানুহৰ মাজত ধৰ্মৰ কথা প্ৰচাৰ কৰিব খুজিছিল—

তেতিয়া মানুহবিলাকক একগোট কৰিবলৈ এটি গৃহ নিৰ্মাণ কৰি লৈছিল সমাজৰ সকলোৰে সহযোগত। এই গৃহক প্ৰথমতে হৰিগৃহ, দেৱমন্দিৰ, কীৰ্ত্তনগৃহ, স্থান বা থান— এই কেইটি নামেৰে চিহ্নিত কৰা হৈছিল। নামঘৰ নামটি পিছত প্ৰচলন হৈছিল বুলি ধাৰণা কৰিব পাৰি। এটা উৎসত এনেধৰণে পোৱা যায় "নামঘৰ নামটি সৰ্বপ্ৰথম ব্যৱহাৰ কৰিছিল কুৰুৱাবাহী সত্ৰৰ ভাগৱত পাঠক ৰামানন্দ দ্বিজে বংশীগোপালদেৱৰ চৰিতত।" (নামঘৰ বুৰঞ্জী আৰু বিৱৰণ— পুলিন কলিতা, অসম প্ৰকাশন পৰিষদ, ২০১৪)।

**(খ) দেৱগৃহ, হৰিমন্দিৰ, কীৰ্ত্তনগৃহ বা থান (নামঘৰ)ৰ উৎপত্তিৰ সময় ঃ**

"মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্বে অসমত সকলো শ্ৰেণীৰ লোকক ঐক্যবদ্ধ কৰিবলৈ কোনো প্ৰচেষ্টা আৰু উমৈহতীয়া বা ৰাজহুৱা ক্ষেত্ৰ নাছিল। নানা জাতি-উপজাতি, ধৰ্ম-বৰ্ণ, সম্প্ৰদায়ৰ লোকক এক স্থান বা ক্ষেত্ৰত সমবেত কৰাই এক ভগৱান তথা অন্য ধৰ্মৰ সন্ধান দিবলৈ শঙ্কৰদেৱে পোনতে উমৈহতীয়া ক্ষেত্ৰ হৰিগৃহ বা নামঘৰ তথা সত্ৰ উদ্ভাৱন কৰে।" (শ্ৰীমন্ত শঙ্কৰদেৱ ঃ সাহিত্য-সংস্কৃতিৰ জিলিঙনি— তিলক চন্দ্ৰ মজুমদাৰ, ২০১৪ খ্ৰীঃ, পৃ. ১৪১)। অৱশ্যে শঙ্কৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত থান বা কীৰ্ত্তনগৃহক সত্ৰ বুলি কোৱা হোৱা নাছিল। শঙ্কৰদেৱৰ পৰৱৰ্তীকালত বিশেষকৈ, দামোদৰদেৱ আৰু মাধৱদেৱৰ দিনত সত্ৰ নামৰ প্ৰয়োগ হয়।

দেৱগৃহ, কীৰ্ত্তনগৃহ বা থান পোনপ্ৰথমে কোন সময়ত আৰম্ভ হৈছিল সেইটো কথা লৈ দুটা মত পোৱা যায়। অৱশ্যে এই দুয়োটা মতৰ বিষয়ে গুৰুচৰিতত পোনপটীয়াকৈ উল্লেখ নাই। কিন্তু সকলো কথা বিচাৰ কৰিলে দেখা যায় যে, ১৪৬৮ খ্ৰীষ্টাব্দতে শঙ্কৰদেৱে পোনপ্ৰথমে দেৱগৃহ বা কীৰ্ত্তনগৃহৰ সৃষ্টি কৰিছিল আৰু ১৫০৯ খ্ৰীষ্টাব্দত বৰদোৱাৰ দেৱগৃহ বা কীৰ্ত্তনগৃহৰ চাৰিওফালে চাৰিহাটী আৰু মণিকূট (ভাঁজঘৰ) সাজি কীৰ্ত্তনঘৰ বা নামঘৰক পূৰ্ণৰূপ দিয়ে। এই আৰ্হি বৰ্তমান বৰদোৱা থানত দেখা যায়। "বিভিন্ন সময়ৰ ঘটনাক্ৰমসমূহ পৰীক্ষা কৰি চালে দেখা যায় যে, দ্বিতীয়বাৰ টেম্বুৱানিত কীৰ্ত্তনঘৰ নিৰ্মাণ হৈছিল ১৫০৯ খ্ৰীষ্টাব্দত। গতিকে দেখা যায় যে ১৪৬৮-৬৯ খ্ৰীষ্টাব্দত টেম্বুৱানিত সৰ্বপ্ৰথমবাৰৰ বাবে কীৰ্ত্তনঘৰ নিৰ্মিত হৈছিল। ১৫০৯ খ্ৰীষ্টাব্দত কীৰ্ত্তনঘৰৰ লগতে চাৰিহাটীও নিৰ্মিত হয়। গতিকে তেতিয়াই প্ৰথম মহাপুৰুষীয়া থানৰ অভ্যুদয় ঘটে। ........ তেৰাই ইয়াক থান

নে হৰিগৃহ নে সত্ৰগৃহ নে দেৱগৃহ নে নামঘৰ নে কীৰ্ত্তনঘৰ— কি নাম দিছিল তাৰ কোনো স্পষ্ট ইংগিত পোৱা নাযায়।" (একবিংশ শতিকাত শঙ্কৰদেৱ আৰু সত্ৰ— ড° নৰকান্ত অধিকাৰী, ২০১৪, খ্ৰীঃ, পৃ. ১০৯-১১০)। শঙ্কৰী ধৰ্ম-সাহিত্যৰ অন্যতম গৱেষক পণ্ডিত ড° সঞ্জীৱ কুমাৰ বৰকাকতীয়ে তেখেতৰ ৰচিত 'পূৰ্ণাঙ্গ গুৰুচৰিত'ত লিখিছে যে— "টেম্বুৱানিত দেৱগৃহ অৰ্থাৎ কীৰ্ত্তনঘৰ নিৰ্মাণৰ বাবে মাটি খান্দোতে মূৰ্তি পোৱা বুলি বৈৰাগীয়ে যি বৰ্ণনা দিছে, সেয়া প্ৰকৃততে ১৪৬৮ খ্ৰীষ্টাব্দৰ ঘটনাহে আছিল।" তেখেতে আৰু লিখিছে যে "কীৰ্ত্তন ঘৰৰ লগতে চাৰিহাটী নিৰ্মাণ হৈছিল বুলি বৈৰাগীয়ে দিয়া বৰ্ণনাৰ পৰা সাব্যস্ত হয় যে, ১৫০৯ খ্ৰীষ্টাব্দত শ্ৰীমন্ত শঙ্কৰদেৱে তাৰাৰ ধৰ্মপ্ৰচাৰ কাৰ্যক এক পূৰ্ণাঙ্গ প্ৰতিষ্ঠানিক ৰূপ দিয়ে। তাৰাই সাম্যবাদী চৰিত্ৰৰে এই নতুন ধৰ্মীয় প্ৰতিষ্ঠানটো গঢ়ি তুলিছিল।"

**গুৰু চৰিতসমূহত দেৱগৃহ/কীৰ্ত্তনগৃহ (নামঘৰ) প্ৰতিষ্ঠাৰ বিৱৰণ ঃ**

*ৰামচৰণ ঠাকুৰৰ 'গুৰু-চৰিত'ত নিম্নলিখিত ধৰণে পোৱা যায় ঃ*

*বিংশতি বৎসৰ যেবে তান হুয়া আছে।*
*শঙ্কৰত গোচৰ কৰিলা লোকে পাছে।।১৬০৬*
*শুনা ডেকাগিৰি তুমি আমাৰ বচন।*
*ইহাত চলিবে আমাসাৰ নাহি মন।।*
*তেম্বুৱানী লাগি যাওঁ কৰিয়া যতন।*
*শুনি শঙ্কৰৰ ভৈলা আনন্দিত মন।।১৬০৭*

চৰিতপুথিৰ উপৰোক্ত বৰ্ণনা মতে শঙ্কৰদেৱৰ বিশ বছৰ বয়সত ভূঞাসকল আলিপুখুৰীৰ পৰা তেম্বুৱানী (বৰদোৱাৰ পুৰণি নাম) লৈ উঠি আহে। শঙ্কৰদেৱে তেতিয়া ডেকাগিৰিৰ বাব লৈ আছিল। ডেকাগিৰিৰ আদেশ পাই ভূঞাসকল শঙ্কৰদেৱৰ পৰিয়ালসহ তেম্বুৱানীলৈ আহে। চৰিতপুথিৰ বৰ্ণনা মতে তেম্বুৱানীত হাবি-জঙ্ঘল কাটি ঠাই চাফা কৰি আলিপুখুৰীৰ সমস্ত লোকে নিজ নিজ ঘৰ সাজিবলৈ ধৰে, সকলো ঠিক-ঠাক হোৱাৰ পাছত শঙ্কৰদেৱে তেম্বুৱানীত ধৰ্ম চৰ্চাৰ বাবে এটি গৃহ সাজিবলৈ মন কৰে আৰু সকলো ৰাইজৰ সহযোগত এটি গৃহ নিৰ্মাণ কৰে। চৰিতপুথিত ইয়াৰ বৰ্ণনা পোৱা যায়।

*এহিমতে যেবে বাসা ঘৰক সাজিল।*
*আলি পুখুৰীৰ লোক সমস্তে আসিল।।১৬১৫*

*শঙ্কৰে কীৰ্ত্তন ঘৰ সাজিবাক লৈলা।*
*ভিটি বান্ধিবাক লাগি সমস্তে আসিলা।।*
*আপুনি শঙ্কৰে পাচে কোৰত ধৰিলা।*
*পৃথিৱীত চতুৰ্ভুজ মূৰ্তিক দেখিলা।। ১৬১৬*
.... .... .... .... .... .... .... .... ....
.... .... .... .... .... .... .... .... ....
*এহিবুলি কীৰ্ত্তন ঘৰক সাজিলন্ত।*
*ভিটি বান্ধি আসনত মূৰ্ত্তি থাপিলন্ত।। ১৬১৯*

গতিকে, এই বৰ্ণনাৰ পৰা জনা গ'ল যে, শঙ্কৰদেৱৰ বিশ বছৰ বয়স অৰ্থাৎ ১৪৬৮ খ্ৰীষ্টাব্দত বৰদোৱাত প্ৰথম কীৰ্ত্তন ঘৰৰ নিৰ্মাণ হৈছিল। গতিকে "কীৰ্ত্তনঘৰৰ আসনত মূৰ্তি স্থাপন কৰি ৰাম ৰাম গুৰুৱে (ভূঞাসকলৰ কুলপুৰোহিত) পূজা কৰাৰ সময়ত মূৰ্তিটো অন্তৰ্ধান আৰু শঙ্কৰগুৰুৰ মুখৰ পৰা মূৰ্তি ওলাই অহাৰ কথাৰ পৰা দুটা কথা অনুমান কৰিব পাৰি যে, প্ৰথমতে শঙ্কৰদেৱক ঈশ্বৰৰে অংশ হিচাপে দেখুৱাবলৈ যত্ন কৰিছে আৰু দ্বিতীয়তে যি পূজাৰ কথা কোৱা হৈছে সেয়া হয়তো কিছু পৰিমাণে স্বাভাৱিক হ'ব পাৰে কাৰণ এইখিনি সময়ত আছিল শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তোৱা একশৰণ হৰিনাম ধৰ্মৰ প্ৰথম পদক্ষেপ। গতিকে প্ৰথম অৱস্থাত কৈশোৰ-যৌৱনৰ দোমোজাত কোনো চতুৰ্ভুজ মূৰ্তিৰ পূজাৰ অনুমতি দিয়াটো একো অস্বাভাৱিক নাছিল। অন্যহাতেদি দুৰ্গা মূৰ্ত্তিপূজা কৰা লোকক কৃষ্ণ মূৰ্ত্তি পূজা কৰি লোকক কৃষ্ণমুখী কৰিবলৈ চেষ্টা কৰিছিল। গুৰুচৰিতত আছে—

*"পূজিবো ঈশ্বৰ এত সিদ্ধি হৈব কাম।*
*দেৱী পূজা এৰি সবে লৈৱে কৃষ্ণ নাম।।"*

তদুপৰি এই মূৰ্তিটো আছিল তেৰাৰ আৰাধ্য দেৱতা চতুৰ্ভুজ ওৰফে কৃষ্ণ ওৰফে বিষ্ণুৰ। গতিকে তেৰাই ইয়াত সন্মতি জনোৱাটোত বিশেষ আচৰিত হ'বলগীয়া নাই।" (একবিংশ শতিকাত শঙ্কৰদেৱ আৰু সত্ৰ— ড° নৰকান্ত অধিকাৰী, ২০১৪) কিন্তু পৰৱৰ্তীকালত শঙ্কৰদেৱে কীৰ্ত্তনগৃহৰ আসনত মূৰ্তি স্থাপন কৰাৰ পৰম্পৰা ৰক্ষা কৰা নাছিল। মূৰ্তিৰ ঠাই ভাগৱতৰ কাহিনীভিত্তিক শাস্ত্ৰ যেনে 'উদ্ধৱ সংবাদ', 'দশম শাস্ত্ৰ' আদি শাস্ত্ৰ এখন আসনত স্থাপন কৰিছিল। অৰ্থাৎ বৰ্তমান অসমৰ নামঘৰবিলাকত গুৰুআসনত যিদৰে ভাগৱত শাস্ত্ৰৰ সাৰ শঙ্কৰদেৱ বিৰচিত 'গুণমালা' স্থাপন কৰাৰ নিয়ম

তেনেদৰে আসনত শাস্ত্ৰ স্থাপন কৰা নিয়মটো শঙ্কৰদেৱৰ দিনৰ পৰা পৰম্পৰা হিচাপে চলি আহিছে। অৱশ্যে প্ৰথম অৱস্থাত শঙ্কৰদেৱ মাধৱদেৱে ৰচনা কৰা চাৰিপুথি যেনে-- 'কীৰ্ত্তন', 'দশম', 'ঘোষা', 'ৰত্নাৱলী'ৰ যিকোনো এখন নামঘৰৰ আসনত প্ৰতিষ্ঠা কৰা হৈছিল।

**কথা গুৰু চৰিতৰ মতে ঃ**

কিন্তু 'কথা গুৰু-চৰিত' (সম্পাদনা মহেশ্বৰ নেওগ) মতে গুৰুজনাৰ দ্বিতীয় তীৰ্থ ভ্ৰমণৰ পাছত প্ৰায় ৬০ বছৰ বয়সত আলিপুখুৰীৰ পৰা দূৰত কুসুম্বৰৰ সৰিয়হ তলিত প্ৰথম 'হৰিগৃহ' বান্ধিছিল। "তেহে দুকুৰি চৈধ্য বৰ্ষে আই পোন্ধৰ বৎসত বিবাহ .................. আলিপুখুৰীত পাঞ্চ বৰ্ষ আছিল।। পাছে অনেক শাস্ত্ৰ ৰস তত্ত্ব লৈ হৰিকীৰ্ত্তন কৰি কৃষ্ণকথা চৰ্চিবলৈ ধৰিলে।। অনেক জঞ্জাল পাই ................ সবে আলচ কৈ গ্ৰামৰ দূৰ কুসুম্বৰদেৱৰ সৰিয়হতলি ঃ তাতে গৈ (গণক জানে) চাৰিহাটি কৰি ঃ হৰিগৃহ বান্ধি ...।" এইমতে ১৫০৯ খ্ৰীষ্টাব্দত গুৰুজনাই গণকজানত প্ৰথম হৰিগৃহ বান্ধিছিল। এটা কথা মন কৰিবলগীয়া যে, কথা গুৰুচৰিত পিছৰ কালত অৰ্বাচীন লোকৰ দ্বাৰা ৰচিত। বহুকথা অনুমানৰ ওপৰত ভিত্তি কৰি লিখা। কথা গুৰু চৰিতৰ মতে শঙ্কৰদেৱে প্ৰথম তীৰ্থ ভ্ৰমণৰ পাছত কীৰ্ত্তনঘৰ নিৰ্মাণ কৰিছিল। ইয়াত তীৰ্থ ভ্ৰমণৰ আগৰ দেৱগৃহ নিৰ্মাণৰ কথাৰ উল্লেখ নাই।

ড° নৰকান্ত অধিকাৰীয়ে তেখেতৰ গৱেষণামূলক 'একবিংশ শতিকাত শঙ্কৰদেৱ আৰু সত্ৰ' শীৰ্ষক গ্ৰন্থত এনেদৰে লিখিছে "শঙ্কৰদেৱ সহিতে আলিপুখুৰীৰ সকলো মানুহ নি টেম্বুৱানিত নিজ নিজ পুৰণি ভেটিত ঘৰ সাজি থাকিবলৈ লোৱাৰ পিছত শঙ্কৰদেৱে ৰাম ৰাম গুৰুক ক'লে—

*".... .... .... .... .... .... .... ....।*
*দেৱমন্দিৰক কৰি বাৰ মন ভৈল।।*
*সকলোকে জ্ঞান দিয়া আনা এটিক্ষণ।*
*সবে মিলি মন্দিৰক কৰা নিৰূপণ।।"*

ইয়াত 'দেৱমন্দিৰ' শব্দটো কীৰ্ত্তনঘৰৰ সমাৰ্থকৰূপে ব্যৱহাৰ হৈছে। ৰামচৰণ ঠাকুৰে কীৰ্ত্তনঘৰ বুলি আৰু বেজবৰুৱাদেৱে দেৱমন্দিৰ বুলি উল্লেখ কৰিছে। সম্ভৱতঃ শব্দৰ প্ৰয়োগ ভিন্ন হ'লেও আদৰ্শগত চিন্তা একেটাই। দুয়োগৰাকী চৰিতকাৰৰ বৰ্ণনাৰ পৰা এটা কথা স্পষ্টভাৱে ওলাই পাৰিছে যে,

সেই সময়তেই (শঙ্কৰদেৱৰ ১৯-২০ বছৰ বয়সত) প্ৰথম কীৰ্ত্তনঘৰ নিৰ্মাণ হৈছিল।

আকাশীগঙ্গাৰ সৃষ্টি, বটদ্ৰৱা নামৰ উৎপত্তি, বৰদোৱা নামৰ উৎপত্তি আদি ঘটনাৰ বিৱৰণীৰ পৰাও ১৪৬৮ খ্ৰীষ্টাব্দতেই প্ৰথম কীৰ্ত্তনঘৰ নিৰ্মাণ হৈছিল বুলি অনুমান কৰিব পাৰি।"

উক্ত গ্ৰন্থখনত লেখকে আৰু এটা কথা উল্লেখ কৰিছে— "বিভিন্ন সময়ৰ ঘটনাক্ৰমসমূহ পৰীক্ষা কৰি চালে দেখা যায় যে দ্বিতীয়বাৰ টেম্বুৱানিত কীৰ্ত্তনঘৰ নিৰ্মাণ হৈছিল ১৫০৯ খ্ৰীষ্টাব্দত। গতিকে দেখা যায় যে, ১৪৬৮ খ্ৰীষ্টাব্দত টেম্বুৱানিত সৰ্বপ্ৰথমবাৰৰ বাবে কীৰ্ত্তনঘৰ নিৰ্মাণ হৈছিল। ১৫০৯ খ্ৰীষ্টাব্দত কীৰ্ত্তনঘৰৰ লগতে চাৰিহাটীও নিৰ্মিত হয়। গতিকে তেতিয়াই প্ৰথম মহাপুৰুষীয়া থানৰ অভ্যুদয় ঘটে, লগে লগে শ্ৰীমন্ত শঙ্কৰদেৱে তেৰাৰ ধৰ্ম প্ৰচাৰৰ ব্যৱস্থাক এক প্ৰতিষ্ঠানিক ৰূপ দিয়ে।" শঙ্কৰদেৱে একৈশ বছৰ বয়সত হৰিগৃহত সমজুৱাভাৱে হৰিকথা চৰ্চা কৰাৰ কথা ৰামচৰণ কৃত গুৰুচৰিতত এনেদৰে আছে—

*শঙ্কৰেয়ো ৰঙ্গে আতি বসিয়া সমাজ পাতি*
*হৰিৰ নামক সদা কন্ত।*
*ভকতসকলে সেৱে শঙ্কৰৰ মুখে তেবে*
*হৰিকথা আনন্দে শুনন্ত।। ১৬৩৪*

এনেদৰে হৰিগৃহ (নামঘৰ) সাজি সমাজৰ লোকক এক ঠাইত একগোট কৰি হৰিকথা চৰ্চা কৰাৰ পৰম্পৰা শ্ৰীমন্ত শঙ্কৰদেৱে পোনপ্ৰথমতে আৰম্ভ কৰিছিল গুৰুজনাৰ একৈশ বছৰ বয়সতে। এইদৰে নামঘৰত সমূহীয়াভাৱে ধৰ্মচৰ্চা কৰা প্ৰথা আৰম্ভ হ'ল। কালক্ৰমত এই নামঘৰত ধৰ্মচৰ্চাৰ লগতে অন্যান্য সাংস্কৃতিক, সামাজিক কৰ্মসূচীও যোগ হয় আৰু লাহে লাহে নামঘৰ গ্ৰাম্য সমাজৰ প্ৰাণকেন্দ্ৰ হিচাপে পৰিগণিত হ'বলৈ ধৰে।

### (গ) নামঘৰৰ ধৰ্মীয় তাৎপৰ্য ঃ

প্ৰথম অৱস্থাত নামঘৰৰ ৰূপ খুউব সৰল আছিল। স্থানীয়ভাৱে পোৱা সামগ্ৰী যেনে— বাঁহ, কাঠ, বেত, খেৰ আদিৰে নামঘৰ নিৰ্মাণ কৰা হৈছিল। অৱশ্যে সময় বাগৰাৰ লগে লগে আৰ্থিক সামৰ্থ অনুযায়ী গৃহ নিৰ্মাণ সামগ্ৰীও সলনি হৈছে। বৰ্তমান নামঘৰৰ প্ৰধান অঙ্গসমূহ হৈছে মণিকূট, কীৰ্ত্তনগৃহ, বাটচ'ৰা,

ছোঁঘৰ আৰু তোৰণ। বৰ্তমান কোনো কোনো নামঘৰত ভঁৰাল আৰু ৰন্ধন কক্ষও থাকে। কিন্তু সকলো নামঘৰতে এইসকলোবিলাক অঙ্গ নাথাকিব পাৰে।

নামঘৰৰ মূল অঙ্গ হৈছে মণিকূট আৰু কীৰ্ত্তনগৃহ। মণিকূট নামঘৰৰ প্ৰধান অঙ্গ। এইটি উত্তৰা-দক্ষিণাকৈ সজা হয়। মণিকূট বৈকুণ্ঠৰ প্ৰতীক। ইয়াত গুৰু আসন থাকে। গুৰু আসনক সিংহাসন বা থাপনা বুলিও কোৱা হয়। এই আসন বা থাপনা সৰ্বসাধাৰণতে কাঠেৰে নিৰ্মিত তিনি, পাঁচ বা সাতখলপীয়া চাৰিখুৰাযুক্ত। খলপীয়া আসন বা থাপনাভাগি তলৰ পৰা ক্ৰমে ওপৰখাপলৈ সৰু আকৃতিৰ। একেবাৰে তলৰ খাপৰ চাৰিটি খুৰা চাৰিটি কূৰ্ম (কাছ)ৰ ওপৰত প্ৰতিষ্ঠা কৰা হয়। প্ৰতিখলপত চাৰিদিশত হাতীৰ ওপৰত সিংহ উঠি থকা চাৰিটি মূৰ্ত্তি থাকে আৰু প্ৰতি খলপাতে এনে মূৰ্তি থাকে। একেবাৰে ওপৰ খলপৰ ওপৰত এটি চাৰিচুকীয়া বাকচসদৃশ থাপনাৰ আয়তনৰ লগত মিলাকৈ এটি গৃহ স্থাপন কৰা হয়। এই বাকচসদৃশ গৃহটি আগফালে খোলা আৰু বাকী তিনিওফালে বন্ধ থাকে। এইটিক আমহি ঘৰ বুলি কোৱা হয়। গোটেই আসনখন হেঙুল হাইতাল ৰঙ্গেৰে ৰং কৰা হয়। গোটেই আসনখন সৰ্বসাধাৰণতে কঠাল বা চামকাঠেৰে নিৰ্মাণ কৰা হয় আৰু যথেষ্ট কাৰুকাৰ্যখচিত কৰি নিৰ্মাণ কৰা হয়। বিশিষ্ট শিল্পীৰ দ্বাৰাহে এনে কাৰ্য সম্ভৱ। আমহি ঘৰটিত ভাগৱত শাস্ত্ৰৰ সাৰ গুৰুজনা ৰচিত 'গুণমালা' প্ৰতিষ্ঠা কৰা হয়।

আগতে উল্লেখ কৰা হৈছে যে, মণিকূটভাগক বৈকুণ্ঠ হিচাপে গণ্য কৰা হয়। ইয়াত ভাগৱত হৈছে শ্ৰীকৃষ্ণৰ বাঙ্ময়মূৰ্তি, ভগৱান কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ আগে আগে উদ্ধৱে যেতিয়া কৃষ্ণক সুধিলে যে, তেওঁক ক'ত লগ পাব আৰু ক'ত থাকিব। তেতিয়া কৃষ্ণই ক'লে যে, ভাগৱত শাস্ত্ৰতে তেওঁ থাকিব আৰু বিচাৰিলে পাব। গতিকে ভক্তৰ বাবে ভাগৱত শাস্ত্ৰই হৈছে কৃষ্ণৰ বাঙ্ময়মূৰ্তি, কাৰণ সমস্ত ভাগৱত শাস্ত্ৰত কৃষ্ণৰ গুণ-যশ আৰু কৃষ্ণৰ বাণী আছে। য'ত কৃষ্ণ থাকে সেয়ে বৈকুণ্ঠপুৰী— সেয়ে মণিকূটক বৈকুণ্ঠ হেন জ্ঞান কৰা হয়। ইয়াত যিকোনো লোকৰ প্ৰৱেশ নিষেধ। কৃষ্ণৰ একান্ত সেৱক, শৰণীয়া আৰু ভজনীয়া ভক্তহে ইয়াত প্ৰৱেশ কৰিব পাৰে যথা ৰীতিমতে আৰু তিনি বস্ত্ৰ পৰিধান কৰি।

আসনৰ একেবাৰে তলত থকা কূৰ্ম বা কাছ কাল-মায়াৰ প্ৰতীক আৰু মায়া নিগ্ৰহৰ বাবে সংযমৰ প্ৰতীক। কৃষ্ণকাল আৰু মায়াৰ অধিকাৰী, এই

কালে অনন্ত কালক বুজাইছে, অনন্ত কালক সনাতন সত্য বুলিও কোৱা হয়। অনন্ত বিশ্ব-চৰাচৰৰ অধিকাৰী কৃষ্ণ। নামঘোষাত মহাপুৰুষ মাধৱদেৱে লিখিছে "কৃষ্ণ এক দেৱ দুখহাৰী। কালমায়া আদিৰো অধিকাৰী।।" আমহি ঘৰত ভাগৱতৰ সাৰ 'গুণমালা' শাস্ত্ৰ যথা নিয়মে প্ৰতিষ্ঠা কৰা হয় এখনি সৰু ঠগিত, এখন শুভ্ৰ বস্ত্ৰেৰে আবৃত কৰি। গুণমালাৰ প্ৰথমৰ পৰা শেষলৈ সকলো পৃষ্ঠা সাঁচিপতীয়া পুথিৰ আকাৰত সযতনে ৰখা হয়। ইয়াত আগৰ বা পাছৰ কোনো পৃষ্ঠা বা লেখা নাথাকে।

গুৰু আসনত থকা সিংহ আৰু হাতীৰ বিশেষ তাৎপৰ্য আছে, হাতী পাপৰ প্ৰতীক অৰ্থাৎ আমাৰ মনটোক হাতীৰ লগত তুলনা কৰা হৈছে। আমাৰ শৰীৰৰ সকলো ইন্দ্ৰিয়ৰ ৰজা হৈছে মনটো। এই মনে নানা অপকৰ্মতো লিপ্ত হয় আৰু নানা পাপ কৰ্মটো লিপ্ত হয়। এই মন অতি বলবান আৰু দুৰ্দান্ত। আনহাতে সিংহ হৈছে সকলো জন্তুৰ ভিতৰত অতি বলবান আৰু সাহসী। সিংহই আনকি হাতীৰ মূৰটো কামুৰি ফালি পেলাব পাৰে আৰু হাতীক বধ কৰিব পাৰে। ইয়াত সিংহক ভগৱানৰ নামৰ লগত তুলনা কৰা হৈছে অৰ্থাৎ নাম-সিংহ অতি বলবান ই হাতীকো বশ কৰিব পাৰে। অৰ্থাৎ হৰিনামে আমাৰ মনৰ পাপ নিৰ্মূল কৰিব পাৰে। নামে সকলো পাপ বিনাশ কৰিব পাৰে। মাধৱদেৱে নামঘোষাত লিখিছে—

*পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম সিংহ*
*প্ৰকাশ কৰয় অতি বৰে।*
*যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়*
*পলায় আতি ত্ৰাসত লৰৰে।।*

যেনেদৰে সিংহৰ গৰ্জন শুনিলে অৰণ্যৰ অন্য সকলো প্ৰাণী ভয়ত পলাই যায়, সেইদৰে হৰিৰ নাম কীৰ্ত্তন কৰিলে হস্তীৰূপী মনৰ সকলো পাপ পলাই পটুং দিয়ে। গুৰু আসনৰ ওপৰত এখনি চন্দ্ৰতাপ দিয়া হয়— এইখনি আকাশৰ প্ৰতীক— অসীম অনন্ত ব্যাপী থকা বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতীক।

গুৰু আসনৰ বাওঁফালে গছাৰ ওপৰত শলা বন্তি থাকে— এয়া ভক্তিপ্ৰদীপ। সোঁফালে ঠগাত ভাগৱত, কীৰ্ত্তন-ঘোষা, নামঘোষা, ৰত্নাৱলী মহাপুৰুষীয়া এই চাৰি শাস্ত্ৰ থাকে। কিন্তু সচৰাচৰতে পূৰ্ণাঙ্গ ভাগৱত শাস্ত্ৰ আৰু কীৰ্ত্তন-ঘোষা আৰু নামঘোষা ৰখা হয়। গুৰু আসনৰ আগফালে সন্মুখত শৰাইত গুৱাপাণ অৰ্চনি আদি নৈৱেদ্য আগবঢ়োৱা হয়। শলাবন্তিৰ কাষতে

ধূপ জ্বলাবলৈ ব্যৱস্থা থাকে। মণিকূটত প্ৰায়বোৰ নামঘৰতে বৰতাল বা ভোৰতাল ৰখা হয়। কোনো কোনো নামঘৰত খোল আদি বাদ্যযন্ত্ৰ ৰাখিবলৈ মণিকূটৰ কাষত এটি কোঠা থাকে। এইবিলাকক দেৱবাদ্য বুলি গণ্য কৰা হয়। নামঘৰত প্ৰায়ে সাতখলপীয়া আসন ৰখা হয়। কোনো কোনো নামঘৰত তিনি বা পাঁচ খলপীয়া আসনো ৰখা হয়।

**কীৰ্ত্তন গৃহ ঃ** মণিকূটৰ সন্মুখত পূবা-পশ্চিমাকৈ দীঘলীয়া এটি গৃহ নিৰ্মাণ কৰা হয়, যিটি ভকতৰ বাবে ব্যৱহাৰ কৰিবলৈ নিৰ্মাণ কৰা হয়। এই গৃহটিক কীৰ্ত্তন ঘৰ বুলি কোৱা হয়। এই গৃহ সাত কোঠালীযুক্ত হ'ব লাগে। কিন্তু গাঁৱৰ বা ৰাইজৰ সা-সুবিধা মতে তিনি বা পাঁচ খোটালীযুক্তকৈ নিৰ্মাণ কৰা হয়। সচৰাচৰ কীৰ্ত্তনগৃহ যথেষ্ট আহল-বহল হয়। ইয়াতে ৰাইজে হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰে। নামপ্ৰসঙ্গ, পাঠ আদিৰ বাহিৰেও ভাওনা, সভা-সমিতি আদি এই কীৰ্ত্তনগৃহতে অনুষ্ঠিত হয়। কীৰ্ত্তন গৃহৰ মূৰত সোঁফালে এটি দবা ৰখা হয়— কাঠ বা বাঁহৰ শলখা লগোৱা চাঙত। লগতে কাঁহ ওলোমাই ৰখা হয়। এই বাদ্য যথাসময়ত ব্যৱহাৰ কৰা হয়। কীৰ্ত্তনগৃহৰ সোঁফালে আগত পাঠেকীৰ আসন। ভকতসকল দুয়োকাষে শাৰী শাৰীকৈ ঢৰাত বহে আৰু মাজৰ অংশ খালী থাকে। ৰাইজে কীৰ্ত্তনগৃহত প্ৰৱেশ কৰোঁতে প্ৰথম সোঁভৰিৰে প্ৰৱেশ কৰি আহি আঁঠু লৈ গুৰু আসনলৈ সেৱা জনাই ভকতৰ শাৰীত বহে।

**বাটচ'ৰা ঃ** বাটচ'ৰা কীৰ্ত্তনগৃহৰ পৰা কিছু আঁতৰত সুবিধামতে এটি দুচলীয়াকৈ নিৰ্মাণ কৰা সৰুগৃহ। গৃহটি মুকলি, আঁৰ-বেৰ নাই। ইয়াৰ সন্মুখৰ ওপৰত বিভিন্ন কাৰুকাৰ্যৰ ভাস্কৰ্য অঁকা হয় আৰু নামঘৰৰ নাম, স্থাপিতৰ চন আদি লেখা হয়। বহু নামঘৰত বাটচ'ৰাৰ একেবাৰে সন্মুখৰ ওপৰত 'জয় গুৰু শঙ্কৰ' লিখা থাকে। ভকতসকলে বাটচ'ৰাত উঠোঁতেই গুৰু আসনলৈ লক্ষ্য কৰি সেৱা জনাই প্ৰৱেশ কৰে। ইয়াক আদৰণীগৃহ বুলিও ক'ব পাৰি।

**তোৰণ ঃ** তোৰণ নামঘৰৰ এটি অলঙ্কাৰ। ইয়াত নিপুণ শিল্পীৰ পৰশত সুন্দৰ, কাৰুকাৰ্যৰে সিংহ আদি মূৰ্ত্তি সজাই নিৰ্মাণ কৰা হয়। তোৰণত নামঘৰৰ নাম, স্থাপিত চন আদি লিখা হয়। সকলো নামঘৰত তোৰণ নাথাকিব পাৰে। ৰাইজৰ আৰ্থিক দিশৰ লগত নামঘৰৰ কাৰুকাৰ্য আৰু নিৰ্মাণ কাৰ্য নিৰ্ভৰ কৰে। আগৰকালত নামঘৰত এনে কাৰুকাৰ্য নাছিল। গাঁওবোৰত খেৰ-বাঁহৰ কাঠৰ সাধাৰণ গৃহ আছিল। কিন্তু বৰ্তমান নামঘৰৰ কাৰুকাৰ্য বহুত সলনি

হৈছে। কিন্তু এই সকলোবিলাকৰ মূলত হ'ল গুৰুজনাই দি যোৱা নামঘৰত ভকতে ভক্তি ধৰ্ম ধৰি জীৱন সাৰ্থক কৰা।

**(ঘ) নামঘৰৰ বিৱৰ্তন ঃ**

প্ৰথম অৱস্থাত থান বা কীৰ্ত্তনগৃহ শঙ্কৰদেৱ কেন্দ্ৰিক আছিল। অৰ্থাৎ যি ঠাইতে গুৰুজনা আছিল সেইঠাইতে থান বা কীৰ্ত্তনগৃহ স্থাপিত হৈছিল। যিহেতু গুৰুজনা বৰদোৱাৰ পৰা আৰম্ভ কৰি লুইতৰ দুয়োপাৰে বহু ঠাই বাগৰিব লগা হৈছিল, সেয়ে য'তেই গুৰুজনাই শিষ্যসকলৰ (ভকতসকলৰ) সৈতে বাহৰ পাতিছিল বা কেইবাবছৰ ধৰি বাস কৰিছিল সেই ঠাইতে একোখন থানৰ সৃষ্টি হৈছিল। ইয়াৰ ভিতৰত বৰদোৱা থান, পাটবাউসী থান মুখ্য। গুৰুজনাৰ পিছত তেৰাৰ শিষ্যসকলে উজনি আৰু নামনি অসমৰ (বৰ্তমানৰ) বাহিৰেও বেহাৰ বা কোচবেহাৰত ধৰ্মচৰ্চাৰ আৰু প্ৰচাৰৰ বাবে বহুতো কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছিল আৰু গুৰুজনাৰ পৰৱৰ্তীকালত সেই সেই কেন্দ্ৰবোৰ সত্ৰ নামে পৰিচিত হ'বলৈ ধৰিলে। আহোম ৰাজত্বকালত অসমত গাঁওবিলাক গঠন হ'বলৈ ধৰিলে। একো একোটা জনবসতি অঞ্চল একোখন গ্ৰাম হিচাপে পৰিচিত হ'ল। মহাপুৰুষীয়া ধৰ্ম ধাৰণ কৰা লোকৰ সংখ্যা যেতিয়া বাঢ়িবলৈ ধৰিলে আৰু গুৰুজনা প্ৰৱৰ্তিত নামধৰ্মৰ প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে তেতিয়া সকলো শিষ্য বা ভকত থান বা সত্ৰত থাকিবলৈ অসুবিধা হ'ল, সেইবাবে গাঁওবিলাকত য'ত নামধৰ্ম গ্ৰহণকাৰী শিষ্য আছিল সেই সেই গাঁৱতে একোটাকৈ কীৰ্ত্তনগৃহ বা নামঘৰ স্থাপন হ'বলৈ ধৰিলে। গাঁৱৰ এই নামঘৰবিলাকলৈ বছৰেকত সত্ৰৰ বা থানৰ ধৰ্মাধিকাৰসকল আহি বাহৰ পাতে আৰু শিষ্যসকলক শৰণ দিয়ে। এনেদৰে অসম-বেহাৰত নামঘৰৰ বিকাশ হ'বলৈ ধৰিলে। পিছলৈ অসমত বহুতো সত্ৰ প্ৰতিষ্ঠা হ'বলৈ ধৰিলে আৰু সেই সেই সত্ৰই নিজ সত্ৰৰ শিষ্যক শৰণ-ভজন দিয়াৰ ব্যৱস্থা হ'ল। কিন্তু সত্ৰবিলাক যিহেতু চাৰি সংহতিত ভাগ হ'ল গতিকে নামঘৰ-সমাজৰ আচাৰ পদ্ধতিও বেলেগ বেলেগ হ'বলৈ ধৰিলে। অসমত বহুপ্ৰকাৰৰ সত্ৰ স্থাপিত হ'বলৈ ধৰিলে আৰু বহু সত্ৰই মহাপুৰুষীয়া আদৰ্শৰ পৰা ফালৰি কাটি নিজ নিজ নিয়মমতে ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। কিন্তু অসমৰ প্ৰায়বোৰ হিন্দু গাঁৱতে একোটা নামঘৰ প্ৰতিষ্ঠা হ'বলৈ ধৰিলে। এনেদৰে অসমত প্ৰায়বোৰ গাঁৱত নামঘৰে প্ৰসাৰ লাভ কৰে।

আজিকালি নগৰ-চহৰতো নামঘৰ ধুনীয়াকৈ নিৰ্মাণ কৰি একোখন নামঘৰ কেন্দ্ৰিক সমাজ প্ৰতিষ্ঠা হৈছে। নামঘৰত শঙ্কৰী সংস্কৃতিৰ চৰ্চা হয়। নামঘৰত অনুষ্ঠিত নাট-ভাওনা আদি সাংস্কৃতিক কাৰ্যসূচীয়ে ৰাইজক বিমল আনন্দ দিয়ে। গুৰুজনাৰ দিনত থান বা হৰিগৃহত জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ এখন সমাজ গঢ় লৈ উঠিছিল। গুৰুজনে ভকতৰ জাত বিচাৰ নকৰিছিল। অস্পৃশ্যতাৰ স্থান নাছিল। হৰিনামে সকলোকে পবিত্ৰ কৰে গতিকে সকলো ভকত পবিত্ৰ। সেয়ে গুৰুজনাৰ দিনত পৰ্বত-ভৈয়ামৰ সকলো লোক আহি নামধৰ্মত যোগ দিছিল। কিন্তু দুজনা মহাপুৰুষৰ পিছত লাহে লাহে নামঘৰৰ সমাজখন সলনি হ'বলৈ ধৰিলে। মানুহৰ জাত-বিচাৰ আৰম্ভ হ'ল। ফলত সকলো জাতিৰ মানুহ একেলগে বহিব নোৱাৰা হ'ল। বৰং একোটা নিৰ্দিষ্ট জাতিৰ লোকৰ একোটা নামঘৰ হ'ল। এখন সমাজৰ লগত আনখন সমাজৰ মিলাপ্ৰীতি নাথাকিল। সমাজ ভাগ ভাগ হ'ল। এই বিভাজনৰ মূল কাৰণ হৈছে ব্ৰাহ্মণ্যবাদ। অসমত দুজনা গুৰুৰ পিছত ব্ৰাহ্মণ্যবাদে আকৌ গা কৰি উঠিল। শঙ্কৰদেৱে বৰ্ণাশ্ৰম ধৰ্মৰ বিপৰীতে নামধৰ্ম প্ৰকাশ কৰি প্ৰচাৰ কৰিছিল। বৰ্ণাশ্ৰম ধৰ্মত বৰ্ণ বা জাত বিচাৰ আছে। তাত তথাকথিত ব্ৰাহ্মণসকলৰ একাধিপত্য চলে। অস্পৃশ্যতা আছে। কিন্তু নামধৰ্মত এইবোৰ নাই। গতিকে নামঘৰৰ সমাজবোৰতো ব্ৰাহ্মণ্য ধৰ্মই কলুষিত কৰিলে। গতিকে যি নামঘৰত জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকে একেলগে হৰিনাম চৰ্চা কৰিছিল, খোৱা-লোৱা কৰিছিল— ব্ৰাহ্মণ্যবাদীৰ আগ্ৰাসনতে সেই সুন্দৰ সমাজখন ভাগ ভাগ হ'ল। এই মহামাৰী প্ৰধানকৈ ব্ৰহ্ম সংহতিৰ সত্ৰৰ পৰা অসমত বিয়পি পৰে। সত্ৰ নামঘৰত— একোজন সত্ৰাধিকাৰৰ ৰাজত্ব চলিবলৈ ধৰিলে। ঈশ্বৰৰ ঘৰত একশ্ৰেণী মানুহ অস্পৃশ্য বুলি গণ্য কৰা হ'ল। ফলত গুৰুজনাই এক কৰা সমাজখন ভাগ ভাগ হ'ল। অসমীয়া সমাজ বৰ্ণবাদে গ্ৰাস কৰিলে। সত্ৰবিলাকে ইয়াত সাৰ-পানী যোগালে। তথাকথিত নিম্নশ্ৰেণীৰ লোকক তথাকথিত উচ্চবৰ্ণৰ লোক থকা নামঘৰত একেলগে বহিবলৈ বাধা আৰোপ কৰিলে। তেওঁলোক ভকত হ'লেও অপবিত্ৰ বুলি বিবেচিত হ'ল। অসমৰ নামঘৰ কেন্দ্ৰিক সমাজখন ভাগ ভাগ হ'বলৈ ধৰিলে। ই দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে। এনেতে ১৯৩০ চনত অসমত আকৌ এটি ধৰ্ম বিপ্লৱ আৰম্ভ হ'ল আৰু গুৰুজনাই দি থৈ যোৱা নানা জাতি-উপজাতিৰ সমাজখন আকৌ নিৰ্মাণ কৰিবলৈ চেষ্টা চলিল। এই আন্দোলন বৰ্তমানেও চলি আছে

কিন্তু ইয়াতো প্ৰবল প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে। এচামে বেদৰ ভুল ব্যাখ্যা দি সৰ্বসাধাৰণ ৰাইজক ভুল পথে পৰিচালিত কৰি আছে। যি মহাপুৰুষে নামধৰ্ম বেদৰ পৰা উদ্ধাৰ কৰিছিল, "অৰনিশি চাৰি বেদ বিচাৰি বেকত কৰু হৰি নাম" সেই বেদৰ বিষয়ে নানা ধৰণৰ ব্যাখ্যাৰে তথাকথিত ধৰ্মাধিকাৰসকলে সৰ্বসাধাৰণ ৰাইজক বিপথে পৰিচালিত কৰি আছে। এটা কথা ঠিক যে বৰ্ণাশ্ৰম ধৰ্মত কৰ্মকাণ্ড যেনে পূজা-বলি, হোম, যজ্ঞ আদি আছে, বৰ্ণবিচাৰ আছে, কিন্তু নামধৰ্মত এইবোৰ নাই। গতিকে বেদৰ কৰ্মকাণ্ড নামধৰ্মত অনুপস্থিত। গতিকে নামধৰ্ম বা এক শৰণীয়াই বেদৰ নিৰ্দেশ মানি চলিবলৈ বাধ্য নহয়। সেয়ে এই সংস্কাৰকামী সংস্থাটিয়ে এই সকলো বাধা অতিক্ৰম কৰি আগুৱাই গৈছে। তেওঁলোকে অসমত বহুতো নামঘৰ প্ৰতিষ্ঠা কৰিছে— গুৰুজনাৰ আদৰ্শ ৰক্ষা কৰি। "বৰ্তমান গঢ়ত সত্ৰবিলাকৰ জন্ম কেতিয়া হ'ল সঠিক কোৱা টান; কিন্তু নামঘৰৰ পৰাই যে তাৰ উচ্চখাপ ৰূপে ইয়াৰ উৎপত্তি হয় তাত সন্দেহ কৰিবৰ কাৰণ নাই। সম্ভৱ সপ্তদশ অষ্টাদশ শতিকাত আহোম ৰজাসকলে দিয়া সম্বল আৰু অনুগ্ৰহ লাভৰ বাবেই আড়ম্বৰপূৰ্ণভাৱে প্ৰতিষ্ঠিত হৈ বৰ্তমান সত্ৰবোৰে সমাজতো উচ্চ স্থান লভিলে আৰু গাঁৱে গাঁৱে থকা নামঘৰবোৰ কোনো উপায়ে নিজ শাসনলৈ আনিবলৈ প্ৰত্যেক সত্ৰ অনুষ্ঠান উঠি পৰি লাগিছিল। এইটো সম্ভৱ নুই কৰিব নোৱাৰি, এহাতে ৰাজকীয় সা-সুবিধা আৰু ইহাতে ব্যৱসায়ী আকাংক্ষা, তাৰ মাজত সত্ৰবোৰ সাত্ত্বিক আদৰ্শৰ পৰা ৰাজসিক ভাবলৈ নামি আহিল। বিশেষ মন কৰিবলগা কথা, মূল আদৰ্শত পতা গাঁৱলীয়া কোনো নামঘৰ তাৰ অনুকৰণত পতা ঘৰুৱা গোসাঁইঘৰবোৰৰ সিংহাসনত কেতিয়াও কোনো মূৰ্ত্তি নথকা সত্বেও ৰাজ-অনুগ্ৰহৰ লোভত পতা সত্ৰবিলাকে মহাপুৰুষীয়া ধৰ্মৰ মূল আদৰ্শকো বলি দি মূৰ্ত্তি স্থাপন কৰিবলৈ ধৰিলে।" (যুগনায়ক শঙ্কৰদেৱ— ডিম্বেশ্বৰ নেওগ, পূৰ্বশ্ৰী প্ৰকাশ, ৫২৮ শঙ্কৰাব্দ)। ■

---

*লেখক অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আৰু বিশিষ্ট গৱেষক।*

# জয়-বিজয় মাহাত্ম্য

ড° খৰ্গেশ্বৰ ভূঞা

জয় আৰু বিজয়— ভগৱান বিষ্ণুৰ দুজন পাৰিষদ। বিষ্ণুৰ আবাসস্থল বৈকুণ্ঠৰ সপ্তদ্বাৰৰ অন্তিম দুৱাৰৰ দ্বাৰৰক্ষী। এদিন ব্ৰহ্মাৰ মানস সন্তান চাৰিসিদ্ধ চতুঃসন আহিছিল বিষ্ণুক দেখা কৰিবলৈ। জয়-বিজয়ে তেওঁলোকক চিনি নেপাই সপ্তম দুৱাৰত বাধা দিলে। মুনিকেইজনৰ খং উঠি অভিশাপ দিলে মৰ্ত্যত জন্ম ল'বলৈ। দ্বাৰপাল দুজনে নিজৰ ভুল বুজিব পাৰি চতুঃসনৰ চৰণত ধৰি ক্ষমা খুজিলে। ভগৱান বিষ্ণুৱেও ভক্তৰ দুখ বুজি শাপৰ তীব্ৰতা কমাবলৈ অনুৰোধ জনালে। এবাৰ বৰ্ষিত হোৱা শাপ খণ্ডন নহয় বাবে বিষ্ণুৱে কলে, "বৈৰভাবে চিন্তিবাহা মোক। অল্পকালে পাইবা এহি লোক।" জয়-বিজয়ে চাৰিসিদ্ধৰ শাপত দৈত্যৰূপে মৰ্ত্যত জন্ম ল'ব আৰু বিষ্ণুৰ শত্ৰুতা কৰিব। এসময়ত বিষ্ণুৱে বৈৰী দৈত্যক বধ কৰিব আৰু জয়-বিজয় দুয়োজনে পূৰ্বৰ ৰূপ লৈ দ্বাৰপাল হিচাপে কৰ্তব্য কৰিব। সেইমতে কাশ্যপ পত্নী দিতিৰ গৰ্ভত জয়-বিজয় হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰূপে দৈত্য হৈ জন্ম ল'লে। দুয়োৰে ভগৱান বিষ্ণুৰ বৈৰিতা কৰিলে, ফলত বিষ্ণুৱে বৰাহৰূপে হিৰণ্যাক্ষক আৰু নৰসিংহৰূপে হিৰণ্যকশিপুক বধ কৰি দৈত্যজন্মৰ পৰা মুক্তি দিলে।

জয়-বিজয়ৰ চমু কাহিনী শ্ৰীমদ্ভাগতৰ মতে এইটোৱেই। কাহিনীটোত আলোচনাযোগ্য বিষয় বহুতো আছে, তাৰে কিছুৰ অৱলোকন কৰা যাওক। বিষ্ণুৰ 'দ্বিতীয়' অৱতাৰ বৰাহে হিৰণ্যাক্ষক আৰু চতুৰ্দশ অৱতাৰ নৰহৰিয়ে (হৰিৰ অৰ্থ সিংহ) হিৰণ্যকশিপুক বধ কৰাৰ কাহিনী সকলোবোৰ পুৰাণতে

আছে যদিও জয়-বিজয়ৰ কাহিনী ভাগৱতৰ বাদে কতো নাই। একেদৰে হিৰণ্যকশিপুক সকলো পুৰাণেই বিশেষ গুৰুত্ব দিলেও হিৰণ্যাক্ষৰ কথা মাত্ৰ উল্লেখ কৰা হৈছে। আনকি পুৰাণ মহাভাৰতৰ মতে বৰাহ অৱতাৰ ধাৰণ কৰাৰ মূল উদ্দেশ্য হিৰণ্যাক্ষ বধ নহয়, পৃথিৱী উদ্ধাৰহে। পৃথিৱীক লৈ আহোঁতে ঘটনাক্ৰমে হিৰণ্যাক্ষক লগ পাইছে, বিষ্ণু অৱতাৰে বধ কৰিছে। এইবোৰৰ বিপৰীতে হিৰণ্যাক্ষক লৈ ভাগৱতে কেবাটাও অধ্যায় খৰচ কৰিছে আৰু বৰাহ হিৰণ্যাক্ষৰ দীঘলীয়া যুদ্ধৰ বৰ্ণনা দিছে। ভাগৱতৰ তৃতীয় স্কন্ধৰ গোপাল চৰণে অনুবাদ কৰা- দ্বিতীয় অংশৰ দ্বাবিংশ অধ্যায়ৰ পৰা সপ্তবিংশ অধ্যায়লৈ ছটা অধ্যায় জুৰি হিৰণ্যাক্ষৰ বৰ্ণনা দিয়া হৈছে। ভাগৱততো স্বয়ম্ভূ মনুৱে জীৱ সৃষ্টিৰ বাবে ব্ৰহ্মাৰ ওচৰত ঠাই বিচাৰিছে। সৃষ্টিৰ বাবে উপযুক্ত স্থান পৃথিৱী বা বসুমতী নিৰুপায় হৈ ভগৱান বিষ্ণুক খাটনি ধৰিছে বসুমতীক অটল জলৰ পৰা তুলি আনিবলৈ। বিষ্ণুৱে তেতিয়া এশিঙীয়া বৰাহৰ ৰূপ লৈ বসুমতীক শিঙৰ ওপৰত উঠাই লৈ পানীৰ ওপৰলৈ আনি স্থাপন কৰিছে। গতিকে আনবোৰ পুৰাণৰ দৰে ভাগৱততো কৈছে যে বৰাহ অৱতাৰৰ মূল উদ্দেশ্য পৃথিৱী উদ্ধাৰহে, হিৰণ্যাক্ষ বধ গৌণ উদ্দেশ্যহে।

হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ ক্ষেত্ৰত পিছৰজনক বিশেষ গুৰুত্ব দিয়াৰ বিপৰীতে কেৱল ভাগৱতে গুৰুত্ব দিয়া হিৰণ্যাক্ষৰ কাহিনী ভাগৱততো বিছিন্নভাবে দিয়া আছে। হিৰণ্যাক্ষৰ কাহিনী ভাগৱতৰ তৃতীয় স্কন্ধত দিয়াৰ বিপৰীতে হিৰণ্যকশিপুৰ কাহিনী আছে সপ্তম স্কন্ধতো। দুয়োটা অধ্যায়ৰ মাজত কপিল, দত্তাত্ৰেয়, পৃথু, নাৰদ আদি চতুৰ্বিংশতি অৱতাৰৰ কেইবাটাৰো কথন হৈছে অৰ্থাৎ ভাগৱতৰ মতেও বৰাহৰ পিছতেই নৃসিংহ অৱতাৰ হোৱা নাই। ভাগৱতৰ দ্বিতীয় স্কন্ধৰ তালিকাত দ্বিতীয় অৱতাৰ বৰাহ (প্ৰথম অৱতাৰ ব্ৰহ্মা- কমলাসনজন নহয়) তাৰপাছত নাম দিয়া হৈছে ক্ৰমে— যজ্ঞ, কপিল, দত্তাত্ৰেয়, সনকাদি, নৰনাৰায়ণ, পৃশ্নি, পৃথু, ঋষভ, হয়গ্ৰীৱ, মৎস্য আৰু কূৰ্ম অৱতাৰৰ। ইয়াৰ পাছৰ অৱতাৰহে নৰসিংহ। অৱতাৰ সৰ্ম্পকীয় জঁট এৰি জয়-বিজয়ৰ ওচৰলৈ ঘূৰি যোৱা যাওক।

জয়-বিজয়ৰ পূৰ্বৰ পৰিচয় ভাগৱত আৰু আন পুৰাণতো সম্ভৱ নাই। তেওঁলোকক পূৰ্ণ যুৱক অৱস্থাত বিষ্ণুৰ সপ্তম দ্বাৰৰ ৰখীয়া হিচাপে দেখুওৱা হৈছে। অনুমান কৰিব পাৰি যে বিষ্ণুৰ নিবাসৰ সপ্তমখন দ্বাৰৰ গুৰুত্ব আটাইতকৈ বেছি। বাকী ছখন দ্বাৰৰ দ্বাৰপাল আছিলনে নাই, থাকিলেও

সেইসকল কোন আছিল সেয়া ভাগৱতে কোৱা নাই। আটাইতকৈ গুৰুত্বপূৰ্ণ দ্বাৰখনত ৰক্ষী দুজন নিশ্চয় বিষ্ণুৰ পৰম ভক্ত আৰু বিশ্বাসী আছিল। দ্বাৰৰ ৰক্ষী ৰখাৰ অৰ্থই হ'ল বাছ-বিচাৰ নকৰাকৈ ভগৱান বিষ্ণুৰ ওচৰলৈ কোনো যাব নোৱাৰে। জয়-বিজয়ে সেই অনুসাৰেই কৰ্তব্য পালন কৰিছিল যদিও তাৰবাবেই শাপৰূপী শাস্তি পাবলগা হ'ল। এনে এটা আভাস দিয়া হৈছে যে সিদ্ধ বৈষ্ণৱ হিচাপে প্ৰাপ্ত হ'বলগা সকলো গুণ আয়ত্ত কৰিব পৰা নাছিল জয়-বিজয়ে। শাপৰ যোগেদি কোৱা হৈছে যে জয়-বিজয় এনে ঠাইলৈ যাব লাগিব য'ত কাম, ক্ৰোধ আৰু লোভ— এই তিনি বৈৰী আছে। অৰ্থাৎ এওঁলোকে অন্ততঃ এই তিনি ৰিপুক ইতিমধ্যে বশ কৰিছে। জয়-বিজয়ৰ পিছৰ জন্মৰ দুই দৈত্য হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ ক্ৰোধ আৰু লোভ থাকিলেও কাম ভাৰত আসক্ত হোৱাৰ প্ৰমাণ নাই।

অৱতাৰসমূহৰ ক্ৰম দহটা আৰু চৌবিশটা। অৱতাৰৰ তালিকা আদিক লৈ দীঘলীয়া আলোচনাৰ থল থাকিলেও সদ্যহতে ক'ব খোজা কথাটো হ'ল সৃষ্টিকৰ্তা ব্ৰহ্মাই কৌমাৰ সৃষ্টি আশ্ৰয় কৰি মানস প্ৰক্ৰিয়াৰে চাৰিজন পুত্ৰৰ সৃষ্টি কৰিলে। এওঁলোকেই হ'ল প্ৰথম অৱতাৰ। বায়ুপুৰাণৰ মতে ব্ৰহ্মাই নিজেই নিজৰ প্ৰতিৰূপ হিচাপে সৃষ্টি কৰিলে চাৰি কুমাৰক, গতিকে প্ৰথম অৱতাৰ স্বয়ং ব্ৰহ্মা। ব্ৰহ্মাৰ চাৰি মানস পুত্ৰৰ নাম হ'ল— সনক, সনাতন, সনন্দ আৰু সনৎকুমাৰ। এওঁলোক সকলোৰে নামৰ প্ৰথম আখৰ দুটা 'সন' হোৱাৰ বাবে এওঁলোকক একেলগে চতুঃসন বোলা হয়। মহাভাৰত আৰু আন দুখনমান পুৰাণৰ মতে ব্ৰহ্মাৰ প্ৰথম পৰ্যায়ৰ সন্তান সাতটি— এওঁলোকো সপ্তৰ্ষি। এওঁলোকৰ নামবোৰ হ'ল— সন, সনৎসুজাত, সনক, সনন্দ, সনৎকুমাৰ, কপিল আৰু সনাতন।

চতুঃসনে সন্তান জন্ম দিয়াৰ সলনি ব্ৰহ্মচৰ্য ব্ৰত পালন কৰিলে। তেওঁলোক কাম, ক্ৰোধ, লোভ, মোহ আদি ছয় ৰিপুৰ পৰা সম্পূৰ্ণ মুক্ত। সেয়েহে ব্ৰহ্মাই এইবোৰ ৰিপুৰ সৃষ্টি কৰিলে নহ'লে সংসাৰ নচলে। বিস্ময়ৰ কথাটো হল চাৰিসিদ্ধ ছয় ৰিপুৰ অন্তৰ্গত 'ক্ৰোধ'ৰ পৰাও মুক্ত, অথচ জয় বিজয়ে বিষ্ণুৰ কোঠাত সোমাবলৈ নিদি লাঠিৰে খেদি দিওঁতেই তেওঁলোকৰ খং উঠিল আৰু অভিশাপ দিলে। এই পৰিস্থিতি চাৰিসিদ্ধৰ স্বভাৱৰ লগত নিমিলে। সেয়েহে ইয়াৰ ব্যাখ্যাও ভাগৱতত দিয়া হৈছে। জয়-বিজয়ে তেওঁলোকক ক্ষমা ভিক্ষা কৰাৰ পাছত মুনি চাৰিগৰাকীৰো অনুতাপ হল—

বৈকুণ্ঠলৈ আহি এনেদৰে অভিশাপ দিব নালাগিছিল। বৈকুণ্ঠৰ দৰে স্থানত এজনে আনজনক মাৰিবলৈ খেদি যোৱা যেনেকৈ বেয়া, তেনেকৈ অভিশাপৰ দৰে শাস্তি দিয়াটোও অনুচিত। সেয়েহে জয়-বিজয়ে যদি চাৰিসিদ্ধক বাধা দি ভুল কৰিছিল, তেন্তে চাৰি সিদ্ধইও শাপ দি একে ভুলেই কৰিছিল। জয়-বিজয়ে শাস্তি ঠিকেই পালে, কিন্তু চাৰিসিদ্ধই শাস্তি নেপালে। জয়-বিজয়ে অৱশ্যে নিজৰ মাহাত্ম্য দেখুৱাই কৈছে যে তেওঁলোকক শাপ দিয়াৰ বাবে চাৰিসিদ্ধৰ কোনো পাপ হোৱা নাই।

ভাগৱতৰ মতে জয়-বিজয়ে বিচাৰিছিল—

*"আৰে আমাসাক এহি কৃপা কৰা*
*যাও যেহি যেহি লোক।*
*বান্ধৱ কৃষ্ণৰ স্মৰণ সদায়*
*তৈতে তৈতে নুগুচোক।।" (৩/৯০৬)*

— অৰ্থাৎ চাৰিসিদ্ধৰ শাপত তেওঁলোক য'লৈকে নেযাওঁক তাতো যেন বান্ধৱ কৃষ্ণৰ স্মৰণ কৰি থাকিব পাৰে। পিছে পিছত বিষ্ণুৱে দিয়া ব্যৱস্থামতে তেওঁলোক সোনকালেই বৈকুণ্ঠলৈ ঘূৰি আহিবৰ বাবে বৈৰিতাহে কৰিব লাগিব অৰ্থাৎ বিষ্ণুৰ নাম বৰ্জনহে কৰিব লাগিব। গতিকে ঘটনাচক্ৰত বিসংগতি আছে।

ভগৱান বিষ্ণুৱে জয়-বিজয়ৰ দুষ্কাৰ্য আৰু মুনিৰ অভিশাপৰ কথা গম পাই লক্ষ্মীৰে সৈতে দ্বাৰলৈ ওলাই আহিছে। মুনিসকলে বিষ্ণুৰ ৰূপ দেখি কৃতাৰ্থ মানিছে, জীৱন সফল হোৱা বুলি কৈছে। দুই দ্বাৰপালক অভিশাপ দি মহাপাপ কৰা বুলিও মুনিসকলে স্বীকাৰ কৰিছে আৰু তাৰবাবে তেওঁলোকে ক্ষমাও খুজিছে। এইখিনিতে বিষ্ণুৱে ব্ৰাহ্মণসকলৰ কীৰ্তি বখানিছে। ব্ৰাহ্মণসকলৰ সমান মহান কোনো নাই। ইয়াত 'ব্ৰাহ্মণ' বোলোতে গুণ-কৰ্ম যোগে হোৱা ব্ৰাহ্মণ নে জন্মসূত্ৰে হোৱা ব্ৰাহ্মণ সেয়া স্পষ্ট নহয়। তদুপৰি জয়-বিজয়ৰ ঘটনা ঘটাৰ কালত চতুৰ্বৰ্ণৰ বিভাগ হোৱা নাছিল যেন লাগে। ইয়াত মুনিসকলে জয়-বিজয়ক দিয়া অভিশাপৰ বিষয়টোক বিষ্ণুৱে গুৰুত্ব দিয়া নাই, তেওঁলোকে ব্ৰাহ্মণ বাবেই সকলো কৰিব পাৰে যেন দেখুওৱা হৈছে। ওলোটাই বিষ্ণুৱে চাৰিসিদ্ধক অনুৰোধ কৰিছে 'অল্পকালে' তেওঁলোকৰ পাপ শেষ হওক যাতে তেওঁলোক পুনৰ বৈকুণ্ঠলৈ ঘূৰি আহিব পাৰে। চাৰিসিদ্ধই পুনৰ ভগৱানক প্ৰাৰ্থনা কৰিছে যে ব্ৰাহ্মণৰো ইষ্টদেৱ বিষ্ণুৱেই।

যিসকল ব্ৰাহ্মণে বিষ্ণুক এৰি অন্য দেৱী-দেৱক আৰাধনা কৰে, তেওঁলোক ভাগ্যহীন, দুৰাচাৰ আৰু তেওঁলোকে কোটি কল্প নৰকত নিকাৰ ভুঞ্জিব লাগিব। ইয়াৰ পৰা বুজা যায় যে, ইয়াত ব্ৰাহ্মণ মানে জন্মসূত্ৰে হোৱা ব্ৰাহ্মণ যিসকলৰ কিছুমানে অন্য দেৱ-দেৱীক পূজা কৰে আৰু ব্ৰাহ্মণেও ভুল কৰিব পাৰে।

চাৰিসিদ্ধই কৈছে যে বিনা দোষে বিষ্ণু ভক্তক শাপ দি তেওঁলোকে মহাপাপ কৰিছে আৰু ইয়াৰ বাবে বিষ্ণুৱে তেওঁলোকক দণ্ড দিব লাগে। বিষ্ণুৱে ক'লে যে, এইক্ষেত্ৰত মুনিসকলৰ কোনো দোষ নাই, তেওঁহে শাপ দিয়াইছে যাতে এওঁলোক অসুৰ যোনিলৈ যাব পাৰে। মুনিসকলে সন্তুষ্ট হৈ বিদায় মাগিলে। তেতিয়া বিষ্ণুৱে জয়-বিজয়ক ক'লে— 'ব্ৰাহ্মণৰ তেজ মই নকৰো বিফল' বৈৰভাৱে সদায় বিষ্ণুক স্মৰণ কৰিলে ব্ৰহ্মশাপ বিনাশ হৈ কোনো সংকট উপস্থিত হ'লে বা ভাবুকি আহিলে নামঘৰেই এটা প্ৰতিষ্ঠান, শাপ ইটো নিমিত্তেসে ভৈল।" এফালেদি কোৱা হৈছে ব্ৰহ্মশাপ কেতিয়াও বিফল নহয়, আনফালে ব্ৰহ্মশাপ নিমিত্তহে- অৰ্থাৎ শাপো তেৱেঁই দিয়াইছে। বিষ্ণুৱেনো নিজৰ অতি বিশ্বাসী দ্বাৰপাল দুজনক ব্ৰাহ্মণৰ হতুৱাই কিয় শাপ দিব লগা হ'ল সেয়াহে জনা নেযায়, কাৰণ চাৰিসিদ্ধক খেদি দিয়া দোষটোও বিষ্ণুৰ ইচ্ছামতেই ঘটিছে।

জয়-বিজয় অভিশাপ মতে কাশ্যপৰ ঔৰসত দিতিৰ গৰ্ভত হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপু দৈত্যৰূপে জন্ম ল'লৈগৈ। পুৰাণসমূহৰ মতে কাশ্যপৰ পৰাই গোটেই ব্ৰহ্মাণ্ডৰ জীৱকুল আহিছে বহুসংখ্যক পত্নীৰ গৰ্ভত। অদিতিৰ গৰ্ভত দেৱতা, দিতিৰ গৰ্ভত দৈত্য, দনুৰ গৰ্ভত দানব, মনু (স্ত্ৰী)ৰ গৰ্ভত মানৱ, সেইদৰে পশু-পক্ষী, সৰ্প আদি আনবোৰ জীৱও কাশ্যপৰ বিভিন্ন পত্নীৰ পৰা জন্মিছে। ৰামায়ণৰ উত্তৰকাণ্ডতো এইবোৰৰ দীঘলীয়া তালিকা আছে। সি যি কি নহওক, আনবোৰ দৈত্যৰ জন্মৰ আগতেই আদি দৈত্য হিচাপে হিৰণ্যাক্ষ আৰু হিৰণ্যকশিপুৰ জন্ম হৈছিল। এওঁলোক অত্যাচাৰী আৰু কুকৰ্ম কৰা ধৰণৰ বৈশিষ্ট্যযুক্ত হোৱাৰ কাৰণো ভাগৱতত দিয়া হৈছে। দিতি কামাতুৰা হৈ সংগমৰ বাবে কাশ্যপৰ কাষ চাপিছিল আৰু সন্ধ্যা সময়তে দুয়োৰে মিলন হৈছিল। সন্ধ্যাকালত হোৱা মিলনৰ বাবেই অত্যাচাৰী সন্তানৰ জন্ম হৈছিল, যাৰবাবে দিতিকহে দোষ দিয়া হৈছে। দিতিয়ে এশ বছৰ গৰ্ভধাৰণ কৰা বুলি ভাগৱতত কৈছে, তদুপৰি জন্মৰ সময়ত মহাপ্ৰলয়ৰ দৰে পৰিস্থিতিৰো সৃষ্টি হৈছে। পাহাৰ-মাটিত কঁপনি উঠিছে ধূমকেতু ওলাইছে, প্ৰচণ্ড শব্দ হৈছে,

ধুমুহা বতাহত গছ-গছনি ভাঙি চুৰমাৰ হৈছে, বিজুলী ঢেৰেকণিয়ে মাজে মাজে পোহৰালেও গোটেইখন ঘোপমৰা আন্ধাৰ হৈছে, চন্দ্ৰ সূৰ্যক ৰাহুৱে গ্ৰাসিছে— মুঠতে দীঘলীয়া প্ৰাকৃতিক বিপৰ্যয়ৰ বৰ্ণনাৰে বুজোৱা হৈছে যে পৃথিৱীলৈ দুৰ্যোগ আনিব পৰা ব্যক্তিৰ জন্ম হৈছে। জয়-বিজয়ৰ মাহাত্ম্য বিচাৰ কৰিলে দেখা যায় যে তেওঁলোকৰ জন্মত পৃথিৱীৰ বিপৰ্যয় ঘটাতো অনভিপ্ৰেত, তেওঁলোকে সকলোৰে অভিশাপ পাব লগা কাম কৰাটোও খাপ নেখায়। ইয়াৰ বাবে বিষ্ণু পাৰিষদৰ মাহাত্ম্য বহু পৰিমাণে ক্ষুণ্ণ হয়, জয় বিজয়ক বেছি পাষণ্ড সজোৱা হৈছে।

আগতেই কোৱা হৈছে যে, হিৰণ্যকশিপুক লৈ পুৰাণসমূহ খুবেই আগ্ৰহী, কিন্তু হিৰণ্যাক্ষক লৈ একমাত্ৰ ভাগৱতৰ বাদে বাকী পুৰাণসমূহে কেইটামান শ্লোক খৰচ কৰিবলৈও আগ্ৰহী নহয়। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদৰ বিষ্ণুভক্তিৰ মহিমা প্ৰকাশ কৰাই ইয়াৰ মুখ্য কাৰণ হ'ব পাৰে। পিছৰ কালতো দৈত্যসকল দেৱতা তথা বিষ্ণুৰ ঘোৰ বিৰোধী। ইয়াৰ ব্যতিক্ৰম হৈছে হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ আৰু প্ৰহ্লাদৰ নাতি বলি, এওঁলোক বিষ্ণুভক্ত। আনহাতে বলিৰ পিতৃ বিৰোচনো বিষ্ণুভক্ত নহয়। হিৰণ্যাক্ষৰ পুত্ৰসকলো বিষ্ণুবিৰোধী আছিল।

জয়-বিজয়ৰ ভিতৰত কোনজন ডাঙৰ, সেইবিষয়ৰ কোনো তথ্য নথকাৰ দৰে জয়-বিজয়ৰ ভিতৰত কোনজন হিৰণ্যকশিপুৰূপে জন্ম লৈছিল তাকো স্পষ্টকৈ কোৱা হোৱা নাই। এই তথ্য বিচৰাৰ এটি কাৰণ আছে। অৱতাৰৰ ক্ৰমত আগতে বৰাহ হৈ বিষ্ণুৱে হিৰণ্যাক্ষক বধ কৰিছে আৰু পাছত নৃসিংহ অৱতাৰ হৈ হিৰণ্যকশিপুক মাৰিছে। সেই হিচাপত হিৰণ্যাক্ষক ডাঙৰ যেন লাগে। ভাগৱতত কৈছে 'আদিদৈত্যো হিৰণ্যাক্ষঃ' অৰ্থাৎ হিৰণ্যাক্ষই প্ৰথম দৈত্য। জন্মৰ সময়তো ভাগৱতে কৈছে— যং তং হিৰণ্যাক্ষমসুত সাগ্ৰতঃ— দিতিয়ে হিৰণ্যাক্ষক আগতে জন্ম দিছিল। আনহাতে গোপালচৰণ অনুদিত ভাগৱতৰ তৃতীয় স্কন্ধৰ ১০০১ পদত কোৱা হৈছে— "হিৰণ্যকশিপু শ্ৰেষ্ঠ। কনিষ্ঠৰ হিৰণ্যাক্ষ অৰ্থাৎ ইয়াত স্পষ্টভাৱেই হিৰণ্যকশিপু ডাঙৰ আৰু হিৰণ্যাক্ষ সৰু। অনুবাদৰ এই ব্যতিক্ৰম লক্ষণীয়।

দুয়োজন যিহেতু যমজ, সেয়েহে সময়ৰ সামান্য ইফাল সিফাল আলোচ্য বিষয় নহয়। যদিও ভাগৱততেই সেই সুৰুঙা আছে। দৰকাৰী কথাটো হ'ল চাৰিসিদ্ধক অপমান কৰাৰ ক্ষেত্ৰত জয় আৰু বিজয়ৰ সমানেই অৰিহণা আছিল যেন লাগে, সেই হিচাপত দুয়োজনৰ জন্ম প্ৰায় একে সময়তে হোৱাৰ

দৰে মৃত্যুও সামান্য সময়ৰ ব্যৱধানত বা একেলগে হ'ব লাগিছিল। তেওঁলোকে মৰ্ত্যত জন্ম লৈছিল অপৰাধৰ প্ৰায়শ্চিত্তৰ বাবে অৰ্থাৎ অপৰাধৰ পৰিমাণৰ লগত মৰ্ত্যত থকাতো সমানুপাতিক। পিছে হিৰণ্যাক্ষৰ মৃত্যুৰ পিছত হিৰণ্যকশিপুৱে হাজাৰ বছৰ তপস্যা কৰিছে, তাৰপাছতো বহুকাল ৰাজত্ব কৰিছে, অৰ্থাৎ তেওঁ হিৰণ্যাক্ষতকৈ বেছি শাস্তি ভোগ কৰিছে, গতিকে অপৰাধো চাগে বেছিকৈ কৰিছিল। ভাগৱতৰ কাহিনীত এজনে বেছি অপৰাধ কৰাৰ কোনো ইংগিত নাই। হিৰণ্যাক্ষই আগতে মুক্তি পাই অকলে বিষ্ণুৰ দ্বাৰৰক্ষক কৰ্তব্য পালন কৰিছিল নেকি সেয়াও জনা নেযায়।

সকলোতকৈ গণ্ডগোলীয়া কথাটো হ'ল— বিষ্ণুৱে কৈছিল যে জয়বিজয় 'অল্পকালে' পুনৰ বৈকুণ্ঠলৈ ঘূৰি যাব। পিছে কাহিনীমতে কম সময়তে দুয়ো বৈকুণ্ঠলৈ ঘূৰি যাব পৰা নাই। হিৰণ্যাক্ষ ডাঙৰ হৈ দহজন পুত্ৰৰো জন্ম দিছে— শকুনি, শম্বৰ, ধৃষ্টি, ভূত, সন্তাপন, বৃক, কালনাভ, মহানাভ, হৰিশ্মশ্ৰু আৰু উৎকচ নামৰ দহজন পুত্ৰ যুৱকো হৈ উঠিছে। গতিকে হিৰণ্যাক্ষৰ কম বয়সতে মৃত্যু হোৱা নাই। হিৰণ্যকশিপুৰ বয়স কমেও হেজাৰ বছৰ বেছি হিৰণ্যাক্ষতকৈ। সপ্তম স্কন্ধ ভাগৱতৰ (৯২-৯৫) মতে হিৰণ্যাক্ষ হিৰণ্যকশিপু হৈয়ে জয়-বিজয়ৰ মৰ্ত্যবাস সম্পূৰ্ণ হোৱা নাই। সত্যযুগত এই দুজনে মৃত্যুবৰণ কৰাৰ পাছত ত্ৰেতাযুগত এওঁলোকে ৰাৱণ কুম্ভকৰ্ণ হৈ জন্মিছে। ৰামৰ হাতত দুয়োৰে মৃত্যু হোৱাৰ পাছত পুনৰ তৃতীয় জনম লৈছে শিশুপাল দন্তবক্ৰ হৈ। দ্বাপৰৰ এই জন্মত দুয়ো ককাই ভাই নহয়, কিন্তু ভগৱান কৃষ্ণৰ হাতত মৃত্যুবৰণ কৰিছে।

দুটা জন্মৰ মাজৰ সময় দুয়োৱা তেওঁলোক ক'ত আছিল তাৰ বিৱৰণ পাবলৈ নাই। সেয়া যি কি নহওক হিৰণ্যাক্ষ হিৰণ্যকশিপুৰ এটা জন্মই হওক বা বাকী দুটা জন্ম মিলাই মুঠ তিনিবাৰ জন্মই হওক, সময়খিনিক 'অল্পকাল' বুলি নিশ্চয় ক'ব নোৱাৰি। সেয়েহে জয়-বিজয়ৰ মাহাত্ম্য বিচাৰো বিশ্বাসযোগ্য ভাৱে কৰিব নোৱাৰি। লঘু পাপত গুৰু দণ্ডই বৈষ্ণৱী মহিমাকো ম্লান কৰে।

পুনৰ অৱতাৰলৈ ঘূৰি অহা যাওক। দশ অৱতাৰ, আৰু চৌবিশ অৱতাৰৰ ক্ৰমৰ পাৰ্থক্যবোৰলৈ নগৈ কৈ থ'ব পাৰি যে মৎস্য, কূৰ্ম, বৰাহ আৰু নৰসিংহ হৈছে ক্ৰম অনুসাৰে প্ৰথম চাৰিটা অৱতাৰ, আনহাতে ভাগৱতৰ দ্বিতীয় খণ্ডৰ ২২ টা আৰু একাদশ খণ্ডৰ দুটা মুঠ ২৪ টা অৱতাৰৰ বৰাহ দ্বিতীয় আৰু নৃসিংহ চতুৰ্দশ অৱতাৰ। গীতাত কৃষ্ণই কৈছে— অৱতাৰ

ধাৰণৰ উদ্দেশ্য ‘পৰিত্ৰাণায় সাধুনাম্ বিনা্শ্চায়ত দুস্কৃতাম্’— সাধুক ৰক্ষা কৰিবলৈ আৰু দুষ্কৃতিকাৰীক বিনাশ কৰিবলৈ ভগৱানে যুগে যুগে অৱতাৰ ধাৰণ কৰে। পিছে আধাখিনি অৱতাৰতেই ভগৱানে কোনো দুৰ্জনক নাশ কৰা নাই।

দশাৱতাৰ ক্ৰমৰ প্ৰথম দুটা অৱতাৰে কোনো দুষ্কৃতিকাৰীক বধ কৰা নাই, বৰং পৃথিৱীক (অৰ্থাৎ জীৱকুলক) ৰক্ষাহে কৰিছে। বৰাহ অৱতাৰৰো মূল উদ্দেশ্য আছিল অতল সমুদ্ৰত নিমজ্জিত পৃথিৱীক উদ্ধাৰ কৰাটোহে, বাটতে হিৰণ্যাক্ষই দিগদাৰ দিওঁতেহে বৰাহে তেওঁক হত্যা কৰিছে। দুই এখন পুৰাণে অৱশ্যে ইংগিত দিছে যে হিৰণ্যাক্ষ দৈত্যই গদাৰে ঠেলি পৃথিৱীক পানীৰ তললৈ পঠাই দিছিল। পিছে ভাগৱততে ধৰি সকলো পুৰাণে কৈছে যে বৰাহে নিজৰ শৃংগত তুলি পৃথিৱীক এশ যোজন (প্ৰায় ১৪০০ কিলোমিটাৰ) ওপৰলৈ উঠাই আনোতে হিৰণ্যাক্ষক লগ পাই বধ কৰিছে। আগতেই কোৱা হৈছে বৰাহ হিৰণ্যাক্ষৰ যুদ্ধৰ কথা আন পুৰাণত তেনেই সামান্য থকাৰ পৰিৱৰ্তে ভাগৱতত কেবাটাও অধ্যায়ত বৰ্ণনা কৰা হৈছে। ভাগৱতৰ মতেও হিৰণ্যাক্ষই নিজৰ শক্তিত অহংকাৰী হৈ সকলোকে অত্যাচাৰ কৰিছে, তেওঁৰ ভয়ত স্বৰ্গৰ দেৱতাসকল পলাইছে। স্বৰ্গ অধিকাৰ কৰাৰ পাছত সমুদ্ৰত বিচৰণ কৰোঁতে হিৰণ্যাক্ষই বৰুণ দেৱতাক লগ পাই যুদ্ধ কৰিব বিচাৰিলে। বৰুণে ক’লে যে তেওঁ বৃদ্ধ হৈছে, গতিকে ভগৱান বিষ্ণুৱে বৰাহ অৱতাৰ লৈছে, তেওঁৰ লগতে যুদ্ধ কৰকগৈ। বিষ্ণুক বিচাৰি হিৰণ্যাক্ষই সাগৰত প্ৰৱেশ কৰোঁতে নাৰদে তেওঁক পঠালে ৰসাতললৈ। ৰসাতললৈ যাওঁতেই হিৰণ্যাক্ষই দেখিলে নাকৰ ওপৰৰ শিঙত তুলি এশিঙীয়া বৰাহে (বৰাহঃ সংবৃত্ত একশৃংগো মহাদ্ধ্যুতি) পৃথিৱীক লৈ আহিছে। তেতিয়া হিৰণ্যাক্ষই বৰাহক প্ৰত্যাহ্বান জনালে যদিও বৰাহে তেওঁক অৱহেলা কৰি প্ৰথমে পৃথিৱীক জলৰ ওপৰত স্থাপন কৰিলে, তাৰ পাছত দুয়োৰে ঘোৰ যুদ্ধ হ’ল। শেষত হিৰণ্যাক্ষ নিহত হ’ল। মন কৰিবলগীয়া কথাটো হ’ল— ইয়াত বৰাহে প্ৰথমে পৃথিৱী পৰিত্ৰাণৰ প্ৰাথমিক কৰ্তব্য কৰিছে, তাৰপাছত দুষ্কৃতিকাৰী হিৰণ্যাক্ষক বধ কৰি অৱতাৰৰ মাহাত্ম্য প্ৰকাশ কৰিছে।

পৃথিৱীখন ৰসাতললৈ কেনেকৈ গ’ল— সেই বিষয়ে পুৰাণসমূহত বিশেষ তথ্য নাই। মহাপুৰুষ শঙ্কৰদেৱে ‘কীৰ্ত্তন’ৰ বৈকুণ্ঠপ্ৰয়াণ অধ্যায়ত কৈছে—

*কিন্তু যদুকুল যেবে যাওঁ নসংহৰি।*
*আৰ ভৰে দুনাই তল যাইবে বসুন্ধৰী।।*

যদুকুলৰ ভৰত পৃথিৱী আকৌ তল যাব। ইয়াৰ অৰ্থ হ'ল পূৰ্বতে কমেও এবাৰ বসুন্ধৰী পানীত তল গৈছিল। কেতিয়া গৈছিল সেয়া পুৰাণত নহ'লেও মহাভাৰতত আছে। বনপৰ্বত লোমল মুনিয়ে নাল কাহিনীৰ মাজতে বৰাহে পৃথিৱী উদ্ধাৰ কৰাৰ কথাও কৈছিল যুধিষ্ঠিৰক। যুধিষ্ঠিৰে সুধিলে— কেনেকৈ পৃথিৱী তললৈ গ'ল? তেতিয়া মুনিয়ে ক'লে যে, সত্যযুগত প্ৰথমে সৃষ্টি, পালন আৰু সংহাৰৰ দায়িত্ব ভাগ কৰা নাছিল। বিষ্ণুৱেই তিনিওটা দায়িত্ব পালন কৰিছিল। নিজে কৰা সৃষ্টিৰ ওপৰত ভগৱান বিষ্ণুৰ বৰ দয়া। গতিকে ভালদৰে পালন কৰিবলৈ ল'লে কিন্তু কাকো মাৰিবলৈ মন নকৰা হ'ল। ফলত পৃথিৱীৰ জীৱৰ সংখ্যা তীব্ৰগতিত বাঢ়ি গৈ পৃথিৱীত থাকিবৰ ঠাই নাইকিয়া হ'ল। উল্লেখ কৰি থ'ব পাৰি যে এহাল মাখিৰ পৰা যিমান পোৱালি হ'ব সেইবোৰ যদি মৰি নেযায়, তেন্তে দহবছৰত অকল মাখিৰেই গোটেই পৃথিৱী ভৰি পৰিব। অন্য জীৱৰ বাবে অকণো ঠাই নোহোৱা হ'ব। গতিকে জন্ম পোৱা কোনো জীৱই নমৰাৰ বাবে পৃথিৱীৰ ভৰ ইমানেই বেছি হ'ল যে এসময়ত পৃথিৱী সাগৰৰ তললৈ সোমাই গ'ল জীৱৰ ভৰত। সাগৰ তলীলৈ গৈও শান্তি নাই, গোটেই শৰীৰ বসুমতীৰ বিষ। তললৈ মূৰ কৰি পৰি থকা বসুমতীয়ে কোনোমতে সূক্ষ্মদেহ ধাৰণ কৰি বিষ্ণুৰ ওচৰ পালেহি আৰু তেওঁক সাগৰ তলিৰ পৰা তুলি আনিবলৈ খাটনি ধৰিলে। সেইমতে বিষ্ণুৱে এশিঙীয়া বৰাহৰ ৰূপ ধাৰণ কৰি পৃথিৱীক ওপৰলৈ আনি জলৰ ওপৰত 'প্ৰোষিত' কৰিলে যাৰবাবে বসুমতীৰ নাম হ'লগৈ 'পৃথিৱী'। প্ৰোষিতৰ পৰা পৃথিৱী।

বসুমতীক সাগৰৰ পানীৰ পৰা তুলি আনোতে বৰাহৰ প্ৰেমপূৰ্ণ দৃষ্টিয়ে ধৰিত্ৰীক বিকল কৰিলে, ফলত দুয়োৰে মিলন ঘটিল আৰু জন্ম হ'ল নৰকাসুৰৰ। মিলনৰ সময়খিনি সন্ধ্যা আছিল সেয়েহে নৰকাসুৰ হ'লগৈ অত্যাচাৰী। কাশ্যপ-দিতিৰ সন্ধ্যা সময়ৰ মিলনৰ বাবে দোষ দিয়া হৈছিল দিতিক; আনহাতে বৰাহ বসুমতীৰ অসময়ৰ মিলনৰ বাবে দোষী হ'লগৈ নৰকাসুৰ। সত্যযুগৰ পৰা দ্বাপৰৰ শেহলৈ নৰকে প্ৰাগজ্যোতিষপুৰত ৰাজত্ব কৰাটো দুৰকল্লাহ; নৰকৰ মৃত্যু হৈছিল বিষ্ণুৰ পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ হাতত।

দুষ্টৰ দমন আৰু সন্তক পালন— অৱতাৰৰ এই মূল উদ্দেশ্য সম্পূৰ্ণ সাধিত হৈছে নৃসিংহ অৱতাৰত। হিৰণ্যাক্ষক বিষ্ণুৱৰ অৱতাৰে বধ কৰা বুলি জানি হিৰণ্যকশিপু হৈ পৰিল পাগলৰ দৰে। সকলো দেৱতা আৰু বিষ্ণুভক্তক অত্যাচাৰ কৰাৰ বাবে সভাসদ দৈত্যসকলক আদেশ দিলে। ভাগৱতত নাম দিয়া দৈত্যসকল বিভিন্ন যুগৰ, এওঁলোকৰ বিভিন্ন কাহিনী পুৰাণত আছে। এইসকলৰ কিছুমান হ'ল— শুদ্ধনৰ, তক্ষক, সম্বৰ, শতবাহু, হয়গ্ৰীৱ, নুসুচি, ইলল, পুলেমল, বিপ্ৰছিতি, শকুনি আদি। হিৰণ্যকশিপুৰৰ আদেশত দৈত্যসকলে ভীষণ অত্যাচাৰ আৰম্ভ কৰিলে। ইফালে অধিক শক্তিৰ বাবে হিৰণ্যকশিপুৱে দুৰ্ঘোৰ তপস্যাত মগ্ন হ'ল। সহস্ৰ বছৰ ধৰি কৰা তপস্যাত ত্ৰিভুবনত হাহাকাৰ লাগিল। দেৱতাৰ অনুৰোধত ব্ৰহ্মা আহিল বৰ দিবলৈ।

হিৰণ্যকশিপুৱে জানে ব্ৰহ্মাই অমৰ বৰ কাকো নিদিয়ে, সেয়েহে তেওঁ বৰ বিচাৰিলে- দেৱতা, দানৱ, মানব, কোনেও যেন তেওঁক মাৰিব নোৱাৰে। ঘৰৰ বাহিৰ-ভিতৰ, মাটি-আকাশ ক'তো যেন মাৰিব নোৱাৰে, দিন বা ৰাতিত নমৰিব, অস্ত্ৰ-শস্ত্ৰৰে মাৰিব নোৱাৰিব। বৰৰ বৈশিষ্ট্য দেখি ব্ৰহ্মাৰো মূৰ ঘূৰি গৈছিল— পৰোক্ষভাৱে হিৰণ্যকশিপুৱে অমৰ বৰেই বিচৰা নাইতো! পিছে জটিলতা কেনেকৈ পৰিহাৰ কৰে সেয়া ভগৱান বিষ্ণুৱে চিন্তা কৰিব বুলি ভাবি হিৰণ্যকশিপুক 'তথাস্তু' বুলি বৰ দিলে। ইয়াৰ বাবে ব্ৰহ্মাই বিষ্ণুৰ গালি খাইছিল।

বৰ লাভ কৰি দৈত্যৰাজ অধিক অত্যাচাৰী হ'ল। এওঁৰ পত্নী কয়াধু আৰু পুত্ৰ চাৰিজন- সংহ্লাদ, অনুহ্লাদ, হ্লাদ আৰু প্ৰহ্লাদ (বা প্ৰহ্রাদ- ভাগৱতৰ ভাষাত)। হিৰণ্যকশিপু বিষ্ণু বিৰোধী হ'লেও পত্নী কয়াধু আৰু কনিষ্ঠ প্ৰহ্লাদ আছিল সৰুৰে পৰাই বিষ্ণুভক্ত। পুতেকক নিজৰ মতলৈ আনিব নোৱাৰি বাৰে বাৰে প্ৰহ্লাদক হত্যা কৰিবলৈও চেষ্টা কৰা হ'ল, কিন্তু বিষ্ণুৱে প্ৰতিবাৰেই ৰক্ষা কৰিলে। বিষ্ণু ক'ত থাকে বুলি হিৰণ্যকশিপুৱে সোধাত প্ৰহ্লাদে ক'লে যে তেওঁ সৰ্বত্ৰ বিৰাজমান। যেতিয়া দৈত্যৰাজে ৰাজসভাৰ স্তম্ভ এটা দেখুৱাই সুধিলে— এইটোতো আছেনে বুলি। প্ৰহ্লাদে আছে বুলি কোৱাত হিৰণ্যকশিপুৱে স্তম্ভটোত মুঠিৰে আঘাত কৰিলে। ভংগ হোৱা স্তম্ভৰ পৰা ওলাই আহিল নৰসিংহ— ওপৰৰ ডোখৰ সিংহ আৰু তলডোখৰ মানুহ। দুষ্টক দমন সন্তৰ পালনৰ বাবে অৱতাৰ গ্ৰহণত যি ঐশ্বৰিক শক্তিৰ প্ৰয়োজন হয়, সেই মহাশক্তিৰ প্ৰতীক 'সিংহ' সমাসবদ্ধ পদৰ প্ৰথমেই আহিব লাগে,

অৰ্থাৎ অৱতাৰৰ ৰূপ সমাসৰ নিয়মমতে হ'ব লাগে 'সিংহনৰ' কিন্তু কোৱা হ'ল 'নৰসিংহ'। ইয়াৰ যোগেদি বুজোৱা হৈছে— সিংহৰ কাঠিন্য নৰৰূপৰ মনুষ্য গুণেৰে আবৃত হৈ আছে।

নৰসিংহক মাৰিবলৈ হিৰণ্যকশিপুৱে খেদি যোৱাত বিষ্ণুৰ অৱতাৰে দৈত্যৰাজক ধৰি আঁঠুৰ ওপৰত শুৱাই লৈ দুৱাৰ ডলিত বহিল— ঘৰৰ ভিতৰো নহয়, বাহিৰো নহয়, মাটিতো নহয়, আকাশতো নহয়, সময়টো আছিল সন্ধ্যা— দিনো নহয়, ৰাতিও নহয়— এনে অৱস্থাত সিংহৰ নখেৰে হিৰণ্যকশিপুৰ দেহ ফালি পেলালে— অস্ত্ৰৰেও নহয়, শস্ত্ৰৰেও নহয়, ব্ৰহ্মাৰ বৰৰ সকলো চৰ্ত পূৰণ কৰি হিৰণ্যকশিপুক বধ কৰা হ'ল।

দৈত্যৰাজক হত্যা কৰাৰ পাছতো কিন্তু নৰসিংহৰ ক্ৰোধ শান্ত নহ'ল। তেওঁ যেন মহাপ্ৰলয়হে সৃষ্টি কৰিব। অৱস্থা দেখি দেৱতাসকলে স্তুতি কৰিলে, স্বয়ং লক্ষ্মী দেবী আহিও স্তুতিত মগ্ন হ'ল, কিন্তু সকলো বৃথা। শেষত প্ৰহ্লাদৰ মুখেৰে ধ্বনিত হ'ল পৃথিৱী শান্তিৰ স্তুতি-নতি। বালক প্ৰহ্লাদক দেখি নৰসিংহৰ ক্ৰোধৰ উপশম হ'ল— পৰম স্নেহেৰে প্ৰহ্লাদক তুলি আঁঠুত বহুৱালে আৰু কেশৰযুক্ত মুখেৰে প্ৰহ্লাদৰ মুখ চেলেকি দিলে— সিংহৰ চকু দুটা পৰম আৱেশত যেন মুদ খাই আহিল।

নৃসিংহ অৱতাৰৰ প্ৰথমে দুষ্টক দমন কৰা হৈছে সিংহৰূপে আৰু তাৰ পাছত মনুষ্য গুণেৰে ভক্তক পালন কৰা হৈছে। পিছত প্ৰহ্লাদে ভগৱানক কৰা দীঘলীয়া স্তুতিৰ অন্তত দোষ ক্ষমা কৰিবলৈ বিষ্ণুক অনুৰোধ কৰিছে আৰু নৰসিংহই ক্ষমা কৰিছে। হিৰণ্যকশিপুৱেই যে জয় বা বিজয় আছিল আৰু বিষ্ণুৰ হাতত মৰি পুনৰ বৈকুণ্ঠলৈ যাব সেই কথাৰ ক'তো উল্লেখ নাই। পিছত নৰদেহে যুধিষ্ঠিৰক কৈছে যে জয়-বিজয়ে ইয়াৰ পাছত ৰাৱণ-কুম্ভকৰ্ণ আৰু শিশুপাল-দন্তবক্ৰ হৈ পুনৰ জয়-বিজয় হ'ব। হিৰণ্যাক্ষ হিৰণ্যকশিপুৰ লগত জয়-বিজয়ক সাঙোৰাৰ কাৰ্য মসৃণভাৱে কৰা হোৱা নাই। তথাপি বিষ্ণু-ভক্তি-মাহাত্ম্য দেখুৱাবৰ বাবে ইয়াৰ গুৰুত্ব আছে। ■

---

*লেখক নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আৰু বিশিষ্ট গৱেষক।*

# নামঘৰ ঃ আধ্যাত্মিক সমল

দীনেশ মহন্ত

নামঘৰ— দিব্যনামৰ দিব্যৰূপ স্মৰণৰ লগে লগে শ্ৰদ্ধা ভক্তিৰে মন প্ৰাণ-প্ৰাচুৰ্যৰে ভৰি পৰে। লগে লগে মনে বাটচ'ৰাতে ভকতক সেৰা ধৰি দুজনা গুৰুৰ অভয় চৰণ সেৰি বুলনি-চ'ৰাৰে আগবাঢ়ি মূল নামঘৰত প্ৰৱেশ কৰিয়েই সিংহাসনত (আসনত) প্ৰতিষ্ঠিত পূৰ্ণকৃষ্ণ ভগৱন্তৰ ৰাতুল চৰণলৈ নতমস্তক হৈ পৰে। এয়া অসমীয়া সমাজৰ প্ৰতিজনৰে, প্ৰতিঘৰৰে, প্ৰতিখন গাঁও আৰু নগৰ-চহৰৰ ৰাইজৰ মনৰ অৱস্থা। নামঘৰ অসমীয়া সমাজ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ, প্ৰাণকেন্দ্ৰ।

নামঘৰ দুটা শব্দৰ সমাহাৰ, নাম আৰু ঘৰ। আকৌ দুয়োটা শব্দতে দুটাকৈ আখৰ। দুইৰ মাজতে ন-প্ৰকাৰ দন্দৰ প্ৰকাশ পাইছে এই জগতত। যেনে- জন্ম-মৃত্যু, সত্য-অসত্য, শীত-তাপ, মান-অপমান, আৱাহন-বিসৰ্জন, হানি-লাভ, জয়-পৰাজয়, সুখ-দুখ, নিন্দা-স্তুতিতো আছেই তদুপৰি দেহ-আত্মা, প্ৰকৃতি-পুৰুষ, আধ্যাত্মিক-ভৌতিক আদিৰো ইয়াতেই উৎপত্তি। গীতাৰ বিভূতি যোগত এই দন্দ তেওঁৰেই বিভূতি বুলি কৈছে।

*"শাস্ত্ৰ মধ্যে সমাস আছয় নানা ছন্দ।*
*মইসে তাহাৰ মধ্যে যাক বোলে দন্দ।।" ৭৮০ গীতা*

'নাম' দিব্য, 'ঘৰ' জড়, ভৌতিক। কিন্তু দিব্যবস্তু মূলতে লৈ নিৰ্মাণ হোৱা ঘৰো দিব্য হৈছে। প্ৰকৃততে এই দিব্য ঘৰ কি? এয়া প্ৰভু শ্ৰীকৃষ্ণ, শ্ৰীহৰিৰ নিবাসস্থান বৈকুণ্ঠ। যাৰ জ্যোতি কোটি সূৰ্যসম।

*"পদ্ম ৰাগ ৰত্নে লগাইলা জৌতি*
*কোটি সূৰ্যসম গৃহৰ জ্যোতি।।" কীৰ্ত্তন-ঘোষা*

এয়া কথা ভৌতিক জ্ঞানৰে ঢুকি পোৱা টান। লাগিব আধ্যাত্মিক জ্ঞান। আধ্যাত্মিক জ্ঞান দিয়ে আধ্যাত্মিক গুৰুৱেহে। আধ্যাত্মিক জ্ঞানকে নাম অনুভৱলৈ নিয়াটোৱেই বিজ্ঞান, জ্ঞানক বিজ্ঞানলৈ নিব পৰা জনেই ৰহস্য। এয়া ভাগৱতৰ সাৰ, জ্ঞান, বিজ্ঞান, তদং আৰু ৰহস্য। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নামকৰণ কৰিলে গুৰু, দেউ, নাম, ভকত বুলি।

জগতো দুখন— এখন ভৌতিক আনখন আধ্যাত্মিক। আধ্যাত্মিক জগতখনত ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা এতিয়ালৈকে যিসকল ধৰ্মগুৰু আৱিৰ্ভাৱ হ'ল সেইসকলৰ ভিতৰত সকলো গুণবিশিষ্ট সৰ্বগুণাকৰ পুৰুষোত্তম, জগতগুৰু যাৰ উপমা দিবলৈ কোনো নাই। সেইজনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আসাম মুলুকত ১৪৪৯ খৃষ্টাব্দত আৱিৰ্ভাৱ হোৱাটোও এটা অনুপম ঘটনা। সকলো কাৰ্যৰ এটা কাৰণ থাকে। এইটো আধ্যাত্মিক আৰু ভৌতিক দুয়োখন জগততে স্বীকৃত। সৃষ্টি স্থিতি সংহাৰৰো কাৰণ আছে। সময়ে সময়ে ঈশ্বৰে অৱতাৰ ধাৰণ কৰাৰো কাৰণ আছে। সত্যযুগত কৰুণাময় হৰি, ত্ৰেতা যুগত মৰ্যাদা পুৰুষোত্তম শ্ৰীৰাম; দ্বাপৰযুগত লীলা পুৰুষোত্তম শ্ৰীকৃষ্ণ অৱতাৰ। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ ৪৫৫০ বছৰৰ পাছত ভক্তিধৰ্ম প্ৰচাৰৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ ভক্ত পুৰুষোত্তম হৈ অৱতাৰ। মনা নমনাটো মায়াবদ্ধ জীৱৰ নিজা নিজা জ্ঞান, বিচাৰ-বুদ্ধি আৰু পূৰ্বজন্মৰ সংস্কাৰৰে লৈ অহা নিজা নিজা বিষয়। আলোচ্য বিষয় যিহেতু আধ্যাত্মিক, আমি শাস্ত্ৰসন্মত আধ্যাত্মিক কথাহে আলোচনা কৰিম।

শাস্ত্ৰই কয় মায়াধীন জীৱৰ চাৰিটা দোষ আছে। (১) *ভ্ৰম* (২) *ত্ৰাস* (৩) *আসক্তি* (৪) *প্ৰমাদ* । প্ৰথমটো দোষৰ কাৰণে আমি ভ্ৰমিত হওঁ। যিসকল মায়াতীত মায়াই যাক ঢুকি নাপায় তেওঁলোকৰ দৃষ্টি সঁচা। তেওঁলোকে সত্যহে দেখা পায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক তেৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱতকৈ ভালকৈ কোনেও জনা নাছিল বুলিলে অতুক্তি কৰা নহ'ব। ঈশ্বৰক প্ৰতিষ্ঠা কৰে গুৰুৱে কাৰণ গুৰু ঈশ্বৰৰ অংশ অৱতাৰ। দেৱভতিমাত শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই লিখিছে -

*পৰম পুৰুষ                    পুৰাতন পাপী*
*পাৱন ঈশ্বৰ দেৱ।*

*ব্ৰহ্মা ৰুদ্ৰ আদি সব দিকপাল*
*যাকু কৰত নিত্য সেৱ।।*
*.... .... .... .... .... .... .... ....*
*.... .... .... ........ ....।*
*পালন প্ৰলয় স্ৰজন জগতক*
*যাকেৰি পৰম বিহাৰ*
*যাকু নাম ধৰি অধম পাতকী*
*পাবত ভৱনদী পাৰ।। (দেৱ ভটিমা)*

মহাপুৰুষ মাধৱদেৱে গুৰুভটিমাত শ্ৰীমন্ত শঙ্কৰদেৱৰ জয় ঘোষণাৰে তেওঁক সৰ্বগুণাকৰ আৰু অনুপম বুলি তেওঁৰ চৰণত শতকোটি প্ৰণাম জনাই শাৰীৰিক বৰ্ণনাৰে তেওঁৰ জন্ম আৰু কৰ্মৰ বিষয়ে লিখিছে—

*"ত্ৰিভুবন বন্দন দৈবকী নন্দন*
*যোহৰি মাৰল কংস।*
*জগ জন তাৰণ দেৱ নাৰায়ণ*
*শঙ্কৰ তাকেৰি অংশ।।" (গুৰু ভটিমা)*

মায়াধীন জীৱৰ দৰেই অসমত জন্ম লৈ একেই পৰিৱেশত বায়ু পানী সেৱন কৰি পাপ সাগৰত ডুবি মৰি মৰি জীয়াই থকা সকলক ভকতি ধৰ্ম প্ৰচাৰেৰে উদ্ধাৰ কৰিলেহি।

*"মায়া নৰতনু ধৰি হৰি ভকতি*
*কয়লি বহু পৰচাৰ।*
*সৱনৰ পাপ পয়োধি মজ্জল*
*তাহে কয়লি উদ্ধাৰ।।" (গুৰু ভটিমা)*

বেদত জ্ঞানমাৰ্গী বেদব্যাসে হিংসা ধৰ্মহে বিচাৰি পালে আৰু বলি বিধানৰ পন্থা লিখি জগজনক হিংসা ধৰ্মত ডুবালে— দেৱৰ্ষি নাৰদৰ কথাৰে—

*"নাৰদ বদতি শুনা মহামুনি ব্যাস।*
*তুমিসে কৰিলা জগতকে নাশ।।*
*নিৰন্তৰে পশুৰ লোৱাইলা তুমি প্ৰাণ।*
*নাহি গৰহিত কৰ্ম ইহাৰ সমান।। ৩২ ভাগৱত*
*গৰহিত কৰ্মক কহিলা ধৰ্ম বুলি*
*তোমাৰ বচনে লোক নাশিল সমূলি।।*

*আকস্মিতে লোকক কৰাইলা হিংসা ধৰ্ম*

*নুবুজিলা তুমিয়ো বেদৰ তত্ত্ব মৰ্ম্ম।।" ৩৩ ভাগৱত*

বুদ্ধ অৱতাৰত বেদ ধৰ্ম হিংসা ধৰ্ম বুলি বুদ্ধদেৱে বেদ পন্থ ত্যাগ কৰি নাস্তিক দৰ্শন প্ৰচাৰ কৰিলে। তাকে মহাপুৰুষ গুৰুজনাই কীৰ্ত্তন ঘোষাত লিখিলে -

*"বুদ্ধ অৱতাৰে বেদপন্থ কৰি ছন্ন,*

*বামানয় শাস্ত্ৰে মুহি আছে সৰ্ব্বজন।।*

*নিচিন্তে চৰণ নাম নলৱে তোমাৰ*

*সদায়ে প্ৰমত্ত লোক পাষণ্ড আচাৰ।।* (কীৰ্ত্তন ঘোষা)

কালিকা পুৰুণ যোগিনী তন্ত্ৰ আদি বামানয় শাস্ত্ৰ ভোগবাদত মতলীয়া হৈ লোক বৌদ্ধ আৰু ম্লেচ্ছ হ'ল। পঞ্চ 'ম' কাৰৰ (মদ্য, মৎস্য, মাংস, মৈঠুন, মুদ্ৰা) অঘো উপাসনাত ব্যস্ত হৈ নৰবলি পৰ্যন্ত তিনিও ৰাজ্যতে প্ৰচলিত হৈ থকাৰ সময়তে শ্ৰীমন্ত শঙ্কৰদেৱ আবিৰ্ভাৱ হৈ চাৰিবেদ মন্থন কৰি হৰি নাম প্ৰকাশ কৰিলে। যাক মানুহে নামঘৰত কীৰ্ত্তন কৰি মনোৰথ পুৰণৰ ব্যৱস্থা পালে।

*" অৱনিশি চাৰি বেদ বিচাৰি*

*বেকত কৰো হৰি নাম।*

*যাকেৰি বয়নে মিলায় গাই*

*পায় মনোৰথ কাম।।"* (নামঘোষা)

বেদৰ শিৰোমণি বেদান্ত, সেই বেদান্তৰ মাজত যাৰ চৰণ বিকাশ হৈ আছে সেইজন দেৱ শ্ৰীকৃষ্ণক তেওঁ প্ৰকাশ কৰিলে—

*"চাৰিবেদ শিৰোমণি মাজে*

*যাকেৰি চৰণ বিকাশ।*

*সোহি দেৱক কয়লি কলিত*

*শঙ্কৰদেৱ পৰকাশ।।"*

ঈশ্বৰ কৃষ্ণই বেদৰ তাৎপৰ্য ক'বলৈ গৈ গীতাত কৈছে—

*"স্বৰূপত কহো বেদৰ তাৎপৰ্য্য যত*

*সেহিসে বেদজ্ঞ জানে ভাগৱত।।" ২৮০ গীতা*

সেই ভাগৱত ওঠৰ হাজাৰ শ্লোকৰে এখন মহাসাগৰ। গুৰুজনাই অনুবাদ কৰা ভাগৱত হুবহু অনুবাদ নহয়। ভাগৱতৰ সাৰ আনি আৰু স্থানীয় সমলৰে

সকলোৰে সহজে বোধগম্য হোৱাকৈ অসমীয়াত লিখি উলিওৱা ভাগৱতত বেদব্যাসেও নিদিয়া প্ৰত্যেক অধ্যায়ৰ শেষত উপদেশ বা তাৎপৰ্য ৰূপত এক শৰণ হৰিনাম ধৰ্মত মতি স্থিৰ কৰি শ্ৰৱণ কীৰ্ত্তনৰে হৰিক স্মৰণলৈ আনিবলৈ শিকালে—

*"মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ*
*এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।" কীৰ্ত্তন-ঘোষা*

কীৰ্ত্তনঘোষাত ভাগৱতৰ তাৎপৰ্য দুভাগ কীৰ্ত্তনতে মাথো একৈশ ভাগ পদত সামৰিছে। প্ৰথম ভাগ কীৰ্ত্তনৰ প্ৰথম ঘোষাভাগত ঘোষণা কৰিলে—

*"কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত*
*নামধৰ্ম কৰিলা বিদিত।" কীৰ্ত্তন-ঘোষা*

আদি সত্যযুগত শুদ্ধধৰ্ম হৰিনামেই আছিল। দেৱসবে গুপ্ত কৰাৰ পাছত তিনি যুগৰ অন্তত কলিত আহি পুনৰ শ্ৰীমন্ত শঙ্কৰে প্ৰচাৰ কৰিলে। তাকে নাম-ঘোষাত ঘোষণা কৰিছে বস্তু প্ৰকাশত—

*"আদি সত্য যুগে শুদ্ধ ধৰ্ম　　আছিলেক মাত্ৰ হৰিনাম*
*দেৱ সৱে গুপ্ত কৰিলে কৰি কপট।*
*হেন হৰি নাম ব্যক্ত কৰি　　সমস্ত লোকক উদ্ধাৰিলা*
*শ্ৰীমন্ত শঙ্কৰে ভাঙিলে সবাৰে পট।।"*
*—নাম-ঘোষা। ৬৬৯*

খৃঃপূঃ ৩১৩৮-ত হোৱা মহাভাৰতৰ যুদ্ধৰ প্ৰাকমুহূৰ্ত্তত শোক-মোহ মহাপঙ্কত লেটি লোৱা অৰ্জুনক উদ্ধাৰ কৰিবলৈ ঈশ্বৰ কৃষ্ণই অৰ্জুনৰ আগত সকলো ধৰ্মৰ কথা কৈ গ'ল, অৰ্জুনে শুনি গ'ল, কিন্তু সংশয় দূৰ হোৱা নই। শেষত গুহ্যৰ পৰা গুহ্যতৰ, গুহ্যতৰৰ পৰা গুহ্যতম ধৰ্মতত্ত্ব ক'বলগা হ'ল যে কৰ্ম, জ্ঞান, ধ্যান সকলো মিছা, কেৱল ভক্তিতহে ঈশ্বৰ তুষ্ট হয়। মায়া ঈশ্বৰৰ শক্তি ঈশ্বৰ তুষ্ট হ'লেহে মায়া দূৰ হয়। ঈশ্বৰক দেহৰ কৰ্মৰে, মগজুৰ জ্ঞানৰে তুষ্ট কৰিব নোৱাৰি। তাৰ বাবে মনুষ্য দেহত ঈশ্বৰৰ পঞ্চমকোষ, আনন্দময় কোষেৰে নিৰ্মিত হৃদয়ৰ ভক্তিৰেহে তুষ্ট কৰিব পৰা যায়। ঈশ্বৰ তুষ্ট হ'লে মায়াৰ দূৰ হয়, মায়া নিবৃত্তি হ'লে দেহ-মন দিব্য হয়। দিব্য দেহ-মনৰে ভকতি কৰিলে ঈশ্বৰত্ব প্ৰাপ্তি হয়।

গুৰুজনাৰ প্ৰতিষ্ঠিত নামঘৰ দিব্যস্থান। দিব্যস্থানত বহি দিব্য দেহ-মনৰে

ঈশ্বৰ চিন্তনৰে ঈশ্বৰত্ব প্ৰাপ্তি হয়। গুৰুজনাই লিখিলে—

*"জ্ঞানে গতি কহয় বেদ শুনা তাৰ পৰিচ্ছেদ*
*জ্ঞান আহে ভকতিৰ মাজে ।*
*ভকতি কৰন্তে জানা আপুনি ওপজে জ্ঞান*
*যোগ চিন্তি মৰে মিছা কাজে।।"*

*—ভাগৱত। একাদশ স্কন্ধ। ১৯৯*

*তপ জপ যজ্ঞ দান সবে বিড়ম্বন*
*কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।" কীৰ্তন-ঘোষা*

শ্ৰীকৃষ্ণই অৰ্জুনক বুজনি দিওঁতে কোৱা কথাখিনিকে মহাপুৰুষ শঙ্কৰদেৱে ভাগৱতত ক'লে—

*"সৰ্ব্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।*
*সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।*
*নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ*
*সমস্ত পাপত মই কৰিবো উদ্ধাৰ।।" —ভাগৱত*

এই কথাকে শ্ৰীকৃষ্ণই উদ্ধৱকো কৈছিল -

*"এতেকে উদ্ধব তুমি তেজা বেদ পন্থ।*
*যিবা জানা শুনা আবে এৰা আন গ্ৰন্থ।*
*একে মাত্ৰ মোতে তুমি লৈয়োক শৰণ।*
*নকৰিবা ভয় সখি কৰিবো ৰক্ষণ ।।" —ভাগৱত*

এই কথাকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ৰত্নাকৰ নামৰ গ্ৰন্থতো কৈছে -

"কেৱল শৰণ মোত লোৱা ধনঞ্জয়।
ৰাখিবো সবাতে মই নকৰিবা ভয়।।"

এয়াই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মত একশৰণ। ভাগৱতৰ তাৎপৰ্যৰ প্ৰথম ভাগ কীৰ্ত্তনৰ ঘোষাত ঘোষণা কৰা "কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত, নামধৰ্ম কৰিলা বিদিত" লীলা পুৰুষোত্তম হৈ প্ৰকাশ কৰা গুণনামেই হৰি নামধৰ্ম।

*"তযু গুণনাম ধৰ্ম অনুপাম*
*মোক্ষ অৰ্থ কাম সাধা প্ৰভুৰাম।।" —গুণমালা*

অনুপম গুৰুৱেহে অনুপম ধৰ্ম প্ৰৱৰ্তন কৰিব পাৰে। সেই ধৰ্ম শুদ্ধৰূপত গ্ৰহণ কৰি জীৱ শিৱ হয়, নৰ নাৰায়ণ হয়। অনুপম গুৰুৱে অনুপম শিষ্য-

প্ৰশিষ্যৰ জৰিয়তে অনুপম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ কাৰ্যসূচী গ্ৰহণ কৰে। গীতাত প্ৰভু কৃষ্ণৰ মুখৰ বাণী—

*"শাস্ত্ৰ জ্ঞান আদি কৰি আছে যত জ্ঞান*
*তাহাৰ মধ্যত মই জানা তত্ত্ব জ্ঞান।।" —গীতা ৭৮০*

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই বৰগীতত পণ্ডিত আৰু ভকতৰ কথা লিখিছে এইদৰে—

*"পণ্ডিতে পঢ়য় শাস্ত্ৰ মাত্ৰ সাৰ ভকতে লিয়ে।*
*অন্তৰজল চুটয় কমল মধু মধুকৰ পিয়ে।।"*

বৰ্তমান সময়ত অসম তথা ভাৰতৰ আধ্যাত্মিক জগতৰ ভোটা তৰা স্বৰূপ আমাৰ প্ৰাতঃস্মৰণীয় হেমভাই বাপে শঙ্কৰদেৱৰ ওপৰত কৰা মন্তব্য যথাযথভাৱে উল্লেখ কৰিলোঁ— "ভাষা-সংস্কৃতি, কলা-কৃষ্টি, জীৱনৰ উচ্ছাস-প্ৰচ্ছাস, প্ৰত্যেকৰ জন্ম-মৃত্যুৰ লগত যিজনা গুৰু জৰিত হৈ আছে যিজনাই কৰ্মকাণ্ড ৰূপী ঘোৰ নৰকৰ পৰা নিৰ্মল ভকতিৰ ঐশ্বৰিক ৰাজ্যলৈ জীৱক উদ্ধাৰ কৰি লৈ যোৱাৰ মহান দায়িত্ব ল'লে, যিজনাই নৰপশুক নাৰায়ণ হোৱাৰ প্ৰেৰণা দিলে সেইজনাই আমাৰ পুৰুষোত্তম চাৰে তিনি মাত্ৰাৰ পৰমব্ৰহ্মৰ চিহ্ন ওঁ কাৰৰ দৰে চাৰে তিনিটা সুন্দৰ অক্ষৰে গঠিত শঙ্কৰ। শঙ্কৰ সুলভ— কাৰণ তেৰা কেৱল ঈশ্বৰ নহয়। শঙ্কৰ সামৰ্থ— কাৰণ তেৰা কেৱল মানৱ নহয়।"

এইজন শ্ৰীমন্ত শঙ্কৰৰ জীৱনৰ কাৰ্যসূচী পৰমাৰ্থ প্ৰদানৰে জগজনক তাৰণ কৰা। পৰাৰ্থৰ বাবে অহা সকলেহে পৰমাৰ্থ প্ৰদান কৰিব পাৰে। এয়া শাস্ত্ৰসন্মত। আমাৰ পৰম গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ১২ বছৰলৈ বাল্য লীলাৰে ১৩ বছৰত শিক্ষা আৰম্ভ। শ্ৰীশঙ্কৰ হ'ল শঙ্কৰদেৱ প্ৰদৰ্শনেৰে মহিমা অনন্ত। সান্দিপণি গুৰুৰ ওচৰত যেন শ্ৰীকৃষ্ণৰহে শিষ্যত্ব। "আপুনি নিৰ্মিলা শাস্ত্ৰ তাকে পঢ়া হুয়া ছাত্ৰ।" কেৱল ব্যঞ্জন বৰ্ণ পঢ়িয়েই লিখিলে বিশ্বৰ অদ্বিতীয় কৃষ্ণৰ ভাৱনান্বিত শিশুৰ কোমল গীত - "কৰতল কমল.........."। মাথোঁ ৫ টা বছৰতে আহৰণেৰে চাৰি বেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণৰ তত্ত্ব সৰ্বশাস্ত্ৰ শিৰোমণি ৰূপত শঙ্কৰদেৱ হ'ল শ্ৰীমন্ত। ভূঞা আৰু বিপ্ৰ পণ্ডিতসকলৰ অনুৰোধ, বাস্তৱত নিৰ্মাণেৰে দিব লাগে সপ্ত বৈকুণ্ঠৰ বোধ। তেতিয়ালৈকে নাটৰ সৃষ্টি হোৱা নাই এই কলিকালত। ১৯ বছৰ বয়সতে কৰিলে বিশ্বৰ প্ৰথম নাট মঞ্চস্থ ১৪৬৮ খৃঃত। 'চিহ্নযাত্ৰা'ৰ অন্তত শ্ৰীমন্ত শঙ্কৰদেৱ হ'ল

মহেন্দ্ৰ কন্দলিৰো গুৰু। মহাপুৰুষ মাধৱদেৱৰ ঘোষণৰে তিনি শইত খাই তেওঁ আমাৰ পৰম গুৰু।

*"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ*
*জানা যেন কল্পতৰু।*
*তাহান্ত বিনাই নাই নাই নাই*
*আমাৰ পৰম গুৰু।।"* (নামঘোষা)য

নাট লিখিলে চিহ্নযাত্ৰা। নিৰ্মাণ কৰিলে নাটৰ মাত্ৰা, নিৰ্মাণ কৰি বাদ্য যন্ত্ৰ তাল মান লয়ৰে সঙ্গীতৰ জয়যাত্ৰা। ভাষা সৃষ্টি কৰিলে ব্ৰজাৱলী, সকলোৰে বুজিব বুলি। কাহিনী কম অনুভৱ বেছি, য'ত আছে ,কৃষ্ণৰ ভাৱনাৰে উপচি। এফালে দৃশ্যাৱলীৰ সৌন্দৰ্য, আনফালে বক্তব্যত প্ৰকাশ পাইছে গভীৰ শাস্ত্ৰীয় তত্ত্ব - এক শৰণ হৰি নামধৰ্মৰ মহত্ব। ভাৱৰীয়াৰ ক্ৰিয়া কম, দৰ্শকৰ মাজত প্ৰতিক্ৰিয়াৰ দৃশ্য মনোৰম। পণ্ডিতে বুজিলে শ্লোকৰে, অপণ্ডিতে বুজিলে গীত-মাতেৰে, মুকবধিৰে বুজিলে ছোঁ মুখাৰ ভংগীমাৰে। ভাওনাৰ ভংগীমাৰ চলনাৰে ৰভাঘৰ পৰিবৰ্তন হ'ল সপ্ত বৈকুণ্ঠলৈ। পৰৱৰ্তী সময়ত নামি আহিল 'নামঘৰ'। গায়ন-বায়নৰ গীত-মাতৰ তালে তালে পঙ্কজবিলাশ বৈকুণ্ঠত স্থিত হ'লগৈ শ্ৰীমন্ত শঙ্কৰ বৈকুণ্ঠৰ পতি ৰূপে। দহ হেজাৰ দৰ্শকে পাহৰি নিজৰ স্থিতি সেই বৈকুণ্ঠতে বঞ্চিলে সাত দিন সাত ৰাতি। "অহিতো শঙ্কৰ তহিতো শঙ্কৰক দেখি দৰ্শকে কৰিলে স্তুতি মিনতি। চিহ্নযাত্ৰা নাছিল মাথোঁ বিশ্বৰ প্ৰথম নাট, দহটা অভিলেখ সৃষ্টিৰে গঢ়িলে বিশ্ব অভিলাস। একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ বাবে বৈকুণ্ঠ ৰূপত নামঘৰ মূল অংগ, চিহ্নযাত্ৰা নাট প্ৰদৰ্শন আছিল মাথোঁ অন্তৰঙ্গ পূৰ্বৰঙ্গ। কাৰণৰ বাবে কৰা কাৰ্যৰে উপলব্ধ বিভিন্ন উপাধি মাথোঁ বিভূতিৰ ৰূপত বহিৰঙ্গ যিটো অভক্ত পণ্ডিতৰো বুজাতো সম্ভৱ কিন্তু আধ্যাত্মিক সমল অন্তৰঙ্গ অনুভৱ ভক্তৰহে বৈভৱ।

গীতাৰ অষ্টম অধ্যায় অক্ষৰ-ব্ৰহ্মযোগত প্ৰথমতেই অৰ্জুনৰ প্ৰশ্ন আছিল "হে মাধৱ, ব্ৰহ্ম কি, আধ্যাত্ম কি আৰু কৰ্ম কি?" উত্তৰত প্ৰভু শ্ৰীকৃষ্ণই কৈছিল যে যাৰ বিনাশ নাই সেয়ে পৰমব্ৰহ্ম। সকলোৰে দেহত স্বভাৱত বা নিজভাৱত ব্ৰহ্মৰ যি অবস্থান সেয়ে অধ্যাত্ম। দেহটো চৌবিশ তত্ত্বৰ এটা ঘৰহে যাৰ মাজত আত্মা তত্ত্বৰূপত বিৰাজ কৰে। কৃপালু গুৰুজনাই কৈছে দেহকে মই বুলি ভবাতো অবিদ্যা বা অজ্ঞানতাহে—

*"শৰীৰক মই বুলি বুদ্ধি ভৈলা হত।*
*হিয়াতে হেৰাইলা প্ৰভু খোজো বাহিৰত।।" (ভাগৱত)*

আধ্যাত্ম জ্ঞানৰ প্ৰকাশ কেনেকৈ হয় তাকো গীতাত প্ৰভু শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত কৈছে—

*"চিত্তে থাকি বাসুদেৱ কৰি অধিষ্ঠান*
*বাসুদেৱ অধিষ্ঠানে প্ৰকাশয় জ্ঞান।।" গীতা ৫৭৭*

আধ্যাত্ম জগতৰো মূল আৰু জীৱনৰো মূল। ইয়াতে লুকাই আছে সৃষ্টি ৰহস্য আৰু জীৱৰ জীৱনচক্ৰ। আগতে আলোচনা কৰা আধ্যাত্মিক আৰু ভৌতিকো দন্দ। জগতত এটা অবিহনে আনটো অসম্ভৱ । পৰিদৃশ্যমান জগতখনত কি? কিয়? আৰু কেনেকৈ? প্ৰশ্ন লুকাই আছে। সেইখিনিৰ অধ্যয়ন, বিশ্লেষণেই ভৌতিক বিজ্ঞান। এই বিজ্ঞান সদায় পৰিৱৰ্তনশীল। কালিৰ বিজ্ঞান যেনেকৈ আজিৰ সাধাৰণজ্ঞানলৈ পৰিৱৰ্তন হৈছে, আজিৰ বিজ্ঞানো কালিলৈ সাধাৰণজ্ঞান হ'বগৈ।

আধ্যাত্মিক বিজ্ঞানত চাৰিটা স্তৰ আছে— জ্ঞান, বিজ্ঞান, দিব্যজ্ঞান আৰু পৰমজ্ঞান। গুৰুৱেই জ্ঞান। সেই জ্ঞানক অনুভৱলৈ অনাটো বিজ্ঞান। ভক্তিৰে ঈশ্বৰৰ নামযুক্ত বিজ্ঞানে দিয়ে দিব্যজ্ঞান। সৃষ্টিৰ মূলতঃ এটাই তত্ত্ব— সেই ঈশ্বৰ তত্ত্ব। দ্বিতীয় তত্ত্ব মায়াশক্তি (জড়শক্তি), তৃতীয় তত্ত্ব জীৱশক্তি (চৈতন্য); কিন্তু মায়াৰ অধীন হৈ জগতত চলি থাকে। মায়া আৰু জীৱ ঈশ্বৰৰ অংশ, ঈশ্বৰ অংশী। প্ৰকৃতিৰ নিয়ম অনুসৰি অংশ, অংশীৰ নিত্যদাস। পুনৰ মিলনৰ থাকে হাবিয়াস। সেই হাবিয়াসেই অনুৰাগ প্ৰেম বা ভকতি। এই অৱস্থাত সৃষ্টিৰ তৃতীয় তত্ব জীৱৰ, দ্বিতীয় তত্ত্ব মায়া নিবৃত্তি এটা স্থিতি। এই স্থিতিত তৃতীয় নয়ন খোল খায়— সেই ভকতি কৰাজনক ভকত বুলি কয়। সেয়েহে ভকত ত্ৰিনয়ন। এই তৃতীয় নয়নৰে কৰা ভক্তিৰে পৰমজ্ঞান লাভ হয়, যিটো সনাতন। এই জ্ঞানৰে জীৱ শিৱ হয়, নৰনাৰায়ণ হয়। এয়াই জীৱৰ তৰণ। ভৌতিকতা হ'ল একত্বৰ মাজত অনেকত্ব। আধ্যাত্মিক হ'ল অনেকত্বৰ মাজত একত্ব। মানৱক জগতৰ পৰা জগতপতিৰ ওচৰলৈ লৈ যোৱাৰ যি কাৰ্যক্ৰম তাক ৰূপায়ণৰ বাবে যি দিব্যস্থান প্ৰয়োজন হ'ল— সেয়ে দ্বিতীয় বৈকুণ্ঠ ৰূপত নামঘৰ। প্ৰথমে অস্থায়ীৰূপত ৰভাঘৰ সাজি সাদিন সাতৰাতি সেই বৈকুণ্ঠত দহ হাজাৰ লোকক ৰাখিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। স্থায়ী বৈকুণ্ঠ নিৰ্মাণৰ বাবে দুটা বছৰত পৰিৱেশ ৰচনা কৰি ২২

বছৰ বয়সত ১৪৭১ খৃষ্টাব্দত বৰদোৱাত স্থায়ী নামঘৰ নিৰ্মাণ কৰিলে শিষ্যসকলৰ সৈতে। বৰদোৱাত প্ৰতিষ্ঠা কৰা নামঘৰেই বিশ্বৰ প্ৰথম নামঘৰ। দ্বিতীয় বৈকুণ্ঠ বটদ্ৰৱা বা বৰদোৱা থানৰ জয় ঘোষণাৰে পুৰুষোত্তম ঠাকুৰদেৱে লিখিলে—

*"জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।*
*সেহি স্থানে নিজগুৰু ভৈলন্ত উদয়।।*
*সেহি স্থানে নিজ গুৰু পাতিলন্ত পাট।*
*ৰামনাম মহাৰত্ন বেসাইলন্ত হাট।।*

আকৌ লিখেছে—

*"সাতো বৈকুণ্ঠৰ শক্তি বৰদোৱা থান।*
*তহিতে ৰহিলা গুৰু কৰিয়া কীৰ্ত্তন।।*
*যৈত আসি গুৰুজন ভৈল অবতাৰ।*
*আন কোন স্থান হৈবে সম বৰদোৱাৰ।।"*

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত তেওঁক ক'ত পোৱা যাব বুলি সোধাত তেওঁ ভাগৱতত বাঙ্ময় ৰূপত থাকিব বুলি কৈছিল উদ্ধৱৰ আগত। কীৰ্ত্তন ঘোষাৰ ধ্যানবৰ্ণনত বৈকুণ্ঠৰ যি বৰ্ণনা শ্ৰীমন্ত শঙ্কৰদেৱে দাঙি ধৰিছে সকলো নামঘৰত বিদ্যমান। প্ৰতীকীৰূপত ছজন ভকত, বাৰজন বৈষ্ণৱ আৰু চৈধ্য পাৰিষদক লৈ স্থাপত্যবিদ্যাৰে নামঘৰভাগ নিৰ্মাণ কৰা হৈছে। বৰদোৱাৰ নামঘৰ ভাগ দীঘলে ১২০ হাত, প্ৰস্থই ৬০ হাত। পৰৱৰ্তী সময়ত মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা নিৰ্মিত বৰপেটা নামঘৰো একেটা জোখৰ। বৈকুণ্ঠত ভকত যদিও ছজন, শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই আৰু ছকুৰি ভকত নিৰ্মাণৰে ছকুৰি ছজন ভকত কৰাটো আৰু বৃন্দাৱনী বস্ত্ৰৰ জোখ নামঘৰৰ লগত একে হোৱাটো তাৎপৰ্যপূৰ্ণ।

নামঘৰৰ আধ্যাত্মিক সমলৰ কথা আলোচনা কৰোঁতে আমাৰ আলোচনা কৰা হ'ল আধ্যাত্মিক জগতত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ আৱিৰ্ভাৱ। আধ্যাত্ম কি? সকলো ধৰ্মৰ মাজত ৰাজা ধৰ্ম একশৰণ হৰি নাম ধৰ্মৰ একশৰণ কি? হৰিনাম ধৰ্ম প্ৰকৃততে কোনে বিদিত কৰিছিল? আজি এই হৰিনাম ধৰ্মৰ প্ৰৱৰ্তন কৰিবলৈ কি কি কৰিব লাগে? শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই এই ধৰ্মক জনগণৰ মাজলৈ লৈ যোৱাৰ বাবে যি সামাজিক প্ৰতিষ্ঠান গঢ় দিলে— সেয়ে নামঘৰ। এই আৰ্হি বৈকুণ্ঠৰ। প্ৰথমতে নিৰ্মাণ কৰি দেখুৱালে অস্থায়ীভাৱে। পাছত নিৰ্মাণ কৰিলে বৰদোৱাত স্থায়ীভাৱে। উপেন্দ্ৰ নাথ লেখাৰুৰ গুৰু

চৰিতত আছে— “পাছে অনেক শাস্ত্ৰৰস তত্বলৈ হৰি কীৰ্ত্তন কৰি কৃষ্ণ কথা চৰ্চিবলৈ ধৰিলে। অনেক জঞ্জাল পাই ৰামৰাম সখি, নৰোত্তম, চতুৰ্ভুজ, সৰ্ব্বজয়, সৰ্ব্বানন্দ, তুলসীৰাম, বৰ শ্ৰীৰাম, বুঢ়া দৈবজ্ঞ, জগতানন্দ, বৰ বলৰাম, চোট বলৰাম, বলোভদ্ৰ নাৰায়ণ, সাতকুৰিয়া নাৰায়ণ, গোবিন্দ, হৰি আদিৰে আলচ কৰি গ্ৰামৰ দূৰ কুসুমদেৱৰ সৰিয়হ তলিত চাৰিহাটী কৰি হৰিগৃহ নিৰ্মাণ কৰে ১৪৭১ খৃষ্টাব্দত।”

যিটো সময়ত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হৈছিল সেই সময়ত বিধস্ত সমাজ ব্যৱস্থাৰ উত্তৰণ ঘটোৱাৰ বাবে ধৰ্মৰ মাজেৰেই ৰাজনীতি সমাজনীতিৰে নিকা সমাজ নিৰ্মাণৰ যি যি পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া তেতিয়াও প্ৰাসঙ্গিক আছিল, এতিয়াও প্ৰাসঙ্গিক হৈ আছে আৰু ভৱিষ্যতেও প্ৰাসঙ্গিক হৈ থাকিব, যিহেতু আধ্যাত্মিকতাক লৈয়েই সেইসমূহৰ অৱতাৰণা কৰিছিল। ভৌতিক জ্ঞানেৰে ভৌতিক যেন লাগিলেও সকলোৰেই আচলতে আধ্যাত্মিক সমল। আধ্যাত্মিকতা সনাতন, সমলো সনাতন— কেৱল কথা হ'ল গীতা-ভাগৱতৰ তত্বসমূহ যেনেকৈ বৰ্তমানেও সম্পূৰ্ণৰূপে সাংকেতিক মূল্যাঙ্কন (De-code) কৰিব পৰা হোৱা নাই, আমাৰ নামঘৰৰ অৱস্থাও তেনেকুৱাই হৈ আছে।

**(১) একশৰণ হৰিনাম ধৰ্ম প্ৰতিষ্ঠা ঃ** প্ৰথমতেই এইটো স্পষ্ট যে ঈশ্বৰ উপাসনাৰ কাৰণে সন্যাসী হোৱাৰ প্ৰয়োজন নাই। গুৰুজনাই সংসাৰ ধৰ্ম পালন কৰিও হৰিনাম শ্ৰৱণ-কীৰ্ত্তনৰে স্মৰণলৈ আনি ভৱতৰণৰ পথ প্ৰশস্ত কৰা সামূহিক প্ৰতিষ্ঠান নিৰ্মাণ কৰিছিল শিষ্যসকলৰ সহযোগত। একশৰণৰেহে প্ৰেমানন্দৰ স্থায়ীত্ব প্ৰদান কৰে বুলি ভাগৱতৰ সিদ্ধান্ত।

*“শৰণেসে নিজ ভকতিৰ বীজ*
*প্ৰেমানন্দ যাৰ ফল।*
*শৰণ বিনাই ভকতি কৰয়*
*এৰা ঘটে যেন জল।।” ভাগৱত*

ভাগৱত উত্তম ফল হৰিনাম আৰু এই হৰিনামেই কেৱল ভকতি বুলি মহাপুৰুষ মাধৱদেৱে নামঘোষাৰ তাৎপৰ্যত লিখিছে।

*“বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।*
*ইহাৰ উত্তম ফল হৰি নাম মাত্ৰ।।*

*হৰিনাম হৰিনাম হৰিনামে গতি।*
*হৰিনাম ভকতৰ কেৱল ভকতি।। নামঘোষা*

অব্যভিচাৰী একশৰণ হৰিনাম গ্ৰহণ কৰিব লাগিব। সেয়েহে প্ৰথম আধ্যাত্মিক সমলেই হ'ল সেইসময়ৰ মন্দিৰসমূহত চলি থকা মূৰ্তিপূজাৰ প্ৰচলন বন্ধ কৰি ঈশ্বৰক অনুভৱৰে হৃদয়লৈ আনি কণ্ঠলগ্ন বস্তুৰ দৰে হৃদয়তে ৰাখি অব্যভিচাৰী ভক্তিৰে উপাসনা কৰাৰ অনুশীলন কৰিবলৈ শিকোৱা।

*"অন্য দেৱী দেৱ নকৰিবা সেৱ*
*গৃহো নপসিবা তাৰ।*
*মূৰ্ত্তিক নচাইবা প্ৰসাদ নখাইবা*
*ভক্তি হৈব ব্যভিচাৰ।।*

**(২) নামঘৰৰ মাজেৰে ত্ৰিগমন ঃ** উপনিষদে কৈছে মনুষ্যৰ বৈকুণ্ঠ প্ৰাপ্তি বা ঈশ্বৰত্ব প্ৰাপ্তিৰে শান্তি প্ৰতিষ্ঠাৰ বাবে ওঁ প্ৰণৱ শব্দ বা শব্দব্ৰহ্মক আগত লৈ ত্ৰিগমন কৰিবই লাগিব। তেতিয়াহে শান্তি বা আনন্দ প্ৰাপ্তি হ'ব। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই নামঘৰতে ত্ৰিগমন সম্পন্ন কৰাই বৈকুণ্ঠলৈ অতি চমু পথ নিৰ্মাণ কৰিলে।

*"ওঁ অসতো মা সৎ গময়*
*তমসো মা জ্যোতিৰ্গময়*
*মৃত্যু মা অমৃতং গময়*
*ওঁ শান্তি শান্তি শান্তি।"— উপনিষদ*

নামঘৰমুখী হোৱা জনৰ নামঘৰৰ সন্মুখত প্ৰতিষ্ঠিত নামসিংহ দৰ্শনেৰে মনৰ পাপহস্তি দূৰ হয় আৰু বাটচ'ৰাতে সেৱা ধৰি সৎসঙ্গ লয়। ইয়াতেই 'অসতো মা সৎ গময়' সম্পন্ন হয়। সৎ সঙ্গই মূল নামঘৰলৈ আগবঢ়াই নিয়ে। য'ত প্ৰজ্বলিত ভকতিৰ প্ৰদীপে অজ্ঞান অন্ধকাৰ দূৰ কৰি অন্তৰাত্মা পোহৰাই তোলে। তাতে 'তমসো মা জ্যোতিৰ্গময়' সম্পন্ন হয়। নামঘৰত ভকতৰ সঙ্গত বহি যেতিয়া তত্বৰ ওপৰত প্ৰতিষ্ঠিত আসনৰ পৰা নামক আহ্বান কৰা হয় নাম অমৃত পানৰে তেতিয়া গোবিন্দৰ প্ৰেম অমৃতৰ নদীৰ মূল ধাৰা হিচাপে নাম প্ৰৱাহিত হৈ মৃত্যু লোকতে অমৃত ময় হৈ পৰে। তাত 'মৃত্যু মা অমৃতং গময়' সম্পন্ন হয়। এই প্ৰক্ৰিয়াই তিনিটা স্তৰত শান্তি প্ৰতিষ্ঠা কৰে। প্ৰথমে যিজন নামঘৰমূখী হয় তেওঁ ব্যক্তিগতভাৱে প্ৰশান্তি লাভ কৰে, দ্বিতীয়তে সামাজিক স্তৰত শান্তি প্ৰতিষ্ঠা হয়, তৃতীয়তে শান্তিত

থকা সকলেহে বিশ্ব শান্তি প্ৰতিষ্ঠা কৰিবলৈ সামৰ্থ হয়।

**(৩) বৈকুণ্ঠৰ হৰিগৃহ মৰ্ত্যত স্থাপন ঃ** বৈকুণ্ঠ হৈছে ঈশ্বৰ কৃষ্ণৰ নিবাস স্থান। ঈশ্বৰৰ এটা নাম বৈকুণ্ঠ। মহাপুৰুষ মাধৱদেৱে নামঘোষাত লিখিছে -

*"কাল মায়া আদি যাহাৰ মনক*
*কৰিতে নাপাৰে কুণ্ঠ।*
*এহিসে কাৰণে ঈশ্বৰৰ নাম*
*প্ৰসিদ্ধ ভৈল বৈকুণ্ঠ।। ১৭৮ নামঘোষা*

বৈকুণ্ঠত কাল মায়া আদিৰ প্ৰৱেশ নিষেধ। য'ত মায়া নাই তাত অশান্তিও নাই। অৰ্থাৎ শান্তিয়েই শান্তি। অসুখৰ বিপৰীতে সুখেই সুখ। বৈকুণ্ঠৰ সেই সুখ আৰু শান্তি অনন্ত পৰিমাণৰ অনন্ত কালৰ বাবে। অনন্ত পৰিমাণৰ আৰু অনন্ত কালৰ বাবে পোৱা সুখক বোলা হয় আনন্দ। ব্ৰহ্ম বা ঈশ্বৰৰ স্বৰূপ হৈছে আনন্দ। উপনিষদে কৈছে - 'আনন্দো ব্ৰহ্ম'। নিগম কল্পতৰু ভাগৱতৰ মতে ঈশ্বৰ পৰমানন্দ। আমি পৰমানন্দৰ অংশ কাৰণে আমি আনন্দ প্ৰয়াসী। সংসাৰ মায়াৰধীন ইয়াত আনন্দৰ লৱলেশো নাই, যি সুখ পোৱা যায় সেয়াও ক্ষুদ্ৰ। প্ৰথমতে তীব্ৰতা বেছি হয় সময়ত গৈ গৈ সেযত দুখৰ কাৰণ হৈ পৰে। কাল সৰ্পৰ (সময়ৰ গতি) দংশনত চেতনাহীন হৈ মৃত্যু মুখত পৰোঁ। আৰু পুনৰ জীৱনলৈ গতি কৰোঁ। এই কালসৰ্প দংশনৰ বিষৰ পৰা পৰিত্ৰাণ দিব পাৰে মাথোঁ 'তয়ু বাক্যমৃত' অৰ্থাৎ নাম অমৃতেহে। এই অৱস্থা ব্ৰহ্মা লোকলৈকে বুলি মহাপুৰুষ মাধৱদেৱে নামঘোষাত লিখিছে। জগজন তাৰণৰ বাবে সেয়েহে মৰতত তত্বৰূপত প্ৰতিষ্ঠা কৰিলে নামঘৰ বা হৰিগৃহ। য'ত ঈশ্বৰ কৃষ্ণ প্ৰতিষ্ঠা কৰা হৈছে ভাগৱতৰ চাৰিতত্বৰে বাঙ্ময় ৰূপত। হৰিগৃহৰ জ্যোতি কোটি সূৰ্যসম আৰু এই জ্যোতিৰে গোটেই বিশ্বৰ মানৱসমাজৰ হৃদয় আকাশ পোহৰাই তোলাৰ সামৰ্থ আছে।

*"পদ্মৰাগ ৰত্নে লগাইল জৌতি*
*কোটি সূৰ্য্য সম গৃহৰ জ্যোতি।" ধ্যন বৰ্ণন*

সেই বৈকুণ্ঠৰ পদ্মৰাগ ৰত্নই মৰতৰ বৈকুণ্ঠৰ অৰ্থাৎ নামঘৰৰ হৰিনাম ৰত্ন। যাৰ প্ৰভাৰ কোটি সূৰ্যৰো ওপৰত গৈ অজ্ঞান অন্ধকাৰ দূৰ কৰি অন্তৰাত্মা পোহৰোৱাৰ সমৰ্থ ৰাখে। নিগম কল্পতৰু ভাগৱতে হৰিনামক কেৱল ভকতি বুলি কৈছে। পৰম গুৰুজনাই নামঘৰত সেই ভকতি প্ৰদীপ ৰূপে উপস্থাপন কৰিছে।

(৪) **সম অধিকাৰ প্ৰদান ঃ** নামঘৰত হৰিনাম কীৰ্তন কোনে কোনে কৰিব পাৰিব? মন্দিৰত বেদৰ বিধি নিষেধ থকাৰ বিপৰীতে গুৰুজনে ক'লে, যি শৰণ লয় তেৱেঁই হৰিনাম কীৰ্ত্তনৰ যোগ্যতা অৰ্জন কৰে। ইয়াত জাতি ভেদ, বৰ্ণ-বৈষম্য নাই। হৰিনামত সকলোৰে সম অধিকাৰ আছে সকলো উদ্ধাৰ হোৱাৰ সুগম পথ এই নামঘৰ। শৰণ লোৱাৰ পাছত বেদৰ বিধি নিষেধ নাথাকে—

*"হৰিনাম কীৰ্ত্তনত নাহি দেশ কাল পাত্ৰ*
*নাহিকে সংযম একোবিধি।*
*হৰিত শৰণ লৈ কেৱল হৰিৰ নাম*
*কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।"* —নাম-ঘোষা

আকৌ ক'লে

*"স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ*
*চাণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।"*

হৰিত শৰণ লৈ হৰিকীৰ্ত্তন কৰি এই দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ বিনা কষ্টৰে পাৰ হৈ যাব পাৰে। অৰ্থাৎ নামঘৰেই অতি চমু পথ (By pass) যি যমৰাজৰ স্বৰ্গ আৰু নৰকক অতিক্ৰম কৰি বৈকুণ্ঠ পাবগৈ পাৰে। মাধৱদেৱ গুৰুজনাই নামঘোষাত ঘোষণা কৰিছে—

*"হৰিত শৰণ লৈয়া যিটোজন এ*
*হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।*
*দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ*
*সিটো মহাজনে আতি অপ্ৰয়াসে তৰে।।"* —নাম-ঘোষা, ৭১৭

(৫) **জাত্যাভিমান, বৰ্ণ বৈষম্য দূৰীকৰণ ঃ** সেই সময়ৰ অসম মুলুকত যিমান জাতি, জনজাতি, অন্ত্যজাতি সকলোকে এক কৰি আৰু চাৰিটা বৰ্ণৰো জাত্যাভিমান নথকা, সকলোকে একপ্ৰকাৰ আসনত বহিবলৈ শিকালে সমাজ পাতি আৰু গাবলৈ শিকালে— "নোহো জানা আমি চাৰি জাতি, চাৰিৰো আশ্ৰমী নোহো আতি।" সকলো এটা জাতি সেইটো হ'ল ভকত জাতি। কোন কোন চামিল হৈছিল সেই জাতিত

*"কিৰাট কছাৰী খাছী গাৰো মিৰি*
*যৱন কংক গোৱাল।*

*অসম মুলক ধোবা যে তুৰুক*
*কুৱাচ ম্লেচ্ছ চাণ্ডাল।।*
*আনো পাপী নৰ হৰি সেৱকৰ*
*সঙ্গত পবিত্ৰ হয়।*
*ভকতি লভিয়া সংসাৰ তৰিয়া*
*বৈকুণ্ঠে সুখে চলয়।। —ভাগৱত*

**(৬) সংস্কাৰৰে সংস্কৃতি প্ৰদান ঃ** নামঘৰলৈ আহোঁতে লাগে সংস্কাৰ। এই সংস্কাৰ দেহৰ, সংস্কাৰ মনৰ। সংস্কাৰে দিয়ে অনুশাসন, সংস্কাৰে দিয়ে শুদ্ধ প্ৰশাসন। ভগৱৎমুখী সমাজখনত সংস্কাৰ সাধনৰে ৰাজতন্ত্ৰৰ মাজতে গণতন্ত্ৰৰ ভেটি প্ৰতিষ্ঠা কৰি জনসাধাৰণক ঐক্যৰ ডোলেৰে বান্ধি ধৰ্মৰাজ্যৰ সীমা শদিয়াৰ পৰা কোচবিহাৰলৈ বিস্তৃত কৰিছিল, যিটো কোনো প্ৰবল প্ৰতাপী ৰজাৰ দ্বাৰাও সম্ভৱ নাছিল। ৰজাই ৰাজ্য বঢ়াবলৈ যাওঁতে আনক পৰাজয় কৰিব লগা হৈছিল, কিন্তু ধৰ্ম ৰাজ্যৰ সীমা বৰ্দ্ধনত আধ্যাত্মিকতাৰে আনৰ মন জয় কৰাৰহে প্ৰয়োজন। য'ত আছে প্ৰেম, য'ত আছে আনন্দ। প্ৰেমেই সকলো। শ্ৰীকৃষ্ণ প্ৰেমৰস্বৰূপ, শ্ৰীহৰি দুখ হৰণেৰে কৰুণাস্বৰূপ, ৰামেই সত্যস্বৰূপ। এই সংস্কাৰৰে অসমত উমৈহতীয়া প্ৰতিষ্ঠান নথকা সময়তে 'সমাজৰ বাবে ব্যক্তি আৰু ব্যক্তিৰ বাবে সমাজ' এই মহামন্ত্ৰৰে সকলোকে এক কৰি প্ৰতিষ্ঠা কৰিলে অসমীয়াৰ প্ৰাণত কৃষ্ণ সংস্কৃতি। শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা আৰ্হিৰে মাধৱদেৱ, দামোদৰ দেৱ, হৰিদেৱ আৰু পৰৱৰ্তী আতা পুৰুষসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহৰ তত্বাৱধানতে প্ৰথমে গাঁৱে গাঁৱে নিৰ্মাণ হ'ল নামঘৰ। আজিৰ অসমত এভাগ নামঘৰ অবিহনে এখন গাঁও কল্পনা কৰিব নোৱাৰি, চহৰ নগৰো তদ্ৰুপ। বৰ্তমান অসমত প্ৰায় ৪০,০০০ নামঘৰ আৰু প্ৰায় ৯৫০ খন সৰু বৰ সত্ৰ আছে।

প্ৰতিভাগ নামঘৰত দবাই তিনিটা 'দ দ দ' শব্দৰে দুপৰীয়া আৰু সন্ধ্যা তিনিটা স্তৰত বিশ্বশান্তিৰ মহামন্ত্ৰকে অসমৰ আকাশে-বতাহে ঘোষণা কৰি আহিছে। খোলে ধেই, তাও— দুটা চাপৰৰে জগতক জগতপতিক ধ্যানৰ কথা সোঁৱৰাই আহিছে। তালে সৃষ্টি স্থিতি প্ৰলয়ৰ কথা সদাই প্ৰসঙ্গত সোঁৱৰাই তেওঁৰ নাম ঘোষণাৰে পদত সেৱা কৰিবলৈ শিকাই আহিছে। নামঘৰে জীৱনদৰ্শন প্ৰদানেৰে জীৱন জীয়াৰ পদ্ধতি শিকালে। জীৱনৰ দিশ সলনিৰে নামঘৰৰ মাজেৰে জীৱৰ দশা পৰিৱৰ্তন কৰিবলৈ শিকালে।

**(৭) যুগজয়ী সাহিত্য সৃষ্টি** ঃ পণ্ডিতসকলে সাহিত্যৰ বিভিন্ন ব্যাখ্যা দিছে যদিও স্ব +হিত্য হে প্ৰকৃত সাহিত্য। 'স্ব' মানে আত্মা বা নিজ আৰু 'হিত্য' মানে উন্নতি। আত্মাৰ উত্তৰণ হ'ব পৰাকৈ লিখা কৰ্মহে প্ৰকৃত সাহিত্য। আধ্যত্মিকতাযুক্ত সাহিত্যহে কালজয়ী বা যুগজয়ী সাহিত্য। যাক শ্ৰৱণ-কীৰ্ত্তন কৰি মনুষ্য হয় কৃতকৃত্য। ব্যাসদেৱে ভাগৱত কেনেকৈ নিৰ্মাণ কৰিব লগিব বুলি সোধা প্ৰশ্নত দেৱৰ্ষি নাৰদে দিয়া উপদেশ তাৰেই প্ৰমাণ। ব্যাসদেৱ আছিল জ্ঞানমাৰ্গী, সেই জ্ঞানৰে চাৰিবেদ চৈধ্যশাস্ত্ৰ সোতৰখন পুৰাণ নিৰ্মাণ কৰি মাগদৰ্শন কৰা ভুলৰ বাবে ওঠৰ নম্বৰ পুৰাণ ভাগৱত নিৰ্মাণ কৰিবলগা হ'ল। কৰ্ম আৰু জ্ঞানৰে যে ভগৱতপ্ৰাপ্তি অসম্ভৱ তাৰেই উত্তম প্ৰমাণ— তাকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱতত উল্লেখ কৰিছে—

*যিটোবাক্যে নাই নাম কৃষ্ণৰ চৰিত্ৰ।*
*উচ্ছিষ্ট গৰ্তত কৰি সিটো অপবিত্ৰ।।*
*কাকতুল্য কামী পুৰুষৰ তাত ৰতি।*
*ভকতৰ নাহি তাত অভিলাস মতি।।*

*—১ম স্কন্ধ ভাগৱত। ৪০।*

*যিটো বাক্যে আছে গুণনাম মাধৱৰ।*
*সিটো বাক্যে হৰে পাপ জনসমূহৰ।।*
*ভকতিবিহীন জ্ঞান কৰ্ম সবে ব্যৰ্থ।*
*কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ।।*

*—১ম স্কন্ধ ভাগৱত। ৪১।*

কৃষ্ণহে দুখহাৰী আৰু কাল, মায়া আদিৰো অধিকাৰী সেইকাৰণে কৃষ্ণ চৰিত্ৰ পাঠত আছে দুখ দূৰ কৰাৰ সামৰ্থ। সেই সাহিত্য হয় যুগজয়ী আৰু কালজয়ী।

*কৃষ্ণ এক দেৱ দুখ হাৰি  কাল মায়াদিৰো অধিকাৰী*
*কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।*
*সৃষ্টি স্থিতি অন্ত কাৰী দেৱ  তান্ত বিনে নাহি আন কেৱ*
*জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।। নামঘোষা*

অসমীয়াত চাৰিবেদস্বৰূপ দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী সৃষ্টি হৈছিল নামঘৰতে। আটাইটকৈ গুৰুত্বপূৰ্ণ গুণমালাভাগ, যাক ভগৱানৰ বাঙ্ময় মূৰ্ত্তি

ৰূপত আসনত প্ৰতিষ্ঠা কৰা হয়, যি গুণৰ মালা গাঁথি ভগৱন্তই বৈকুণ্ঠত পৰিধান কৰে বুলি ভাগৱতত কৈছে—

*ভকতে যতেক গাৱে গুণ নাম।*
*তাহাৰ মালা গাহ্থি অনুপাম।।*
*পিন্ধন্ত কণ্ঠত কৰি উৎসৱ।*
*হেনসে ভকত বন্ধু মাধৱ।। ভাগৱত*

সেই গুণমালা শ্ৰীমন্ত শঙ্কৰদেৱে একে ৰাতিতে দিব্যস্থান 'নামঘৰ'ত বহি লিখি উলিয়াছিল। আমাৰ দুজনা গুৰুৱে অসমীয়া জাতিক দি যোৱা যি মেতমৰা আধ্যাত্মিক সাহিত্য সম্ভাৰ একশৰণ হৰি নামধৰ্ম প্ৰচাৰৰ বাবে নিৰ্মাণ স্থান আছিল নামঘৰ।

**(৮) সৰ্বশিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষা ঃ** সৰ্বশিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাও পঞ্চদশ শতিকাতে গুৰুজনাই ৰূপায়ণ কৰিছিল নামঘৰত; যিটোত আজি একবিংশ শতিকাত অত্যাধুনিক সৰঞ্জাম আৰু অপৰ্যাপ্ত ধনবল, জনবল প্ৰয়োগ কৰিও চৰকাৰে সফলতা অৰ্জন কৰিব পৰা নাই। জীৱন জীয়াৰ শিক্ষাৰ লগতে জীৱিকাৰ শিক্ষাও প্ৰদান কৰা হৈছিল নামঘৰৰ মজিয়াতে। লঘু উদ্যোগ আদি কৰি চোঁ-মুখা থাপনা, ঠগি, গছা, ৰং-বৰণ, হেঙুল-হাইতেল চিয়াঁহী, সাঁচিপাত, বস্ত্ৰ আদি ভিন্ন উদ্যোগৰ পাতনি মেলিছিল নামঘৰৰ মজিয়াতে। ব্ৰজাৱলী ভাষা সৃষ্টিৰে ওচৰৰ আন আন ৰাজ্যৰ মাজত সংযোগ স্থাপন কৰিছিল। কৃষিপ্ৰধান দেশৰ স্থানীয়ভাৱে উৎপাদিত কৃষিজাত সামগ্ৰীক নৈৱেদ্য ৰূপত ঈশ্বৰক অৰ্চন আৰু এক সন্তুলিত আহাৰৰ ৰূপত পৰিৱেশন কৰা হৈছিল। শ্বাস-প্ৰশ্বাসত আহিব পৰা প্ৰদূষণ দূৰীকৰণৰ বাবে বিলনীয়াই ভকতি বস্ত্ৰৰে মুখ ঢাকি লোৱাৰ ব্যৱস্থা তেতিয়াই কৰিছিল। বিতৰণ ব্যৱস্থাত আউল নলগাকৈ বিলনীয়া সংস্কাৰী আৰু সংযমী কৰি সমবিতৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল কাৰণে আজিও অসমীয়া সমাজ ব্যৱস্থা সুন্দৰভাৱে বৰ্তি থকাৰ মূলতে নামঘৰ।

**(৯) নামঘৰতে প্ৰতিষ্ঠা হৈছিল আধুনিক ভাৰতৰ সংগীত নাটক অকাডেমী ঃ** খোল, তাল আদি বাদ্য নিৰ্মাণৰে, সংগীত সৃষ্টিৰে ভিন্ন ৰাগ, তাল, মানত লিখা বৰগীতসমূহ, নাটসমূহ পৰিৱেশনৰ শৈলী সংগীতৰ তালত নাটত ভাৱৰীয়াৰ পদ সঞ্চালন, নৃত্য পৰিৱেশন আৰু ব্ৰজাৱলী ভাষাত বিলাপ, পয়াৰ আদি গায়ন-বায়নৰ গীত মাত পৰিৱেশন, সূত্ৰধাৰৰ নৃত্য আৰু শ্লোকৰ

মাজেৰে ভাওনাৰ সাৰভাগ পূৰ্বে দৰ্শকক অৱগত কৰা শাৰীৰিক দক্ষতাৰ প্ৰয়োজনীয় মাটি আখৰাৰ অনুশীলনেৰে অসমীয়া ভাষাৰ মাধ্যমেৰে বিশ্ববাসীলৈ আগবঢ়াইছে অপূৰ্ব সম্ভাৰ নামঘৰৰ মজিয়াতে। নামঘোষা গীতিময় বা সংগীতময় বেদ। ৰাতিপুৱা চকুমেলাৰ পৰা ৰাতিৰ চকুমুদা সময়লৈকে আৰু জীৱনৰ আৰম্ভণীৰ পৰা জীৱনৰ অন্তিম ক্ষণলৈ ইয়াৰ প্ৰয়োগ হয়। আনকি জীৱন ধাৰণেৰে ব্যক্ত হোৱা জনৰ বাবেতো আছেই জীৱন অৱসানেৰে অব্যক্তজনৰ প্ৰতিপালনৰ নিদানো এই নামঘোষাই দিছে। নামঘোষা কাৰ বাবে কি ৰূপত আছে শ্ৰদ্ধাৰ হেমভাই বাপৰ ভাষাৰেই আগবঢ়ালোঁ। ‘‘নামঘোষা শিশুসকলৰ কাৰণে ওমলা গীত, কিশোৰ-কিশোৰীৰ কাৰণে উৎসাহ গীত, যুৱক সকলৰ কাৰণে বীৰ গীত, যুৱতীসকলৰ কাৰণে বেণু গীত, আইসকলৰ কাৰণে গোপী গীত, সংসাৰীসকলৰ কাৰণে ব্যৱহাৰ গীত, বৃদ্ধসকলৰ কাৰণে ধৰ্ম গীত, মুমুৰ্ষসকলৰ বাবে প্ৰস্তুতি গীত, ভয়াতুৰৰ কাৰণে অভয় গীত, ৰোগীৰ কাৰণে নিদান গীত, নিদ্ৰিতসকলৰ কাৰণে জাগৰণ গীত, নিকিঞ্চনসকলৰ কাৰণে হংস গীত, মানৱ জাতিৰ কাৰণে জীৱন গীত, মাধৱদেৱৰ কাৰণে ৰাজহংস গীত আৰু সৃষ্টিৰ কাৰণে আবহ সংগীত। ইয়াৰ দ্বাৰাই নামঘৰৰ মজিয়াতে প্ৰতিষ্ঠা হৈছিল আধুনিক ভাৰতৰ সংগীত নাটক অকাডেমী।

**(১০) স্বাস্থ্য বিচাৰ ঃ** জীয়াই থকাৰ প্ৰথম চৰ্তই হ’ল স্বাস্থ্য— এই স্বাস্থ্য হ’ব লাগিব প্ৰথমতে ব্যক্তিগত স্তৰত, পাছত সামাজিক স্তৰত, তৃতীয়তে বিশ্ব স্তৰত। আজি বিশ্বস্বাস্থ্য সংস্থাই (WHO) মানি লৈছে এজন ব্যক্তি শাৰীৰিক, মানসিক, সামাজিক আৰু আধ্যাত্মিকভাৱে সুস্থ হ’লেহে স্বাস্থ্যবান বুলি কোৱা হয়। যিটো গুৰুজনাই ১৪৭১ খৃষ্টাব্দতে নামঘৰৰ মাজেৰে প্ৰতিষ্ঠা কৰিছিল। আজিৰ শিক্ষা ব্যৱস্থাত জীৱিকাৰ শিক্ষাৰ ধামখুমীয়াত জীৱন জীয়াৰ শিক্ষা পেঁপুৱা লাগিছে। যুৱপ্ৰজন্মই জীৱনৰ প্ৰমূল্যবোধ হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। নামঘৰত ধৰ্মৰ চাৰি খুঁটি থকাৰ দৰেই জীৱনৰো সাধনেৰেহে মানৱ জীৱনে পূৰ্ণতা পায়। এই জীৱন অংকৰ সমীকৰণত প্ৰথম স্বত্ব ধৰ্ম, মাজত অৰ্থ আৰু কাম, শেষত মোক্ষ। ইয়াকে চতুৰ্বৰ্গ সাধন বোলা হয়।

হেমভাই বাপৰ ব্যাখ্যাৰে— ধৰ্ম, অৰ্থ, কাম, মোক্ষৰ প্ৰথম আৰু শেষৰটো বিচৰাজন সন্যাসী। কেৱল মোক্ষ বিচৰাজন জীৱনমুক্ত সন্যাসী,

কেৱল অৰ্থ বিচৰাজন লোভী। কেৱল তৃতীয়টো বিচৰাজন পামৰ। চাৰিওটাকে ক্ৰমান্নয়ে বিচৰাজন সৎ গৃহস্থী। শ্ৰীমন্ত শংকৰদেৱে গাৰ্হস্থ্য ধৰ্ম পালনেৰে সৎ গৃহস্থী হৈ মুক্তি লাভৰ উপায় দিছে নামঘৰৰ মাজেৰেই।

**(১১) হৰিনাম কীৰ্ত্তন এক বেলেগ জীৱন দৰ্শন ঃ** হৰিনাম কীৰ্ত্তন এক বেলেগ জীৱন দৰ্শন, সম্পূৰ্ণ জীৱন পৰিৱৰ্তন। জীৱনৰ দৃষ্টি পৰিৱৰ্তনেৰে কাৰ্যক্ৰমণিকাৰ পৰিৱৰ্তন। জীৱন জীয়াৰ দিশা পৰিৱৰ্তনেৰে জীৱনৰ দশা পৰিৱৰ্তন। নাই কঠিনতা, নাই জটিলতা মইৰ পৰা আমি, আমিৰ পৰা তুমিলৈ গতি কৰাৰ এক সহজ প্ৰথা।

*"একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণৰ গুণ*
*গাৱে সদা বসিয়া যথাত।*
*বৈকুণ্ঠকো পৰিহৰি যোগীৰ হৃদয় এৰি*
*থাকা হৰি সাক্ষাতে তথাত।।" —নাম-ঘোষা*

নিৰ্বীজ সমাধিৰ বিপৰীতে আছে প্ৰেমময় ভাবনাৰে সামাজিক জীৱনৰ গতিশীলতা, সামাজিক জীৱনৰ দায়বদ্ধতা।

**(১২) নামঘৰ সমাজৰ আধ্যাত্মিক চিকিৎসালয় ঃ** ভৱৰোগৰ মূল বীজাণুটোৱেই হ'ল মনৰ বহিৰ্মুখী দুষ্ট স্বভাৱটো। চৌৰাশী লক্ষ যোনি ভ্ৰমণৰ যাতনাৰ মূল কাৰণ হ'ল হৃদয়তে থকা পৰমাত্মাক পিঠি দি ৰাম নাম এৰি আনক মনে মনে বিচাৰি ফুৰাটো। এই বহিৰ্মুখী ভাবক অন্তৰ্মুখী কৰি ৰামনামত লগাই দিলে ৰোগৰ নিৰাময় হয়। ৰামনাম ৰসায়ন। অপৰিষ্কাৰ মনত ঈশ্বৰ ব্যক্ত নহয়। দেহা চাফা কৰা চাবোন, চেম্পু, বহুত ওলাইছে, কিন্তু মন চাফা কৰা ৰসায়ন কেৱল ৰামনামহে তেতিয়াৰ পৰা এতিয়ালৈকে—

*"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক*
*ব্যাপকত কিবা বিসৰ্জন।*
*এতাৱন্ত মুক্তিশূন্য কেনমতে চিন্তিবাহা*
*ৰাম বুলি শুদ্ধ কৰা মন।" —নাম-ঘোষা*

ৰামনামে দেহক অমূল্য কৰি তোলা স্বাস্থ্যবৰ্দ্ধক টনিক। শিৱই পাৰ্ব্বতীক কৈছিল—

*"শুনিয়ো পাৰ্ব্বতী তুমি এৰে ৰাম ৰাম ৰাম বোলা যেৱে*
*তোমাৰ বদন হৈবেক শ্ৰেষ্ঠ অমূল্য।*

*ৰাম ৰাম ৰাম ৰাম বুলি ৰামতে ৰমোহো সৰ্বক্ষণে*
*জানা ৰাম নাম সহস্ৰ নাম তুল্য।।"—নামঘোষা, ৬০৪*

সামূহীকভাৱে এই ৰামনাম শ্ৰৱণ-কীৰ্ত্তন কৰাৰ উত্তম স্থানেই নামঘৰ।

**(১৩) নামঘৰে উৎসৱ কৰিব শিকালে ঃ** উৎ মানে উত্থান আৰু সৱ মানে সকলো। সকলো মিলি ঈৰ্ষা-দ্বেষ ত্যাগৰে আনন্দ উল্লাসেৰে আত্মাৰ উত্তৰণৰে হৰিৰ ফালে গতি কৰিব শিকালে। এই গতি নানাত্বৰ পৰা একত্বলৈ, জগতৰ পৰা জগতপতিলৈ, জাতিবাদৰ পৰা মানৱতাবাদলৈ উত্তৰণ ঘটায়। উৎসৱে আমাৰ সমাজত আধ্যাত্মিক উত্থান দিলে। পৰম নিৰ্মল হৰি ভকতি দিলে। উৎসৱত সৎসঙ্গ এক ৰসায়ন, যি হাজাৰ হাজাৰ জন্মৰ পৰা জমা হৈ থকা কুসংস্কাৰবোৰ ধুই পৰিষ্কাৰ কৰি দিয়ে। কৃষ্ণই বৈকুণ্ঠ প্ৰয়ানৰ আগত উদ্ধৱক কৈছিল -

*"সংগোপে বোলন্ত শুনিয়ো উদ্ভৱ*
*তোমাত কহো ৰহস্য।*
*সাধু সঙ্গ বিনে আন কোনো ধৰ্মে*
*নকৰে আমাক বস্য।।" ভাগৱত*
*"সৎসঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা*
*পৰিহৰা পাষণ্ড আচাৰ।"—কীৰ্তন-ঘোষা*

নামঘৰত ভকতে নাম পায়, ভকতে নাম গায়, নাম, নামী আৰু নামসাধক একেকাৰ হৈ যায়। নামৰসত হয় অমৃতৰ অৱতাৰ, বিষয় বিষৰ হাহাকাৰ। নামঘৰ হৈছে বৈকুণ্ঠ গমনৰ একেবাৰে চমু বাট, তাকো বিনা কষ্টই আনন্দ উল্লাসেৰে নামঘৰত নাম উৎসৱৰ মাজেৰে।

**(১৪) নামঘৰ প্ৰয়োগ শালা ঃ** গীতা যেনেকৈ যোগশাস্ত্ৰ, য'ত ঈশ্বৰ কৃষ্ণই প্ৰকাশ কৰিলে সকলো যোগৰ নিদান। শ্ৰীমদ্ভাগৱত বেদব্যাসে নাৰদৰ উপদেশত নিৰ্মাণ কৰা ১৮০০০ শ্লোকৰ আধ্যাত্মদীপ ৰূপী প্ৰয়োগ শাস্ত্ৰ য'ত আছে প্ৰয়োগৰে মনুষ্য নিত্য বৰ্তমানত জীয়াই থাকি ভগৱৎ প্ৰাপ্তি কৰাৰ বিধান। নামঘৰ প্ৰয়োগ শালা য'ত ভাগৱত তত্ব প্ৰয়োগ কৰি জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে নামঘৰত প্ৰৱেশ কৰাজনে জ্ঞানৰে বিজ্ঞানক বুজি তদঙ্গ শ্ৰৱন, কীৰ্ত্তন আৰু স্মৰণত মজি নিজে ৰহস্য হৈ ওলাই অহাৰ সামৰ্থ লাভ কৰে।

*"আনো পাপী নৰ　　　হৰি সেৱকৰ*
*সংগত পবিত্ৰ হয়।*
*ভকতি লভিয়া　　　সংসাৰ তৰিয়া*
*বৈকুণ্ঠে সুখে চলয়।।"* ভাগৱত

**(১৫) নামঘৰ অধিবিদ্যাৰ মুক্ত বিশ্ববিদ্যালয় ঃ** আধ্যাত্মিকতাৰ মাজেৰেই গুৰুজনাই দি গ'ল একশৰণ হৰিনাম, ধৰ্মনীতি, সমাজনীতি, গণতান্ত্ৰিক পদ্ধতিৰ ৰাজনীতি, জীৱনৰ উত্তম সাহিত্য, আধ্যাত্মিক দৰ্শনেৰে জীৱবিজ্ঞান, জীৱন জীয়াৰ কলা Art of living, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱনৰ সুৰক্ষা আৰু ন্যায় প্ৰদান, অনুশাসনৰ মাজেৰে শুদ্ধ প্ৰশাসন ব্যৱস্থা। ধৰ্ম, অৰ্থ, কাম, মোক্ষৰে জীৱনৰ অঙ্কশাস্ত্ৰ। স্বকীয়ভাৱে নিৰ্মাণ কৰা বাদ্য, গীত, সুৰ, তাল, লয়ৰে সংগীত আদি বিভাগৰে এখন নিকা সুস্থ আৰু আধ্যাত্মিক সমাজৰ বাবে প্ৰয়োজনীয় সকলো বিভাগৰে বিংশ শতিকাত মুক্ত বিশ্ববিদ্যালয়ৰ যি ধ্যান-ধাৰণা সেইটো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই পঞ্চদশ শতিকাতে সকলো আধ্যাত্মিক সমলেৰে অধিবিদ্যাৰ এখন বিশ্বৰ সৰ্ববৃহৎ মুক্ত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিছিল নামঘৰত। যাৰ শাখা প্ৰশাখা প্ৰত্যেক গাঁৱলৈ সম্প্ৰসাৰিত হৈছিল আৰু ভৱিষ্যতলৈও হৈ থাকিব।

**আমাৰ কৰণীয়া** ঃ শঙ্কৰ-মাধৱ দুজনা গুৰু গুৰু-শিষ্য ৰূপত আহি পঞ্চদশ শতিকাত ভাগ ভাগ হৈ অধৰ্মত ব্ৰতী থকা সমাজখনত সুসংগঠিত কৰি শুদ্ধ ধৰ্ম প্ৰদানেৰে সৰ্বাঙ্গীন উন্নয়নৰ সকলো আঁচনি প্ৰস্তুত আৰু প্ৰয়োগেৰে আন্তঃগাঠনি গঢ়ি দি গ'ল। আমি পালন কৰি সেই পথত চলিলেই হ'ল। কাল আৰু মায়াই একশৰণত ব্ৰতী থাকিব নোৱাৰা সকলক জলা-কলা খুৱাই। অনেকতাৰ মাজত এক বিচাৰি পোৱাৰ বিপৰীতে একতে অনেকতা বিচাৰি পায়। মুক্ত বিশ্ববিদ্যালয়ৰ পৰৱৰ্তী আচাৰ্য-উপাচাৰ্যসকলো যেন তেনেই হ'ল। শুদ্ধ পৰিচালনাৰ অভাৱত গুৰুজনাই আঁতৰাই থোৱা ব্ৰাহ্মণ্যবাদক আদৰি এক শৰণত কৰ্ম-কাণ্ড সংযোগেৰে বৰ্ণ বৈষম্যৰে সকলো থান-বান হ'ল। আন ধৰ্মাৱলম্বী লোকে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে আৰু বৰ্তমানেও কৰি আছে। অসমীয়া জাতীয় অস্তিত্ব বিপন্ন হোৱাৰ পথত। এই সকলোবোৰ দেখি শুনি বেজবৰুৱাদেৱে দৃঢ়তাৰে কৈছিল- "বহুধা বিভক্ত হোৱা অসমক পুনৰ নিৰ্মাণেৰে উন্নতিৰ পথত আগবঢ়াই নিবলৈ হ'লে নামঘৰৰ মজিয়াৰ পৰাই মঙ্গল ধ্বনি বাদনেৰে 'জয় আই অসম' ঘোষণা কৰিব লাগিব।

বেজবৰুৱাদেৱে আগেয়ে কৈছিল— "বাজক দবা বাজক শঙ্খ বাজক মৃদং খোল, অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ হৰি নামৰ্ধৰ্মৰ ওপৰত মহামানৱ মহাত্মা গান্ধীয়ে ১৯২২ চনতে 'ইয়ং ইণ্ডিয়া' কাকতত দিয়া উদ্ধৃতি আছিল এনেধৰণৰ— "মই বিশ্বৰ প্ৰায়বিলাক ধৰ্মমত অধ্যয়ন কৰিছো, কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত ধৰ্মৰ দৰে উদাৰ ধৰ্ম ক'তো পোৱা নাই।"

আহক, আমি সকলোৱে আনক অনুসৰণ কৰাৰ দিশা সলনিৰে দুজনা গুৰুৰ আদৰ্শত আগবাঢ়োঁ। যুব প্ৰজন্মক নামঘৰমুখী কৰাওঁ। সকলো মিলি বিজ্ঞানৰ অগ্ৰগতিৰ সুবিধা গ্ৰহণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ তত্ত্বদৰ্শনৰে বিশ্বশান্তি প্ৰতিষ্ঠাৰ বাবে দূৰদৰ্শনৰ এটা 'চেনেল' যোগে গুৰুজনাৰ আদৰ্শক প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী হওঁ। ■

---

*লেখক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ, অসমৰ সভাপতি*

# ৰসময়ী মাগোহো ভকতি

ড° স্বাধীনতা মহন্ত

এক পৰম সত্যতত্ত্বত জীৱসমূহ লয় পোৱাৰ যি বিশ্বাস সেই তত্ত্বকে তেওঁৰ দ্বাৰা বিৰচিত 'নাম-ঘোষা'ত মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱে প্ৰধানতঃ ব্যাখ্যা কৰিছে। পৰম দাৰ্শনিক কাব্য 'নাম-ঘোষা'ত কোৱা হৈছে—

*তুমি নিত্য নিৰঞ্জন নাৰায়ণ*
*তোমাত লৈলো শৰণ।।*

কেৱল ইয়াতেই শেষ নহয়। 'নাম-ঘোষা'ত আদিৰ পৰা অনাদিলৈ ভক্তি প্ৰেমৰ নিজৰা বৈছে, নিজৰা বৈছে সীমাৰ পৰা অসীমলৈ, একৰ পৰা অনন্তলৈ—

*জয় জয় ৰাম জগত কাৰণ*
*জগত জীৱন স্বামী।*
*পৰম দেৱতা জানিয়া তোমাৰ*
*চৰণে ভজিলো আমি।।*
*অনাদি অনন্ত প্ৰভু ভগৱন্ত*
*ভজো কৰি প্ৰণিপাত।*
*মুকুতি ৰসকো তেজি মহাজনে*
*শৰণ লৱে তোমাত।।*

"নাম-ঘোষাৰ হিয়া ভেদ কৰি ওলোৱা ৰসময়ী ভক্তিয়েই নাম-ঘোষাক শিক্ষামূলক পদ সংগ্ৰহৰ শাৰীৰ পৰা আঁতৰাই আনি জীৱন ৰসেৰে অভিষিক্ত কৰি প্ৰকৃত সাহিত্যৰ সন্মুখ আসনত ঠাই দিছে।" (ড° বাণীকান্ত কাকতি)

ভক্তিৰ এক সাৰ্বজনীন আবেদন আছে। সমগ্ৰ পৃথিৱীৰ মানৱৰ অন্তৰত থকা এই আবেদন বিভিন্ন সময়ত বিভিন্ন ৰূপত প্ৰকাশ পাই আহিছে। উল্লেখ কৰিব পাৰি যে, এখন উশৃঙ্খল সমাজক শৃঙ্খলিত কৰিবলৈকো ভক্তিৰ প্ৰয়োজন। এক কথাত, ভক্তি হৈছে মানুহ 'মানুহ' হৈ জীয়াই থকাৰ প্ৰধান আহিলা।

পৰমগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰেই পৰম শিষ্য শ্ৰীমন্ত মাধৱদেৱৰো নাট-ঝুমুৰা-বৰগীত-নামঘোষা-ৰত্নাৱলী— এই সমস্ত ৰচনাৰাজিৰে মূল বা সাৰ হৈছে ভক্তি। ভক্তি হৈছে ভগৱানৰ পৰা ভক্তই পোৱা অমূল্য প্ৰসাদ। ভক্তিৰ মহিমা অপাৰ। মানৱ জীৱনত ভক্তিৰ প্ৰয়োজনীয়তা সম্পৰ্কে নামঘোষাই কয়—

জানি এৰা আন মতি ভকতিত কৰা ৰতি
ভকতিসে সাধিবে কল্যাণ।
ভকতিত দিয়া মন ভকতিসে মহাধন
নাহি আন ভকতি সমান।।

'নাম-ঘোষা'ৰ প্ৰধান বিশেষত্ব হ'ল কৃষ্ণভক্তিৰ মাহাত্ম্য প্ৰদৰ্শন। শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, বন্দন, সখীত্ব আদিকৈ ন বিধ নিৰ্মল ভক্তিৰ দ্বাৰাই ভক্তই ভগৱানক লাভ কৰিব পাৰে। তদুপৰি এই ন বিধ ভক্তিৰ ভিতৰত কৃষ্ণ নাম শ্ৰৱণ আৰু কীৰ্ত্তনকেই কলিযুগত মানৱৰ শ্ৰেষ্ঠ ধৰ্ম বুলি কোৱা হৈছে—

*ধন্য ধন্য কলিৰ লোকৰ মহাভাগ।*
*সৰ্ব ধৰ্ম ঠেলি ৰাম নাম ভৈলা আগ।।*

*হৰি নাম কীৰ্ত্তনেসে পৰম মঙ্গল।*
*পাৱয় পৰমানন্দ গুছে কৰ্মফল।।*

প্ৰতি গৰাকী ভক্তৰে লক্ষণ আৰু সাধনাৰ স্তৰ একে হ'ব নোৱাৰে বা নহয়। ভক্ত আৰু ভক্তিৰ ভিন্নতা অনুসৰি তেওঁলোকৰ বিভাগ নিৰ্ণয় কৰা হৈছে। ভক্তিক উত্তমা, অন্তৰঙ্গা, নিৰ্গুণা আৰু সপ্ৰেম— এই চাৰিভাগত আৰু ভক্তক উত্তম, মধ্যম, প্ৰাকৃত আৰু আচাৰভ্ৰষ্ট— এই চাৰিভাগত ভাগ কৰা হৈছে। এনে বিভাজন 'ভক্তি ৰত্নাকৰ' গ্ৰন্থ অনুসাৰে কৰা হৈছে।

সাধনাৰ উচ্চস্তৰত যিজন ভক্ত উপনীত হৈছে তেওঁক ভগৱানতকৈও শ্ৰেষ্ঠ বোলা হৈছে। এনে উত্তম ভক্ত ভগৱন্তৰ পৰম প্ৰিয়। ঘোষাত কোৱা

হৈছে—

*হৰিৰ পৰম প্ৰিয়তম নাই নিজ ভকতত পৰে।*
*হেন ভকতক যিজনে নিন্দয় হৰিকেসে নিন্দা কৰে।।*

জ্ঞানেন্দ্ৰিয় আৰু কৰ্মেন্দ্ৰিয়সমূহ যেতিয়া স্বাভাৱিকভাৱে ঈশ্বৰ অভিমুখী হৈ পৰে, তেতিয়া সেই ভক্তিয়ে উত্তমা ভক্তি নাম পায়। 'নাম-ঘোষা'ৰ পৰা উত্তমা ভক্তিৰ উদাহৰণ লোৱা হওক—

*একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা নবাঞ্ছয়*
*মহা অদ্ভুত হৰিগুণ নামময়।*
*পৰম মঙ্গল কৃষ্ণ যশ যাত পৰে নাহি আন ৰস*
*পৰম আনন্দ সমুদ্ৰেৰ মজি ৰহয়।।*

অন্তৰঙ্গা ভক্তি ঃ

*যেন জগতকে ব্যাপি আছয় আকাশ।*
*সেহিমতে সমস্তকে কৰোহো প্ৰকাশ।।*
*নোচোৰয় মোক দোষ গুণে জগতৰ।*
*দেখিবাহা আমাক সবাতো নিৰন্তৰ।*

*(একাদশ স্কন্ধ ভাগৱত)*

*অব্যক্ত ঈশ্বৰ হৰি কিমতে পুজিবা তাঙ্ক*
*ব্যাপকতো কিবা বিসৰ্জন।*
*এতাৰন্ত মূৰ্তি শূন্য কেনমতে চিন্তিবাহা*
*ৰাম বুলি শুদ্ধ কৰা মন।।*

*(নাম-ঘোষা)*

নিৰ্গুণা ভক্তি ঃ

*ভেদ দূৰ ভৈলে কৰে নিষ্কাম ভকতি।*
*নিৰ্গুণা ভকতি এহি কহিলো সম্প্ৰতি।।*

*(তৃতীয় স্কন্ধ ভাগৱত)*

*হে কৃষ্ণস্বামী তযু পাৰে আমি*
*কেৱল শৰণ চাওঁ।*
*কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ*
*তেবেসে প্ৰভু এৰাওঁ।।*

*(নাম-ঘোষা)*

সপ্ৰেম ভক্তি ঃ

*মাধৱৰ জন্মকৰ্ম লীলা যত যত।*
*গীত নামচয় যিটো প্ৰসিদ্ধ লোকত।।*
*শ্ৰৱণ কীৰ্ত্তন তাক সদায় কৰিব।*
*লাজ ভয় স্পৃহা আদি সমস্তে তেজিব।।*
*এহিমতে প্ৰিয় মাধৱৰ গুণ কাম।*
*শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কৰে অবিশ্ৰাম।।*

*(ভাগৱত)*

*নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন*
*নমো দেৱ দৈৱকী দায়াদ।*
*পৰম অনাথ আমি তোমাৰ চৰণে নমি*
*মাগো প্ৰভু ভকতি প্ৰসাদ।।*

*(নাম-ঘোষা)*

কৃষ্ণনাম শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ আদিৰ জৰিয়তে মনলৈ ভক্তিপ্ৰেমৰ যি বিমল জ্যোতি আহে, সেই জ্যোতি সূৰ্যৰ কিৰণতকৈও প্ৰখৰ। জ্ঞানৰ পোহৰেৰে ই মানৱমনৰ চৌদিশ পোহৰ কৰি তোলে। নিৰ্মল বৈৰাগ্য ব্ৰতধাৰী চিৰকুমাৰ মাধৱদেৱে আজীৱন কৃষ্ণ-যশ অনুধাবন কৰিয়েই তৃপ্ত আছিল। মানবী জনম সফল কৰিবলৈ আমাৰো একমাত্ৰ ধ্যান হওক— “ৰসময়ী মাগোহো ভকতি।” ‘ৰসময়ী মাগোহো ভকতি’ লেখাটি যুগুত কৰোঁতে কেইবাখনো পুথি আৰু প্ৰবন্ধৰ সহায় লোৱা হৈছে। ■

---

*লেখিকা দৰং মহাবিদ্যালয়, তেজপুৰৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা*

# নামঘৰৰ বিভিন্ন অংগসমূহ

ড° দূৰৰি গোস্বামী

অসমৰ  সমাজ জীৱনত শ শ বছৰ ধৰি প্ৰভাৱ বিস্তাৰ কৰি যিগৰাকী যুগনায়কে বিশৃংখল সমাজখন শৃঙ্খলাবদ্ধ কৰি অসমীয়াৰ নিডস্ব ভেটি এটা তৈয়াৰ কৰি সাহিত্য-সংস্কৃতি, গীত-নাট-ভাওনাৰে অসমীয়া সমাজখন চহকী কৰি বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰি থৈ গ'ল, যিগৰাকী মহান পুৰুষৰ মাজত নৈতিক, আধ্যাত্মিক, শাৰীৰিক আৰু মানসিক— এই চতুঃশক্তিৰ পূৰ্ণবিকাশ ঘটিছিল, সেইগৰাকী মহামানৱ শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ আকাশত চিৰউজ্জ্বল হৈ থকা সূৰ্য বুলি ক'লেও বঢ়াই কোৱা ন'হব।

উদাৰ মানৱতাবাদী, প্ৰগতিশীল চিন্তাধাৰাৰ প্ৰতীক শ্ৰীমন্ত শঙ্কৰদেৱৰ নীতি-আদৰ্শ আছিল বিশ্বজনীন। মানুহৰ চৰম উৎকৰ্ষ সাধনেই আছিল তেওঁৰ একমাত্ৰ লক্ষ্য। যুগসন্ধিৰ এনে এটি ক্ষণত এইগৰাকী মহাপুৰুষৰ জন্ম হৈছিল সেই সময়ত অসম অন্ধকাৰৰ কৰাল গ্ৰাসত লীন গৈ আছিল। অসমৰ জনসাধাৰণক অজ্ঞতাৰ আন্ধাৰৰ পৰা পোহৰলৈ আনি নানা ধৰ্ম মতবাদৰ সলনি একশৰণ নামধৰ্মৰ জৰিয়তে সমগ্ৰ অসমক একগোট কৰিবলৈ মহান প্ৰচেষ্টা হাতত লৈ তেওঁ সমাজৰ সকলোবৰ্গৰ মানুহলৈ আবেদন জনালে—

*"নাহি ভকতিত জাতি অজাতি বিচাৰ।*
*কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ।।"*

যুগ যুগ ধৰি চলি অহা মানুহৰ মানসিকতাক হঠাৎ পৰিৱৰ্তন কৰাটো দুঃসাধ্য বুলি শঙ্কৰদেৱে অনুমান কৰিছিল। সেয়েহে ধৰ্মপ্ৰচাৰৰ মাধ্যম হিচাপে

তেওঁ বিভিন্ন উপায় অৱলম্বন কৰিছিল— নাট, গীত, অভিনয়, নৃত্য এই সকলোৰে জনসাধাৰণক আপ্লুত কৰাৰ চেষ্টা কৰিছিল। সেয়ে নহয় তেওঁ নামধৰ্মৰ জৰিয়তে মানুহৰ মন বিষ্ণুৰ প্ৰতি আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিছিল, সেইবাবে তেওঁ মানুহৰ মন আকৰ্ষিত কৰিবলৈ কিছুমান পন্থা অৱলম্বন কৰিছিল। সেয়া কৰিবলৈ যাওঁতে তেওঁ প্ৰতিষ্ঠা কৰিছিল নামঘৰৰ। নামঘৰত সকলো গোট খাই নাম–কীৰ্তন কৰি শেষত মাহ-প্ৰসাদ খাই মনৰ লগতে শৰীৰকো তুষ্ট কৰিছিল।

নামঘৰ অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অঙ্গ। শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা নামঘৰ বা কীৰ্তনঘৰ তেওঁৰেই প্ৰতিষ্ঠিত মতবাদ নামধৰ্মৰ সাম্যবাদৰ এক উৎকৃষ্ট উদাহৰণ। কাৰণ জাতি-অজাতি, উচ্চ-নীচৰ ভেদাভেদ নাৰাখি নামঘৰৰ দ্বাৰ সকলোৰে বাবে মুকলি। সকলোৰে সমূহীয়াভাৱে নামঘৰত বহি হৰিনাম শ্ৰৱণ-কীৰ্তন কৰিব পাৰে। শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱতত উল্লেখ কৰিছে—

‘কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ধুৱা যে তুৰুক
কুবাচ ম্লেছ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।

‘এক দেৱ এক সেৱ, এক বিনে নাই কেৱ’ বোলা আমোঘ মন্ত্ৰেৰে মানুহৰ চেতনা জাগ্ৰত কৰিবলৈ শঙ্কৰদেৱে যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেওঁ পোন প্ৰথমবাৰৰ বাবে ১৪৬৮ খৃষ্টাব্দত বৰদোৱাত নামঘৰ প্ৰতিষ্ঠা কৰিছিল। অসমৰ জনগণক একতাৰ ডোলেৰে বান্ধি বৃহৎ অসমীয়া জাতি গঠনত নামঘৰে কি ধৰণৰ ভূমিকা গ্ৰহণ কৰিছে সেয়া প্ৰতিজন অসমীয়াই প্ৰত্যক্ষ কৰিছে। নামঘৰ অসমীয়া লোকৰ উপাসনা গৃহ। ইয়াৰোপৰি এইগৃহতে নাম-কীৰ্তন, ভাওনা-সবাহৰ লগতে এসময়ত গাঁওসমূহৰ সৰুসুৰা বিচাৰো হৈছিল। অসমত বাসকৰা ভিন ভিন জাতি-জনগোষ্ঠীৰ মানুহক নামঘৰে একতাৰ ডোলৰে বান্ধি এক সুবৃহৎ অসমীয়া জাতি প্ৰতিষ্ঠা কৰিছিল। বৰ্তমান শঙ্কৰদেৱৰ মতবাদৰ ব্যাখ্যা বিভিন্নজনে বিভিন্নৰূপে আগবঢ়োৱাৰ ফলত শঙ্কৰদেৱে একত্ৰ কৰি থৈ যোৱা অসমীয়া সমাজখন খণ্ড-বিখণ্ড হোৱাৰ

উপক্ৰম হৈছে। নিজ-নিজ স্বাৰ্থ সিদ্ধিৰ বাবে নিজৰ মাজতে ভাগ-ভাগ হৈ যি ত্যাগ আৰু কষ্টৰ বিনিময়ত শঙ্কৰদেৱে এখন শুদ্ধ-সত্য সমাজ গঢ়িছিল, বৰ্তমান সেই সমাজখন ৬০০ বছৰৰ আগৰ সমাজখনলৈ গতি কৰিছে— য'ত ইতিহাসৰ পুনৰাবৃত্তি হ'বলৈ বেছিদিন নাই, কাৰণ "গুৰুজনে এক কৰে ভকতহে ভাগ কৰে।" যদি এতিয়াও এয়াই চলি থাকে তেতিয়াহ'লে অসমীয়া সমাজ পুনৰ ধ্বংসৰ গৰাহত নিশ্চিতভাৱে নপৰিব তাৰ কোনো সন্দেহ নাই।

শ্ৰীমন্ত শঙ্কৰদেৱৰ অপূৰ্ব অৱদানৰ অন্যতম 'নামঘৰ'ৰ নিৰ্মাণ পদ্ধতিলৈ লক্ষ্য কৰিলে তেওঁক বৰ্তমান সময়ৰ এগৰাকী সফল 'আৰ্কিটেক্ট'ৰ লগত তুলনা কৰিব পাৰি। সেইবাবেই ৰূপকোঁৱৰৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱে লিখিছিল— "আজিকালি বিশ্বস্থাপত্য যি অলংকাৰ বৰ্জিত সৰলতা আৰু ৰৈখিক সৌন্দৰ্যৰ আদৰ্শ অসমীয়া নামঘৰ তাৰ প্ৰাথমিক সংস্কৰণ বুলিব পাৰি।" (নতুনৰ পূজা)। লগতে শিল্পীৰ পৃথিৱীত তেওঁ পুনৰ উল্লেখ কৰিছে— "আজিৰ বিশ্বস্থাপত্যৰ ৰৌপিক সৰলতা আৰু সমাৱেশৰে ৰচনা কৰিব খোজা মডানিষ্টিক স্থাপত্যৰ সৌন্দৰ্যৰ আদিম প্ৰকাশ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামঘতেই মই দেখিছিলো।" (শিল্পীৰ পৃথিৱী)

শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে যিবিলাক অভিনৱ কৌশল অৱলম্বন কৰিছিল, তাৰ ভিতৰত নামঘৰ অন্যতম। কিয়নো নামঘৰতে সকলোৰে মাজত মত বিনিময়, সকলোৰে মাজত সমন্বয়, সকলোৰে মাজত আনন্দৰ ভাগ বটোৱাৰা সম্ভৱ হয়। এক অৰ্থত নামঘৰে সকলোকে একমুঠি কৰি ৰাখিবলৈ সক্ষম হয়। সেইবাবে নামঘৰে আজিকোপতি শান্তি-সম্প্ৰীতিৰ বাতাৱৰণ অক্ষুণ্ণ কৰি ৰাখিছে।

নামঘৰৰ নিৰ্মাণ পদ্ধতিত চাৰিটা মূল বিভাগ দেখা যায়—

১) বাটচ'ৰা
২) নামঘৰ বা কীৰ্ত্তনগৃহ
৩) মণিকূট
৪) ছোঁঘৰ

ইয়াৰ লগতে পদশিলা আৰু হাটীৰ নামঘৰৰ সৈতে অঙ্গাঙ্গী সম্বন্ধ আছে।

১) **বাটচ'ৰা ঃ** বাটচ'ৰা নামঘৰৰ লগত সংযোজিত। বাটচ'ৰাৰেই মূল কীৰ্ত্তনগৃহত ভকতে প্ৰৱেশ কৰে। কোনো কোনো নামঘৰৰ বাটচ'ৰাতে

পদশিলা থাকে। পদশিলাত প্ৰণাম কৰি ভকতসকলে বাটচ'ৰাইদি মূল কীৰ্ত্তনগৃহত প্ৰৱেশ কৰে। বাটচ'ৰাক কৰাপাট বুলিও কোৱা হয়। বাটচ'ৰাটো সাধাৰণতে টুপ ভাঙি সুন্দৰকৈ নিৰ্মাণ কৰা হয়। প্ৰায়ভাগ নামঘৰ পূৱা পশ্চিমাকৈ নিৰ্মিত হয়— পূৱদিশত মণিকূট থাকিলে বাটচ'ৰা পশ্চিমৰ ফালে নিৰ্মাণ কৰা হয়।

২) **নামঘৰ বা কীৰ্ত্তনগৃহ ঃ** অসমৰ সকলোবোৰ গাঁও-ভূঁই, চহৰ-নগৰতে নামঘৰ বা কীৰ্ত্তনগৃহ আছে। নামঘৰৰ অসমীয়া জাতিলৈ শঙ্কৰদেৱৰ অনবদ্য অৱদান। বৰদোৱাতে প্ৰথমে গুৰুজনাই সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱে ভাৰতবৰ্ষৰ অনেক স্থান পৰিভ্ৰমণ কৰি অসমীয়া মানুহৰ উপযোগী হোৱাকৈ যি উপাসনা গৃহ প্ৰতিষ্ঠা কৰিছিল সেয়ে নামঘৰ বা কীৰ্ত্তনগৃহ।

কীৰ্তনগৃহ বা মূল নামঘৰৰ সোঁমাজত প্ৰসাদৰ শৰাই স্থাপন কৰি ভকতসকল শাৰী শাৰীকৈ বহি নাম-কীৰ্ত্তন কৰে। নাম-কীৰ্ত্তন সমাপ্ত কৰি ভকতসকলে মাজৰ অংশটি সম্পূৰ্ণৰূপে খালী কৰি কাষে-কাষে শাৰী-শাৰীকৈ বহে। দেউৰী-বিলনীয়াসকল মাজৰ অংশলৈ আহি মাহপ্ৰসাদ বিতৰণ কৰে। গুৰুদুজনাৰ অঙ্কীয়া ভাওনা, জন্মাষ্টমী আনকি অতীজত ৰাসলীলাও কীৰ্ত্তন গৃহতে অনুষ্ঠিত হৈছিল।

৩) **মণিকূট ঃ** কীৰ্ত্তনগৃহৰ সমুখভাগত অৰ্থাৎ পূৱদিশত মণিকূট নিৰ্মাণ কৰা হয়। মণিকূট নামঘৰৰ দৰে উন্মুক্ত অৱস্থাত ৰখা নহয়। মাত্ৰ মণিকূটৰ মাজভাগত সংস্থাপিত সিংহাসনখনিহে কীৰ্ত্তনগৃহৰ পৰা দেখি থাকি। মণিকূটত পাঁচৰ পৰা সাতখলপীয়া সিংহাসন প্ৰতিষ্ঠা কৰা হয়। অসমীয়ালোকৰ ভাস্কৰ্য-স্থাপত্য শিল্পৰ শ্ৰেষ্ঠ নিদৰ্শন এই সিংহাসন। সাত বৈকুণ্ঠৰ প্ৰতীক হিচাপে সাতখলপীয়া সিংহাসনত চাৰিটা খুঁটাই তাৎপৰ্য বহন কৰিছে। প্ৰতিটো খুঁটাৰ তলত একোটাকৈ কাছ, কাছ সহিষ্ণুতাৰ প্ৰতীক; তাৰ ওপৰত হাতী আৰু হাতীৰ ওপৰত থকা সিংহই পাপমতি মদমত্ত হাতীক নামৰূপী সিংহই দমন কৰা অৰ্থত নিৰ্মাণ কৰা হৈছে।

বন্তি জ্বলোৱা আধাৰ, পুথিৰখা আৰু নিৰ্মালি ৰখাৰ বাবে শৰাই ৰখা হয়। নামঘোষাত মাধৱদেৱে লিখিছে—

*"পুণ্য অৰণ্যৰ মাজে মাধৱ নাম সিংহ*
*প্ৰকাশ কৰয় আতি বৰে।*

*যাৰ ধ্বনি শুনি ভয়ে        মহাপাপী হস্তীচয়ে*
*পলায় আতি ত্ৰাসতে লৰৰে।।”*

সিংহাসনত থকা হাতী হ’ল পাপৰ প্ৰতীক। পাপৰ দৰে প্ৰবৃত্তিসমূহ হাতীৰ দৰে শক্তিমান, এই পাপক কেৱল দমন কৰিব পাৰে হাৰনামৰ প্ৰতীক সিংহই। সেয়েহে সিংহাসনত হাতীটোৰ ওপৰত সিংহক প্ৰতিষ্ঠা কৰা হৈছে। ই নামসিংহই পাপহস্তীক দমন কৰি থকা বুজাইছে।

“সিংহাসনৰ একেবাৰেই ওপৰ খলপাত থকা দৌলাকৃতিৰ ঘৰটিক আমহি ঘৰ বোলা হয়। এই স্থানতে স্থাপন কৰা হয় শঙ্কৰদেৱৰ অমৰ সৃষ্টি গুণমালা শাস্ত্ৰ, পূৰ্ণকৃষ্ণ ভগৱন্ত অশৰীৰী প্ৰতীক। পৰমকৃষ্ণ ভগৱানৰ স্থানস্বৰূপ আমহি ঘৰকেই বৈকুণ্ঠ বুলি ধাৰণা কৰা হয় নামঘৰত।” (শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শনত নামঘৰৰ গুৰুত্ব ঃ ড° ধীৰেন কলিতা, গৱেষক)।

এই আমহি ঘৰটিৰ ওপৰত চন্দ্ৰতাপ তৰি দিয়া হয়। সিংহাসনত গুণমালা ৰখা হয়। সিংহাসনৰ ওচৰত বন্তি জ্বলোৱা আধাৰ গছা, পুথিৰখা ঠগা, নিৰ্মালি ৰখাৰ বাবে কৰণি আৰু লগতে মাহ-প্ৰসাদৰ বাবে শৰাই ৰখা হয়।

৪) **ছোঁঘৰ ঃ** শঙ্কৰদেৱে ধৰ্মপ্ৰচাৰৰ মূল উদ্দেশ্য আগত ৰাখি নাট ৰচনা কৰিছিল আৰু নামঘৰকেই মঞ্চ হিচাপে লৈছিল। এই নাটত গীত-নৃত্য সংগত কৰি বিভিন্ন আহাৰ্যৰ জৰিয়তে সাধাৰণ লোকসকলক আকৰ্ষিত কৰিবলৈ গুৰুজনাই প্ৰয়াস কৰিছিল। ভাওনাৰ বাবে ব্যৱহৃত বিভিন্ন সামগ্ৰী তথা সা-সঁজুলি ৰাখিবলৈ তথা ভাৱৰীয়াৰ ৰূপসজ্জাৰ বাবে নামঘৰৰ লগতে এটি কোঠালি ৰখা হৈছিল। ইয়াকে ছোঁঘৰ বোলা হৈছিল। এই ছোঁঘৰত ভাওনাত ব্যৱহৃত বিভিন্ন সামগ্ৰী যেনে- ছোঁ-মুখা, ভাৱৰীয়াৰ সাজ-পোছাক, অলংকাৰ, কিৰীটি আদি ৰখা হয়। নামঘৰৰ পশ্চিম কোণত শেষ কোঠাৰ সৈতে দক্ষিণ-পশ্চিম কোণত সাধাৰণতে ছোঁঘৰ নিৰ্মাণ কৰা হয়। বৰ্তমানৰ প্ৰায়বোৰ নামঘৰতে এই ছোঁঘৰ দেখা নাযায়।

শঙ্কৰদেৱৰ অভিনৱ চিন্তাশৈলীৰ সমুখত শিৰ নত হৈ পৰে। নাট ৰচনা কৰি তাৰ প্ৰদৰ্শনৰ বাবে মঞ্চ, মঞ্চৰ বাবে উপযুক্ত স্থান নামঘৰ বা কীৰ্ত্তনগৃহ, অভিনয় শিল্পী তথা অভিনয়ৰ লগত জড়িত কলা-কুশলীসকলৰ প্ৰতিভা বিকাশৰ সুযোগ দিয়াৰ বাবে শঙ্কৰদেৱে গভীৰভাৱে চিন্তা কৰিছিল। তাৰ

ভিতৰত অন্যতম আছিল মুখাশিল্পীসকল। মুখাশিল্পীসকলে ভাওনাৰ যিকোনো চৰিত্ৰ প্ৰয়োজন সাপেক্ষে মুখাৰ জৰিয়তে ৰূপ দিবলগা হৈছিল। কালীনাগ, ৰাৱণ, গণেশ, বকাসুৰ আদি চৰিত্ৰৰ মুখা বাঁহ বা বেতেৰে নিৰ্মাণ কৰি তাৰ ওপৰত মাটি লেপি চৰিত্ৰসমূহ জীৱন্ত কৰাৰ চেষ্টা কৰিছিল। আনহাতে ইয়াৰ দ্বাৰা মূঢ় জনতাই আনন্দ আৰু বিস্ময়ৰ মাজেদি হৰিভক্তিত লীন গৈছিল। গতিকে এনেধৰণৰ সামগ্ৰীসমূহ এদিনৰ প্ৰয়োজনীয়তাৰ বাবে নাছিল, সেইবাবে এই সামগ্ৰীসমূহ সংৰক্ষণৰ কোঠা এটাও নামঘৰৰ লগত সংলগ্ন কৰাৰ কথা ভবাটো শঙ্কৰদেৱৰ বিচক্ষণতাৰ অন্যতম পৰিচয়।

ধৰ্মপ্ৰচাৰৰ বিভিন্ন মাধ্যম হিচাপে শঙ্কৰদেৱে অৱলম্বন কৰা আটাইকেইটা ব্যৱস্থাৰ ভিতৰত আটাইতকৈ ফলপ্ৰসূ, আটাইতকৈ বেছি জনমানসত সমাদৰ লাভ কৰিছিল নামঘৰে। ■

---

*লেখিকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়, তেজপুৰৰ সহযোগী অধ্যাপিকা*

# মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ

হিৰু প্ৰসাদ মহন্ত

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ যুগৰ পৰা বৰ্তমান পৰ্যন্ত অসমত বিশেষকৈ অসমীয়া সমাজত নামঘৰ আৰু সত্ৰসমূহে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি অসমীয়া জনজীৱনক এক নতুন মাত্ৰাৰে আগুৱাই নি বিশ্ববাসীক চিনাকি দি অসমীয়া জাতি সত্তাৰ সাৰ্থকতা প্ৰকাশিছে। এই নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত অসমৰ বিভিন্ন অঞ্চলত অলেখ সত্ৰ আৰু লগতে অলেখ নামঘৰ গাঁও ভিত্তিত স্থাপন হৈ আহিছে। এই সত্ৰ আৰু নামঘৰে ধৰ্মীয়, সামাজিক, সাংস্কৃতিক চিন্তাৰে অসমীয়া জাতিক স্বকীয় ধ্যান-ধাৰণা আৰু সুউচ্চ মহিমাৰে জীয়াই ৰাখিছে।

'নামঘৰ-মণিকূট' উৎপত্তি সম্পৰ্কে ড° লক্ষ্মীনন্দন বৰাদেৱে 'যাকেৰি নাহিকে উপাম' নামৰ গ্ৰন্থখনিত প্ৰকাশ কৰিছে যে, গুৰুজনাই মহেন্দ্ৰ কন্দলীৰ টোলত শিক্ষা শেষ কৰি ঘৰলৈ অহাত শঙ্কৰৰ মুখেদি ভগৱন্তৰ গুণ-গৰিমা শুনিবলৈ অহা বংশ-পৰিয়াল তথা গঞা ৰাইজেৰে তেৰাৰ মাৰল ঘৰত বহিবলৈ ঠাই নোজোৰা হোৱাত এটি আহল বহল মুকলি ঘৰৰ প্ৰয়োজন বোধ কৰি পিতৃ কুসুম্বৰ ভূঞাৰ সৰিয়হ তলিৰ শিলিখা জোপাৰ দক্ষিণ-পূব দিশত এটি কীৰ্ত্তন ঘৰ নিৰ্মাণ কৰাৰ সিদ্ধান্ত কৰিলে। ৰাইজৰ সহযোগত অতি কম দিনতে কীৰ্ত্তন ঘৰৰ ভেটি বন্ধা হ'ল। খুঁটা পোতা হ'ল। চ'তি ফৌকাম, ৰুৱা কামি বান্ধি শৰণ খেৰেৰে চাৱনি কৰা হ'ল। কীৰ্ত্তন ঘৰৰ পূব মূৰে উত্তৰা-দক্ষিণাকৈ এটি মণিকূট নিৰ্মাণ কৰা হ'ল। মণিকূটৰ সোঁমাজত সপ্তস্বৰ্গৰ

আধাৰত সাত খলপীয়া সিংহাসন নিৰ্মাণ কৰি বিষ্ণুৱৰ মূৰ্তি (মূৰ্তিভাগ সৰিয়হ তলী খান্দোতো পোৰা হৈছিল) প্ৰতিষ্ঠা কৰা হ'ল। এয়েই আচলতে মণিকূট। মণিৰ অৰ্থ ৰত্ন আৰু কূটিৰ অৰ্থ গৃহ।

মণিকূট শব্দটি সম্পৰ্কে ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে কয় যে, এই শব্দটো কেনেকৈ প্ৰচলন হ'বলৈ পালে সেইবিষয়ে সঠিককৈ কোৱা টান। এই সম্পৰ্কত হয়গ্ৰীৱ মাধব মন্দিৰত অৱস্থিত মণি শৈল বা মণিকূটৰ কথাও মন কৰিবলগীয়া। ড° শৰ্মাদেৱে অনুমান কৰে যে নামঘৰৰ লগত সংযোজিত মণিকূট শব্দটো মাধৱ মন্দিৰৰ মণিকূট শব্দৰ পৰাও সম্প্ৰসাৰিত হ'ব পাৰে। আকৌ দ্ৰাবিড় ভাষাত কোস্তম বুলি এটা শব্দ আছে তাৰ অৰ্থ হৈছে দেৱমন্দিৰ। কূট কোস্তমৰে ৰূপান্তৰ হ'ব পাৰে। ৰাজমোহন নাথ ডাঙৰীয়াই নৱ-বৈষ্ণৱীয় স্থাপত্যকলাত দ্ৰাবিড়ীয় প্ৰভাৱ আছে বুলি অনুমান কৰিছে। সেইফালৰ পৰা চাবলৈ গ'লে 'কূট' শব্দটো দ্ৰাবিড় 'কোস্তম'ৰ পৰাই অহা যেন অনুমান হয়।

'কোটিযাংম' উৎসৱত- এটি মূল দীঘল গৃহত (নামঘৰৰ দৰে) এজন ব্যক্তিয়ে (আমাৰ ভাওৰীয়াৰ দৰে সাজসজ্জা কৰা) সূত্ৰধাৰৰ দৰে বিভিন্ন শ্লোক সংস্কৃত ভাষাত গাই আৰু শ্লোকসমূহ নৃত্যৰ মাধ্যমেৰে প্ৰকাশ কৰে।

তদুপৰি আমাৰ ভাওনাৰ আগেয়ে পূৰ্বাদৰ খোল-তাল লৈ গায়ন-বায়ন গোৱাৰ দৰে তেওঁলোকে বহু মৃদং, তাল, দীঘল দীঘল পেঁপা বজাই সুৰৰ মূৰ্ছনা তোলে। সন্মুখত থকা তেওঁলোকৰ আৰাধ্য দেৱতাক এটি সৰু গৃহত বেৰা দি ঢাকি ৰখা হয় আৰু সেই গৃহৰ সন্মুখতে এই 'কুটিংঘাটম' নৃত্য আমাৰ অঙ্কীয়া ভাওনা বা সত্ৰীয়া নৃত্য পৰিৱেশন কৰাদি তেওঁলোকেও পৰিৱেশন কৰে। এতিয়া কথা হ'ল ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে ব্যক্ত কৰা 'কূট' শব্দটো দ্ৰাবিড়ীয় শব্দ বুলি ভবাৰ থল আছে। ৰাজমোহন নাথ ডাঙৰীয়াই কোৱাৰ দৰে গুৰুজনাৰ সৃষ্টি নামঘৰ আৰু সত্ৰৰ গঠন প্ৰণালীতো দ্ৰাবিড়ীয় স্থাপত্যকলাৰ প্ৰভাৱ লক্ষ্যণীয়।

কেৰেলাৰ আৰ্নাকুলাম চহৰত এটি অতি বিখ্যাত মন্দিৰ আছে। সেই মন্দিৰটো 'মহাবিষ্ণু মন্দিৰ' বুলি জনাজাত। এই মন্দিৰটো হেনো কৃষ্ণ আৰু অৰ্জুনে এই ঠাইত মহাভাৰতৰ সময়তেই সাজিছিল। এই মন্দিৰৰ লগত এটি কাহিনী জড়িত আছে—

দ্বাৰকাত এজন নৈষ্ঠিক ব্ৰাহ্মণ আছিল। তেওঁৰ গৃহত ব্ৰাহ্মণীৰ এটি পুত্ৰ সন্তান উপজিয়েই মৃত্যু হৈছিল। এনেকৈ নটা পুত্ৰ মৃত্যু হোৱাত ব্ৰাহ্মণে

দ্বাৰকাৰ কৃষ্ণক বৰ বেয়া গালি-গালাজ দিছিল। কৃষ্ণৰ ওচৰতে থকা অৰ্জুনে কথা বিষম দেখি ক'লে যে মই তোমাৰ দশ নম্বৰ সন্তানটি মোৰ গাণ্ডীব ধনুৰ শৰেৰে কোনেও মৃত্যু দিব নোৱাৰাকৈ ৰক্ষা কৰিম আৰু যদি তোমাৰ সন্তানটি ৰক্ষা কৰিব নোৱাৰো তেন্তে আত্মজাহ যাম। পিছে সেইবাৰ ব্ৰাহ্মণীৰ পুত্ৰ সন্তান ভূমিষ্ঠ হৈয়েই অন্তৰ্ধান হ'ল। অৰ্জুনৰ শৰেও ৰক্ষা কৰিব নোৱাৰিলে। শেষত কৃষ্ণৰ লগত অৰ্জুন সাতোখন পৃথিৱী সাতোখন সাগৰ পাৰ হৈ এঠাইত হাজাৰটি সূৰ্যসম পোহৰৰ মাজত এজন দিব্যপুৰুষ দেখিলে আৰু সেইজনেই 'মহাবিষ্ণু'। সেই মহাবিষ্ণুৱে বোলে দুয়োকে অৰ্থাৎ কৃষ্ণ-অৰ্জুনক চোৱাৰ হেঁপাহেৰে এই দশপুত্ৰক লৈ আনিছিল। শেষত এই দশপুত্ৰক কৃষ্ণ-অৰ্জুনৰ লগত পঠাই দিলে। ব্ৰাহ্মণে দশ পুত্ৰ পালে। সেই আপাহতে কৃষ্ণ-অৰ্জুনে এটি মহাবিষ্ণু মন্দিৰ নিৰ্মাণ কৰিছিল। এতিয়া আমি ভাবিবলৈ ৰাজি হৈছোঁ যে, মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তন পুথিত ৰচনা কৰি যোৱা 'বিপ্ৰপুত্ৰ আনয়ন' কাহিনীভাগো এই কাহিনীৰ লগত একেই। সেইফালৰ পৰা ধাৰণা হয় যে গুৰুজনাৰ তীৰ্থ ভ্ৰমণ কেৰেলা পৰ্যন্ত হৈছিল। মহাবিষ্ণু মূৰ্তিভাগো এটি সুকীয়া গৃহতে সংলগ্ন দীঘল গৃহৰ লগতে স্থাপন কৰা আছে। দেখা যায় এনে ভাস্কৰ্যৰে অসমৰ 'মণিকূট' স্থাপন কৰি অসমীয়া সমাজক এক উন্নত পৰ্যায়লৈ নিয়াৰ চেষ্টা কৰিছিল।

বহু চিন্তাবিদৰ মন্তব্যৰ উপৰিও অনেক ভকত-বৈষ্ণৱ, সাহিত্যিক তথা বিশিষ্ট সত্ৰাধিকাৰসকলে 'চিহ্ন যাত্ৰা' প্ৰদৰ্শনক কেন্দ্ৰ কৰিয়েই তেৰাই সৰ্বপ্ৰথম নামঘৰ মণিকূট নিৰ্মাণ কৰিছিল বুলি মত প্ৰকাশ কৰে।

মণিকূটৰ সিংহাসন বা থাপনা কঁঠাল কাঠৰে তৈয়াৰ কৰা হয়। হেঙুল হাইতাল ৰঙেৰে ৰঙোৱা হয়। সিংহাসনভাগ চাৰি চুকীয়াকৈ চাৰিচৰণৰ ওপৰত ভিত্তি কৰি সপ্ত বৈকুণ্ঠৰ আধাৰত সাত খলপীয়াকৈ ক্ৰমান্বয়ে ওপৰলৈ সৰু আৰু জোঙা কৰি একেবাৰে ওপৰ খলপৰ ওপৰত এটি ক্ষুদ্ৰাকৃতি গৃহ সজা হয়। এই ভাগক আমহি ঘৰ বুলি জনা যায়। এই গৃহভাগৰ ভিতৰত ভগৱন্তৰ বাংময় মূৰ্তি ভাগৱত শাস্ত্ৰৰ দশমস্কন্ধৰ সাৰ গুৰুজনাৰ সৃষ্টি 'গুণমালা' পুথি পীত বা শুক্লবৰ্ণৰ ফুলাম বস্ত্ৰেৰে আৱৰি আটোমটোকাৰিকৈ শ্ৰদ্ধা আৰু ভক্তিসহকাৰে প্ৰতিষ্ঠা কৰা হয়। সত্য-শৌচ-ক্ষমা আৰু দয়া ধৰ্মৰ এই চাৰিখুঁটিৰ আধাৰত আসনৰ চাৰি চৰণৰ প্ৰতিচৰণৰ তলত উৰ্দ্ধক্ৰমত চটলঙত মূৰ সুমুৱাই ৰখা চাৰিটা কাছ, একোটা কাছৰ ওপৰত একোটাকৈ হাতী আৰু

প্ৰতিটো হাতীৰ ওপৰত একোটাকৈ সিংহ খোদিত কৰা হয়। সপ্তখলপীয়া সিংহাসনত প্ৰতিখলপত চাৰিটাকৈ মুঠ আঠাইশটা সিংহ থাকে। ইয়াৰ তাত্ত্বিক দিশটো 'সংযমৰ প্ৰতীক' কাছই ভক্তসকলক ইন্দ্ৰিয় দমন কৰি সংযমী হৈ ভকতি কৰাৰ কথা সূচাইছে। পাপ আৰু অহংকাৰৰ প্ৰতীক হস্তীক নামৰূপী সিংহই দমন কৰি মুক্তি দিয়াৰ কথা সূচায়। মাধৱপুৰুষেও 'নামঘোষাত' ব্যক্ত কৰিছে—

*"পুণ্য অৰণ্যৰ মাজে মাধৱৰ নামসিংহ*
*প্ৰকাশ কৰয় অতি বড়ে।*
*যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়*
*পলায় আতি ত্ৰাসত লবড়ে।।"*

এই মণিকূটৰ সিংহাসনৰ ধ্যান-ধাৰণাত মহাপুৰুষ শঙ্কৰ গুৰুজনাই সৃষ্টি কৰা এটি পূৰ্ণাংগ আদৰ্শগত নামঘৰৰ প্ৰধান অংগসমূহ হ'ল— নামঘৰ বা কীৰ্ত্তনগৃহ, মণিকূট, ছোঁঘৰ আৰু বাটচ'ৰা।

কীৰ্ত্তনঘৰত ভগৱানৰ গুণানুকীৰ্ত্তন, শ্ৰৱণ-কীৰ্ত্তন কৰা হয় বাবে এই ভক্তি অৰ্ঘ্যৰ ঠাইকণ কীৰ্ত্তনঘৰ বুলি সকলোৱেই ব্যক্ত কৰে। নৱ-বৈষ্ণৱ যুগত নামঘৰসমূহ কাঠ বেত, বাঁহ, খেৰ, ইকৰা খাগৰি, আদিৰেই নিৰ্মাণ কৰিছিল। অতীজৰ পৰাই কীৰ্ত্তন ঘৰৰ বেৰবিলাক চাললৈকে লগাই দিয়া নাছিল। ইয়াৰ কাৰণ আছিল জাতি-বৰ্ণ নিৰ্বিৰ্শেষে সকলোৱে মুক্তভাৱে ভগৱানৰ গুণানুকীৰ্তন শ্ৰৱণ, দৰ্শন, সেৱন কৰিব পাৰে। তদুপৰি অংকীয়া ভাওনা আদি যাতে নামঘৰৰ বহিঃভাগৰ পৰাও দৰ্শকে সহজে দৰ্শন কৰিব পাৰে তাৰবাবেও নামঘৰৰ বেৰবিলাক চাললৈকে লগাই দিয়া নাছিল।

কীৰ্ত্তনঘৰৰ আটাইতকৈ ভক্তিপূৰ্ণ অংগভাগেই হ'ল 'মণিকূট'। এই মণিকূটভাগ নামঘৰৰ পূৱৰ কোঠালিৰ গাতে লগাই উত্তৰা-দক্ষিণাকৈ দুচলীয়া চালেৰে নিৰ্মাণ কৰা হয়। মণিকূটৰ মূধৰে দুয়োদিশে টুপ ভাঙি চাৰিওফালে বেৰ দিয়া হয় যদিও পশ্চিম দিশে মূল প্ৰৱেশদ্বাৰ আহল-বহলকৈ ৰখা হয়। মণিকূটৰ সোঁমাজত সপ্ত বৈকুণ্ঠৰ (ভৰ, স্ব, মহঃ, জনঃ, তপঃ, জপ আৰু সত্যম) আধাৰত সাতখলপীয়া সিংহাসন প্ৰতিষ্ঠা কৰা হয়। মণিকূটৰ আসন বা থাপনা সম্পৰ্কে 'আসন্ত সপ্তাৱলী'ত এনেদৰে কৈছে—

*"কঠাল কাঠৰ পাছে সিংহাসন কাটি।*
*শঙ্কৰে সাজিলে সিংহাসন পৰিপাটি।।*

*সিংহাসনৰ ওপৰে আমহীঘৰ দিলা।*
*তাহাতে পুস্তক থৈ বস্ত্রে আচ্ছাদিলা।।”*

ভক্তসকলে মনৰ সকলো আশা-আকাংক্ষা, মায়া-মোহ ত্যাগ কৰি দশ ইন্দ্রিয় বশ কৰি মন মাতংগক হৰিৰ গুণ-নাম শ্রৱণ-কীৰ্ত্তনৰ জৰিয়তে বশ কৰি ভগৱন্তৰ চৰণত আশ্রয় লৈ ভক্তি কৰি মুক্তি লভিবলৈ যত্ন কৰাৰ প্রয়োজন বুলি গুৰুজনাই ব্যক্ত কৰিছিল।

যিটো সময়ত গুৰুজনাই পিতৃ (কুসুম্বৰ ভূঞা)-ৰ সৰিয়হ তলীত কীৰ্ত্তন ঘৰ মণিকূট নিৰ্মাণ কৰি তাত ‘কৃষ্ণ’ দেৱৰ চতুৰ্ভুজ মূৰ্তি স্থাপন কৰাৰ কথা চৰিত পুথিয়ে কৈছে, বৰ্তমান এই বিষয়টিৰ ওপৰত যথেষ্ট বাক-বিতণ্ডা তথা মত পাৰ্থক্য পৰিলক্ষিত হৈছে। এই বিষয়টি আলোচনা কৰাৰ যথেষ্ট সমল আছে।

গুৰু নাতি পুৰুযোত্তম ঠাকুৰ আতাই তেওঁৰ বটদ্ৰৱা থান বৰ্ণনাৰ গীতত পোৱা যায় এনেদৰে—

*জয়জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।*
*সেহি থানে নিজগুৰু ভৈলন্ত উদয়।।*
*সেহি থানে নিজগুৰু পাতিলন্ত পাট।*
*ৰাম নাম মহাৰত্ন বেসাইলন্ত হাট।।*
*মধ্যে পদশিলাস্থিত দক্ষিণে নামঘৰ।*
*মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ।।*
.... .... .... .... .... .... .... .... ....
*ধ্বজ আদি পদশিলা মধ্যে নামঘৰ।*
*মুক্তে মণিকূট কেশা শ্রীমন্ত শঙ্কৰ।।*
.... .... .... .... .... .... .... .... ....
*উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।*
*থান পূবদিশে থাকে ৰাম দামোদৰ।।*
*দক্ষিণত বাসুদেব লক্ষ্মী সৰস্বতী।*
*বাৰভক্ত চাৰি ধাম পশ্চিমত স্থিতি।।*
.... .... .... .... .... .... .... .... ....

সেই বৈকুণ্ঠপুৰী গুৰুজনাই বৰদোৱাতে নিৰ্মাণ কৰিছিলে বুলি বৰ নাতি পুৰুযোত্তম ঠাকুৰদেৱে গীতত ব্যক্ত কৰিছে।

গুৰুজনাই সৰিয়হ তলীত পোৱা মূৰ্তিভাগ যদিও সিংহাসনত স্থাপন কৰিছিল, কিন্তু পিছলৈ সেইভাগ মূৰ্তি ৰাম ৰাম গুৰুৰ দ্বাৰা পূজা-অৰ্চনা কৰাইছিল বুলি বিভিন্নজনে মত পোষণ কৰে। সেই মূৰ্তিভাগ বৰদোৱাৰ দৌলমন্দিৰতে আছে আৰু সেই ভাগ মূৰ্তিকেই ফল্গুৎসৱত পৰিভ্ৰমণ কৰাই ইয়াকে 'গোসাঁই ফুৰাই' বুলি কয়।

অসমৰ বিভিন্ন সত্ৰ স্থাপন হোৱাৰে পৰা সিংহাসনৰ কাষতে এভাগ কৃষ্ণ গোসাঁইৰ (বিভিন্ন নামকৰণেৰে) মূৰ্তি প্ৰতিষ্ঠা কৰি তাৰ পূজা-অৰ্চনা কৰা বৰ্তমান পৰ্যন্তও পাৰম্পৰিকভাৱে চলি আহিছে। বহুতে ক'ব বিচাৰে যে আগতে আহোম ৰজাই সত্ৰ নামঘৰত বিগ্ৰহ নাথাকিলে দেৱোত্তৰ বা অন্যান্য সা-সুবিধা নিদিয়ে। এই বিষয়টিৰ আচলতে আলোচনা-বিলোচনাৰ অতীৱ প্ৰয়োজন।

যিহেতুকে গুৰুজনাই কীৰ্ত্তন পুথিত ধ্যানবৰ্ণন অধ্যায়ত বৈকুণ্ঠ আৰু ভগৱানৰ ৰূপ বৰ্ণাই এনেদৰে লিখিছে—

*একমনে শুনা হৰিৰ ধ্যান।*
*বৈকুণ্ঠ নামে আছে মহাথান।।*
*হেন বৈকুণ্ঠৰ মাজতে পাছে।*
*উচিত ৰত্ন মন্দিৰেক আছে।।*
*হেন মন্দিৰে ৰত্ন সিংহাসনে।*
*আচন্ত বসি প্ৰভু নাৰায়ণে।।*
*চৰণে অনেক ভকতিভাৱে।*
*উপাসন্ত লক্ষ্মী জগত মাৱে।।*
*চৈতন্যময় শুদ্ধৰূপ ধৰি।*
*পৰম আনন্দে আচন্ত হৰি।।*

আকৌ কৈছে—

*থিৰ বুদ্ধি কৰি ভকত জনে।*
*প্ৰত্যেক অঙ্গক চিন্তিব মনে।।*
*মস্তিকৰ পৰা পাদ পৰ্য্যন্তে।*
*নমাইবে মনক দুনাই দেখন্তে।।*
*এতেকে হৈবেক পৰম সিদ্ধি।*
*হৰি সি জানা জগতৰ নিধি।।*

*দৃঢ় কৰি ধৰা হৰিৰ পাৱ।*
*পাপ সাগৰত এহিসে নাৱ।।*
*কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভনে।*
*হৰি হৰি বোলা সমস্ত জনে।।*

গুৰুজনাই নিশ্চয় এই কীৰ্ত্তনভাগ অসমৰ জনসাধাৰণৰ সহজ-সৰল মনত সাঁচ বহুৱাবলৈ আৰু ভগৱানৰ ৰূপ তথা বৈকুণ্ঠসদৃশ 'মণিকূট'ৰ আভাস দিবলৈ এনেদৰে লিখিত ৰূপ দি নিঃসন্দেহে পোনপটীয়াকৈ স্বৰূপটোৱেই প্ৰকাশ কৰিছে।

পৰমাৰ্থ তত্ত্ব ধৰিব পৰা জ্ঞানীজনৰ মঠ-মন্দিৰ, তীৰ্থক্ষেত্ৰ, মূৰ্তিপূজা, যাত্ৰা-ভাওনা আদিৰ আৱশ্যক কি?

পাছে মূৰ্তি নথকা মঠ-মন্দিৰ নামঘৰ আদিতো ধূপ-দ্বীপ, প্ৰজ্জ্বালন, নৈৱেদ্য অৰ্পণ আদি আৰু সেই নৈৱেদ্য ভগৱন্তৰে ভুক্তাব শেষ জ্ঞানে ভোজন কৰি পবিত্ৰ হোৱা বুদ্ধি সৰ্বত্ৰ বিদ্যমান। মূৰ্তি ভিন্ন এই সকলোবোৰ পদ্ধতি কল্পনাপ্ৰসূত হৈয়ে সকলো ধৰ্মতে প্ৰচলিত আছে।

শঙ্কৰদেৱে কীৰ্তনত কৈছে—

*সমস্ত ভূতত তুমি আছা হৃদয়।*
*তত্ত্ব নাপাই তোমাক বিচাৰে বাহিৰত।।*
*তুমিসে কেৱল সত্য মিছা সৱে আন।*
*জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান।।*

আকৌ কৈছে—

ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।

হৃদয়ে ধৰা আৰ্হিত ভাগৱতে কৈছে—

সকল জগত দেখিবেক ব্ৰহ্মময়।
তেৱেসে তোমাৰ ৰূপ হোৱে পৰিচয়।।

এনে ব্ৰহ্মজ্ঞানীসকলক মূৰ্তিহে নেলাগে নামঘৰ, থান-থাপনাও যে নেলাগে ই সত্য। হৃদয়তে সকলো পায়। বিষয় ব্যাকুলসকলৰ কাৰণেহে নৱবিধ ভক্তিৰ কথা ব্যক্ত কৰিছে। ভক্তি ৰত্নাকৰত শ্ৰীশঙ্কৰদেৱে কৈছে—

*যাত্ৰা মহোৎসৱ চয় কৰিবে আমাৰ।*
*দিবেক আমাক নানা পুষ্প উপহাৰ।।*

*ধৰিব আমাৰ ব্ৰত সাৱধান মনে।*
*থাপিব প্ৰতিমা মোৰ শ্ৰদ্ধায়ে যতনে।।*
*হৰি পাদোদক আৰু নিৰ্মাল্য মাথাত।*
*জানিবাহা সেহিজন অচ্যুত সাক্ষাত।।*
*বেদৰ বিহিত যত প্ৰতিমাদি চয়।*
*সকলো প্ৰকাৰে মোক পূজিবে লাগয়।।*

তদুপৰি কৈছে ভক্তিৰত্নাকৰত—

*মোহোৰ ভক্তক আৰু মোৰ প্ৰতিমাক।*
*পৰশিব দেখিব বুলিব তুতি বাক।।*
*পৰিচৰ্যা পূজা আৰু কৰিব চন্দন।*
*গুণ নাম কৰ্ম সদা কৰিব কীৰ্ত্তন।।*

আকৌ কৈছে—

*কহো আৰে অৰ্চন বন্দন মাধৱৰ।*
*এক চিত্তে মনে শুনিয়োক সৱ নৰ।।*
*জলে ফুলে পত্ৰে মাত্ৰ হৰি পূজিবেক*
*আলচিয়া মনত নিশ্চয় কৰিলেক।।*
*এতেকতে প্ৰীত হুয়া প্ৰভু ভগৱন্ত।*
*পৰম পদ বৈকুণ্ঠক দিবাক খোজন্ত।।*

*কহি আছো মন্ত্ৰে যিটো মূৰ্তি মাধৱৰ।*
*তাত ব্যতিৰেক মূৰ্তি নাহি ঈশ্বৰৰ।।*
*হেন যজ্ঞ পুৰুষক পূজে যিটো প্ৰাণী।*
*সিটো জন জানিবা সাক্ষাত মহাজ্ঞানী।।*

যি নহওক বাক-বিতণ্ডা আদি কৰিলেও 'নামঘৰ মণিকূট' হ'ল ঈশ্বৰপ্ৰেমী ধৰ্মপ্ৰাণ ভক্ত-বৈষ্ণৱসকলৰ মিলনৰ তীৰ্থভূমি। নামঘৰ মণিকূট, ইহকাল, পৰকালত জীৱৰ শান্তি আৰু মুক্তিৰ বাবে একত্ৰিত হৈ ঈশ্বৰৰ গুণাণুকীৰ্ত্তন কৰাৰ একমাত্ৰ আশ্ৰয় স্থল।

মহাপুৰুষ শঙ্কৰদেৱে সুকুমাৰ কলা, গীত, সংগীত, স্থাপত্য, ভাস্কৰ্য আৰু আলেখ্যক এক অভিনৱ ৰূপ দি অসমীয়া সুকুমাৰ কলাৰ বৈশিষ্ট্য সৃষ্টি কৰি থৈ গৈছে। অসমত হিন্দু, বৌদ্ধ, গুপ্ত স্থাপত্যই আধিপত্য বিস্তাৰ কৰি

থকা কালতো শঙ্কৰদেৱে অসমীয়া নামঘৰ মণিকূটত অভিনৱ স্থাপত্যৰ ৰূপ দিয়ে আৰু নামঘৰ মণিকূটৰ স্থাপত্যৰ সেই সময়ত ইমান ভাৱিষ্যতিক যে ভাবিলে আচৰিত লাগে আৰু গুৰুজনক সাক্ষাৎ ঈশ্বৰৰ অৱতাৰ বুলি ভবাৰ থল আছে। তেওঁৰ দৰে সৰ্বতোমুখী প্ৰতিভাৰ বিকাশ সেই সময়ৰ পৃথিৱীৰ কিয়, আজিৰ পৃথিৱীৰ ন-ন মহাপুৰুষসকলৰ ভিতৰতো দেখা নাযায়।

শেষত গুৰুজনাই গদ গদ চিত্তে কোৱাৰ দৰে ক'ব বিচাৰো—

*কৰিয়া কলিত কীৰ্ত্তন আতি।*
*পাৰে বৈকুণ্ঠক চৌত্ৰিশ জাতি।।*
*জাতি অজাতিক নবাচয় ভগৱন্তে।*
*পশু-পক্ষী বৃক্ষো মোক্ষ পাৰে যাত হন্তে।।*
*দুৰাচাৰো তৰে মোত আত কোন চিত্ৰ।*
*চণ্ডালকো কৰে মোৰ ভকতি পবিত্ৰ।।*

মাধৱদেৱে ঘোষাত এনেকৈ ৰূপ দিছে—

*ধৰ্মক জানোহো মঞি তথাপি প্ৰবৃত্তি নাই*
*অধৰ্মতো নিবৃত্তি নোহয়।*
*হৃদিস্থিত হুয়া তুমি যেন কৰাবাহা স্বামী*
*হৃষীকেশ কৰিবো তেহুয়।।* ■

---

*লেখক সাংস্কৃতিক সঞ্চালকালয়, অসমৰ অৱসৰপ্ৰাপ্ত বিষয়া, বিশিষ্ট শিল্পী*

# নাম-প্ৰসঙ্গৰ মহত্ত্ব

ফণীধৰ হাজৰিকা

নামঘৰৰ দৈনন্দিন কাৰ্যক্ৰমৰ এক অপৰিহাৰ্য অধ্যায় হৈছে নাম-প্ৰসঙ্গ। এই নাম-প্ৰসঙ্গ অনুষ্ঠান ঈশ্বৰ উপাসনাৰ এক প্ৰকৃষ্ট মাধ্যম হিচাপে অসমৰ প্ৰতিটো নামঘৰতে প্ৰৱৰ্তি আছে। নাম-প্ৰসঙ্গ সামূহিক আৰু একক দুয়ো পৰ্যায়তে সমাপন হয়। নাম-প্ৰসঙ্গৰ সমান্তৰালভাৱে নামঘৰৰ আন দুটি বিশেষ কাৰ্যক্ৰম হৈছে— পাঠ-প্ৰসঙ্গ আৰু খোল-প্ৰসঙ্গ। আমাৰ এই সংক্ষিপ্ত লেখাত নাম-প্ৰসঙ্গৰ লগতে পাঠ-প্ৰসঙ্গ আৰু খোল-প্ৰসঙ্গৰ বিষয়েও কিছুকথা নিবন্ধ কৰি পাঠকসকললৈ আগবঢ়োৱা হ'ল।

মহাপুৰুষ শঙ্কৰদেৱে সূচনা কৰা একশৰণ হৰিনাম ধৰ্মৰ মূল উপজীব্য শ্ৰৱণ-কীৰ্তন। ভক্তিৰ মূৰ্তিমান ৰূপ হৈছে নাম-প্ৰসঙ্গ। ব্যাসদেৱৰ কৃত শ্ৰীমদ্ভাগৱতে দেখুউৱা 'একাধিক আশী বিধ' (৮১ বিধ) ভকতিৰ মূলতে ন বিধ ভকতি। (দ্ৰষ্টব্য- শ্ৰীমদ্ভাগৱত ৩য় স্কন্ধ, পদ সংখ্যা- ১৩৪২)। শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, স্মৰণ, পদসেৱন, দাস্য, সখিত্ব আৰু আত্মনিবেদন এই ন বিধ ভকতিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তন 'মহা শ্ৰেষ্ঠতৰ' বুলি উত্তমশাস্ত্ৰ শ্ৰীমদ্ভাগৱতে কৈছে। গুৰুজনাৰ পদ—

*"যদ্যপি ভকতি নৱ বিধ মাধৱৰ।*
*শ্ৰৱণ কীৰ্ত্তন তাতে মহা শ্ৰেষ্ঠতৰ।।*
*অৰ্চ্চন, বন্দন ধ্যান সমস্ততে কৰি।*
*যশ কীৰ্ত্তনত আতি তুষ্ট হোন্ত হৰি।।" (পদ-৩৮, ১ম স্কন্ধ)*

সৰ্ববেদান্ত সাৰ শ্ৰীমদ্ভাগৱতৰ এই মহাবাণীকে সাৰোগত কৰি মহাপুৰুষে শ্ৰৱণ-কীৰ্তন ভক্তিক অধিক জনমুখী কৰাৰ উদ্দেশ্যে কীৰ্তন-ঘোষা পুথিখনি (শ্ৰীমদ্ভাগৱতৰ সংক্ষিপ্ত সাৰ) বিশেষভাৱে ৰচনা কৰি আমাক দিছে। নামঘৰকেন্দ্ৰিক অসমীয়া সমাজ-জীৱনৰ বাবে গুৰুজনাৰ এয়া এক মহান অৱদান। এই কীৰ্তন-ঘোষা পুথিখনিয়েই নাম-প্ৰসঙ্গৰ মূলপাঠ্য। গুৰুজনাৰ প্ৰৱৰ্তিত শ্ৰৱণ-কীৰ্তন ভক্তিধৰ্মক সৰ্বাত্মক ৰূপত প্ৰচাৰ কৰাৰ মানসে তাৰাৰ পদাঙ্ক অনুকৰণ কৰি মহাপুৰুষ মাধৱদেৱে বিশেষভাৱে ৰচনা কৰে নাম-ঘোষা পুথিখনি। কীৰ্তন-ঘোষা পুথিখনিৰ দৰে নাম-ঘোষা পুথিখনিও নাম-প্ৰসঙ্গৰ অবিচ্ছেদ্য আৰু অপৰিহাৰ্য অঙ্গ। মহাপুৰুষ দুগৰাকীৰ কীৰ্তন-ঘোষা আৰু নাম-ঘোষা শাস্ত্ৰ দুভাগেই নাম-প্ৰসঙ্গৰ প্ৰাণ। প্ৰসঙ্গক্ৰমে উল্লেখ্য যে, মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা' শাস্ত্ৰভাগি বিভিন্ন সংস্কৃত শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি বিশেষভাৱে ৰচনা কৰা এখনি উৎকৃষ্ট মৌলিক কাব্য। গুৰুজনাৰ কীৰ্তন-ঘোষা পুথিৰ লগতে মহাপুৰুষ মাধৱদেৱৰ এই 'নাম-ঘোষা' পুথিৰ স্থান। অৰ্থাৎ কীৰ্তন-ঘোষা আৰু নাম-ঘোষা দুয়োভাগি শাস্ত্ৰ একত্ৰে প্ৰকাশিত, প্ৰচাৰিত আৰু বিচাৰ্য। কাব্যগ্ৰন্থ হিচাপে কীৰ্তন-ঘোষা আৰু নাম-ঘোষা অসমীয়া কাব্য-সাহিত্যৰ সৰ্বোৎকৃষ্ট সম্পদ। গ্ৰন্থ দুখনিৰ কাব্যিক সৌন্দৰ্য আৰু সাহিত্যিক মূল্য সম্পৰ্কে ইতিমধ্যে যথেষ্ট চৰ্চা হৈছে। অৱশ্যে সাঙ্গীতিক সৌন্দৰ্য আৰু বৈশিষ্ট্যও গ্ৰন্থ দুখনিৰ প্ৰধান আবেদন; কিন্তু এই সন্দৰ্ভত আলোচনা অতি কমেই হে পোৱা যায়। এই বিষয়ত বৰ্তমান লেখাত আলোচনা কৰাৰ অৱকাশ আমাৰ নাই। কিন্তু সংশ্লিষ্ট সকলো পক্ষৰ প্ৰতি আমাৰ অনুৰোধ এয়ে যে কীৰ্তন-ঘোষা আৰু নাম-ঘোষা গ্ৰন্থ দুখনিৰ সাঙ্গীতিক বৈশিষ্ট্যসমূহৰ প্ৰতি সততে সচেষ্ট হৈহে ইয়াক পৰিৱেশন কৰে যেন।

নাম-প্ৰসঙ্গৰ মূল অৱয়বৰ এটি প্ৰধান অঙ্গ হৈছে বৰগীত। গীত মূলতে দুবিধ— বৰগীত আৰু অঙ্কীয়া গীত। বৰগীত নিতান্তই এক ৰাগাশ্ৰয়ী গীত। ৰাগতে গীতৰ সুৰ নিহিত থাকে। সেয়ে নাম-প্ৰসঙ্গত বৰগীত পৰিৱেশনৰ বেলিকা সংশ্লিষ্ট সকলোৱে ৰাগৰ সময়-বিধান আৰু ৰাগৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰখা উচিত। নাম-প্ৰসঙ্গ যিহেতু উপাসনাৰ বস্তুহে সেয়ে ইয়াত বৰগীত পৰিৱেশন কৰোঁতে তালবদ্ধ কৰি গোৱাতকৈও ৰাগ-সুৰ ৰক্ষা কৰি ভাৱ-ৰস প্ৰকাশ হোৱাকৈ পৰিৱেশন কৰিলে শ্ৰোতা-ভকত অধিক ৰসাপ্লুত হ'ব পাৰে। মানসিকভাৱে তাল ৰক্ষা কৰি পৰিৱেশন কৰিলেও গীত ৰসাত্মক হয়। আমি

ইতিমধ্যে উল্লেখ কৰিছো যে নাম-প্ৰসঙ্গ ঈশ্বৰ উপাসনাৰ এক উৎকৃষ্ট মাধ্যম আৰু একে সময়তে ই এক উৎকৃষ্ট সাঙ্গীতিক কলা। যিসকল ভকতে (নামাচাৰ্যই) নাম-প্ৰসঙ্গৰ সাঙ্গীতিক বৈশিষ্ট্যসমূহ ৰক্ষা কৰি গেয় পদৰ সম্পূৰ্ণ ভাৱ-ৰস প্ৰকাশ কৰি প্ৰসঙ্গ কৰিব পাৰে সেই প্ৰসঙ্গ সঁচাকৈয়ে চিত্তাকৰ্ষক হয়।

অসমৰ প্ৰতিখন গাঁৱৰ নামঘৰ আৰু বিভিন্ন সত্ৰানুষ্ঠাত চলি থকা নাম-প্ৰসঙ্গ অনুষ্ঠানটিৰ পূৰ্ণ অৱয়বটিৰ বিষয়ে ক'বলৈ গ'লে গুৰুস্মৰণৰ পৰা আৰম্ভ কৰি কৃষ্ণ ডকা, ঘোষণী ঘোষা, দিহা, ন-ঘোষা, কীৰ্তন, সামৰণি, জয়, অপৰাধ মাৰ্জনা, উপদেশ, গুৰুবন্দনা, হৰিধ্বনিয়েই প্ৰধান। ইয়াৰ লগতে পুৱাৰ প্ৰসঙ্গত প্ৰাতঃভটিমা আৰু সন্ধ্যা প্ৰসঙ্গত গুৰু ভটিমা, দেৱ ভটিমা, গুণমালা, তোটয়, চপয়, লীলামালা আদি যোগ হয়। সত্ৰ আৰু সংহতি ভেদে নাম-প্ৰসঙ্গৰ এই মূল অৱয়বৰো কিছু তাৰতম্য দেখা যায়। বৰ্তমান অসমৰ অতি কম সংখ্যক নামঘৰ আৰু সত্ৰতহে পুৱা, দুপৰীয়া, বিয়লি আৰু সন্ধ্যা চাৰি প্ৰসঙ্গৰ কাৰ্যসূচী নিয়মিতভাৱে ৰূপায়ণ হয়। চৈধ্য প্ৰসঙ্গৰ ক্ৰমটোও বিভিন্ন সত্ৰ আৰু অনুষ্ঠান ভেদে একে নহয়। ইও এক বিচাৰ্যৰ বিষয়। নামনি অসমৰ বিভিন্ন অনুষ্ঠানে তেখেতসকলৰ নাম-প্ৰসঙ্গৰ ক্ৰমত নামঘোষাৰ পৰা যুগল গোৱাৰ পদ্ধতি বিদ্যমান। উজনি আৰু মধ্য অসমত এই যুগল গায়নৰ ক্ৰম নাম-প্ৰসঙ্গৰ মূল অৱয়ৱত নাই।

যি কি নহওক, নাম-প্ৰসঙ্গ মূলতঃ এক জটিল সাঙ্গীতিক কাৰ্যক্ৰম। একক আৰু সামূহিক পৰ্যায়ত নাম-প্ৰসঙ্গ এক উন্নত মানৰ প্ৰাৰ্থনা সঙ্গীত। এই প্ৰসঙ্গ যিহেতু উপাসনামূলক সেয়ে ই নিতান্তই সাত্বিকভাৱে পৰিৱেশন হোৱাটো মূল কথা। প্ৰসঙ্গৰ সাত্বিকতা আৰু উপাসনাৰ দিশলৈ লক্ষ্য ৰাখি এজোৰ ভোৰতালেৰে প্ৰসঙ্গ কৰাটোৱেই বিধেয়। কিন্তু অসমৰ বিভিন্ন নামঘৰ আৰু অনুষ্ঠান বিশেষে একাধিক ভোৰতাল আৰু দবা, নেগেৰা আদিৰ সহযোগত নাম-প্ৰসঙ্গ কৰা পৰিলক্ষিত হয়, এনে প্ৰসঙ্গত সাত্বিকতা মুঠেই ৰক্ষা নহয় আৰু উপাসনাৰ দিশটো আপোনা-আপুনি অন্তৰ্হিত হয় (হেৰাই যায়)। মনত এক ৰাজসিক আনন্দৰহে সঞ্চাৰ হয়। সেয়ে সংশ্লিষ্টসকলৰ পক্ষে বিষয়টো বিচাৰ কৰি চাবৰ বাবে আমাৰ বিনীত অনুৰোধ। সাত্বিকতাই নাম-প্ৰসঙ্গৰ সৌন্দৰ্য আৰু পবিত্ৰতা অধিকভাৱে প্ৰকট কৰি তোলে। কাজেই আমাৰ আধ্যাত্মিক উৎকৰ্ষ সাধনত এই নাম-প্ৰসঙ্গই যথেষ্টখিনি অৰিহণা যোগায়। মূলতঃ, উপাসনা আৰু সাঙ্গীতিক দুয়োটা দিশৰ সু-সমন্বয়ত হোৱা

প্ৰসঙ্গহে অধিক ৰসাত্মক আৰু আনন্দদায়ক হয়। এনে ৰসাত্মক প্ৰসঙ্গহে ভকতৰ (গায়ক-শ্ৰোতাৰ) হৃদয়গ্ৰাহী হয়।

প্ৰসঙ্গৰ সাঙ্গীতিক বৈশিষ্ট্যসমূহ ৰক্ষা কৰি সাত্ত্বিকভাৱে প্ৰসঙ্গ কৰাৰ বাবে নিশ্চয় একান্তভাৱে চিন্তন, মনন, চৰ্চা, অনুশীলন অৰ্থাৎ সাধনাৰ প্ৰয়োজন। এই প্ৰসঙ্গতে আমি এগৰাকী নীৰৱ সঙ্গীত সাধকৰ মন্তব্য উদ্ধৃত কৰিব বিচাৰিছো— "নাম-প্ৰসঙ্গও কম আয়াসৰ বস্তু বুলি ধৰিব নোৱাৰি। ইয়াতো এটা ধাৰণাই ঠাই দখল কৰি আছে যে নাম-কীৰ্তন শিকিব লাগেনে? ইও একেই ভুল ধাৰণা। নাম-কীৰ্তনো সঙ্গীত; ৰাগ, সুৰ, তাল সম্বলিত আৰু সেয়ে ইয়াকো শিকিহে আয়ত্ত কৰিব লাগে। বৰগীতৰ আনুষ্ঠানিক গাৱনৰ কাল বিচাৰ, বিভিন্ন ৰাগ বিচাৰ এটা কষ্ট সাধ্য কাম। নাম-ঘোষাৰ বিভিন্ন ছন্দৰ সুৰ বিশেষকৈ প্ৰসঙ্গীয়া সুৰ, কীৰ্তনবোৰৰ বিভিন্ন সুৰ আৰু তাল সঙ্গতি এইবোৰ কম আয়াসত, কম অভ্যাসত, কেৱল শ্ৰৱণত আয়ত্ত কৰা বিদ্যা নহয়। একেটা কীৰ্তনতে তালৰ ভিন্নতাত সুৰৰ সলনি বা সুৰৰ তাৰতাম্যৰ জ্ঞান হাতে-কামে নধৰিলে কেৱল দৰ্শন-শ্ৰৱণত আয়ত্ত নহয়।" (বাদ্য বিশাৰদ শ্ৰীযোগেশ্বৰ বৰদলৈ ৰচনা সম্ভাৰ (১ম খণ্ড) প্ৰবন্ধ— নাট ভাওনা আৰু নাম-কীৰ্তন, পৃষ্ঠা ২৮৩) প্ৰথম সংস্কৰণ, ফেব্ৰুৱাৰী, ২০০২)

আজিৰ প্ৰজন্মই নাম-প্ৰসঙ্গৰ কেইটিমান অপৰিহাৰ্য অঙ্গৰ বিষয়ে চৰ্চা, অনুশীলন আৰু প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰিলেহে ইয়াক শুদ্ধ ৰূপত পৰিৱেশন কৰিব পাৰিব। দেখি-শুনি শিকি পৰম্পৰাগতভাৱে পৰিৱেশন কৰি থাকিলে নাম-প্ৰসঙ্গৰ প্ৰকৃত মৰ্যাদা আৰু মহত্ত্ব প্ৰকাশ নহ'ব। প্ৰসঙ্গৰ যি কেইটা সাঙ্গীতিক দিশৰ প্ৰতি বেছি গুৰুত্ব দিব লাগে সেয়া হৈছে নিৰ্দিষ্ট ৰাগত বৰগীত পৰিৱেশনৰ শিক্ষা আৰু অনুশীলন, নাম-ঘোষাৰ নামছন্দ আৰু ঘোষাছন্দৰ ঘোষাসমূহৰ প্ৰসঙ্গীয়া সুৰৰ শিক্ষা আৰু অনুশীলন, বিভিন্ন তালৰ কীৰ্তনৰ বিভিন্ন সুৰৰ শিক্ষা, নিশি সুৰৰ শিক্ষা, বিভিন্ন ভাঙনি সুৰ আদিৰ শিক্ষা ইত্যাদি। প্ৰসঙ্গত ভোৰতাল প্ৰয়োগ এক বিশেষ কলা। তালৰ ভাঙনি আৰু অলঙ্কাৰ প্ৰয়োগৰ শিক্ষা, তালৰ আৰম্ভণি আৰু সামৰণি আদিৰ শিক্ষা, বিলম্বিত, মধ্য আৰু দ্ৰুত বিভিন্ন লয়ত তাল প্ৰয়োগৰ শিক্ষা, বিশেষকৈ দ্ৰুত লয়ত তালৰ চাপৰ আৰু হাতৰ চাপৰ যাতে সনা-পোটোকা নহয় ইত্যাদি বিষয়সমূহ আমাৰ উত্তৰসুৰীসকলে গুণী বা বিজ্ঞজনৰ ওচৰত উপযুক্তভাৱে হাতে-মুখে শিকি আয়ত্ত কৰি ল'ব লাগিব বুলি আমি ভাবোঁ।

কীৰ্তন পুথিত বিভিন্ন তালৰ কীৰ্তন আছে। দুই, চাৰি, ছয়, সাত, আঠ, ন আৰু বাৰ তাল পৰ্যন্ত কীৰ্তন আছে। বিভিন্ন তালত কীৰ্তনৰ সুৰ বিভিন্ন। সেইখিনি শিকিবলগীয়া বিষয়। নামঘোষা পুথিৰ নামছন্দ আৰু ঘোষাছন্দৰ ঘোষাসমূহৰ সুৰ বেলেগ বেলেগ। প্ৰসঙ্গত ব্যৱহৃত এই ঘোষাসমূহৰ সুৰো বিশেষভাৱে আয়ত্ত কৰাটো প্ৰয়োজন। উল্লেখ্য যে, নামঘোষাৰ ছবি, দুলড়ী, পদ আৰু লেচাৰি ছন্দৰ ঘোষাপ্ৰসঙ্গত ব্যৱহৃত নহয়। কেৱল নামছন্দ আৰু ঘোষাছন্দৰ ভিতৰুৱা ঘোষাসমূহহে প্ৰসঙ্গত ব্যৱহাৰ হয়। মুঠতে নাম-প্ৰসঙ্গ এক ৰসোত্তীৰ্ণ কলা হিচাপে জীয়াই ৰাখিবলৈ সংশ্লিষ্ট সকলোকে ৰাগ, তাল-মান, সুৰ, লয়, মাত্ৰা, নিশি, ভাঙনি আদিৰ যথোপযুক্ত শিক্ষা আৰু অনুশীলনৰ প্ৰয়োজন।

নামঘৰত অনুষ্ঠিত হোৱা আন এটি গুৰুত্বপূৰ্ণ কাৰ্যসূচী হৈছে পাঠ-প্ৰসঙ্গ। অসমৰ প্ৰায়বোৰৰ নামঘৰতে নিয়মিত আৰু অনিয়মিতভাৱে পাঠৰ কাৰ্যসূচী চলে। পাঠো এবিধ প্ৰসঙ্গহে। কিয়নো নাম-প্ৰসঙ্গৰ দৰে পাঠৰো এক নিৰ্দিষ্ট ক্ৰম বা প্ৰণালী আছে। সেই নিৰ্দিষ্ট প্ৰণালীৰ অৱলম্বনতহে আমি পাঠ কাৰ্য সমাপন কৰোঁ। অসমত এনে কিছু প্ৰতিষ্ঠান বা নামঘৰ আছে, য'ত নাম-প্ৰসঙ্গৰ ঠাইত নিয়মিতভাৱে পাঠ-প্ৰসঙ্গহে হয়। কলিয়াবৰৰ ঐতিহ্যমণ্ডিত ভঁৰালী নামঘৰ ইয়াৰ বিশিষ্ট উদাহৰণ।

পাঠ-প্ৰসঙ্গৰ বাবে ভকতসকলে সৰ্বাধিক ব্যৱহাৰ কৰা পুথি হৈছে কীৰ্তন-ঘোষা আৰু শ্ৰীমদ্ভাগৱত। এই দুভাগ শাস্ত্ৰৰ লগতে সময় আৰু প্ৰয়োজন সাপেক্ষে ভগৱদ্গীতা, নামঘোষা, ৰত্নাৱলী, ৰামায়ণ আৰু মহাভাৰত আদি শাস্ত্ৰও ভকতসকলে পাঠ কৰে। পাঠৰ ক্ষেত্ৰত পাঠক বা পাঠাচাৰ্যসকলৰ মূল লক্ষ্যণীয় বিষয় হৈছে— বিভিন্ন ছন্দৰ সুৰৰ জ্ঞান, শব্দৰ স্পষ্টতা আৰু শুদ্ধতা। পদ, ছবি, দুলড়ী, লেচাৰি, ঝুনা, ঝুমুৰী আদি বিভিন্ন ছন্দৰ পদসমূহৰ সুৰৰ ভিন্নতা আছে। সেইখিনি পাঠকসকলৰ আয়ত্তাধীন হ'ব লাগে। আকৌ কীৰ্তনৰ সুৰৰ লগত ভাগৱত বা আন শাস্ত্ৰপাঠৰ সুৰৰ পাৰ্থক্য মনকৰিবলগীয়া। নামঘোষা পাঠৰ সুৰৰ বৈশিষ্ট্যই স্বকীয়।

**খোল প্ৰসঙ্গ ঃ**

নামঘৰৰ আন এক উল্লেখনীয় কাৰ্যক্ৰমণিকা হৈছে— খোল-প্ৰসঙ্গ। খোল-প্ৰসঙ্গ হৈছে এক জটিল (complex) সাঙ্গীতিক কাৰ্যক্ৰম। এইবিধ

অনুষ্ঠান সদায় সামূহিক। এককভাৱে খোল-প্ৰসঙ্গ কেতিয়াও পৰিৱেশন নহয়। কমপক্ষেও চাৰিগৰাকী বায়ন আৰু তিনিগৰাকী গায়ন শিল্পীৰ সহযোগত এই খোল-প্ৰসঙ্গ কাৰ্যক্ৰম সমাপন কৰা হয়। খোল-প্ৰসঙ্গত প্ৰাধান্য খোলৰ, সেয়ে খোল অৰ্থাৎ বায়নৰ সংখ্যা বৃদ্ধি হ'লে খোল-প্ৰসঙ্গৰ জেউতি চৰে। গুৰুসৃষ্ট অঙ্কীয়া নাটসমূহত গায়ন-বায়নে একেলগে গীত গোৱাৰ পৰম্পৰাৰ পৰাই পৰৱৰ্তী সময়ত খোল-প্ৰসঙ্গৰ সৃষ্টি হৈছে বুলি ক'ব পাৰি। নাটৰ কোনো কোনো বিশেষ গীতত চাৰি-পাঁচখন তালৰ পৰা বাৰখন পৰ্যন্ত তাল ব্যৱহাৰৰ পৰম্পৰা আছে। প্ৰসঙ্গক্ৰমে উল্লেখ্যযোগ্য— "নাটৰ গীত গোৱাৰ আদৰ্শত পৰৱৰ্তীকালত বৰগীত খোল-তালেৰে গোৱাৰ নিয়ম কৰা হ'ল, যি প্ৰথা এটা উজ্জ্বল পৰম্পৰা হৈ এতিয়াও প্ৰৱৰ্তিত। তাক সাঙ্গীতিক ভাষাত খোল-প্ৰসঙ্গ বোলে।" (বাদ্য বিশাৰদ শ্ৰীযোগেশ্বৰ বৰদলৈ ৰচনা সম্ভাৰ, ১ম প্ৰকাশ, পৃষ্ঠা-১৫৬)। বৰগীত সমূহ ৰাগাশ্ৰয়ী গীত। ৰাগসমূহৰ কাল-বিধান অতি গুৰুত্বপূৰ্ণ কথা। খোল-প্ৰসঙ্গত সঙ্গত কৰা বৰগীতৰো ৰাগৰ কাল-বিধান মানি চলা হয় আৰু চলিব লাগে।

পৰম্পৰাগতভাৱে চলি থকা খোল-প্ৰসঙ্গৰ বৰ্তমানৰ যি অৱয়ব ইয়াৰ ভিতৰত গুৰুঘাত, ৰাগতালনি, ৰাগৰেপনি, বিভিন্ন তালত গীত পৰিৱেশন, অপৰাধ মাৰ্জনা, সামৰণি আদি উল্লেখযোগ্য। গুৰুঘাতৰ আগে আগে কোনোৱে চাহিনী সংযোগ কৰে। পুৱাবেলা পুৱাৰ চাহিনী, বিয়লি বা সন্ধ্যাৰ খোল-প্ৰসঙ্গত বিয়লিৰ চাহিনী যোগ হয়। এনেদৰে চাহিনীযুক্ত খোল-প্ৰসঙ্গক 'যোগান' বুলি অভিহিত কৰা হয়। যি কি নহওক, খোল-প্ৰসঙ্গ এক উৎকৃষ্ট মানৰ সাঙ্গীতিক পৰিৱেশ্য কলা। খোল-প্ৰসঙ্গত অংশগ্ৰহণকাৰী গায়ন-বায়নসকলে গীতৰ ৰাগ, সুৰ, তাল-মান, লয় আৰু মাত্ৰা সম্পৰ্কে যথাযথভাৱে শিকি বুজি, অনুশীলনৰ জৰিয়তে নিপুণতা অৰ্জন কৰিব লাগে। গায়ন-বায়ন উভয়ে হাতে-মুখে গীতভাগ গাব পৰা হ'ব লাগে। সুদক্ষ আৰু নিপুণ বায়ন-গায়নে পৰিৱেশন কৰা খোল-প্ৰসঙ্গৰ সৌন্দৰ্য আৰু গাম্ভীৰ্য বৰ দৰ্শনীয় হয়। খোল-প্ৰসঙ্গৰ সামৰণিত অপৰাধ মাৰ্জনাৰ ঘোষাও খোল-তালেৰে গোৱাৰ নিয়ম। অপৰাধ মাৰ্জনাৰ পাছত সামৰণি হিচাপে এক সুকীয়া বাজনা পৰিৱেশন কৰিব লাগে। উল্লেখ্য যে, যিকোনো অনুষ্ঠানতে সামৰণিৰ বাজনাৰ সুকীয়া বৈশিষ্ট্য দেখা যায়— অৰ্থাৎ খোল প্ৰসঙ্গ, গানিকা, ভাওনা সামৰণিৰ বাজনা বিশেষ বৈশিষ্ট্যপূৰ্ণ। খোল-প্ৰসঙ্গত খোল আৰু বায়নৰ প্ৰাধান্য মন

কৰিবলগীয়া। মূল বায়নৰ নিৰ্দেশতে খোল-প্ৰসঙ্গ অনুষ্ঠানটি সমাপন হয়। খোল-প্ৰসঙ্গত ন্যূনতম তিনিখনতকৈ কম তাল ব্যৱহাৰ হ'ব নালাগে। খোল-প্ৰসঙ্গৰ ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয় বৈশিষ্ট্য হৈছে বৰজৌতি (বৰযতি) তালখন খোল-প্ৰসঙ্গৰ আৰম্ভণিতে প্ৰয়োগ কৰাৰ নিয়ম। তালৰ ঘাত অংশৰেহে আকৌ খোল-প্ৰসঙ্গত গীত ধৰাৰ নিয়ম। নিপুণ বায়নসকলে এই নিয়ম ৰক্ষা কৰি খোল-প্ৰসঙ্গ কৰি আছে। আন এক বৈশিষ্ট্য হৈছে খোল-প্ৰসঙ্গৰ গীতভাগ একতালিত শেষ কৰা। এই সকলোখিনি সাঙ্গীতিক বৈশিষ্ট্য ৰক্ষা কৰি খোল-প্ৰসঙ্গ কৰা বা যোগান গোৱা এক অতি জটিল আৰু মননযোগ্য বিষয়। চৰ্চা আৰু অনুশীলনৰ অভাৱত এইবিধ সাঙ্গীতিক কলাৰ পৰিৱেশন যথেষ্ট পৰিমাণে কমি আহিছে। আমাৰ উঠি অহা প্ৰজন্মৰ প্ৰতি বিশেষ অনুৰোধ এয়ে যে সম্পূৰ্ণ বৈয়াকৰণিক আৰু বৈজ্ঞানিক পদ্ধতিৰে এইবিধ কলাৰ উপযুক্ত শিক্ষা আৰু অনুশীলনত ব্ৰতী হওক। অন্যথা ই আমাৰ মাজৰ পৰা লাহে লাহে বিদায় ল'ব বুলি আশংকা হয়। এই কলা-বিদ্যাৰ চৰ্চা-অনুশীলনে গুৰুজনাৰ সংস্কৃতিক অধিক উজ্জ্বল ৰূপত প্ৰকট কৰি তুলিব আৰু আমাৰ নিজকো মহীয়ান কৰি তুলিব। ■

---

*লেখক কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক*

# নামঘৰৰ মুখ্য অংগ গুৰু আসন

ৰিবা হাজৰিকা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তি আন্দোলনৰ মাধ্যমেৰে ভগৱান, ভক্তি আৰু ধৰ্মৰ ধাৰণা সুনিশ্চিত কৰিবৰ বাবে মানুহৰ মাজত বিলাই দিলে ভক্তিপ্ৰেমৰ স্বৰূপ। ভকত ভগৱন্ত আৰু ভক্তিৰ অনুশীলনৰ ভেটিস্বৰূপে সৃষ্টি কৰিলে নামঘৰ। নামঘৰ হৈছে আধ্যাত্মিক তত্ত্ব, ঈশ্বৰ ভক্তিৰ মাহাত্ম্য, জাতীয় নাট্যানুষ্ঠান, ভগৱৎপ্ৰাপ্তি, সৎসঙ্গৰ সংগমস্থল। এই নামঘৰৰ মুখ্য অঙ্গ গুৰু আসনৰ এক চমু বিশ্লেষণ দাঙি ধৰা হ'ল।

একশৰণ হৰিনাম ধৰ্মৰ পৰমাৰ্থ নিৰ্ণায়ক 'পৰম দুৰ্বোধ্য আত্মতত্ত্ব'ৰ প্ৰতীক হৈছে গুৰু আসন। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত বিশুদ্ধ ধৰ্মৰ উপাসনাৰ বাংময় প্ৰতীকৰূপে নামঘৰ অৰ্থাৎ কীৰ্তনঘৰৰ মণিকূটৰ মধ্যস্থানত প্ৰতিষ্ঠিত হৈ আহিছে নামঘৰৰ মুখ্য অঙ্গ গুৰু আসন। গুৰু আসন তিনি প্ৰকাৰৰ— গৰুড়াসন, ময়ূৰাসন আৰু সিংহাসন। কোনো কোনো নামঘৰত বা ব্যক্তিগত গুৰুগৃহত এই গৰুড়াসন, ময়ূৰাসন আৰু কচ্ছপ আকৃতিৰ গুৰু আসন দেখা যায়। তাত্ত্বিক বিশ্লেষণৰে চালে এই আসনসমূহ পূৰ্ণাঙ্গ আসনৰ শাৰীত নপৰে। সাধাৰণতে ৰাজহুৱা নামঘৰত সিংহাসনহে প্ৰতিষ্ঠা কৰা হয়। গুৰু আসনৰ প্ৰকৃত তত্ত্ব, আধ্যাত্মিক ভাৱ প্ৰতিফলিত হয় সিংহ খোদিত আসন অৰ্থাৎ সিংহাসনতহে। এই সিংহাসন যেতিয়া নিৰ্দিষ্ট নিয়ম সংযম সদাচাৰেৰে মহাভাগৱত গ্ৰন্থৰ সাৰতত্ত্ব অক্ষৰব্ৰহ্ম গুণমালা স্থাপন কৰা হয়, তেতিয়াই এই সিংহাসন হৈ পৰে গুৰু আসন। সিংহাসনত সাতটা খলপা

থাকে। এই সাতোটা খলপাক সপ্ত বৈকুণ্ঠৰ লগত তুলনা কৰা হয়। এই সপ্ত বৈকুণ্ঠ হৈছে— ১) শ্বেত বিলাস ২) শান্তনুবিলাস ৩) পুষ্পবিলাস ৪) পংকজ বিলাস ৫) কনকদন্ত ৬) সনাতন আৰু ৭) গোলোক বৈকুণ্ঠ।

সিংহাসনৰ একেবাৰে উৰ্দ্ধস্তৰত থকা ঘৰটি হৈছে আমহিঘৰ। এই আমহিঘৰটিৰ চাৰিফালে চাৰিটা আৰু ওপৰত এটা কলসী থাকে। সমুখৰ অংশ খোলা থাকে। আমহিঘৰটিৰ ঠিক সোঁ-মাজতে ভগৱন্ত প্ৰভুৰ বাংময় মূৰ্তি বৃহৎ ভাগৱতৰ সাৰবস্তু গুণমালা পুথিভাগি শুক্লবস্ত্ৰৰ আস্বাদনৰে ঈশ্বৰ কৃষ্ণৰূপে প্ৰতিষ্ঠা কৰা হয়। আমহিঘৰৰ পৰা সিংহাসনৰ তলৰ খলপালৈকে ৰাম নামৰ বাণী বা নানাফুলৰ চানেকিৰে হস্তশিল্পৰ নিদৰ্শনৰে শোভিত এভাগি শুক্ল বস্ত্ৰৰে ঢাকি দিয়া হয়। বহুতে প্ৰভুলৈ সোণ-ৰূপৰ ফুল আগবঢ়াই এই বস্ত্ৰ ভাগিতে লগাই দি শোভা বঢ়ায়।

সিংহাসনভাগ সম্পূৰ্ণৰূপে আৱৰি ওপৰতো শুক্লবৰ্ণৰ এভাগি চন্দ্ৰতাপ তৰি দিয়া হয়। সৰ্বধৰ্ম মাজে হৰিনাম ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে এই চন্দ্ৰতাপ ভাগিয়ে। এই হৰিনামৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি মাধৱদেৱে নামঘোষাত লিখিছে—

*"বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।*
*ইহাৰ উত্তমফল হৰিনাম মাত্ৰ।।"*

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্তন পুথিত উল্লেখ কৰিছে—

*"হেন মন্দিৰে ৰত্ন সিংহাসনে।*
*আছন্ত বসি প্ৰভু নাৰায়ণে।।*
*চৌপাশে সৱে পাৰিষদ যত।*
*মৌক্তিক ছত্ৰ ধৰি উপৰত।।"*

গুৰু আসনৰ প্ৰথম খলপাৰ পৰা ক্ৰমে প্ৰতিটো খলপাই প্ৰভু ভগৱন্তৰ শ্ৰীচৰণত শৰণ ভজনৰ মাজেদি শৰীৰৰ দুৰ্বাৰ ৰিপু কাম, ক্ৰোধ, লোভ, মোহ বশ কৰি ভক্তি মাহাত্ম্য লাভ কৰি ভগৱৎপ্ৰাপ্তি আৰু প্ৰেম ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰিছে। সিংহাসনত স্থাপন কৰা বাঙ্ময় মূৰ্তি চিৰস্থায়ী। ইয়াক কেতিয়াও বিসৰ্জন দিয়া নহয়। সেয়েহে এই বৈকুণ্ঠসদৃশ গুৰু আসনৰ সন্মুখত পাৰিষদ স্বৰূপ ভক্তসৱে শ্ৰেষ্ঠ হৰিনাম শ্ৰৱণ, কীৰ্তন, পাঠ প্ৰসঙ্গেৰে ভগৱন্তৰ চৈতন্য ৰূপ ধ্যান কৰাৰ লগতে প্ৰভু ভগৱন্তৰ সান্নিধ্য লাভৰ মহাসুখ অনুভৱ কৰে।

সাত খলপীয়া সিংহাসনৰ প্ৰতিটো খলপাই হৈছে চাৰিকোণীয়া। এই চাৰিকোণীয়া সিংহাসনৰ প্ৰধান খুঁটা চাৰিটাৰ একেবাৰে তলত এটা কাছ তাৰ

ওপৰত এটা হাতী আৰু একেবাৰে ওপৰত কালৰূপ ধৰি এটা সিংহই হাতীক গ্ৰাস কৰি থকা দেখা যায়। হাতী আঁঠুকাঢ়ি নতশিৰ হৈ থাকে আৰু সিংহই নখেৰে হাতীৰ পিঠি আৰু মূৰত ধৰি থাকে। এইখিনিতে প্ৰশ্ন হ'ব পাৰে যে যি ৰত্ন সিংহাসনত প্ৰভু ভগৱন্ত বিৰাজমান তাত আকৌ এই সাধাৰণ প্ৰাণী কেইটি খোদিত কৰাৰ গুৰুত্ব কি? ইয়াৰ উত্তৰো সহজে পোৱা যায় যে দেখাত অতি সাধাৰণ যেন লগা এই প্ৰাণী তিনিওটিকে তিনিটা বিশেষ তাত্ত্বিক দিশত প্ৰতীকী অৰ্থত প্ৰতিভাত কৰা হৈছে।

এই তাত্ত্বিক গুঢ়াৰ্থ হ'ল— গুৰু আসনৰ কাছ হৈছে ইন্দ্ৰিয় সংযমৰ প্ৰতীক। কাছই যিদৰে নিজৰ শৰীৰৰ ভিতৰতে অঙ্গ-প্ৰত্যঙ্গসমূহ লুকুৱাই ৰাখিব পাৰে ঠিক তেনেদৰে ভকতে ছয় ৰিপু দমন কৰি পাপৰ উৎপীড়নৰ পৰা হাত সাৰিবলৈ সহনশীল আৰু ধৈৰ্যশীল হ'ব পাৰে। হাতী হৈছে হৰিভক্তিৰ অন্তৰায় পাপৰ প্ৰতীক। হাতীৰ দুৰ্বাৰ শক্তি দম্ভ অহংকাৰৰ মূল। ভক্তিমুখী কাছৰূপী জীৱক হৰিভক্তিৰ অন্তৰায় পাপময় হস্তীয়ে গচকি পীড়ন কৰি আছে। পাপহস্তীৰ এই পীড়নৰ পৰা ভকতৰূপী জীৱক উদ্ধাৰ কৰিছে হৰিনামৰূপী সিংহই। ভকত আক্ৰমণকাৰী হস্তৰূপী পাপাত্মাবোৰক ভগৱন্তৰ নামে সিংহৰূপ ধৰি প্ৰতি মুহূৰ্ততে ৰক্ষা কৰে। যিদৰে প্ৰমত্ত সিংহৰ গৰ্জন শুনি বিশালাকায় জন্তু হাতী পলায় পত্ৰং দিয়ে ঠিক তেনেদৰে নামৰূপী সিংহৰ ওচৰত পাপৰূপী মত্ত মাতঙ্গই শিৰ নত কৰে। মহাপুৰুষ মাধৱদেৱৰ নামঘোষাত এইকথা সুন্দৰভাৱে পৰিস্ফুট হৈছে এনেদৰে—

১। *ৰাম নাম মহা প্ৰমত্ত সিংহৰ*
*ধ্বনি শুনি ৰিণি ৰিণি।*
*পাপময় মত্ত মাতংগ পলায়*
*মিলিল হেৰা বিঘিনি।।*

২। *সৰ্বশ্ৰুতি শিৰোৰত্ন ভাগৱত বনমাজে*
*হৰিনাম সিংহ প্ৰকাশয়।*

সিংহৰ পাঁচটা নাম আছে, যেনে- মৃগেন্দ্ৰ, পঞ্চাস্য, হৰ্ষ্যক্ষ, কেশৰী আৰু হৰি। এই পঞ্চ নামৰ ভিতৰত পাঞ্চস্য নামটো অতি তাৎপৰ্যপূৰ্ণ। পঞ্চ মানে পাঁচ আৰু আস্য মানে আনন বা মুখ। চাৰিখন পাদক চাৰিমুখৰূপে সত্য, শৌচ, ক্ষমা, দয়া বোলা হয়। এই চাৰি পাদ আৰু মুখখনক লৈ সিংহক পঞ্চানন বুলিও কোৱা হয়। এই পঞ্চাননেই নামৰ প্ৰতীক। গুৰুজনাই বৰগীতত

উল্লেখ কৰিছে—

*“নাম পঞ্চানন নাদে পলাৱত*
*পাপদন্তী ভয়ভীত।*
*বুলিতে এক শুনিতে শত নিস্তৰে*
*নাম ধৰম বিপৰীত।।”*

সিংহাসনৰ সাতোটা খলপাৰ মুঠ ২৮ টা সিংহৰ পাৰমাৰ্থিক তত্ত্ব অতি গভীৰ। এই ২৮ টা সিংহক অষ্টবিংশতি তত্ত্বৰ আখ্যা দিয়া হৈছে। যি অষ্টবিংশতি তত্ত্ব ভগৱান শ্ৰীকৃষ্ণই পৰম বান্ধৱ উদ্ধৱক কৈছিল। ভাগৱত গ্ৰন্থত বৰ্ণিত এই অষ্টবিংশতি তত্ত্ব সম্পৰ্কে ভগৱন্তই কৈছে যে “মই স্বয়ং এই জ্ঞান নিশ্চিত কৰিছো, যাৰ দ্বাৰা মনুষ্য আৰু জীৱসমূহত ৯, ১১, ৫ আৰু ৩ তত্ত্বৰ সংযোগ হৈ ২৮ তত্ত্ব হিচাপে আছে আৰু এই ২৮ তত্ত্বৰ ভিতৰত মই এক তত্ত্ব হিচাপে আছোঁ। ইয়াৰে প্ৰথম নটা তত্ত্ব হৈছে- প্ৰকৃতি, জীৱ, মহত্ত্ব, অহংকাৰ, শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ। একাদশ তত্ত্বৰ ভিতৰত পাঁচ কৰ্মেন্দ্ৰিয় পাদ, পাণি, বাক, গুহ্য, লিংগ। পঞ্চ জ্ঞানেন্দ্ৰিয় চকু, কাণ, নাক, জিভা, ছাল। পঞ্চভূত ক্ৰমে ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম। তিনিগুণ সত্ত্ব, ৰজ, তম এই আঠাইশ তত্ত্বই সিংহাসনত বিৰাজ কৰি আছে। এই আঠাইশ তত্ত্বৰ এক তত্ত্ব হৈছে পৰমাত্মা যি ভৌতিক, আধ্যাত্মিক জগতৰ ভিতৰত সমাহিত হৈ আছে। এই পৰমাত্মাই হ'ল সকলোৰে নিয়ন্ত্ৰক। সকলো তত্ত্ব পৰমাত্মাৰ অধীন। সেয়ে সকলো তত্ত্বই পৰমাত্মাকে সেৱা কৰি থাকে। আৰু আমি জীৱসমূহেও সিংহাসনৰ আমহিঘৰত থকা প্ৰভু ভগৱন্তকে সেৱা কৰোঁ।

গুৰু আসনৰ সমুখৰ এটি গছাত শুদ্ধ মিঠাতেলৰ মাত্ৰ এগছি বন্তি প্ৰজ্জ্বলনৰে গুৰুজনাই প্ৰতীকী অৰ্থত এক ঈশ্বৰৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে। এই গুৰু আসনভাগিয়েই হৈছে নামঘৰৰ মুখ্য কেন্দ্ৰস্থল। নামঘৰলৈ সোমাই আহি প্ৰতিজন লোকেই গুৰু আসনলৈ বুলি প্ৰথমে সেৱা জনাই ভক্তি নিবেদন কৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামঘৰ সৃষ্টি আৰু গুৰু আসন স্থাপনৰ তাত্ত্বিক বিচক্ষণতাই ভকত আৰু ভগৱন্তৰ মাজত নিবিড় সম্পৰ্ক স্থাপনৰ প্ৰক্ৰিয়া সহজ কৰি তুলিছে। এই গুৰু আসন তথা সিংহাসনৰ বিষয়ে সন্তাৱলী পুথিত তলত উল্লিখিত বিৱৰণটি পোৱা গৈছে—

*“কঠাল কাঠৰ পাছে সিংহাসন কাটি।*
*শঙ্কৰে সাজিলা সিংহাসন পৰিপাটি।।”*

সিংহাসন ওপৰে আমহী ঘৰ দিলা।
তাহাতে পুস্তক থৈ বস্ত্রে আস্বাদিলা।।
একগছি বন্তি তাতে নিয়োজিয়া দিলা।
হেঙুলীয়া শৰাইখনি শঙ্কৰে নির্ম্মিলা।।
সর্বদেশে সিদ্ধ কৰি প্রসাদ কৰয়।
কেঁচা মাহ চাউল দিবে শঙ্কৰে বোলয়।।"

পুৰা-গধূলি গুৰু আসনৰ সন্মুখত এগছি বন্তি ধূপ-দীপ জ্বলাই উপাসনা কৰা ভকতৰ নিত্য নৈমিত্তিক কৰ্তব্য। নাম-প্রসঙ্গ কৰাৰ প্রাক্মুহূর্তত নির্দ্ধাৰিত নীতি-নিয়মৰে গুৰু আসনৰ সন্মুখত কেঁচা মগু, বুট, নানাবিধ সুমিষ্ট ফলৰে এখনি কাঠৰ শৰাই বা পিতলৰ শৰাইত তলে-ওপৰে কলাপাতৰ আৱৰণেৰে সজোৱা হয়। নামৰ অন্তত এই শৰাই-ভাগ নিয়মৰ মাজৰে বিৰ্সজন দি সেই প্রসাদ ভক্তি সহকাৰে ভকতৰ মাজত বিতৰণ কৰা হয়। এয়া বৈকুণ্ঠৰ প্রসাদ। গুৰুজনাই গুৰু আসনৰ সন্মুখত সিদ্ধ প্রসাদ অৰ্পণ বা ভোজনৰ নিৰ্দেৰ্শনা দিয়া নাই। সেয়ে সিদ্ধ প্রসাদ গুৰু আসনৰ সন্মুখত গ্রহণ কৰা নহয়।

ভগৱন্তৰ নাম শ্রৱণ-কীৰ্তনে জীৱক সমস্ত ভক্তি অন্তৰায়ৰ পৰা নিষ্কৃতি দিয়ে। সকলো ভক্তিপ্রাণ লোকে গুৰু আসনৰ মাহাত্ম্য অনুভৱ কৰি ভগৱন্তৰ কৃপা প্রাৰ্থী হ'বলৈ বাঞ্ছা কৰে। ঈশ্বৰৰ বাঙ্ময় মূৰ্তি স্থাপিত গুৰু আসনভাগিলৈ সেৱা জনাই প্রকৃত ভকতে লাভ কৰে সৎকৰ্মৰ সাহস, শক্তি, দৃঢ়তা, সততা আৰু আত্মবিশ্বাস। মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱে কলিযুগৰ মলমতি মানৱক ঈশ্বৰৰ সান্নিধ্য লাভৰ বা ভগৱৎ ভক্তিৰ যি সহজ উপায় আৰু সুগম পথ অকপটে দান কৰি গ'ল, আমাৰ সেয়া গ্রহণ কৰাতহে অৱহেলা হৈছে। সকলো পায়ো হেৰুৱাব লাগিলে দুৰ্লভ মানৱী জনম বিফলে যোৱাৰ সম্ভাৱনা অধিক।■

**সহায়ক গ্রন্থ ঃ**


ক) নামঘৰ- গোস্বামী, তীৰ্থনাথ
খ) শঙ্কৰী সংগীতৰ আধাৰ গ্রন্থ- মহন্ত, গোলাপ (সম্পাদনা)
গ) খোল অংক- মহন্ত, গোলাপ (সম্পাদনা)
ঘ) শঙ্কৰী সংস্কৃতিৰ অধ্যয়ন- সম্পা. চলিহা, ভৱপ্রসাদ
ঙ) মণিকূট (স্মৰণিকা)- শ্রীমন্ত শংকৰদেৱ সঙ্ঘ
চ) ভক্তি ৰসামৃত (স্মৃতিগ্রন্থ)- শ্রীমন্ত শংকৰদেৱ সঙ্ঘ


---


*লেখিকা মাধৱদেৱ আদর্শ বিদ্যালয়, ভোমোৰাগুৰি (কলিয়াবৰ)ৰ শিক্ষয়িত্রী*

# নামঘৰ আৰু ইয়াত সংৰক্ষিত পুথি আৰু বাদ্যযন্ত্ৰ ঃ এক অধ্যয়ন

ড° গৌতম বৰা

**আৰম্ভণি ঃ**

মঠ-মন্দিৰ, নামঘৰ, সত্ৰ এই তিনিও প্ৰকাৰৰ ধৰ্মীয় অনুষ্ঠানে অসমীয়া সমাজৰ সাংস্কৃতিক আৰু সামাজিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। অৱশ্যে নামঘৰ আৰু সত্ৰতকৈ অসমত মঠ-মন্দিৰৰ ঐতিহ্য অধিক প্ৰাচীন। কিন্তু মঠ-মন্দিৰতকৈ অসমীয়া সমাজ-জীৱন সত্ৰ আৰু নামঘৰৰ লগতহে নিবিড়ভাৱে জড়িত। সি যি কি নহওক, খ্ৰীষ্টীয় ষোড়শ শতিকাৰ পৰা অৰ্থাৎ মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ আন্দোলনৰ পৰা নামঘৰ আৰু সত্ৰসমূহে অসমীয়া সমাজৰ ওপৰত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। প্ৰধানতঃ ধৰ্মীয় অনুষ্ঠান হ'লেও সত্ৰ আৰু নামঘৰ অসমীয়া সমাজ-জীৱনৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক এইসমূহ দিশৰ লগত ঘনিষ্ঠভাৱে জড়িত। আকৌ নামঘৰীয়া কৰ্তৃপক্ষতকৈ সত্ৰীয়া কৰ্তৃপক্ষ উৰ্দ্ধত, কোনো লোক নামঘৰীয়া কৰ্তৃপক্ষৰ সিদ্ধান্তত সন্তুষ্ট নহ'লে সত্ৰীয়া কৰ্তৃপক্ষৰ পৰা সিদ্ধান্ত বা পৰামৰ্শ গ্ৰহণ কৰে। নৱবৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে অসমৰ বিভিন্ন অঞ্চলত অলেখ সত্ৰ-অনুষ্ঠান আৰু অসমৰ চুকে-কোণে প্ৰায় প্ৰতিখন হিন্দু-অসমীয়া গাঁৱতে একোটাকৈ অজস্ৰ নামঘৰৰ সৃষ্টি হ'ল। গুৰুত্বপূৰ্ণ কথাটো হ'ল নামঘৰত প্ৰৱেশাধিকাৰ নথকা, গাঁৱৰ বা ওচৰৰ গাঁৱত বসবাস কৰা অহিন্দু লোকসকলেও নামঘৰৰ যোগেদি সামাজিক ন্যায় আৰু সমতাৰ বিষয়ে বিচাৰ লাভ কৰি আহিছে।

**নামঘৰৰ গঠন আৰু কাৰ্যপ্ৰণালী ঃ**

সাধাৰণতে আমাৰ গাঁৱৰ নামঘৰসমূহ মণিকূট, বাটচ'ৰা, ছোঁঘৰ আৰু মূল কীৰ্তনগৃহ বা নামঘৰ— এই চাৰিটা গৃহৰেই গঠিত হয়। মূল নামঘৰটো পূৰা-পশ্চিমাকৈ সজা হয়, নামঘৰৰ পূৱৰ কোঠাতে লগাই উত্তৰা-দক্ষিণাকৈ মণিকূট সজা হয়। মূল নামঘৰৰ শেহৰফালে দক্ষিণ-পশ্চিম চুকত ছোঁঘৰটো সজা হয়। নামঘৰলৈ সোমোৱা পদূলিমুখত সাধাৰণতে বাটচ'ৰাটো সজা হয়। নামঘৰত প্ৰধানকৈ নামকীৰ্ত্তন কৰা হয় বুলিয়েই ইয়াক নামঘৰ বা কীৰ্ত্তনঘৰ বোলা হয়। মণিকূটৰ সোঁমাজতে আসন পাতি বা থাপনা পাতি তাত দুইজনা গুৰু শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সৰ্বজন সমাদৃত এখন বিশেষ পুথি থোৱা হয়। এনে পুথিৰ ভিতৰত গুণমালা, দশম, কীৰ্ত্তন-ঘোষা, নাম-ঘোষা, ভক্তি ৰত্নাৱলী আদি অন্যতম। মণিৰ অৰ্থ হৈছে ৰত্ন আৰু কূটৰ অৰ্থ হৈছে ঘৰ, অৰ্থাৎ ৰত্ন থোৱা ঘৰ। ইয়াত অৱশ্যে মণি বা ৰত্ন বুলি শঙ্কৰ-মাধৱ ৰচিত গ্ৰন্থসমূহক বুজোৱা হৈছে। এই গ্ৰন্থসমূহকেই ৰত্ন জ্ঞান কৰি থাপনাত উপাসনাৰ বস্তু হিচাপে ৰখা হয়। ছোঁঘৰ মানে হৈছে মুখা ৰখা ঘৰ। অংকীয়া ভাওনা কৰোঁতে লগা ছোঁ (মুখা)বোৰ ইয়াতে ৰখা হয়। আমাৰ গাঁৱৰ নামঘৰসমূহ আৰু সত্ৰৰ নামঘৰসমূহক কেন্দ্ৰ কৰি অসমত অতি উন্নতমানৰ ঘৰুৱা আৰু খনিকৰী শিল্পচৰ্চাই গা-কৰি উঠিছিল। সত্ৰৰ নামঘৰ, গাঁৱৰ নামঘৰ আৰু ব্যক্তিগত মানুহৰ নামঘৰৰ কাৰণে খনিকৰসকলে তিনিখলপীয়া, পাঁচখলপীয়া, সাতখলপীয়া সিংহাসন, গৰুড়াসন, কৰণি, ঠগা আদি সাজি দিছিল। আকৌ অসমৰ কঁহাৰসকলে থাপনা বা সিংহাসনৰ আগত নৈৱেদ্য উপকৰণ আদি সজাই দিবৰ কাৰণে পিতলৰ ডাঙৰ উকা শৰাই, দৌলৰ আকৃতিৰ শৰাই, বঁটা আদি নিৰ্মাণ কৰি দিছিল।

নামঘৰৰ মণিকূটৰ সিংহাসনৰ সন্মুখত নিতৌ সন্ধিয়া বন্তি প্ৰজ্জ্বলন কৰা হয়। লগতে দবা-কাঁহ আৰু তাল বজোৱা হয়। সত্ৰৰ নামঘৰত আকৌ সান্ধ্য-প্ৰসংগ কৰাটো নিত্য-নৈমিত্তিক কাৰ্য হিচাপে বিবেচিত হৈ আহিছে। নাম-কীৰ্তনৰ সময়ত এই সিংহাসন বা থাপনাৰ আগত ৰাইজে শৰাই- সঁফুৰাত নৈৱেদ্য উপকৰণ আদি সজাই আগবঢ়াই ৰাখে। নামঘৰত কিবা ৰাজহুৱা অনুষ্ঠান হ'লে বা নাম-কীৰ্তন, ভাওনা, সবাহ আদি অনুষ্ঠান হ'লে বা নাম-কীৰ্তন, ভাওনা, সবাহ আদি অনুষ্ঠানত নামঘৰৰ বিষয়ববীয়া, ভকত, আইসকল কোন ক'ত কেনেকৈ বহিব তাৰ নিৰ্দিষ্ট ক্ৰম আছে আৰু সেই অনুক্ৰমেই

বহে। আকৌ নামঘৰত হোৱা বিভিন্ন সামাজিক আৰু ধৰ্মীয় কাৰ্যবোৰ সমাধা কৰিবলৈ বা পৰিচালনা কৰিবৰ কাৰণে প্ৰতিটো গাঁৱৰ নামঘৰত মেধি, সাতোলা, দেউৰী, বিলনীয়া, পাচনি, পাঠক আদি কিছুমান বিষয়ববীয়া থাকে। নামঘৰবোৰ প্ৰতিখন গাঁৱৰ ৰাইজৰ ধৰ্মীয় অনুষ্ঠান আৰু উৎসৱ আদি পালনৰ কেন্দ্ৰস্থল। নামঘৰত নাম-কীৰ্তন কৰাৰ উপৰি গাঁৱৰ বাৰ্ষিক নামগোৱা, পালনাম, বৰসবাহ, ভাওনা আদি পতা হয়। নামঘৰবোৰ নানান শিল্পকলা চৰ্চাৰ কেন্দ্ৰস্বৰূপ।

নামঘৰবোৰে বহুযুগৰে পৰা আমাৰ গাঁৱৰ লোকসকলক কলাসুলভ ঘৰুৱা শিল্পৰ চৰ্চা কৰিবলৈ প্ৰেৰণা দি আহিছে আৰু গাঁৱৰ লোকসকলক নৃত্য-গীত-বাদ্যৰ শিক্ষা দি আহিছে। ইয়াৰোপৰি গাঁৱৰ ৰাইজে নামঘৰতেই বহি তেওঁলোকৰ সামাজিক সমস্যাবোৰৰ আলোচনাৰ মাধ্যমেদি সমাধান কৰে।

**নামঘৰত সংৰক্ষিত বিভিন্ন গ্ৰন্থ(পুথি) ঃ**

শঙ্কৰদেৱৰ জৰিয়তে প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ মূল অনুষ্ঠান সত্ৰ আৰু নামঘৰসমূহত পুথিভঁৰালৰ ব্যৱস্থাও শঙ্কৰদেৱে নিজেই কৰি গৈছিল। এই পুথিভঁৰালসমূহত কোনো শ্ৰেণীবৈষম্য নাছিল, সমাজৰ সকলো শ্ৰেণীৰ লোকেই সমমৰ্যাদা সহকাৰে পুথিভঁৰালৰ কিতাপ অধ্যয়ন কৰিব পাৰিছিল। সত্ৰসমূহৰ নামঘৰত পুথিভঁৰালৰ কাৰ্যসম্পাদন কৰিবৰ বাবে লেখাৰু, কাকতী, ভঁৰালী আদি কিছু বিষয়া নিয়োগ কৰি সুন্দৰ ব্যৱস্থাপনা কৰা হৈছিল শঙ্কৰদেৱৰ পৃষ্ঠপোষকতাতেই। কাকতী উপাধিধাৰী বিষয়াসকল সাঁচিগছৰ বাকলিৰ পৰা সাঁচিপাত প্ৰস্তুতিৰ কামত নিয়োজিত হৈছিল। লেখাৰুৱে সেই সাঁচিপাতত লিখনকাৰ্য সম্পাদন কৰিছিল। লেখাৰুসকলৰ সাঁচিপাতত লিখা-অঁকা এই দুয়ো কাৰ্য সুচাৰুৰূপে সম্পাদন কৰাৰ নিপুণ দক্ষতা আছিল। ভঁৰালী উপাধিধাৰী বিষয়াই পুথিভঁৰালৰ পৰিচালকৰ দায়িত্ব সম্পাদন কৰিছিল। পাঠকে নিৰক্ষৰ লোকসকলক এই পুথিসমূহ পাঠ কৰি শুনাইছিল। শ্ৰোতাসকলক কীৰ্তন কৰি নাম-প্ৰসঙ্গ আকাৰেও পাঠকে নামঘৰত শুনাইছিল। ইয়াৰ উপৰি ধৰ্মীয় গ্ৰন্থ, নাম-প্ৰসংগ, আধ্যাত্মিক গীত-পদ আদি, ঘোষা, ভটিমা, তোটয়, চপয় আদি পঢ়া আৰু শুনোৱাৰ ব্যৱস্থাপনাৰ বাবে দুই চাৰিজনমান বিষয়া নিয়োগ কৰা হৈছিল। মূল পাঠক বা বৰ ভাগৱতী, বৰ নাম-লগোৱা এইসমূহ বিষয়ববীয়াৰ উপৰি পুথিসমূহ পঢ়াৰ কাৰণে কেৰলীয়া ভাগৱতী বা উপ-আবৃত্তিকাৰ, পালি-

ভাগৱতী বা সহকাৰী আবৃত্তিকাৰ, সৰু নামলগোৱা বা কনিষ্ঠ আবৃত্তিকাৰসকলকো নিয়োগ কৰা হৈছিল।

নামঘৰৰ মণিকূটৰ এদাঁতিত বা কীৰ্তনঘৰৰ এদাঁতিত এখন চাং আৰি দি তাত কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী, বৰগীত আদি পুথিবোৰ সযতনে ৰখা হয়। গাঁৱৰ নামঘৰত বহি গাঁৱৰ ভকতসকলে পুৰাণ পাঠ, ভাগৱত আদি কীৰ্ত্তন আৰু শ্ৰৱণ কৰে। আগৰ দিনত নামঘৰতে বহি বা ঘৰতে বহি অসমীয়া লেখাৰুসকলে নামঘৰৰ কাৰণে প্ৰয়োজনীয় পুথিসমূহৰ প্ৰতিলিপি কৰি দিছিল। পুথি লিখিবৰ বাবে প্ৰয়োজনীয় সাঁচি গছৰ ছাল এৰুৱাই তাক নিমজ আৰু মিহি কৰি ব্যৱহাৰৰ উপযোগী কৰি লৈছিল। দশম, কীৰ্তন, ঘোষা, ৰত্নাৱলী আদি পুথিসমূহ লিখি বা প্ৰতিলিপি কৰি সেইসমূহ নামঘৰৰ পুথিচাঙত সযতনে সংৰক্ষিত কৰাটো পৰম্পৰাগত নিয়ম আছিল। কোনো কোনো লেখাৰুৱে আকৌ নিজেই বা আন খনিকৰৰ হতুৱাই পুথিৰ প্ৰতিটো পাতৰ বিষয়বস্তু পাতৰ চাৰিওকাষে চিত্ৰাংকন কৰাই লৈছিল। কোনো কোনো পুথিৰ লেখাৰুৱে আকৌ কাঠৰ বাকচ সাজি তেওঁ লেখা পুথিবোৰ তাত ভৰাই ৰাখে। পুথি ভৰাই ৰখা এই বাকচবোৰো আকৌ খনিকৰৰ হতুৱাই ৰহণ লগাই ফুল-জালি অঁকাই লয়।

**নামঘৰত সংৰক্ষিত বাদ্যযন্ত্ৰ ঃ**

নামঘৰসমূহ নানান শিল্প-কলাৰ কেন্দ্ৰস্বৰূপ। নামঘৰবোৰে পুৰুষে পুৰুষে ধৰি আমাৰ গাঁৱৰ লোকসকলক কলাসুলভ ঘৰুৱা শিল্পৰ চৰ্চা কৰিবলৈ প্ৰেৰণা দি আহিছে আৰু যুগ যুগ ধৰি গাঁৱৰ লোকসকলক নৃত্য-গীত-বাদ্যৰ শিক্ষা প্ৰদান কৰি আহিছে। নামঘৰবোৰত গাঁৱৰ ডেকাসকলে বয়সিয়াল শিল্পীসকলৰ পৰা গায়ন-বায়ন গোৱা, সূত্ৰধাৰী গোৱা, কৃষ্ণ আৰু অন্যান্য ভাৱৰীয়াৰ ভাও দিয়া, বিভিন্ন ধৰণৰ নৃত্য কৰা, ৰাগ-তাল-মান ৰক্ষা কৰি বৰগীত অঙ্কীয়া গীত গোৱা শিক্ষা লয়। নামঘৰৰ অত্যাৱশ্যকীয় বাদ্য-যন্ত্ৰ দবা, ঘন্টা, কাঁহ, শঙ্খ আদিসমূহ মণিকূটত সংৰক্ষিত কৰি ৰখা হয়।

সত্ৰৰ নামঘৰত দৈনিক চৈধ্য প্ৰসঙ্গ হোৱাৰ প্ৰথা কিছুমান সত্ৰত বৰ্তমান আৰু কিছু সত্ৰত আগতে প্ৰচলিত আছিল। বৰ্তমান প্ৰায়বোৰ সত্ৰৰ নামঘৰতেই চাৰি প্ৰসঙ্গ প্ৰচলিত আছে। পুৱা, দুপৰীয়া, সন্ধ্যা আৰু ৰাত্ৰি প্ৰসংগৰ সময়ত সত্ৰৰ বায়নে কাঁহ, ঘন্টা আদি বাদ্যযন্ত্ৰ বজাই প্ৰসঙ্গ কৰে। অন্যান্য নামঘৰসমূহতো

নামঘৰীয়াই ডবা-ঘন্টা বজাই নামঘৰৰ নৈমিত্তিক কাৰ্যাৱলী বৰ্তাই ৰাখিছে। খনিকৰ, কঁহাৰ, চমাৰ, বাঢ়ৈ আদি সকলে নামঘৰৰ বাদ্যযন্ত্ৰসমূহ বা সত্ৰৰ অন্যান্য সম্পদসমূহ নিৰ্মাণ কৰি দিওঁতে নামঘৰ বা সত্ৰৰ প্ৰতি অতিশয় আন্তৰিক শ্ৰদ্ধা, ভক্তি প্ৰদৰ্শন কৰি আৰু অতি নিপুণভাৱে সকলো সামগ্ৰী তৈয়াৰ কৰি দিছিল।

**সত্ৰৰ নামঘৰত সংৰক্ষিত**
**কেইখনমান সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিৰ পৰিচয় ঃ**

সত্ৰীয়া সংস্কৃতিৰ এক উল্লেখনীয় স্থল কলিয়াবৰৰ সত্ৰ-নামঘৰত সংৰক্ষিত হৈ থকা কেইখনমান পুথিৰ পৰিচয় তলত দাঙি ধৰা হ'ল—

(১) **নামঘোষা**
(শ্যামকানু সত্ৰত সংৰক্ষিত)
লিপিকাৰৰ নাম নাই।
ঢাকনি পাত সাঁচিচালৰ।
ওপৰৰ ঢাকনিৰ ওপৰত কাঠৰ ফুলকটা ঢাকনি আছে।
ঘোষাৰ সংখ্যা- ১০১৪ টা।
জোখ- (২৬×৭) ছেন্টিমিটাৰ।

(২) **নামমালিকা**
(শ্যামকানু সত্ৰৰ সংৰক্ষিত)
তুলাপাতত লিখা।
লেখক- শ্ৰীশ্ৰীমাধৱদেৱ।
লিপিকাৰৰ নাম নাই।
প্ৰাচীন অসমীয়া লিপি, চন-তাৰিখ নাই।
পাত- ৩৪ টা।
ঢাকনি পাত নাই।

(৩) **বুঢ়াভাষ্য**
*(শ্যামকানু সত্ৰত সংৰক্ষিত)*
লিখক- শ্ৰীশ্ৰীপুৰুষোত্তম ঠাকুৰ
পাত- ২১ টা, তুলাপাতত লিখা, পাতবিলাক নষ্ট হোৱা।
সময়- ১৭৮৬ শকাব্দ।

লিপি- প্ৰাচীন অসমীয়া।
জোখ- (২৬×৯) ছেন্টিমিটাৰ।

(৪) **দিপিকা ছন্দ**
*(বালিসত্ৰত সংৰক্ষিত)*
লেখক- পুৰুষোত্তম গজপতি।
চন- ১৮১০ শক।
পাত- ৪০ টা, তুলাপাতত লিখা, পাতবিলাক কিছু নষ্ট হৈছে।
ঢাকনি পাত আছে।
জোখ- (৩.৩×১০.৭) (২৬×৯)। সম্পূৰ্ণ।

(৫) **ৰামায়ণ**
(চামগুৰি সত্ৰত সংৰক্ষিত)
লিপিকাৰ- কেশৱ দাস।
সময়- ১৬৫৪ শক, ২৫ চ'ত।
পাত- ৮৯ টা, পাতবিলাক পোকে ধৰিছে মাজে মাজে।
জোখ- (৪০×১০) ছেন্টিমিটাৰ।
পদ সংখ্যা- ১৮৩১ লৈ আছে। (লঙ্কাকাণ্ডলৈকে)
লেখক- মাধৱ কন্দলি (কবিৰাজ কন্দলি)
ঢাকনি পাত আছে।
সাঁচিপাতৰ ভিতৰত লিখা আছে।

ইয়াৰোপৰি সত্ৰীয়া পৰিৱেশত সত্ৰৰ নামঘৰসমূহত আৰু গাঁৱৰ নামঘৰসমূহত অজস্ৰ সাঁচিপাত আৰু তুলাপাতৰ পুথি অসমৰ চুকে-কোণে সিঁচৰতি হৈ আছে। এই পুথিসমূহৰ পাঠোদ্ধাৰৰ আৱশ্যকতা আছে।

**সামৰণি ঃ**

শঙ্কৰদেৱৰ নৱ-বৈষণ্ৱ ধৰ্মৰ প্ৰচাৰৰ মলূতে আছিল সত্ৰ আৰু নামঘৰসমূহ। সত্ৰীয়া পৰম্পৰাৰে গঠন হোৱা নামঘৰসমূহ আৰু তাৰেই অনুকৰণত আসনৰ গাঁৱে-ভূঞে গঠন হোৱা নামঘৰসমূহে নৱ-বৈষণ্ৱ ধৰ্মীয় আন্দোলনত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। নামঘৰৰ স্থাপত্য আৰু ভাস্কৰ্যশিল্পই ইয়াক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। বৰ্তমান সময়ত অসমত বহুকেইটা ঐতিহ্যমণ্ডিত নামঘৰে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰা দেখিবলৈ পোৱা গৈছে।

বৰদোৱা কীৰ্তনগৃহ, বৰপেটা কীৰ্তনগৃহ, যোৰহাটৰ ঢেকীয়াখোৱা নামঘৰ, কলিয়াবৰৰ ভঁৰালী নামঘৰ, গোলাঘাটৰ আঠখেলীয়া নামঘৰ আদি উল্লেখযোগ্য। জনপ্ৰিয়তা লাভ কৰাৰ ক্ষেত্ৰত পাৰিপাৰ্শ্বিক পৰিৱেশ, যাতায়াতৰ সুচলতা, জনশ্ৰুতিমূলক কাহিনী আদিয়েই প্ৰধান কাৰক। ইয়াৰ লগে লগে আন বহু নামঘৰো জনপ্ৰিয়তাৰ দিশে আগবাঢ়িছে। নামঘৰ বৰ্তমান ভাৰতবৰ্ষৰ বহু ৰাজ্যত প্ৰতিষ্ঠা হৈছে আৰু বিদেশতো অসমীয়া নামঘৰ প্ৰতিষ্ঠা হৈছে। মূলকথা হ'ল— নামঘৰসমূহ বৈষ্ণৱ ধৰ্মীয় উপাসনাৰ স্থান হিচাপে শান্তিৰ পৰিৱেশ আৰু ধৰ্মীয় নীতি-নিয়ম মানি পৰিচালিত হয়। এইক্ষেত্ৰত সংশ্লিষ্ট নামঘৰসমূহৰ পৰিচালনা সমিতিসমূহে কিছু দৃষ্টি ৰখা প্ৰয়োজন। নামঘৰৰ ধৰ্মীয় ৰীতি-নীতিৰ উপৰি কাৰ্যপ্ৰণালী আৰু দায়িত্ব সঠিকভাৱে ৰূপায়িত হোৱাৰ ক্ষেত্ৰত পৰিচালনা সমিতিসমূহৰ দায়িত্ব অপৰিসীম। ইয়াৰোপৰি নামঘৰৰ সত্ৰীয়া সম্পদৰাজি যেনে- সাঁচিপতীয়া পুথি, তুলাপতীয়া পুথি, নামঘৰৰ বাদ্যযন্ত্ৰসমূহ আৰু লগতে স্থাপত্য-ভাস্কৰ্য আদিৰ সঠিক সংৰক্ষণ হোৱাটো অতি প্ৰয়োজন। এইসমূহৰ সংৰক্ষণ জৰিয়তেহে নামঘৰৰ স্বকীয় ঐতিহ্য বৰ্তি থাকিব আৰু অদূৰ ভৱিষ্যতে অসমীয়া জাতিৰ অস্তিত্ব অক্ষুণ্ণ হ'ব। ■

---

*লেখক নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰৰ সহকাৰী অধ্যাপক*

# গুৰুজনাৰ নাটসমূহ ঃ এক চমু অৱলোকন

ৰেৱত মহন্ত

অংকীয়া নাট শঙ্কৰদেৱৰ মহত্ত্বপূৰ্ণ অৱদান। খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষৰ পৰা পূৰ্ণাঙ্গ নাটৰ এটি ধাৰাবাহিক ইতিহাস পোৱা যায়। তাৰ আগতে ৰচিত নাটৰ কোনো নিদৰ্শন এতিয়ালৈকে আমাৰ হাতত নপৰা কাৰণে চিহ্নযাত্ৰাকে প্ৰথম অসমীয়া নাট আৰু মহাপুৰুষ শঙ্কৰদেৱকে প্ৰথম নাট্যকাৰ বুলি আমি ধৰিব লাগিব। শঙ্কৰদেৱে ৰচনা কৰা আৰু এতিয়ালৈকে প্ৰাপ্ত (চিহ্নযাত্ৰাৰ বাহিৰে) নাট ছখন হৈছে— পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল (ৰাসক্ৰীড়া), ৰুক্মিণীহৰণ, পাৰিজাতহৰণ আৰু শ্ৰীৰাম বিজয়।

উক্ত নাট কেইখনৰ ভিতৰত মহাপুৰুষজনাৰ তিৰোধানৰ বছৰত লিখা 'ৰামবিজয়' নাটকৰ বাহিৰে বাকীকেইখনত ৰচনাৰ সময় নিৰূপণ কৰাটো জটিল। কালিৰাম মেধি ডাঙৰীয়াই কালিয়দমনক প্ৰথম ৰচনা বুলি কৈছে যদিও ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে বিভিন্ন যুক্তিৰ ভেটিত পত্নীপ্ৰসাদ খনকহে প্ৰথম ৰচনা বুলি মত প্ৰকাশ কৰিছে। ড° মহেশ্বৰ নেওগদেৱে উক্ত নাটখনকে মহাপুৰুষজনাৰ প্ৰথম নাট বুলি মন্তব্য কৰিছে। সম্ভৱ সেইখন নাটেই উজনি অসমত ৰচিত আৰু বাকী পাঁচখন পুৰণি কামৰূপ ৰাজ্যত ৰচনা কৰা। তলত নাটকেইখনৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ল—

**পত্নীপ্ৰসাদ ঃ** ভাগৱতৰ পৰা সমল সংগ্ৰহ কৰি ৰচনা কৰা পত্নীপ্ৰসাদ মহাপুৰুষৰ নাট্যকলাৰ প্ৰকৃষ্ট পৰিচায়ক নহয়। নাটকখনত নান্দীশ্লোক, মুক্তিমংগল ভটিমা আৰু চৰিত্ৰ চিত্ৰণ বিশেষ নাই। মহাপুৰুষৰ আনকেইখন নাটৰ পয়াৰসমূহ

ব্ৰজাবলী ভাষাত ৰচিত; তাৰ বিপৰীতে এই নাটৰ পয়াৰ শুদ্ধ অসমীয়া ভাষাত ৰচিত। এই দিশটোৰেই নাটখন আদ্যৰচনা বুলি আভাস দিয়ে। যাগযজ্ঞত আস্থাশীল, পাণ্ডিত্যাভিমানী আৰু ভক্তিবিৰোধী ব্ৰাহ্মণসকলৰ লগত কৃষ্ণভক্তিপৰায়ণ ব্ৰাহ্মণপত্নী আৰু গোপসকলৰ বিৰোধক ভেটি কৰি 'পত্নীপ্ৰসাদ'ৰ নাট্যকাহিনী ৰচিত হৈছে। ব্ৰাহ্মণীসকলৰ ঐকান্তিক কৃষ্ণপ্ৰেম দেখি কৰ্মকাণ্ডী ব্ৰাহ্মণসকলৰ অহংকাৰ দূৰ হয় আৰু অৱশেষত আপোনা-আপুনি মনৰ পৰিৱৰ্তন ঘটি কৃষ্ণভক্তিত আশ্ৰয় লয়। আন কথাত কৰ্মমাৰ্গ আৰু ভক্তিমাৰ্গৰ বিৰোধৰ ভেটিত ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা নাটখনত প্ৰতিপন্ন কৰিছে। নাটৰ কাহিনীভাগ অতি চমু আৰু নাট্যগুণবৰ্জিত। নাটখনত থকা কন্দলি, ভাৰতী, মিশ্ৰ, আচাৰ্য্য উপাধিৰ ব্ৰাহ্মণসকলৰ যি উল্লেখ পোৱা যায় সেয়া সমসাময়িক অসমৰ ব্ৰাহ্মণৰ উপাধিৰে প্ৰতিচিত্ৰ।

**কালিয়দমন ঃ** কালিয়দমন নাটৰ কাহিনীভাগ ভাগৱতৰ দশম স্কন্ধৰ পৰা লৈছে। নাটখনৰ আৰম্ভণিতে এটা নান্দীশ্লোক, ভটিমা, শেষত মুক্তিমংগল ভটিমা আৰু ঠায়ে ঠায়ে গীত আৰু সংস্কৃত শ্লোক সন্নিৱিষ্ট কৰা হৈছে। কালিয় হ্ৰদত পিপাসাতুৰ গো-গোৰক্ষবিলাকে জলপান কৰিবলৈ গৈ বিষক্ৰিয়াত অচেতন হৈ পৰা অৱস্থাৰ পৰাই নাটকখনৰ কাহিনীভাগ আৰম্ভ হৈছে। কাহিনী অনুসৰি শ্ৰীকৃষ্ণ আৰু গোপশিশুসকলে নানা ৰং-ধেমালিৰে গৰু চাৰি থাকোঁতে কালিয় হ্ৰদৰ ওচৰ পোৱাত গাই-দামুৰি আৰু তেওঁলোক সকলোৱে সেই হ্ৰদৰ পানী হেঁপাহ পলুৱাই খালে। কিন্তু মহাবিষধৰ কালিনাগৰ বিষ হ্ৰদৰ পানীত বিয়পি থকা কাৰণে সেই পানী খাই সকলো অচেতন হৈ পৰাত শ্ৰীকৃষ্ণৰ খুব দুখ লাগিল। তেতিয়া তেওঁ অমৃত দৃষ্টিৰে চাই সকলোকে পুনৰ জীৱিত কৰিলে। তাৰপিছত মহাকোপে শ্ৰীকৃষ্ণই সেই অহংকাৰী কালিনাগক নানাধৰণে তাড়না দি দমন কৰিলে। ইয়াৰ লগে লগে নাগপত্নীৰ স্তুতি, কালিয়ক ৰমণক দ্বীপলৈ প্ৰেৰণ আৰু সৰ্বশেষত কৃষ্ণৰ বনাগ্নি পানৰ ঘটনাটো সন্নিৱিষ্ট কৰিছে। নাটকখন সংলাপতকৈ বৰ্ণনা প্ৰধান। সূত্ৰধাৰ আৰু গীতৰপৰা দৰ্শকে কাহিনীৰ গতিধাৰাৰ বিষয়ে অনুমান কৰি ল'ব পাৰে। কালিনাগ অহংকাৰ, ক্ৰুৰতা, দৰ্প আদিৰ প্ৰতীক আৰু কালিনাগৰ পত্নীসকল অহংভাৱৰ বশবৰ্তী আন প্ৰবৃত্তিসমূহৰ প্ৰতীক বুলি ধৰিলে নাটকখনক ৰূপাত্মক নাট বুলি ধাৰণা কৰিব পাৰি।

**কেলিগোপাল ঃ** শঙ্কৰদেৱে দশম স্কন্ধ ভাগৱতৰ পাঁচটা অধ্যায়ৰ (২৯-৩৩) পৰা অনা সমলৰ ভেটিত নিজস্ব শৈলীৰে কেলিগোপাল নাট

ৰচনা কৰিছে। ভাগৱতৰ সেই অধ্যায় পাঁচটাক সাধাৰণতে 'ৰাস-পঞ্চক' বুলি কোৱা হয়। কেলিগোপাল নাটত কাহিনী বা ঘটনাৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই। নান্দীশ্লোক আৰু ভটিমাৰে আৰম্ভ কৰা আৰু মঙ্গল ভটিমাৰে সামৰণি মৰা নাটখনত নৃত্য-গীতৰ মাজেৰে ৰাসক্ৰীড়াৰ চিত্ৰ প্ৰকাশ কৰিছে। সুগন্ধি পুষ্পেৰে সুশোভিত শৰতৰ পূৰ্ণিমা ৰাতি ভগৱান কৃষ্ণৰ ৰাসক্ৰীড়া কৰিবলৈ মন যোৱাত ছেৱে ছেৱে সুললিত সুৰে তেওঁ মুৰুলি বজাবলৈ ধৰিছিল—

*"শৰত কালৰ ৰাত্ৰি অতি বিতোপন।*
*ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।"*

সেই সুমধুৰ সুৰ শুনি বিমোহিতা হোৱা গোপিনীসকলে সকলো বাধা নেওচি পতি-পুত্ৰ এৰি গৃহ ত্যাগ কৰি ঢাপলি মেলিছিল শ্ৰীকৃষ্ণৰ ওচৰলৈ। তাৰপিছত বৃন্দাবনৰ যমুনাৰ পাৰত বিবিধ ৰং-ধেমালিৰে ৰাসক্ৰীড়া আৰম্ভ কৰিছিল। কিন্তু ঘটনাৰ বিচিত্ৰতা বঢ়াবৰ কাৰণে ৩৮শ অধ্যায়ত বৰ্ণিত শঙ্খচূড় বধৰ ঘটনাটো শঙ্কৰদেৱে নাট্য ঘটনাৰ অন্তৰ্ভুক্ত কৰিছে। মূল ভাগৱতৰ দশম স্কন্ধৰ এই ঘটনাটো ৰাসক্ৰীড়াৰ অন্তৰ্ভুক্ত নহয়, এইটো পৰৱৰ্তী স্বতন্ত্ৰ ঘটনা। ৰাসক্ৰীড়াৰ কিছুদিনৰ পিছত গোপীসকলৰক সৈতে বলোৰাম আৰু কৃষ্ণই যমুনাৰ পাৰত ক্ৰীড়া কৰি থাকোঁতে শঙ্খচূড় নামে এটা যক্ষ সেই ঠাইত উপস্থিত হৈ কেইজনীমান গোপীক বলেৰে ধৰি লৈ যোৱাত বাকীখিনি গোপীক বলোৰামৰ তত্ত্বাৱধানত ৰাখি শঙ্খচূড়ক বধ কৰি গোপীক উদ্ধাৰ কৰে আৰু শঙ্খচূড়ৰ মণি আনি বলৰামক উপহাৰ দিয়ে। ভাগৱতৰ এই ঘটনাটো মহাপুৰুষে ৰাসক্ৰীড়া নাটৰ অন্তৰ্ভুক্ত কৰি লয়। কেলিগোপাল নাটখন শৃঙ্গাৰ ৰসাত্মক।

শৃঙ্গাৰ ৰসাত্মক নাট হ'লেও কেলিগোপাল নাটত দেখুওৱা গোপিনী আৰু শ্ৰীকৃষ্ণৰ মাজৰ যি প্ৰেম, সেয়া ভক্তসকলৰ ভগৱানৰ প্ৰতি থকা প্ৰেম-ভক্তিহে। নাটখনত গীত আৰু কথাৰ মাজেৰে সেইকথা প্ৰকাশ পাইছে। নাটখনৰ আৰম্ভণিত আৰু শেষত সূত্ৰধাৰে কোৱা কথাখিনিয়ে এক বিশেষ অৰ্থ বহন কৰা দেখা যায়।

*ভোঃ ভো সভাসদো য়ুয়ং শৃণুত সাবধানতঃ।*
*কেলিগোপাল নামেদং নাটকং মুক্তি সাধকৰ্ম।।'*

সেইদৰে শেষত "শ্ৰীকৃষ্ণ এবম্বিধ নানা খেলানা কয় গোপীসৱক মনোৰথ পুৰল। ওহি কামজয় কেলিগোপাল নাম নাটক সম্পূৰ্ণ ভেল।"

**ৰুক্মিণীহৰণ ঃ** অংকীয়া নাট সৃষ্টিৰে অসমত নাট্য পৰম্পৰাৰ সূচনা কৰা মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত ছখন অংকীয়া নাটৰ ভিতৰত ৰুক্মিণীহৰণ নাটেই কলেৱৰত ডাঙৰ। শঙ্কৰদেৱে ভাগৱত পুৰাণৰ পৰা মূল সংগ্ৰহ কৰি এই নাটখনি ৰচনা কৰে। হৰিবংশৰ সাতচল্লিচ, একান্নত আৰু বিষ্ণুপুৰাণৰ পঁচিশতম অধ্যায়ত ৰুক্মিণীহৰণৰ কাহিনী বৰ্ণিত হ'লেও শঙ্কৰদেৱৰ নাটত এই দুখন পুৰাণৰ প্ৰভাৱ নাই। নাট্যশিল্পী শঙ্কৰদেৱে ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ৫২-৫৪ অধ্যায়ত বৰ্ণিত কথা আৰু কাৰ্যক্ৰমহে যথাযথভাৱে নাটত অনুকৰণ কৰিছে।

মূল কাহিনী অনুসৰি বিদৰ্ভৰ অধিপতি ভীষ্মকৰ ৰুক্মী আদিকৈ পাঁচজন পুতেক আৰু ৰুক্মিণী নামৰ এগৰাকী কন্যা আছিল। এইগৰাকী ভীষ্মক নন্দিনী ৰুক্মিণীয়ে গৃহাগত লোকৰ মুখৰ পৰা শ্ৰীকৃষ্ণৰ ৰূপ গুণৰ বৰ্ণনা শুনি তেওঁকেই মনে-প্ৰাণে স্বামী বৰণ কৰে। যথাসময়ত ৰুক্মিণীয়ে বিবাহ উপযোগী বয়সত ভৰি দিয়াত পিতৃ-মাতৃয়ে তেওঁক কৃষ্ণলৈ বিয়া দিবলৈ যো-জা কৰে। কিন্তু এইক্ষেত্ৰত ৰুক্মিণীৰ ককায়েক ৰুক্মীয়ে প্ৰচণ্ড বাধা প্ৰদান কৰি ভনীয়েকক ছেদীৰাজ শিশুপাললৈ বিয়া দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ঘৰৰ বৰবোপাৰ কথা উলংঘা কৰিব নোৱাৰি পিতৃ-মাতৃ ভীষ্মক-শশীপ্ৰভায়ো নিজ ইচ্ছাৰ বিপৰীতে নিজ জীয়েকক শিশুপাললৈ বিয়া দিয়াৰ আয়োজন কৰে। ইফালে ৰুক্মিণীয়ে এই সকলো কথা আদ্যোপান্ত বিৱৰি কৃষ্ণলৈ চিঠি প্ৰেৰণ কৰিলে। ৰুক্মিণীৰ চিঠি পোৱা মাত্ৰকে কৃষ্ণই তৎক্ষণাৎ বিদৰ্ভ ৰাজ্যলৈ বুলি যাত্ৰা কৰিলে। কৃষ্ণ বিদৰ্ভত উপস্থিত হোৱাৰ সময়ত ছেদীৰাজ শিশুপালৰ লগত ৰুক্মিণীৰ বিবাহৰ আয়োজন চলি আছিল। তেনে অৱস্থাতে কৃষ্ণই বিবাহ মণ্ডপৰ পৰাই ৰুক্মিণীক হৰণ কৰে। এইক্ষেত্ৰত কৃষ্ণবিদ্বেষী ৰজাসকলে কৃষ্ণক বাধা প্ৰদান কৰিছিল যদিও কৃষ্ণই শতবাধা নেওচি দ্বাৰকাত উপস্থিত হৈ ৰুক্মিণীৰ সৈতে বিবাহ কাৰ্য সম্পাদন কৰে।

নাটখনিৰ কাহিনী বিশ্লেষণ কৰিলে দেখা যায় যে, কৃষ্ণ-ৰুক্মিণীৰ অনুভুতিক কৌশলী নাট্যকাৰে সৰ্বসাধাৰণ মানবীয় অনুভূতিৰ স্তৰলৈ নমাই আনি প্ৰেমৰ মহানতা আৰু চিৰন্তনতা প্ৰদৰ্শন কৰিছে। শৃঙ্গাৰ, হাস্য, কৰুণ, বীৰ আদি লৌকিক ৰসৰ সমাহাৰ ঘটিলেও পৰিশেষত এই সকলোবোৰ ৰস চেৰ পেলাই মূল ৰস ভক্তিয়ে মূৰ দাঙি উঠিছে। ভক্তি হ'ল মধ্যযুগীয় বৈষ্ণৱ কবিসকলে সৃষ্টি কৰা এবিধ ৰস। সংস্কৃত আলংকাৰিকসকলে ভক্তিক ৰসৰ

মৰ্যাদা প্ৰদান কৰা নাই যদিও বৈষ্ণৱ আলংকাৰিকসকলৰ দৃষ্টিত ভক্তি হ'ল শান্ত ৰসেৰে আন এক অভিব্যক্তি। তেওঁলোকৰ মতে বিষ্ণুভক্তৰ নৱ ৰসাত্মক চৰিত্ৰৰ শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা মনত সৃষ্টি হোৱা চমৎকাৰেই হ'ল ভক্তিৰস। শঙ্কৰদেৱৰ ৰুক্মিণীহৰণ নাটৰ ৰসো এই স্তৰৰ।

গুৰুজনাৰ ৰুক্মিণীহৰণ নাটকখনি অসমীয়া সাহিত্যৰ এক অভিনৱ অৱদান। কাহিনী, সংলাপ, চৰিত্ৰ সৃষ্টিত ৰস তথা কাৰিকৰী কৌশল আদি সকলো দিশৰ পৰাই নাটকখনিৰ শ্ৰেষ্ঠতা বিচাৰ কৰি চাব পাৰি। কাহিনীৰ বিকাশত কল্পনাৰ সমাৱেশ সংঘাত অথবা দ্বন্দ্ব সৃষ্টি আদিৰ লগতে ৰুক্মিণীহৰণ নাটৰ চৰিত্ৰ চিত্ৰণৰ মাজতে ফুটি উঠিছে নাট্যকাৰৰ দক্ষতা। নাট্যকাৰৰ হাতৰ পৰশত উজ্জীৱিত হৈ উঠা 'ৰুক্মিণীহৰণ' নাটত তেখেতৰ সৃষ্টিৰ শ্ৰেষ্ঠতা উজ্জ্বল ৰূপত প্ৰতিভাত হৈছে।

**পাৰিজাত হৰণ ঃ** শঙ্কৰদেৱৰ নাটকসমূহৰ ভিতৰত 'পাৰিজাত হৰণ' অন্যতম। পাৰিজাতহৰণ পুৰাণ আধাৰিত এটি জনপ্ৰিয় কাহিনী। এই কাহিনীটো ভাগৱত, পুৰাণ, বিষ্ণু পুৰাণ আৰু হৰিবংশ পুৰাণত পোৱাৰ উপৰিও ব্ৰহ্মবৈৱৰ্ত পুৰাণতো উল্লেখ আছে।

নাট্য কাহিনী অনুসৰি এদিনাখন কৃষ্ণ তেওঁৰ প্ৰিয় আৰু প্ৰথমা পত্নী ৰুক্মিণীৰ সৈতে বহি থাকোঁতে দেৱৰ্ষি নাৰদ আৰু দেৱৰাজ ইন্দ্ৰ ওলালহি। নাৰদে কৃষ্ণক এপাহ পাৰিজাত ফুল অৰ্পণ কৰি তাৰ মহিমাৰ কথা ব্যক্ত কৰিলে। পাৰিজাত ফুলৰ অপাৰ মহিমাৰ কথা শুনি ৰুক্মিণীয়ে পৰম আনন্দেৰে ফুলপাহ তেওঁক দিবলৈ শ্ৰীকৃষ্ণক অনুৰোধ জনালে— 'হে স্বামী, হামি তোহাক প্ৰথম পতনী, জানি ওহি দেৱদুৰ্লভ পাৰিজাত প্ৰাণনাথ হামাক দেহু। ৰুক্মিণীৰ অনুৰোধ মৰ্মে শ্ৰীকৃষ্ণই ৰুক্মিণীক 'কোলে বৈথাই' পাৰিজাত ফুলপাহ পিন্ধাই দিলে।

তাৰপিছত দেৱৰ্ষি নাৰদ আৰু ইন্দ্ৰ দুয়োৱে অত্যাচাৰী নৰকাসুৰৰ কৱলৰ পৰা স্বৰ্গৰাজ্য উদ্ধাৰ কৰিবলৈ শ্ৰীকৃষ্ণক কাতৰ অনুৰোধ জনায়। শ্ৰীকৃষ্ণক নৰকাসুৰ বধৰ বাবে সাজু হ'বলৈ কৈ টুটকীয়া নাৰদে শ্ৰীকৃষ্ণই ৰুক্মিণীক পাৰিজাত ফুল পিন্ধোৱাৰ কথা সত্যভামাক ক'লেগৈ। নাৰদৰ কথা শুনি 'কো অপমানে আন্ধাৰি দেখিয়ে দেবী সত্যভামা মূৰ্চ্ছিত হয়া পৰল'। সেইজন নাৰদেই পুনৰ আহি শ্ৰীকৃষ্ণক সত্যভামাৰ দুৰ্দশাৰ কথা জনায়। সত্যভামাক শ্ৰীকৃষ্ণই নৰকাসুৰক প্ৰথমে বধ কৰি তাৰপিছত পাৰিজাত আনিব বুলি আশ্বাস দিলে। কৃষ্ণৰ কথাত মান্তি হৈ তেওঁৰ লগতে যাবলৈ প্ৰস্তুত হ'ল। নাৰদে এইখিনিতে

শ্ৰীকৃষ্ণক তিৰোতা সেৰুৱা বুলি তিৰষ্কাৰ কৰিলে, 'হে কৃষ্ণ, জানলো তুহু স্ত্ৰীক লাড়িকা। দেৱকাৰ্য্য সব পৰি ৰহল। তোহাক চাটু বুলিতে সব দিবস যাই।'

শ্ৰীকৃষ্ণই সত্যভামাৰ সৈতে গৰুড়ত আৰোহণ কৰি নৰকাসুৰক বধ কৰি ভগদত্তক কামৰূপত ৰজা পাতে। ইয়াৰ পিছত স্বৰ্গলৈ গৈ দেৱমাতা অদিতিক স-সন্মানে অমৃত কুণ্ডল অৰ্পণ কৰে। নৰকাসুৰ বধ কৰাৰ পিছত শ্ৰীকৃষ্ণই ইন্দ্ৰক খুজি পাৰিজাত ফুল আনিবলৈ বিচাৰিলে। কিন্তু ইন্দ্ৰপত্নী শচীয়ে পাৰিজাত দিবলৈ অমান্তি হ'ল। তাৰপিছত শচী সত্যভামাৰ পৰস্পৰ গালি-গালাজ, তিৰষ্কাৰ। ফলস্বৰূপে শ্ৰীকৃষ্ণ আৰু ইন্দ্ৰৰ মাজত যুদ্ধ হয়। যুদ্ধত ইন্দ্ৰ পৰাজিত হৈ শ্ৰীকৃষ্ণক পাৰিজাত নিবলৈ অনুৰোধ কৰে আৰু শ্ৰীকৃষ্ণই পাৰিজাত ফুলৰ গছজোপাকে উভালি আনি সত্যভামাৰ কথামতে তেওঁৰ দুৱাৰমুখত নিজহাতে ৰোপণ কৰে।

শঙ্কৰদেৱৰ বিৰচিত ছখন অংকীয়া নাটৰ ভিতৰত পাৰিজাত হৰণকেই নাটকীয় কলা-কৌশলৰ দিশৰ পৰা শ্ৰেষ্ঠ বুলিব পাৰি। কাহিনী বিন্যাস, চৰিত্ৰ চিত্ৰণ, সংলাপ সংযোজন আদি সকলো দিশৰ পৰা নাটখন মনোগ্ৰাহী আৰু বিন্যাসপূৰ্ণ। নাট্যকাৰ শঙ্কৰদেৱৰ পৰিণত বয়সৰ ৰচনা হোৱাৰ বাবেই পাৰিজাত হৰণ নাটত তেখেতৰ সৃষ্টিৰ শ্ৰেষ্ঠতা উজ্জ্বল ৰূপত প্ৰতিভাত হৈছে।

**ৰামবিজয় ঃ** ৰামবিজয় নাটৰ কাহিনীভাগ বাল্মীকি ৰচিত ৰামায়ণৰ আদিকাণ্ডৰ পৰা লোৱা হৈছে। চৰিত পুথিমতে এই নাট শেষ কৰিয়ে মহাপুৰুষে কাপকাঠি এৰিছে। ৰামবিজয় নাট এবছৰতে সমাপ্ত কৰিছে। নাটৰ শেষৰ শ্লোকত এইকথা পৰিষ্কাৰকৈ লিখিছে—

*"শ্ৰীগোপালছত্ৰচ্ছয়ালাল সমানসঃ*
*শ্ৰীশুক্লধ্বজা নৃপশ্ৰেষ্ঠঃ কাৰয়ামাস নাটকম্।*
*বিন্দুৰব্ধে বেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞাকে*
*শ্ৰীৰামবিজয় নাম নাটক ৰিদধেহধুনা।"*

নাটকখন ৰচনাত অনুপ্ৰেৰণা যোগাইছিল মহাৰাজ নৰনাৰায়ণৰ ভাই মহাবীৰ চিলাৰায়ে। বিশ্বামিত্ৰৰ লগত ৰাম-লক্ষণৰ সিদ্ধাশ্ৰমলৈ গমন আৰু তাৰপিছত জনকৰ স্বয়ম্বৰ সভালৈ গমন, সীতাৰ স্বয়ম্বৰ হৰধনুভঙ্গ, পৰশুৰামৰ দৰ্পচূৰ্ণ আৰু শেষত অযোধ্যালৈ সীতাসহ প্ৰত্যাৱৰ্তন— এই অপৰিহাৰ্য ঘটনাকেইটাৰ বাহিৰে মূল আদিকাণ্ডৰ আন সকলো প্ৰাসঙ্গিক কথা বাদ দিছে। নাট্যবস্তু নিৰ্মাণত নাট্যকাৰে পৰিমিতিবোধৰ যথেষ্ট পৰিচয় দিছে।

চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰতো নাট্যকাৰে সংযম আৰু মিতব্যয়িতা অৱলম্বন কৰা দেখা যায়। সীতাক ৰজাৰ জীয়ৰী হিচাপে নেদেখুৱাই ইয়াত ৰামভক্তা, আলসুৱা, সংসাৰৰ অভিজ্ঞতা কম থকা সখীগতা প্ৰাণ হিচাপে চিত্ৰিত কৰিছে। আৰম্ভণিতে সীতাক জাতিস্মৰ বুলি উনুকিয়ালেও তেওঁ ৰামৰ শৌৰ্য অথবা ঐশ্বৰিক গুণ সম্পৰ্কে অনভিজ্ঞ। নিজৰ সয়ম্বৰ সভাৰ কথাও সখীসকলৰ পৰাহে জানিব পাৰিছে। তেওঁৰ দুখত সকলো সময়তে সান্ত্বনা দিছে। নাটৰ নায়ক শ্ৰীৰামচন্দ্ৰক নাটৰ নামকৰণৰ সৈতে ৰজিতা খুৱাই মূৰ্ত কৰি তোলা হৈছে। তেওঁ বিনয়ী, নিৰহংকাৰী, ধৈৰ্যশীল আৰু ঐশ্বৰিক গুণসম্পন্ন পুৰুষ। দশৰথক ৰাজসিক ৰূপত প্ৰতিভাত নকৰি নাটখনৰ চাহিদা অনুসৰি পুত্ৰ বৎসল বৃদ্ধলোক হিচাপে প্ৰতিভাত কৰিছে। পৰশুৰামৰ উদ্ধত্য আৰু দৰ্প যথাযথভাৱে প্ৰকাশ পাইছে। লক্ষণৰ চৰিত্ৰত আছে ৰামৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱ।

ৰামবিজয় নাটখনৰ প্ৰধান ৰস বীৰৰস যদিও ইয়াৰ লগতে অন্যান্য ৰসেও ভুমুকি মাৰা দেখা যায়। ৰামৰ কাৰ্যকলাপৰ মাজেৰে বীৰৰস, পৰশুৰামৰ তৰ্জন-গৰ্জনৰ মাজেৰে ৰৌদ্ৰৰস, ৰামে হৰধনু ভংগ কৰাত যি শব্দৰ সৃষ্টি হৈছিল তাৰ পৰা অদ্ভুত ৰস, সীতাৰ ভয় আৰু বিলাপৰ মাজেৰে কৰুণ ৰস আৰু বিশ্বামিত্ৰ আৰু পৰশুৰামে চোৱৰেৰে কৰা যুদ্ধৰ মাজেৰে হাস্যৰস প্ৰকাশ পাইছে।

শঙ্কৰদেৱৰ নাটসমূহৰ এক নিজস্ব বৈশিষ্ট্য থকা দেখা যায়। প্ৰত্যেকখন নাটেই ইমান বিস্তৃত যে এক চমু পৰিসৰৰ মাজত আৱদ্ধ কৰিব নোৱাৰি। বিষয়বস্তু, ৰচনাশৈলী, সংলাপ, চৰিত্ৰ চিত্ৰণ ইত্যাদি প্ৰত্যেক দিশেই এক বহল বিষয়। এই চেষ্টা মাথো হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰেহে। দৰাচলতে গুৰুজনাৰ প্ৰত্যেকখন নাটেই অসমীয়া জাতিৰ বাবে সংস্কৃতিৰ ক্ষেত্ৰত এক বিৰল সম্পদস্বৰূপ। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**
শৰ্মা, কুসুম চন্দ্ৰ- বৈষ্ণৱ ভক্তিবাদ ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা
শৰ্মা, সতেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য

*লেখক মৰিয়ম আজমল ওমেন কলেজ অৱ চাইন্স এণ্ড টেক্‌ন'লজি, হোজাইৰ সহকাৰী অধ্যাপক।*

# মাধৱদেৱৰ ঝুমুৰা— এক অৱলোকন

অলংকৃতা গোস্বামী

অসমৰ সমাজ, সংস্কৃতি, সাংগঠনিক তথা চিন্তাজগতখনত মহাপুৰুষ মাধৱদেৱৰ সাহিত্যৰাজিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অসাধাৰণ বিচক্ষণতা তথা সুনিপুণ ব্যক্তিত্বৰ গৰাকী শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত মাধৱদেৱ আছিল মূল হোতা। শঙ্কৰদেৱৰ তত্ত্বাৱধানত ধৰ্ম অথবা সাহিত্য চৰ্চাত মাধৱদেৱে মনোনিৱেশ কৰিলেও তেওঁৰ ৰচনাৰাজিৰ মাজত স্বকীয় বৈশিষ্ট্য ৰূপ পৰিস্ফুট হোৱা দেখা পোৱা যায়। মাধৱদেৱৰ নাটৰ ৰচনাৰীতি, ভাষা, বিষয়বস্তুৰ উপস্থাপন আদি শঙ্কৰদেৱৰ নাটতকৈ সুকীয়া। তেওঁৰ সৃষ্টি-ৰাজি অতিশয় হৃদয় সংবেদী আৰু জনমানসৰ ওচৰ চপা। আলোচ্য প্ৰবন্ধটিত মাধৱদেৱৰ ঝুমুৰাৰ সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি মাধৱদেৱে যদিও অঙ্কীয়া নাটসমূহ ৰচনা কৰিছিল তথাপি তেওঁৰ অজ্ঞাতেই ঝুমুৰা নামৰ নাট্যশৈলীয়ে গা কৰি উঠিছিল। মাধৱদেৱৰ অৰ্জুনভঞ্জন বা দধিমথনকহে অংকীয়া নাট বুলিব পাৰি, তাৰ বাহিৰে বাকী কেইখনক ঝুমুৰা বুলি কোৱা হয়। অসমৰ সত্ৰসমূহত 'বাৰ অঙ্কনাট' বুলি এষাৰ কথা প্ৰচলিত আছে। এই কথাষাৰে দৰাচলতে দুয়োজনা গুৰুৰ নাটকেইখনকে সামৰি লয়। মাধৱদেৱৰ ভণিতাত থকা নাট কেইখন হ'ল অৰ্জুনভঞ্জন, চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বিহাৰ আৰু ভূষণ হৰণ।

সঙ্গীতৰ বিশেষত্বৰে ঝুমুৰাসমূহ পুষ্ট। ‘সংগীত দামোদৰ’ৰ অনুসৰি ৰঙ্গশালাত নটীসকলৰ দ্বাৰা তালবাদ্য সংগত কৰি গায়ন আৰু নৰ্তনকেই সঙ্গীত বুলি কোৱা হয়।

*“তাল বাদ্যানুংগ গীতং নটীভিৰ্যত্ৰ গীয়তে।*
*নৃত্য স্যানুগতং ৰঙ্গে তৎ সঙ্গীতমুচ্যতে।।”*

সেইকাৰণে ড° সতেন্দ্ৰনাথ শৰ্মাদেৱে মন্তব্য আগবঢ়াইছে এনেদৰে— অঙ্কীয়া নাট আৰু ভাওনাৰ উৎপত্তি আৰু বিকাশ সৰ্বভাৰতীয় ঐতিহ্যৰ পৰা পৃথক কৰি বিচাৰ কৰা সম্ভৱ নহয়। যিহেতু সঙ্গীতত পাঁচ তত্ত্ব বিদ্যমান। সেই পাঁচতত্ত্ব হ’ল— গীত, বাদ্য, নৃত্য, ৰঙ্গশালা আৰু নটী। শৰ্মাদেৱে পুনঃ কৈছে যে— “মাধৱদেৱ কৃত ঝুমুৰাসমূহৰ স্বৰূপ আৰু হিন্দী ক্ষেত্ৰত ‘সাঁগ’ অথবা ‘স্বাঁগ’ নামৰ লোকধৰ্মী নাট্যৰূপৰ ওপৰত তুলনাত্মক দৃষ্টিৰে বিচাৰ কৰিলে সংগীত সম্বন্ধীয় ধাৰণাত বল পোৱা যায়। মোৰ বিশ্বাস সংগীতৰ পৰাই এই দুটা ৰূপ বিকশিত হৈছে।”

আজিৰ ‘স্বাঁগ’ এটা লোকধৰ্মী নাট্যৰূপ, মাধৱদেৱৰ দ্বাৰা সাহিত্যিক নাট্যৰূপত স্বীকৃত হোৱাৰ পূৰ্বে ঝুমুৰাও কিবা নহয় কিবা প্ৰকাৰে লোকনাট্য হিচাপে প্ৰচলিত থকা সম্ভৱ। বিচাৰ কৰি চালে এইকথা স্পষ্ট হয় যে ‘গুৰু চৰিত’ত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ চৰিত্ৰই হৈছে প্ৰাচীন আৰু প্ৰামাণিক চৰিত্ৰ। ‘গুৰু চৰিত’ৰ ৰচনা সময় ড° মহেশ্বৰ নেওগ ডাঙৰীয়া দেৱে ১৬১৯-১৬৪৮ চন বুলি ঠাৱৰ কৰিছে। সেই গতিকে দৈত্যাৰি ঠাকুৰৰ গুৰু চৰিতৰ কালৰ পৰা ‘ঝুমুৰা’ শব্দৰ প্ৰচলন স্বীকাৰ কৰিব পাৰি। ‘ৰাস ঝুমুৰা’ যিহেতু মাধৱদেৱৰ প্ৰামাণিক ৰচনা, সেয়ে দৈত্যাৰি ঠাকুৰে ব্যৱহাৰ কৰা ‘ঝুমুৰা’ শব্দটোৱে তাকেই ইংগিত কৰিছে। গতিকে এইকথা মানি লোৱাৰ থল আছে যে ‘ঝুমুৰা’ শব্দটো সম্ভৱতঃ মাধৱদেৱেই প্ৰয়োগ কৰিছিল। যদিও আৰম্ভণিতে শব্দটোৱে বিশেষ গুৰুত্ব পোৱা নাছিল তথাপি কালান্তৰত এই শব্দটোৱে লোকপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হয়।

‘ঝুমুৰ’ বা ‘ঝুমুৰা’ শব্দটো ঝুমৰে দীৰ্ঘকৃত ৰূপ। ‘ঝুমুৰ’ এক প্ৰকাৰৰ লোকগীত যি বিহাৰ, উত্তৰ প্ৰদেশ আদি অঞ্চলত মাঙ্গলিক মুহূৰ্তত মহিলাসকলে সমবেত সুৰত পৰিৱেশন কৰে। ঝুমুৰৰ গীতসমূহ মুলতঃ শৃঙ্গাৰ ৰসাত্মক আৰু আনন্দ উল্লাসেৰে পৰিপূৰ্ণ। এটা কথা অনুমান কৰিব পাৰি যে— বিভিন্ন সময়ত পশ্চিমৰ পৰা অৰ্থাৎ হিন্দী ক্ষেত্ৰৰ পৰা আহি প্ৰাচীন অসমত থাকিবলৈ

লোৱা সকলৰ জৰিয়তে ঝুমুৰ গীতৰ প্ৰৱেশ ঘটিল আৰু শঙ্কৰদেৱ-মাধৱদেৱে পূৰ্বপুৰুষসকলৰ পৰাই এই ঝুমুৰাৰ শৈলী আহৰণ কৰিছিল। শৃঙ্গাৰ ৰসাত্মক ঝুমুৰ গীতসমূহত সংযোগ আৰু বিয়োগ দুয়োটা পক্ষৰ সুন্দৰ বৰ্ণনা মাধৱদেৱে তেওঁৰ ঝুমুৰাত কৰি গৈছিল। মাধৱদেৱে ঝুমুৰৰ বাৰ্তাবাহক আৰু ভাৱাত্মক এই দুই বৈশিষ্ট্য তেওঁৰ নাট্যশৈলীৰ মাজেৰে নিপুণতাৰে বিকশিত কৰি তুলিলে। যিহেতু মুল ঝুমুৰ নৃত্য মহিলাসকলৰ মাজতে সীমাবদ্ধ আছিল সেয়ে মাধৱদেৱে অঙ্কীয়া ঝুমুৰাত নাট্যকাহিনীৰ বাবে কৃষ্ণ চৰিত্ৰতকৈ স্ত্ৰী পাত্ৰৰ প্ৰাধান্য বা বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা পোৱা যায়।

ঝুমুৰা ৰচনাৰ ক্ষেত্ৰত মহাপুৰুষ মাধৱদেৱে অসমৰ সত্ৰসমূহত প্ৰচলিত পাচতি উৎসৱৰো কাষ চপা যেন অনুমান হয়। পাচতিত যিহেতু কৃষ্ণৰ জন্মৰ কথাই অভিনয়ৰ বস্তু হিচাপে স্বীকৃত, গতিকে মাধৱদেৱৰ দ্বাৰা ৰচিত ঝুমুৰাসমূহতো শিশু কৃষ্ণয়ে প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হৈছিল।

এইখিনিতে এটা কথা উল্লেখযোগ্য যে, দামোদৰ মিশ্ৰই তেওঁৰ 'সঙ্গীত দামোদৰ' নামৰ গ্ৰন্থত কেৱল সঙ্গীতকে স্থান দিয়া নাই ঝুমুৰকো স্থান দিছে। ঝুমুৰৰ প্ৰসঙ্গ উল্লেখ কৰি তেওঁ কৈছে এনেদৰে—

*"প্ৰায়ঃ শৃংগাৰ বহুলা মাধবীক মধুৰা মৃদুঃ।*
*একৈক ঝুমুৰি লোকে বৰ্ণনাদি নিয়মোজিয়তা।।*
*অতো লক্ষণ মতে স্যানো দাহাৰী বিশেষকম্।*
*ইদংহি শালঙ্গ সুত্ৰং প্ৰসিদ্ধং নুপুৰঞ্জনম্।।"*

উক্ত শ্লোকফাকিৰ দ্বাৰা এইটো কথা স্পষ্ট হৈছে যে— ঝুমুৰ শ্ৰুতিমধুৰ আৰু সংগীতপ্ৰধান, কিন্তু পিছৰ সময়ত সংগীতৰ পঞ্চলক্ষণযুক্ত নাট্যশ্ৰেণীত ঝুমুৰক ৰাগ বা গীত বুলি স্বীকৃতি দিয়া হ'ল। অৰ্থাৎ ঝুমুৰক অভিনয়ৰ লগত সংযোগ কৰা হোৱা নাছিল। সম্ভৱতঃ এই কামটো মাধৱদেৱেই কৰিছিল। ইয়াৰ দ্বাৰা এইটো কথা অনুমান কৰিব পাৰি যে, মাধৱদেৱৰ পূৰ্বে প্ৰচলিত ঝুমুৰৰ মাধুৰিমা আৰু অন্যান্য বিশেষতা খিনিক সংযোগ কৰিয়েই 'ঝুমুৰা' নামৰ বিশেষ নাট্যশ্ৰেণী এটাক বিকশিত কৰি তুলিলে।

অসমীয়া নাট্য সাহিত্যৰ অগ্ৰণী সমালোচক ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে মাধৱদেৱৰ নাট্যকৃতিসমূহক 'ঝুমুৰা' বুলি আখ্যায়িত কৰিব পৰাৰ ছটা কাৰণ দেখুৱাইছে। সেই কেইটা হ'ল—

১) কথা বস্তুৰ কাৰণে খণ্ড অথবা ক্ষুদ্ৰ ঘটনাৰ স্বীকৃতি।

২) সঙ্গীত দামোদৰত বৰ্ণিত 'ঝুমুৰী' ৰাগ শৃংগাৰ ৰসাত্মক হোৱাতো।
৩) সংথালবিলাকত প্ৰচলিত নৃত্য-গীতৰ নাম 'ঝুমুৰ'।
৪) উত্তৰ ভাৰতত প্ৰচলিত ঝুমৰ নামৰ গীত।
৫) প্ৰাচীন অসমীয়াত প্ৰযুক্ত ঝুমৰী নামৰ অষ্টাক্ষৰী ছন্দ।
৬) নাৰী পাত্ৰৰ বহুলতা।

উপৰোক্ত কাৰণসমূহৰ ভিতৰত তৃতীয় আৰু চতুৰ্থ কাৰণটো মুলতঃ একেই। প্ৰথম আৰু ষষ্ঠ কাৰণটো ঝুমুৰাৰ ৰচনাৰ লগত জড়িত। গতিকে ইয়াক ঝুমুৰাৰ বৈশিষ্ট্য হিচাপেহে জ্ঞান কৰিব পাৰি কিন্তু নামকৰণ বুলি ধৰি ল'ব নোৱাৰি।

মাধৱদেৱকৃত ঝুমুৰাখিনিৰ ৰচনা প্ৰক্ৰিয়াৰ আধাৰতেই বিশেষত্বখিনি নিৰ্ণয় কৰা সম্ভৱ আৰু সেইসমূহকে ঝুমুৰা শ্ৰেণীৰ লক্ষণ বুলি কোৱা যুক্তিসঙ্গত হ'ব। সেই বিশেষত্ব বা লক্ষণসমূহ এনেধৰণৰ— ১) লঘু আকাৰ, ২) এটা ঘটনা, ৩) স্ত্ৰী পাত্ৰ বহুলতা, ৪) গীত-বাদ্য-নৃত্যযুক্ত, ৫) এটা ৰস, ৬। সংলাপ যুক্ত, ৭) অভিনয় আৰু ৮) নিশ্চিত উদ্দেশ্য।

ঝুমুৰাসমূহত উল্লিখিত এই আঠোটা বিশেষত্ব বা লক্ষণ দেখা পোৱা যায়। সকলো নাট এক অংকৰ আৰু আকাৰত লঘু হোৱা দেখা পোৱা যায়, কিন্তু ঝুমুৰাসমূহত আকাৰগত লঘুতা অধিক।

যিহেতু ঝুমুৰা লঘু আকাৰৰ ৰচনা, সেয়ে ইয়াত পাত্ৰীৰ সংখ্যাও কম। ঝুমুৰাত অধিকাংশই স্ত্ৰী পাত্ৰ হোৱাৰ উপৰি নায়কজন শিশু বা কিশোৰ। যদি কাহিনীৰ অনুৰূপে পুৰুষ পাত্ৰৰ আৱশ্যক হয়, তেনেহলে বয়সস্থ পুৰুষেহে পাত্ৰ হ'ব পাৰিব। পাত্ৰসমূহৰ ভিতৰত এজন সূত্ৰধাৰ থাকে যদিও অঙ্কীয়া নাটৰ তুলনাত ঝুমুৰাত সূত্ৰধাৰৰ প্ৰাধান্য কম। ঝুমুৰাৰ স্ত্ৰী পাত্ৰসমূহক সংগীতৰ 'নটী'ৰ অনুৰূপ বুলিয়েই ধৰিব পাৰি।

ঝুমুৰাত অঙ্গীৰস হোৱাটো আৱশ্যক। মাধৱদেৱৰ ঝুমুৰাৰ অঙ্গীৰস হৈছে ভক্তি, ইয়াৰ লগতে সংলাপ আৰু অভিনয়ে আৱশ্যক তত্ত্বৰূপে স্থান পাইছে। এই দুই তত্ত্বই সঙ্গীতকৰ ৰঙ্গশালাৰ অনুৰূপ। ইয়াৰ সংলাপ হাস্যৰসিক, নিৰ্ভীক আৰু লঘু যদিও আনন্দদায়ক। অভিনয়ৰ সাত্ত্বিকতাৰ ওপৰত অধিক বল দিয়া হয়, কিন্তু আঙ্গিক বাণী আৰু আহাৰ্য অভিনয়ো আৱশ্যক অনুসৰি মহত্ত্বপূৰ্ণ। নাটৰ উৎকণ্ঠা দৰ্শকে নাটকৰ আৰম্ভণিৰ পৰা শেষলৈকে নিৰ্বাহ কৰে।

ঝুমুৰাসমূহ উদ্দেশ্যধৰ্মী। মাধৱদেৱৰ প্ৰত্যেক ঝুমুৰাৰ উদ্দেশ্য ভিন্ন হ'লেও মূলতঃ ভগৱানৰ লীলা আৰু মাহাত্ম্যসূচক। যদিও কোনো কোনো সময়ত ঝুমুৰাসমূহ মনোৰঞ্জনাত্মক, উদ্দেশ্য বাচ্য অথবা ব্যঙ্গ হয় তথাপি সাংকেতিক ব্যঞ্জনাই ঝুমুৰাৰ সৌষ্ঠৱ বৰ্দ্ধন কৰে।

ঝুমুৰা এক বিকশিত নতুন বিধি। উত্তৰ ভাৰতত প্ৰচলিত 'সাঁগ' বা স্বাঁগ নামৰ লোকধৰ্মী নাট্য আৰু ঝুমুৰাৰ মূল উৎস একেটায়ে। কালিৰাম মেধি ডাঙৰীয়াৰ মতে ঝুমুৰাসমূহ হ'ল এক লঘু শ্ৰেণীৰ অঙ্কীয়া নাট।

মাধৱদেৱৰ দ্বাৰা ৰচিত নাটসমূহৰ ভিতৰত কেৱল 'অৰ্জুনভঞ্জন'ক আটাইতকৈ ডাঙৰ অঙ্কীয়া ৰচনা বুলি পণ্ডিতসকলে মত পোষণ কৰে। সেয়ে বাকী নাট ৰচনাসমূহক ঝুমুৰা বুলি আখ্যায়িত কৰা হয়। চোৰ ধৰা ঝুমুৰাখনৰ ৰচনা তেখেতে সুন্দৰীদিয়াত ১৫৭৩-১৫৮৫ খৃঃত কৰিছিল। ইয়াৰ কথাবস্তু বিল্বমঙ্গলৰ নিম্নলিখিত শ্লোকটিৰ পৰা সংগ্ৰহ কৰা—

*"যো লোক ভাৰোদ্ধাৰণায় চক্ৰী চক্ৰেৎৱতাৰং বসুদেবগেহে।*
*গোপী জনানন্দ কৰো মুকুন্দঃ পায়াৎস ও যাদৱ ৰাজসিংহ।।৩।।*
*কন্দুক্ৰীয়া বিগলিত ঘনস্বেদ শুদ্ধানন শ্ৰীঃ*
*কৈশ্চিদ দৃষ্টঃ কুৱলয় দল শ্যামলঃ কোৎপি বাল।*
*পৃচ্ছত্যৱং পথি পথি যযৌ ব্যাকুলা নন্দ পত্নী*
*তীৰে তীৰে তপন দুহিতুঃ কৃষ্ণমন্বেয়ন্তী।।" ২৮।।*

ইয়াৰে প্ৰথম শ্লোকটো নান্দীৰূপে প্ৰয়োগ হৈছে আৰু দ্বিতীয়টো নাট্যকথাবস্তুৰ মূল আধাৰ হিচাপে ৰক্ষিত হৈছে। এই ঝুমুৰাত সম্পূৰ্ণ এটা কাহিনীৰ বিপৰীতে এটা ঘটনাক্ৰমহে পোৱা যায়।

'ভূমি লেটোৱা' ঝুমুৰাৰ কথাবস্তু মাধৱদেৱে 'বিল্বমঙ্গল স্তোত্ৰ'ৰ নিম্নলিখিত শ্লোকটিৰ পৰা ধাৰণ কৰিছে—

*"নীতং নৱনৱ নীতং কেন চ পীতং কৰমে মুৰলিঃ।*
*ইতি সমুদীৰ্ঘ লুঠন্তং ভূমৌ বালং নমামি গোপালম্।।"*

এই নাটকত বালক কৃষ্ণৰ চতুৰালি আৰু জেদভাৰ তথা মাতা যশোদাৰ বাৎসল্য ভাৱৰ সহজ নিৰূপণ ফুটি উঠিছে। ইয়াত মূলতঃ দুটা শ্লোকহে আছে আৰু পাঁচটা স্ব-ৰচিত গীতৰ সুন্দৰ সংমিশ্ৰণ পোৱা যায়।

'পিম্পৰা গুচোৱা' ঝুমুৰাখন সুন্দৰীদিয়াতে সম্ভৱতঃ ১৫৭৩-১৫৮৫ চনত ৰচনা কৰিছিল আৰু ইয়াৰ নাট্যবস্তু বিল্বমঙ্গলৰ 'কৃত্ব কৃষ্ণ স্তোত্ৰম'ৰ

পৰা লৈছে—

*“কস্তবং বাল বালনুজ সত্বমিহ কিং মপ্ন দিবা শংকয়া*
*বুদ্ধং তন্নৱনীত কুম্ভৰিৰৱে হস্তং কথং ন্যস্যাসি।*
*কর্তু তত্র পিপীলিকা পনয়নং সুপ্তাঃ কিমুদ বোধিতা*
*বালা ৱৎসগর্ত্তি বিবেকতুমিতি সংজল্পনং হৰি পাতুৱঃ ।। ২০।।*
*বদনে নৱনীত গন্ধৱাহং ৱচনে তস্কৰ চাতুৰি ধুৰণীম্।*
*নয়নে কুহকা শ্ৰুমা শ্ৰয়েথাশ্চৰণে কোমল তাণ্ডৱং কুমাৰম ।। ১৩০।।*

এই শ্লোকটিৰ আধাৰতে নাটকীয় কথাবস্তুৰ বিন্যাস ঘটিছে। ঝুমুৰাৰ পূর্বাংশ প্ৰথম শ্লোকৰ নাট্যৰূপান্তৰ মাত্ৰ, উত্তৰাংশত মাধৱদেৱে নিজ কল্পনাৰে ৰহণ সানিছে। বস্তুতঃ পূর্বে উল্লেখ কৰা ‘চোৰ ধৰা ঝুমুৰা’ আৰু ইয়াৰ নাটকীয় বস্তুত মান্যতা আছে যদিও ৰচনাগত পার্থক্য দেখা পোৱা যায়। পণ্ডিত ড° সত্যেন্দ্ৰনাথ শর্মাদেৱে দুয়োখন নাটৰ পার্থক্য স্পষ্ট কৰি লিখিছে এনেদৰে— “পার্থক্য ইমানেই যে ‘চোৰ-ধৰা’ত মাকৰ স্নেহাকুল মানসিক অৱস্থাৰ সুবিধা লৈ কৃষ্ণই গোপীবোৰৰ বিৰুদ্ধে কথা লগাই গোপীক গালি খুৱাইছে আৰু নিজে অজলা শিশুটিৰ দৰে মাকৰ বুকুত সোমাই দুষ্টালিৰ হাঁহি মাৰিছে। কিন্তু ‘পিম্পৰা গুচোৱা’ ঝুমুৰা গোপীবিলাকে কৃষ্ণক চতুৰালিৰে বলে নোৱাৰি মাকৰ আগত গোচৰ দি গালি খুৱাইছে আৰু কৃষ্ণয়ো উলটি মাকৰ লগত ফেপেৰি পাতিছে।”

‘ভোজন বেহাৰ’ ঝুমুৰাখন বৰপেটাত আনুমানিক ১৫৮৬-১৫৯৩ খৃঃত ৰচনা কৰা। ইয়াৰ মূলতত্ত্ব ভাগৱতৰ পৰা সংগৃহীত। অৱশ্যে মূলৰ তুলনা মাধৱদেৱে ইয়াত স্বকীয় প্ৰতিভাৰ ৰহণ সানিছে। মূল ভাগৱতৰ কথা কাহিনীত নাৰদ চৰিত্ৰটোৰ উল্লেখ নাই যদিও মাধৱদেৱে নাৰদ চৰিত্ৰটো উপস্থাপন কৰি ঝুমুৰাৰ কাহিনী অধিক ৰোচক তথা শক্তিশালী কৰি তুলিছে। এই ঝুমুৰাখনত মুঠ চাৰিটা শ্লোক আৰু চাৰিটা গীত আছে।

‘ভূষণ হৰণ’ ঝুমুৰাৰ মূল কথাবস্তু ভাগৱত অথবা বিল্বমঙ্গলৰ পৰা সংগৃহীত নহয়, ইয়াৰ কাহিনী অদ্ভুত কল্পনামূলকহে। মূল কথাবস্তু ভাগৱত পুৰাণৰ নহ’লেও সম্পূর্ণ সম্ভাৱনীয় ৰূপতহে কথাবস্তু গ্ৰহণ কৰা হৈছে, প্ৰতিকূল ৰূপত নহয়। এই ঝুমুৰাত নান্দীশ্লোকৰ প্ৰয়োগ দেখা পোৱা নাযায়।

এই কেইখন ঝুমুৰাৰ উপৰিও মাধৱদেৱৰ বুলি পণ্ডিতসকলে মত পোষণ কৰা আন তিনিখন ঝুমুৰাৰ কথাও জনা যায়। সেই হ’ল ‘ব্ৰহ্মামোহন’,

'কোটোৰাখেলা' আৰু 'ৰাস ঝুমুৰা'। 'ব্ৰহ্মামোহ' ঝুমুৰাক 'ভোজন বেহাৰ' ঝুমুৰাৰ উত্তৰাংশ বুলিহে সাহিত্যিক পণ্ডিতসকলে মত পোষণ কৰা দেখা যায়। ইয়াৰ কথাবস্তু ভাগৱতৰ ওপৰত আধাৰিত। ইয়াত নান্দীশ্লোক পাবলৈ নাই। 'কোটোৰা খেলা' ঝুমুৰাখন মাধৱদেৱৰ দ্বাৰা ৰচিত হয়নে নহয় সন্দেহ আছে যদিও এই ঝুমুৰাত সন্নিবিষ্ট ভটিমা আৰু শেষৰ দুটা গীতত মাধৱদেৱৰ ভণিতা পোৱা যায়। ইয়াৰ কথাবস্তু কল্পনাপ্ৰসূত যদিও সম্ভাৱনীয়। 'ৰাস ঝুমুৰা' মূল কথাবস্তু ভাগৱত আশ্ৰিত যদিও কালিৰাম মেধি ডাঙৰীয়াই ইয়াৰ কাহিনী শঙ্কৰদেৱ বিৰচিত 'কেলি গোপাল' নাটৰ পৰা গ্ৰহণ কৰা বুলি ক'ব খোজে। ইয়াত নান্দী শ্লোক গোৱা নাযায়। এই ঝুমুৰাত মুঠতে পাঁচটা গীতৰ সমাৱেশ ঘটিছে আৰু এইখন সম্ভৱতঃ বৰপেটাত ৰচনা কৰা।

উপৰোক্ত ঝুমুৰাসমূহত মাধৱদেৱে বালক কৃষ্ণ আৰু তেওঁৰ বিভিন্ন ক্ৰিয়াসমূহৰ দ্বাৰা অভিনয় সজাইছে। ঝুমুৰাসমূহৰ মূল কথাবস্তু 'ভাগৱত' 'বিল্বমঙ্গল স্তোত্ৰ' আৰু মৌলিক কল্পনাপ্ৰসূত। অধিকাংশ ঝুমুৰাত 'বিল্বমঙ্গল'ৰ শ্লোকসমুহ বিন্দুক বিস্তাৰ কৰাৰ দৰে নবীন ৰূপত সজাই তুলিছে। মাধৱদেৱৰ ঝুমুৰাৰ নাট্যবিধান পোন প্ৰথমবাৰৰ বাবে নাট্যজগতত সোমাই পৰিছিল আৰু সেয়ে হয়তো ইয়াত আৰম্ভণিৰ পৰাই নাট্য সম্বন্ধীয় ৰচনা কৌশল সম্পূৰ্ণ সৰ্বাঙ্গীনৰূপত অহাতো অসম্ভৱ নাছিল আৰু সেয়ে মাধৱদেৱৰ নাটকসমূহক নাটক বুলিব নোৱাৰাৰ দুৰ্বলতা থাকি গৈছিল। মাধৱদেৱে সংগীতৰ পৰম্পৰাত এক অঙ্কৰ নাট ৰচনা কৰিলে। ঐতিহাসিক, সাহিত্যিক আৰু সাংস্কৃতিক দৃষ্টিৰ ফালৰ পৰা চালে ঝুমুৰাসমূহৰ উপলব্ধি আৰু স্থিতি অন্য নাট্যতকৈ সুকীয়া। এই দৃষ্টিৰে মাধৱদেৱৰ নাট্যকলা শঙ্কৰদেৱতকৈ শ্ৰেষ্ঠ বুলি পৰিগণিত হৈছে। ■

**প্ৰসঙ্গ পুথি ঃ**

১। ড° কৰবী ডেকা হাজৰিকা- সাহিত্য সঞ্চয়ন
২। শ্ৰীকুসুম চন্দ্ৰ শৰ্মা- বৈষ্ণৱ ভক্তিবাদ ঃ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা
৩। শ্ৰীদুৰ্গেশ্বৰ শৰ্মা- অসমীয়া সাহিত্য সমীক্ষা
৪। ড° প্ৰদীপ ভূঞা- মাধৱদেৱৰ সাহিত্য চিন্তা
৫। ড° মহেশ্বৰ নেওগ- অসমীয়া সাহিত্যৰ ৰূপৰেখা
৬। ড° সতেন্দ্ৰ নাথ শৰ্মা- অসমীয়া নাট্য সাহিত্য
৭। শ্ৰীফণীধৰ বৰা- মাধৱদেৱ ঃ ব্যক্তিত্ব আৰু কৃতিত্ব

---

*লেখিকা কলিয়াবৰ মহাবিদ্যালয়ৰ অংশকালীন প্ৰৱক্তা*

# ভাওনাৰ থলী নামঘৰ

ভূপেন দাধৰা

বৈষ্ণৱ ধৰ্মৰ নৱ পল্লৱিত ৰূপ হ'ল নৱ-বৈষ্ণৱ ধৰ্ম বা ভক্তিধৰ্ম। বিষ্ণুৰ পৰা বৈষ্ণৱ ধৰ্মৰ উৎপত্তি। খৃষ্টীয় চতুৰ্দশ-পঞ্চদশ শতাব্দীত সমগ্ৰ পৃথিৱীতে ধৰ্মৰ এক আলোড়নে খলকনি তুলিছিল। ইউৰোপত ৰোমান কেথলিক ধৰ্মৰ বিৰোধিতা কৰি প্ৰোটেষ্টান্ট ধৰ্মৰ সৃষ্টি হৈছিল। সেইদৰে ভাৰতবৰ্ষতো গোড়া হিন্দু ধৰ্মৰ বিপক্ষে মহাধৰ্ম বিপ্লৱৰ সূচনা হৈছিল। সেয়ে কঠিন সংস্কৃত ভাষাত আৱদ্ধ ধৰ্মতত্ত্বসমূহ জনসাধাৰণৰ কথিত ভাষালৈ ভাষান্তৰ কৰিছিল সাধু, সন্ত, মনীষীসকলে। তেতিয়াহে জনসাধাৰণৰ মাজত ধৰ্ম সংস্কাৰৰ এক প্ৰবল সোঁত বৈ যাবলৈ ধৰিলে। সময়ৰ সোঁতত শৈৱ-শাক্ত ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ হৈ বৈষ্ণৱ ধৰ্ম  ম্লান পৰিব ধৰিলে। উচ্চ হিন্দু সংৰক্ষণশীল লোকৰ ধৰ্মীয় সামাজিক শোষণে সৰ্বসাধাৰণক জুৰুলা কৰিলে। সেয়েহে সমগ্ৰ ভাৰতবৰ্ষত ধৰ্ম সংস্কাৰ আন্দোলন অথবা ভক্তি আন্দোলন বিয়পি পৰিল।

মধ্যযুগীয় ভাৰতীয় ভক্তি আন্দোলনৰ আচাৰ্যসকলে কেৱল ভক্তিবাদ প্ৰচাৰতে সীমাবদ্ধ নাছিল। দক্ষিণ ভাৰতত খৃষ্টীয় দশম-একাদশ শতিকাৰ বৈষ্ণৱ ধৰ্ম ৰামানুজৰ ভক্তি আন্দোলনৰ পৰৱৰ্তীকালত উত্তৰ ভাৰতত এই আন্দোলনে বিশেষ প্ৰসাৰতা লাভ কৰিছিল। নিম্বাৰ্ক, মাধৱাচাৰ্য, বল্লভাচাৰ্য, ৰামানন্দ, কবীৰ, চৈতন্য, নানক আদি সেই যুগৰ বৈষ্ণৱ আচাৰ্যসকলৰ সমান্তৰালকৈ অসমতো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হৈছিল। পাৰ্থক্য

এয়ে যে মহাপুৰুষজনাই কেৱল ভক্তিবাদ প্ৰচাৰতে সীমাবদ্ধ নাথাকি অসমৰ সমাজ ব্যৱস্থা, ভাষা সাহিত্যৰ লগতে অঙ্কীয়া নাট-ভাওনা প্ৰৱৰ্তনৰ মাধ্যমেৰে অসমীয়া সাংস্কৃতিক জগতখনলৈ অনুপম অৱদান দি গ'ল লগতে এক নাট্য পৰম্পৰাৰো পাতনি মেলিলে। একেজন ব্যক্তিয়েই ধৰ্মপ্ৰচাৰক, নাট্যকাৰ, অভিনেতা, গীতিকাৰ, সমাজ সংস্কাৰক আদি বিভিন্ন দিশত থকা প্ৰতিভাৰ পৰিচয় দিয়া মহাপুৰুষ শঙ্কৰদেৱৰ বাহিৰে আঙুলিয়াব পৰা দ্বিতীয়জন নাই বুলি ক'লেও অত্যুক্তি কৰা নহয়। নাট্যানুষ্ঠানৰ জৰিয়তেও মহাপুৰুষজনাই অসমীয়া সংস্কৃতিতো এক সুদৃঢ় বুনিয়াদ গঢ়ি থৈ গ'ল। শঙ্কৰদেৱৰ এই নাট্যানুষ্ঠানৰ লগত সম্পৰ্ক থকা, বিভিন্ন বাদ্যযন্ত্ৰ খোল, তাল, ভোৰতাল আদি সংযোজন কৰি শাস্ত্ৰীয় মৰ্যাদাৰে পূৰ্বৰ পৰা প্ৰচলিত অসমৰ লোকবাদ্যসমূহতো নৱ সংযোজন ঘটালে। গুৰুজনাৰ এই নাট্যানুষ্ঠানৰ যোগেদি এক সংস্কাৰ আৰু পৰিৱৰ্তনৰো সূচনা হ'ল।

পঞ্চদশ-ষষ্ঠদশ শতিকাতে জন্ম লাভ কৰা ভাওনাৰ লগত সম্পৰ্কীয় নৃত্য-গীত, বাদ্য, গায়ন-বায়ন আৰু ইয়াৰ বিভিন্ন ধেমালি প্ৰৱৰ্তন কৰি অসমীয়া সাংস্কৃতিক এক নতুন মাত্ৰা দিলে। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অঙ্কীয়া নাটৰ সৃষ্টি কৰিছিল যদিও এই নাট বা ভাওনাই ধৰ্ম প্ৰচাৰতকৈও সাংস্কৃতিক ভেটি নিৰ্মাণতহে বেছি সফলতা লাভ কৰা যেন অনুমান হয়।

'ভাওনা' শব্দটোৰ অৰ্থ—

*"অন্তৰসে সৰ্বমনে ভাৱনা মিলয়।*
*এহিহেতু সৰ্বজন ভাওনা বোলয়।।"*

—এজনে আন এজনৰ তদনুৰূপ ভাৱ-ভঙ্গী, গতিবিধিসমূহক প্ৰতিফলন কৰাই ভাওনা। অৰ্থাৎ অভিনেতাৰ ভাৱবোৰে নিজে হৃদয়ঙ্গম কৰি ল'ব পাৰিলেহে দৰাচলতে ভাওনা সম্পূৰ্ণ হয়। সেয়ে এই অভিনয়কে 'ভাৱনা' বোলে। এই ভাৱনাৰ পৰাই ভাওনা হৈছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, পাৰিজাত হৰণ, ৰুক্মিণীহৰণ আৰু ৰামবিজয়সহ মুঠ ছখন অঙ্কীয়া নাটৰ জন্মদাতা। গুৰুজনাই নাট-ভাওনাৰ সৃষ্টি কৰিছিল জনসাধাৰণক ভগৱৎমুখী কৰাৰ লগতে নৈতিক চৰিত্ৰ গঠন আৰু সুজ্ঞান সুবুদ্ধি উদয় হ'বৰ কাৰণেহে, নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আহিলা হিচাপে ভক্তিমূলক অঙ্কীয়া নাটৰ সৃষ্টি কৰা হৈছিল। জনসাধাৰণৰ অন্তৰত আধ্যাত্মিক চেতনা জাগ্ৰত কৰিবলৈ ভাওনাই

উপযুক্ত মাধ্যম সেইকথা সকলোৱে উপলব্ধি কৰে। সামাজিক শিষ্টাচাৰ আৰু লোকশিক্ষাৰ কাৰণে ভাওনাৰ সৃষ্টি। সাধু-সন্তৰ সুখ-শান্তি, সমৃদ্ধি লাভ আৰু দুৰ্বল শ্ৰেণীৰ অত্যাচাৰ নিবৃত্তিয়েই হ'ল ধৰ্মৰ জয় আৰু সেয়াই সুখময়।

ভাৰতীয় সঙ্গীত কলাৰ অভিজ্ঞসকলে 'ত্ৰিবৰ্গ সাধনং নাট্যম্' বুলি কৈছে। কিন্তু শঙ্কৰদেৱে এই নাট ভাওনাত ত্ৰিবৰ্গৰ উপৰিও অৰ্থাৎ ধৰ্ম, অৰ্থ আৰু কামৰ লগত মোক্ষকো যোগ কৰি চতুৰ্বৰ্গ পূৰ কৰিছে। 'কেলিগোপাল নামেদং নাটকং মুক্তি সাধকম্' বুলি মহাপুৰুষজনাই ইয়াৰ যোগেদি মুক্তি লাভ হোৱাৰ ইংগিত স্পষ্টভাৱে দিছে। এনে নাট-ভাওনা কলাই মুক্তিয়ো দিব পাৰে সেই সন্ধান বোধ হয় শঙ্কৰদেৱ গুৰুজনাৰ লেখনিতহে পোৱা যায়। বোধকৰোঁ 'যাহে ভকতি তাহে মুকুতি' বুলি গুৰুজনাৰ যি প্ৰবচন আছে, তাৰ পৰা বুজা যায় যে ভক্তি অবিহনে মুক্তি নিমিলে। সেয়েহে- দেখহ (দৃশ্য), শুনহ (শ্ৰাব্য) আৰু তাকে দেখি শুনি 'নিৰন্তৰে হৰি বোল হৰি বোল'।

নৃত্য-গীত বিশাৰদ শ্ৰীমন্ত শঙ্কৰদেৱে পঞ্চদশ শতিকাতে বৰদোৱাত 'চিহ্নযাত্ৰা' নাট্যাভিনয়ৰ জৰিয়তে ভাওনাৰ শুভাৰম্ভ কৰিছিল। তাতো এক পটভূমি আছিল— "এদিন বুঢ়াখাঁকে আদি কৰি ভূঞা আৰু নৰোত্তম, কৰ্ণপূৰ, চতুৰ্ভুজ আদি পণ্ডিত বিপ্ৰসকলে মিলি শঙ্কৰদেৱক ক'লে, "তোমাৰ মুখে শুনিছো যে মানুহে হৰিক স্মৰণ কৰি বৈকুণ্ঠলৈ যায়। সেই বৈকুণ্ঠ কেনে স্থান, অনুগ্ৰহ কৰি তুমি আমাক দেখুওৱা। তুমি মহাপণ্ডিত, মহাজ্ঞানী, আমাৰ বাঞ্ছা পূৰণ কৰা।" ভক্তসকলৰ মনৰ হাবিয়াস পূৰাবলৈকে বহু চিন্তা-ভাৱনা কৰি ১৪৬৮ চনত ১৯ বছৰ বয়সত 'চিহ্ননামে যাত্ৰা কৰিবো বিদিত, হৰিষ পাবা প্ৰচুৰ' বুলি এখনি সংলাপবিহীন ভাওনা কৰাৰ উদ্যোগ লয়। বৈকুণ্ঠৰ দৃশ্য নিজ হাতেৰে আঁকি ভাওনাৰ বাবে নাট ৰচনা কৰিলে— যিখন শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰথম নাট। গুৰুজনাই নিজেই ইয়াত গীত ৰচনা কৰি তাত ৰাগ সংযোগ দি গাইছিল। সেয়াই গায়ন। গীতৰ লগত সংগত কৰিবলৈ কপিলীমুখৰ কুমাৰৰ হতুৱাই 'খোল' তৈয়াৰ কৰিছিল। এই খোলেই বায়ন শৈলীৰ অপৰিহাৰ্য আহিলা। পূৰ্বে মৃদঙ্গৰ ব্যৱহাৰ ইতিহাস প্ৰসিদ্ধ। ভিন্ন আকৃতিৰ এনেবোৰ বাদ্যৰ বৈজ্ঞানিক ভিত্তি আছে। মৃৎ অঙ্গ অৰ্থাৎ মাটিৰে নিৰ্মিত। ইয়াক গন্ধৰ্ব বাদ্য বা দেৱবাদ্য (দুন্দুভি) বোলা হয়। গুৰুজনাই ভক্তিমূলক গীতৰ মৰ্ম উপলব্ধি সম্ভৱ হোৱাকৈ গাম্ভীৰ্যপূৰ্ণ সংযমক্ষম, অপ্ৰবাহী অথচ নৃত্যৰ কাৰণে উপযোগী হোৱা শব্দৰ ২:১ জোখৰ এটা কুঁজ থকাকৈ

৮ আৰু ১৩ আঙুলৰ যথাক্ৰমে ডাইনা আৰু বেৰাৰে যি অপূৰ্ব বাদ্য সৃষ্টি কৰিলে তাক চলিত ভাষাত খোল বোলা হয়। এই খোলৰ সৈতে দবা-কাঁহ, শঙ্খ-নেগেৰা, তাল-কালি আদি বাদ্যৰ সমাৱেশ ঘটাইছিল। সেয়াই বায়ন শৈলী। বায়ন-গায়ন, অংকীয়া নাটৰ মূল ধ্ৰুপদী সাঙ্গীতিক অনুষ্ঠান। পূৰ্বৰংগৰ পৰা আৰম্ভ কৰি খৰমান তথা মুক্তি মঙ্গল ভটিমালৈকে সমগ্ৰ নাট পৰিচালনা কৰা এক গধুৰ দায়িত্ব।

বায়ন শৈলী প্ৰদৰ্শনৰ প্ৰাক্‌মুহূৰ্তত নাট ভাওনাৰ পৰিৱেশন শৈলীৰ সৈতে আধ্যাত্মিক ক্ৰিয়া-কলাপৰ কথা জড়িত হৈ থকাৰ বাবে এনে প্ৰদৰ্শিত পোহৰৰ ব্যৱস্থা কৰা হয়। 'অগ্নিগড়'— খনিকৰে কাঠৰ দ্বাৰা এটা ত্ৰিভুজীয়াকৈ মূৰত মগৰৰ আকৃতিৰ মুখ লগাই তৈয়াৰ কৰে। হেঙুল হাইতালৰ বোলেৰে দেখনিয়াৰ কৰি তাতে ন-গছি বন্তি বা শলা জ্বলোৱা হয়। অগ্নিগড়, ভোটা আৰু মতাৰে এনেকৈ পোহৰ কৰা হৈছিল, ৰভাঘৰত যেন সূৰ্যৰ জ্যোতিহে প্ৰকাশ পাইছিল। এই নগছি বন্তি বা শলাই আঁৰিয়াই হৈছে আধ্যাত্মিক দিশেৰে ন-ভক্তিৰ প্ৰতীকৰূপে ভক্তিমাৰ্গৰ বিষয়স্বৰূপ। এই ন-বিধ ভক্তিৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে 'একশৰণ হৰিনাম ধৰ্ম'ত শৰণ, ভজন, মালা, মন্ত্ৰ তথা 'গুৰু, দেৱ, নাম, ভতক' চাৰিবস্তুৰে চাৰিচাপ, চাৰিখুঁটি মাৰি ভকতৰ-ধৰ্ম অৰ্থ কাম মোক্ষ নাম শ্ৰৱণ-কীৰ্ত্তন কৰি ঈশ্বৰত শৰণ গ্ৰহণ কৰি হৰি ভজনাৰ উত্তম পন্থা পালে। 'হৰি ৰাম হৰি ৰাম এ মূলমন্ত্ৰ।' হৰিনাম মহামন্ত্ৰ স্মৰণ কৰি হৰিভক্তিৰ মালা ভগৱন্ত ঈশ্বৰ কৃষ্ণক অৰ্পণ কৰিবলৈ সুবিধা পালে। এই ন-ভক্তিৰ নামকীৰ্তন শুনিলে- 'শ্ৰৱণ' হয়, নাম ল'লে- 'কীৰ্ত্তন' হয়, নাম শুনি ধ্যান কৰিলে- 'স্মৰণ', উপলব্ধিৰে ঈশ্বৰ চৰণ দেখি সেৱা কৰিলে- 'সেৱন', কায় বাক্য মনে ঈশ্বৰক দেহ অৰ্পণ কৰিলে- 'অৰ্চন', বিপদ কালত নেৰিবা ভাৱত ভগৱন্তলৈ সেৱা আগবঢ়ালে- 'সখিত্ব', আত্মা আৰু ভগৱন্তক অভিন্ন ভাবি সেৱা ধৰিলে- 'নিবেদন', ভৃত্য বা দাস ভাৱত গুৰু ভকতক সেৱা জনালে- 'দাস্য' হয়। সকলো প্ৰাণীক বিষ্ণু বুদ্ধি কৰি সেৱা জনালে- 'বন্দন' হয়। এয়ে হৈছে ন-গছি বন্তি বা আঁৰিয়া আধ্যাত্মিক দিশেৰে ন-ভক্তিস্বৰূপ। চিহ্নযাত্ৰাত—

*চাৰিগোট আঁৰিয়া মটা নৱগোট।*
*মহা সমাৰোহে নিয়া লগাইলা সভাত।।*
*গায়ন বায়ন বৰ ধেমালি জুৰিলা।*

বৰগায়নৰ বেশে শঙ্কৰে উঠিলা।।
উদাৰ সহিতে বৰগোবিন্দ উঠিল।
আনো ভক্তগণে পাছে গীত গাইতে লৈল।।
প্ৰথমে শঙ্কৰদেৱে ৰাগ তুলিলেক।
উদাৰ ভক্তে দোহাৰে প্ৰত্যেক।।
তিমিৰ ৰাগক পাছে বলায় জুৰিলা।
বায়ুমণ্ডলী ৰাগ শঙ্কৰেও দিলা।।

ভাওনাৰ আৰম্ভৰ মুহূৰ্তত এই অগ্নিগড়ত সেৰা জনাই আঁৰকাপোৰ উঠাই দিয়াৰ পাছত বায়নজনে গায়—

*যেষাং শ্ৰীমদ্ যশোদা সুতপদ কমলে নাস্তি ভক্তিৰ্ণৰানাম।*
*যেষামাভীৰ কন্যা প্ৰিয়গুণ কথনে নানু ৰক্তা ৰসজ্ঞাঃ।।*
*যেষাং শ্ৰীকৃষ্ণ লীলা ললিত গুণ কথনে নৈৰ কৰ্ণৌ ন তৃপ্তৌ।*
*ধিক তান্ ধিক তান্ ধিক তান্ কথয়তি কীৰ্ত্তনস্থো নিয়তং মৃদঙ্গঃ।।*

অৰ্থাৎ শ্ৰীমৎ যশোদাসুত শ্ৰীকৃষ্ণৰ পদকমলত যি সকলৰ ভক্তি নাই, তেওঁৰ প্ৰিয় গুণ-কীৰ্তনত ৰতি নোপজে, তেওঁৰ কীৰ্ত্তনত শ্ৰদ্ধাৰে কাণ নাপাতে— তেওঁলোকৰ জীৱন ধিক, ধিক বুলি অভক্তক ধিক্কাৰ দি খোলত চাপৰ মাৰে। খোল তালৰ বোলে আকাশ-বতাহ মতলীয়া কৰে। বাদ্যৰ গায়ন বায়নে অপূৰ্ব পদচালনাৰে সৰু ধেমালিৰ পিছত বড়াৰী ৰাগেৰে ঘোষা ধেমালি, দেৱ ধেমালি, ৰাগ ধেমালি আদি পৰিৱেশন কৰা হয়। বৰগায়নে আকাশ ছানি গায়।

*নিশাহন্ত নামিলন্ত বৰ যে ধেমালি।*
*ওঠৰ পুৰাণ কথা কণ্ঠে বনমালী।।*
*বিনতাৰ সুত গড়ুণ্ডৰ মহাবল।*
*পখাৰে সিঞ্চিলে সাত সাগৰৰ জল।।*
*মৎস্য মগৰ সাগৰ তৰ কৰি যায়।।*
*সেহি বেলা কানাই বড়াৰী ৰাগ গায়।।*

গায়ন-বায়নে নিৰ্দ্দিষ্ট সাজপাৰ পাটমুগা বা কপাহীৰ বৰ চুৰীয়া থোৰ মাৰি পিন্ধা, গাত আঁঠুলৈকে চাপকন চোলা, ঘাগৰি কটীয়াকৈ লোৱা চেলেং বা খনীয়া কাপোৰ, মূৰত থেকেৰুপতীয়া বগা পাগুৰি, তাৰ ওপৰত বকুলৰ মালা, কপালত ফোঁট আদিৰে সু-সজ্জিত হৈ ভাওনা শিল্পটিৰ মৰ্যাদা বৃদ্ধি

কৰে। গায়ন-বায়নে গীত-মাত, ৰাগ তাল-মান ৰক্ষা কৰে। ভাওনাখনৰ সফলতা বহুলাংশে নিৰ্ভৰ কৰে বায়নজনৰ ওপৰত। বায়নজনো ভাওনাৰ নাটৰ শেষলৈকে থকা অন্য ৰূপত ভাৰবীয়াস্বৰূপ। বায়নৰ খোল, গায়নৰ তাল আৰু ভিন্ন ৰাগৰ গীতৰ মৰ্মভেদী তালমান সুৰে মোহিত আৰু আকৰ্ষিত কৰে। বায়ন-গায়নৰ দ্বাৰা পৰিৱেশিত চাহিনী বা ধেমালিসমূহৰ দক্ষ বায়ন পদ্ধতি, সুন্দৰ পদচালনা, হস্ত সঞ্চালন, সাজ-পাৰ আদি মাৰ্জিত আধ্যাত্মিক ভাৱাসম্পন্নেৰে দৃষ্টিনন্দন হয়। গায়ন-বায়নৰ এনে দৃষ্টিত সূক্ষ্মভাৱে দুটা বিষয় হৈছে— সৌষ্ঠৱ দেহভঙ্গী আৰু সুন্দৰ মঞ্চ পৰিক্ৰমা। এনে দলীয় উপস্থাপন পদ্ধতিৰে বাদন, পদচালন আদিৰ সমৰূপতা মাধ্যমৰ দ্বাৰা- কণ্ঠৰ মাধুৰ্য, স্পষ্ট উচ্চাৰণ, সংলাপ নিক্ষেপণৰ মহাকাব্যিক সুৰৰ প্ৰয়োগ, শৰীৰৰ উলাহ আয়ত্ত কৰাৰ কৌশলেৰে নাটকখনত প্ৰভাৱ পেলায়। নাটৰ মূলতে শ্ৰীকৃষ্ণ প্ৰৱেশত সিন্ধুৰাগৰ গীত—

*আৱত জগত গুৰু কয়ো পৰবেশ।*
*সুন্দৰ শ্যামল তনু দেখিতে সুবেশ।।*

এই বুলি গোৱা গীতসমূহে আমাক ভাৱৰাজ্যত ভাৱৰ উদ্ৰেক ঘটায়। ঠিক সেইদৰে—

'দুয়ো বীৰে যুদ্ধকৰে সমানে সমানে' বুলি পৰিতালৰ খোলৰ চাপৰ আৰু গীতৰ সুৰে ভিন্ন অনুভূতিৰ সৃষ্টি কৰে। সেয়ে আচৰিত কথা এয়ে যে সাহিত্যৰ নৱৰস সৃষ্টি কৰিব পৰা ক্ষমতা ভাওনাৰ গীতৰ সুৰত আৰু খোল বাদ্যত চাপৰ ধ্বনিত সন্নিবিষ্ট হৈ আছে। বিশ্বৰ প্ৰথম মুকলি মঞ্চ— শঙ্কৰদেৱ সৃষ্ট 'নামঘৰ'ৰ মজিয়াখনেই হৈ পৰিল— ভাওনাৰ থলী, গায়ন-বায়নৰ থলী, ন-ভক্তিৰ এক আধ্যাত্মিক দৰ্শন। ■

---

*লেখক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ, অসমৰ সভাপতি*

# অসমৰ সমাজ ব্যৱস্থাত নামঘৰ আৰু উদ্‌যাপিত উৎসৱ অনুষ্ঠান

দিগন্ত মহন্ত

অসমত ভক্তিবাদৰ অন্যতম প্ৰচাৰক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্মীয় আদৰ্শেৰে সমাজ সংস্কাৰ কৰিছিল। প্ৰথমবাৰ তীৰ্থ ভ্ৰমণত ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্মক্ষেত্ৰ পৰিদৰ্শন কৰি বৈষ্ণৱ মনীষীসকলৰ লগত একাত্ম হৈ বৈষ্ণৱ ধৰ্মৰ সংস্কাৰ সাধনৰ মন্ত্ৰ লৈ অসমলৈ প্ৰত্যাৱৰ্তন কৰিছিল। নব্য ধৰ্মীয় চিন্তাৰে পৰিপুষ্ট মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তিবাদৰ অন্যতম চৰ্চাক্ষেত্ৰৰূপে বৰদোৱাত নামঘৰ প্ৰতিষ্ঠা কৰি জাতি-বৰ্ণ-নিৰ্বিশেষে সামাজিক ধৰ্মীয় সংস্কাৰৰ ওপৰত মনোনিৱেশ কৰিছিল। পঞ্চদশ শতিকাত অসমৰ সমাজ ব্যৱস্থাত ধৰ্মীয় ৰীতি-নীতিৰ মাধ্যমেৰে চলা অন্যায় অনীতি ব্যভিচাৰৰ সংস্কাৰ সাধন কৰি সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য আৰু সামাজিক ঐক্য প্ৰতিষ্ঠাৰ বাবে তেখেতে নব্য চিন্তাধাৰাৰে অসমত ভক্তিবাদৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। সুদীৰ্ঘ বছৰ ধৰি ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্মীয় তত্ত্বৰ সাৰমৰ্ম আয়ত্ত কৰি গীত, নাট, কাব্য ৰচনাৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে অসমৰ সামাজিক ক্ষেত্ৰতো এক সমন্বয়ৰ বাৰ্তা দিবলৈ সক্ষম হৈছিল। বৰদোৱাত নামঘৰ প্ৰতিষ্ঠাৰ জৰিয়তে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে যিদৰে ধৰ্মীয় চিন্তা-চৰ্চা, সাংস্কৃতিক চৰ্চা আৰু সামাজিক ৰীতি-নীতিৰ ক্ষেত্ৰৰূপে প্ৰতিষ্ঠা কৰিছিল, ঠিক সেইদৰে নামঘৰত উদ্‌যাপিত উৎসৱ অনুষ্ঠানৰ জৰিয়তে শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ ওপৰতো গুৰুত্ব দিছিল।

অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকক নৱ-বৈষ্ণৱ ধৰ্মীয় চিন্তাৰ জৰিয়তে আকৰ্ষিত কৰি বিশৃংখল সমাজ ব্যৱস্থাক একত্ৰিত কৰি শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ অন্যতম শিষ্যসকলেও গীত, নাট, কাব্য ৰচনাৰ জৰিয়তে বৌদ্ধিক আন্দোলনৰো সূত্ৰপাত ঘটাইছিল। বৰদোৱাত প্ৰতিষ্ঠিত নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৈকুণ্ঠৰ পট অংকন কৰি 'চিহ্নযাত্ৰা' প্ৰদৰ্শনেৰে সৰ্বসাধাৰণ ভক্তপ্ৰাণ ৰাইজৰ মনোযোগ আকৰ্ষণ কৰি বিমল আনন্দ দিছিল। 'চিহ্নযাত্ৰা' প্ৰদৰ্শনৰ পিছতেই মহাপুৰুষ গাৰকীয়ে নিজে ৬ খন অঙ্কীয়া নাট ৰচনা কৰাৰ লগতে তেওঁৰ একান্ত শিষ্য মাধৱদেৱ আৰু কেইবাগৰাকীও অন্যতম শিষ্যই নাট-ঝুমুৰা ৰচনা আৰু প্ৰদৰ্শন কৰি অসমত প্ৰথম নাট্য আন্দোলনৰো প্ৰচাৰ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিষ্ঠিত নামঘৰৰ জৰিয়তে যিদৰে নৱ-বৈষ্ণৱ ভক্তিবাদৰ প্ৰাণকেন্দ্ৰস্বৰূপ হৈ পৰিছিল, ঠিক সেইদৰে অসমীয়া সমাজ ব্যৱস্থাত নামঘৰ এক সমন্বয় ক্ষেত্ৰৰূপও পৰিগণিত হয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিষ্ঠিত নামঘৰ অসমৰ বৈষ্ণৱ সমাজত আজিও এক অবিচ্ছেদ্য অঙ্গ। নামঘৰক কেন্দ্ৰ কৰি ভক্তপ্ৰাণ ৰাইজে প্ৰতিবছৰেই বিভিন্ন উৎসৱ অনুষ্ঠান উদ্‌যাপন কৰি আহিছে। নামঘৰত উদ্‌যাপিত উৎসৱ অনুষ্ঠানসমূহ হ'ল—

**পৱিত্ৰ ভাদ মাহ ঃ**

অসমৰ বৈষ্ণৱ ভক্তপ্ৰাণ ৰাইজৰ বাবে ভাদমাহৰ এক আধ্যাত্মিক তাৎপৰ্য আছে। শাওণ মাহৰ দোমাহীৰ পৰা ভাদমাহৰ দোমাহীলৈকে এমাহ ধৰি নামঘৰত আধ্যাত্মিক চিন্তা, নাম-প্ৰসঙ্গেৰে ভক্তপ্ৰাণ ৰাইজৰ মাজত নিৰৱচ্ছিন্নভাৱে ভক্তিৰসৰ পৰিৱেশ বিৰাজ কৰে। এই পৰিৱেশত সত্ৰসমূহৰ নামঘৰত দৈনিক চৈধ্য প্ৰসঙ্গৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱ তিথি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, নন্দোৎসৱ আদি অনুষ্ঠান পালন কৰে। বিশেষকৈ আইমাতৃসকলে নাম-কীৰ্ত্তন কৰাৰ লগতে ৰাইজে ভাদমাহৰ দোমাহীত নাম সামৰণি অনুষ্ঠান অসমৰ বিভিন্ন অঞ্চলত ভিন্ন ধৰণে পালন কৰে।

**শ্ৰীকৃষ্ণৰ জন্মাষ্টমী ঃ**

পৱিত্ৰ ভাদমাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিত শ্ৰীকৃষ্ণৰ জন্মোৎসৱ অসম জুৰি পালন কৰে। ৰাইজে এই অনুষ্ঠানত ধৰ্মীয় ৰীতি-নীতিৰে নামঘৰত

ভাওনাৰো আয়োজন কৰে। জন্মাষ্টমীৰ পিছৰ দিনা অসমৰ কিছুমান অঞ্চলত নন্দোৎসৱৰো আয়োজন কৰে। এই নন্দোৎসৱৰ লগতে সঙ্গতি ৰাখি ৰাইজে বোকাভাওনা বা পাচতি উৎসৱ আদি অনুষ্ঠানৰো আয়োজন কৰে।

**মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আৰু আতাসকলৰ তিৰোভাৱ তিথি ঃ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ ধাৰা তেখেতৰ শিষ্যসকলে পৰৱৰ্তী সময়ত অসমৰ বিভিন্ন অঞ্চললৈকে প্ৰচাৰ আৰু প্ৰসাৰ কৰে। জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথি ভাদমাহৰ শুক্লা দ্বিতীয়া তিথিত আৰু এই ভাদমাহৰ কৃষ্ণা পঞ্চমী তিথিত মাধৱদেৱৰ তিৰোভাৱ তিথি নামঘৰত ভক্তপ্ৰাণ ৰাইজে পালন কৰে। ইয়াৰ উপৰিও পুৰুষোত্তম ঠাকুৰ আতা, দামোদৰ আতা, গোপাল আতা, বদলা পদ্মআতা, মথুৰদাস বুঢ়াআতাকে প্ৰমুখ্য কৰি গুৰুজনাৰ শিষ্য আতাপুৰুষসকলৰ তিৰোভাৱ তিথিও পালন কৰে।

**মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱ ঃ**

অসমত নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ তিথিভাগ বৈষ্ণৱপ্ৰাণ ৰাইজে ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰে। এই জন্মোৎসৱত তেখেতৰ অপূৰ্বসৃষ্টি নাম-প্ৰসঙ্গ, বৰগীত পৰিৱেশন অনুষ্ঠানৰ লগতে ভাওনাৰ আয়োজনেৰে তেখেতৰ গুণানুকীৰ্তন তথা স্মৰণ কৰা হয়। অসমত গুৰুজনাৰ জন্মোৎসৱ এক অন্যতম উদ্‌যাপিত ধৰ্মীয় অনুষ্ঠান।

**সত্ৰাধিকাৰৰ অভিষেক অনুষ্ঠান আৰু তিৰোভাৱ তিথি ঃ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰত এগৰাকী সত্ৰাধিকাৰক অভিষেক কৰি সত্ৰৰ পৰিচালনাৰ দায়িত্ব দিয়ে। সত্ৰাধিকাৰে ৰাইজৰ সহযোগত সত্ৰ পৰিচালনা কৰি গুৰুজনাৰ সৃষ্টিৰাজি চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰে। সত্ৰৰ সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰৰ অভিষেক অনুষ্ঠান ধৰ্মীয় ৰীতি-নীতিৰ পালন কৰি সত্ৰাধিকাৰক সত্ৰৰ দায়িত্ব প্ৰদান কৰে। আনহাতে সত্ৰাধিকাৰৰ তিৰোভাৱ তিথি শিষ্যসকলে ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা অনুষ্ঠান সত্ৰৰ নামঘৰতেই হয়। এনে অনুষ্ঠানত ৰাইজে ভাওনা প্ৰদৰ্শন কৰে।

**নামঘৰৰ প্ৰতিষ্ঠা দিৱস ঃ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মীয় ব্যৱস্থাৰে সমাজত প্ৰতিষ্ঠা কৰা অন্যতম সৃষ্টি হ'ল নামঘৰ। বৰদোৱাত প্ৰথম নামঘৰ প্ৰতিষ্ঠাৰ জৰিয়তে গুৰুজনাই সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক চিন্তাৰ জৰিয়তে সমাজখনক সু-সংগঠিত কৰে। গুৰুজনাৰ লগতে তেখেতৰ শিষ্যসকলে পৰৱৰ্তী সময়ত অসমৰ বিভিন্ন অঞ্চলৰ গাঁৱে-ভূঞে নামঘৰ প্ৰতিষ্ঠা কৰি এখন আধ্যাত্মিক সমাজ গঠন কৰে। সেয়ে ৰাইজে নামঘৰ প্ৰতিষ্ঠা কৰা দিনটোও ধৰ্মীয় উৎসৱৰূপে পালন কৰে। এনে উৎসৱ অনুষ্ঠানত গুৰুজনাৰ সৃষ্ট ভাওনা প্ৰদৰ্শনেৰে আজিও ধৰ্মীয় পৰিৱেশ ৰাইজৰ মাজত বিৰাজ কৰি আছে।

**ৰাইজৰ বাৰ্ষিক উৎসৱ অনুষ্ঠান ঃ**

নামঘৰত ৰাইজে বিভিন্ন বাৰ্ষিক উৎসৱ অনুষ্ঠান অনুষ্ঠিত কৰে। ৰাইজে নামঘৰত নিত্য-নৈমিত্তিকভাৱে পুথি পাঠ কৰে যদিও আজিকালি কেইবাদিনীয়াকৈ ভাগৱত পাঠ অনুষ্ঠানৰ আয়োজন কৰে। ইয়াৰ উপৰিও পালনাম, গৰখীয়া সবাহকে প্ৰমুখ্য কৰি অসমৰ বিভিন্ন অঞ্চলত বাৰ্ষিক অনুষ্ঠান হিচাপে পালন কৰে। এনে অনুষ্ঠানত নাম-প্ৰসঙ্গৰ লগতে ভাওনাও প্ৰৰ্দশন কৰে।

**দৌল উৎসৱ বা ফল্গুৎসৱ ঃ**

ৰঙৰ উৎসৱ ফাকুৱা। ভাৰতবৰ্ষৰ সমন্বয়ৰ প্ৰতীক ফল্গুৎসৱ গুৰুজনাই অসমত প্ৰচলন কৰি এক সমন্বয়ৰ বাৰ্তা সমাজত দি থৈ গৈছে। ফাগুন মাহৰ পূৰ্ণিমা তিথিত অসমত এই উৎসৱ পালন কৰা হয়। এই উৎসৱ অসমৰ গাঁৱে-ভূঞে সত্ৰ নামঘৰত দৌল উৎসৱ হিচাপেও উদ্‌যাপন কৰে। বৰদোৱা সত্ৰ, বৰপেটা সত্ৰত কেইবাদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠানৰ আয়োজন কৰে। ধৰ্মীয় ৰীতি-নীতিৰে অসমত উদ্‌যাপিত ফল্গুৎসৱৰ এক আধ্যাত্মিক তাৎপৰ্য আছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অন্যতম সৃষ্টি নামঘৰক কেন্দ্ৰ কৰি বৰ্তমানেও অসমৰ সমাজ ব্যৱস্থাত ধৰ্মীয় ৰীতি-নীতিৰে বিভিন্ন উৎসৱ অনুষ্ঠান পালন কৰি আহিছে এনেক্ষেত্ৰত নিৰ্দিষ্ট তিথিসমূহত উৎসৱ অনুষ্ঠানৰ

আয়োজন কৰাৰ উপৰিও অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ উজনি অসমৰ মাজুলীৰ সত্ৰসমূহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। আউনিআটি সত্ৰত মাহজোৰা পালনাম, উত্তৰ কমলাবাৰী সত্ৰত ভাওনা সমাৰোহকে প্ৰমুখ্য কৰি প্ৰতিখন সত্ৰই নিজাববীয়া উৎসৱ অনুষ্ঠান আয়োজন কৰে। ইয়াৰ উপৰিও মাজুলীত শৰৎ কালৰ পূৰ্ণিমাত অনুষ্ঠিত ৰাসোৎসৱ এক উল্লেখনীয় ধৰ্মীয় অনুষ্ঠান। মধ্য অসমৰ কলিয়াবৰতো গুৰুজনাৰ সৃষ্টিৰাজি প্ৰচাৰ আৰু প্ৰসাৰ, চৰ্চা হোৱাৰ লগতে গাঁৱে-ভূঞে ৰাইজে সত্ৰ, নামঘৰত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। ঐতিহাসিক ভঁৰালী নামঘৰত মাঘ মাহৰ পূৰ্ণিমা তিথিত উদ্‌যাপিত মাঘী পূৰ্ণিমা উৎসৱ অন্যতম ধৰ্মীয় অনুষ্ঠান। সেইদৰে নামনি অসমৰ বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ, মধুপুৰ সত্ৰকে আদি কৰি বিভিন্ন সত্ৰসমূহৰ লগতে ৰাজহুৱা নামঘৰত বিশেষ উৎসৱ অনুষ্ঠান অনুষ্ঠিত হয়। মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান লক্ষীমপুৰ, গাংমৌ, দৰঙকে প্ৰমুখ্য কৰি অসমৰ বিভিন্ন অঞ্চলৰ গাঁৱে-ভূঞে গুৰুজনাৰ অপূৰ্বসৃষ্টি নামঘৰ কেইবা সহস্ৰসংখ্যক বিৰাজমান। এই নামঘৰক কেন্দ্ৰ কৰি আজিও ৰাইজে ধৰ্মীয় উৎসৱ অনুষ্ঠান আয়োজনেৰে গুৰুজনাৰ সৃষ্টিৰাজি চৰ্চা, প্ৰচাৰ আৰু প্ৰসাৰ কৰি সমাজত সমন্বয়ৰ বাৰ্তা বহন কৰি আহিছে। ■

*লেখক পুৰথৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়, কলিয়াবৰৰ শিক্ষক।*

# গৰুড় পক্ষীৰ জন্ম বৃতান্ত আৰু মাতৃৰ শাপ মোচন

কশ্যপ এজন শ্ৰেষ্ঠ প্ৰজাপতি ঋষি। তেওঁৰ পিতৃৰ নাম মৰীচি আৰু মাতৃৰ নাম কলা। দক্ষ প্ৰজাপতিৰ অদিতি, দিতি, বিনতা, কদ্ৰু আদি তেৰজনী কন্যা কশ্যপলৈ বিয়া দিয়ে। কশ্যপ ঋষিৰ পত্নীসকলৰ পৰাই দেৱতা-দৈত্য-দানৱ-যক্ষ-ৰাক্ষস-গন্ধৰ্ব-কিন্নৰ-নাগ-জীৱ-জন্তু-কীট-পতঙ্গ-গছ-লতা-তৃণ আদিৰ উৎপত্তি হৈছে বুলি শাস্ত্ৰত পোৱা যায়।

আদিপূৰ্বতে কশ্যপ মুনিয়ে জগতৰ মঙ্গলৰ বাবে যজ্ঞ কৰাৰ মানসেৰে দেৱতা, ঋষি, গন্ধৰ্ব সকলোকে জান দিলে। সেইমতে সকলোৱে সহায় কৰিলে। দেৱৰাজ ইন্দ্ৰই বনৰ ভিতৰৰ পৰা পৰ্বত সমান কাঠৰ বোজা এটা মূৰত কৰি লৈ আনি যজ্ঞৰ স্থলীত দিলেহি। উভতি যাওঁতে বালখিল্য মুনিসকলে পলাশৰ পাত মূৰত লৈ যজ্ঞৰ স্থলীলৈ যোৱা তেওঁ দেখা পালে। “পলাশৰ পত্ৰলয়ে মাথাৰ উপৰে। অঙ্গুষ্ঠ প্ৰমাণ সবে যায় ধীৰে ধীৰে।”

এই বালখিল্য ঋষিসকল হ’ল— অঙ্গুষ্ঠ প্ৰমাণ (হাতৰ বুঢ়া আঙুলিৰ সমান ডাঙৰ-দীঘল) ষাঠি হাজাৰ ঋষিৰ সমষ্টি।

ঋষিসকলে গৰুখোজৰ পানী দেখা পাই পাৰ হ’বলৈ ভয় কৰি থকা দেখি ইন্দ্ৰই হাঁহিলে। তাতে উপহাস কৰা বুলি ঋষিসকলৰ খং উঠিল আৰু ইন্দ্ৰক পৰাভূত কৰিবলৈ বলিষ্ঠ, পৰাক্ৰমী, ত্ৰৈলোক্য বিজয়ী অন্য ইন্দ্ৰ এজন সৃষ্টি কৰিবলৈ যজ্ঞ আৰম্ভ কৰিলে। কশ্যপ মুনিয়ে এইকথা ইন্দ্ৰৰ আগত ক’লে আৰু ব্ৰহ্মাসহিতে ইন্দ্ৰ আহি ঋষিসকলক অন্য ইন্দ্ৰ সৃষ্টি নকৰিবলৈ প্ৰাৰ্থনা জনালে। ঋষিসকলৰ কষ্ট অথলে নাযাওঁক, দেৱতাসকলো ৰক্ষা

হওঁক এই অৰ্থে কশ্যপ ঋষিয়ে ইন্দ্ৰৰ ঠাইত তেওঁৰ পত্নী বিনতাৰ গৰ্ভত পক্ষীন্দ্ৰ জন্ম হওক বুলি আশীৰ্বাদ কৰিলে।

যথাসময়ত বিনতাৰ এটি ডিম্ব প্ৰসৱ হ'ল। ডিম্ব ফাটি তৎকালে এটি পক্ষী বাজ হ'ল। চাই থাকোঁতে পক্ষীৰ কায়ে প্ৰকাণ্ড আকাৰ ধাৰণ কৰিলে। পক্ষীৰ গৰ্জনত ভীত হৈ দেৱতাসকলে বিনতা নন্দনক স্তুতি কৰিবলৈ ধৰিলে। স্তুতিত সন্তুষ্ট হৈ পক্ষীৰাজে নিজৰ আকাৰ সম্বৰণ কৰি গৰুণ্ড পক্ষী নাম লৈ পৃথিৱীত বিচৰণ কৰি থাকিল। গৰুড়ৰ জ্যেষ্ঠ ভ্ৰাতৃ অৰুণ সূৰ্যৰ ৰথৰ সাৰথি। এদিন অৰুণে ভ্ৰাতৃ গৰুড়ক নিজৰ ৰথত তুলি লৈ দুয়ো ক্ষীৰ সিন্ধুৰ মাজত থকা মাতৃ বিনতাৰ ওচৰলৈ আহিল। মাকে দুয়ো পুত্ৰক স্নেহবাক্যে আশীৰ্বাদ কৰিলে। হেন সময়তে সতিনী কদ্ৰু আহি দাসী বিনতা আৰু দাসী পুত্ৰ গৰুড়ক তেওঁলোকক (নাগপুত্ৰসকল) কান্ধত লৈ ৰম্যক দ্বীপলৈ নিবলৈ আদেশ দিলে। গৰুড় আৰু বিনতাই তেওঁলোকক লৈ ৰম্যক দ্বীপ পালেগৈ। ৰম্যক দ্বীপৰ বিতোপন শোভা চাই পক্ষীৰাজ আনন্দিত হ'ল। কদ্ৰুৱে ৰম্যক দ্বীপৰ পৰা আন এটা দ্বীপলৈ নিবলৈ গৰুড়ক আদেশ কৰিলে। পক্ষীৰাজে তাতে বিৰক্তিবোধ কৰি বাৰে বাৰে কদ্ৰুৱে প্ৰভুৰ দৰে আদেশ দি থাকে তাৰ কাৰণ মাতৃ বিনতাক সুধিলে। মাতৃৱে কদ্ৰুৰ ওচৰত দাসীত্ব বন্ধনৰ ঘটনা বিৱৰি ক'লে। সেই ঘটনা আছিল এনেধৰণৰ দেৱ-দৈত্যই সাগৰ মন্থন কৰোঁতে বাজ হোৱা উচ্চৈঃশ্ৰবা অশ্ব দৈতৰাজ বলীয়ে লাভ কৰিলে। এই ঘোঁৰাৰ ৰং আছিল বগা। এদিন কশ্যপ মুনিৰ ভাৰ্যা কদ্ৰু আৰু বিনতাৰ মাজত এই ঘোঁৰাৰ ৰঙক লৈ বাক-বিতণ্ডা চলিল। কদ্ৰুই ক'লে ক'লা আৰু বিনতাই ক'লে বগা। ইমানতে তেওঁলোক ক্ষান্ত নহৈ পণ ৰাখিলে যে— পিছদিনা পুৱা তেওঁলোকে অশ্ব দৰ্শন কৰিব আৰু ক'লা হ'লে বিনতা কদ্ৰুৰ দাসী হ'ব আৰু বগা হ'লে কদ্ৰু বিনতাৰ দাসী হ'ব। নাগ জাতি স্বভাৱতে ক্ৰোধী আৰু হিংসাকুৰীয়া। কদ্ৰুৱে ৰাতিৰ ভিতৰতে পুত্ৰ নাগ সকৰ মাতি সকলো কথা ক'লে আৰু পণত জিকিবৰ কাৰণে ঘোঁৰাটিৰ সৰ্ব শৰীৰ সৰ্পেৰে মেৰিয়াই ক'লা কৰি থ'বলৈ ক'লে। মাতৃৰ আদেশ মতে কাম। পিছদিনা পুৱা দুয়ো ঘোঁৰা দৰ্শন কৰি ক'লা ৰং দেখা পাই পণমতে বিনতাই কদ্ৰুৰ দাসীত্ব গ্ৰহণ কৰিলে।

এই ঘটনা বিনতাই পুত্ৰ গৰুড়ৰ আগত বিৱৰি ক'লে যে পক্ষীৰাজ দাসীপুত্ৰ হোৱাৰ বাবে কদ্ৰুৱে বাৰে বাৰে আদেশ কৰি থাকে। বিনতাৰ দুখৰ

কথা শুনি গৰুড়ে তৎক্ষণাৎ কদ্ৰুৰ ওচৰলৈ গৈ কি বস্তু পালে মাকৰ দাসীত্ব মোচন হ'ব সুধিলে। তেতিয়া ইন্দ্ৰলোকত থকা অমৃত পালে বিনতাৰ দাসীত্ব মোচন হ'ব বুলি কদ্ৰুৱে পক্ষীৰাজক ক'লে। সেয়ে পক্ষীৰাজে অমৃত আনিবলৈ স্বৰ্গপুৰলৈ গতি কৰিলে। ইন্দ্ৰই অমৃতৰ ঘট ৰক্ষা কৰিবলৈ পক্ষীৰাজৰ সৈতে যুদ্ধত অৱতীৰ্ণ হ'ল। পক্ষীৰাজে তেত্ৰিশ কোটি দেৱতাক পৰাস্ত কৰি অগ্নিবেহু, চক্ৰবেহু পাৰ হৈ ঘট ৰখীয়া দুই ফণাযুক্ত সৰ্পক পৰাস্ত কৰি অমৃতৰ ঘট পাখাৰ তলত লুকুৱাই ঘৰমুৱা হ'ল। এই ঘটনা দেখি বৈকুণ্ঠ পতি নাৰায়ণ গৰুড়ৰ সমুখ হৈ যুদ্ধ কৰিলে। কাৰো ভঙ্গ-জয় নাই। গৰুড়ৰ বিক্ৰম দেখি নাৰায়ণ সন্তুষ্ট হৈ বৰ দিবলৈ ইচ্ছা কৰিলে। তেতিয়া গৰুড়ে সংসাৰৰ মধ্যত অজৰ-অমৰ-অজিত আৰু নাৰায়ণৰ ওপৰত উচ্চ হৈ থাকিবলৈ বৰ মাগিলে। নাৰায়ণৰ পৰা বৰ পাই আনন্দিত হৈ গৰুড়ে নাৰায়ণক বৰ দিবলৈ ইচ্ছা কৰিলে। নাৰায়ণেও গৰুড়ৰ কান্ধত উঠি ফুৰিবলৈ অৰ্থাৎ গৰুড়ক বাহন কৰি ল'বলৈ বিচাৰিলে। পক্ষীৰাজ সন্মত হ'ল। সেয়ে যেতিয়া নাৰায়ণে ৰথত উঠি ফুৰে তেতিয়া গৰুড়পক্ষী কান্ধত উঠি ফুৰাৰ বাবে 'গৰুড় বাহন' বিচৰণকাৰী বা 'গৰুড়কেতু' বোলা হয়।

শ্ৰীহৰিৰ পৰা বিদায় লৈ আনন্দ মনে তীব্ৰ বেগে পক্ষীৰাজ গৈ থকাৰ সময়ত ইন্দ্ৰই ক্ৰোধ কৰি বজ্ৰপাত মাৰি পঠিয়ালে। পক্ষীৰাজে বজ্ৰপাত থাপ মাৰি ধৰি ব্ৰজপাতক সন্মান কৰি নিজৰ দেহৰ পাখি এটি উঘালি বজ্ৰৰ আগত দি পঠালে। এই ঘটনা দেখি দেৱৰাজ বিস্মিত হ'ল আৰু গৰুড়ৰ সৈতে মিত্ৰতা কৰিবলৈ ইচ্ছা কৰিলে। পক্ষীৰাজ সন্মত হৈ দুয়ো সখি বান্ধিলে। তেতিয়া ইন্দ্ৰই অমৃত নিয়াৰ কাৰণ সুধিলে আৰু পক্ষীৰাজে ইন্দ্ৰৰ আগত সকলো কথা বিৱৰি ক'লে। স্বভাৱতে ক্ৰোধী আৰু হিংসাকুৰীয়া নাগগণক অমৃত খুৱালে জগতৰ অথন্তৰ হ'ব বুলি দুয়ো সখিৰ মাজত আলোচনা হ'ল। অমৃতৰ ঘট দেখুৱাই বিনতাৰ শাপ মোচন কৰাই কৌশল কৰি ইন্দ্ৰই অমৃতৰ ঘট হৰণ কৰিবলৈ সন্মত হ'ল।

যথাসময়ত অমৃতৰ ঘট লৈ গৰুড় ৰম্যক দ্বীপ পালেগৈ। অমৃত খোৱাৰ আশাত কদ্ৰু আদি কৰি নাগগণ আনন্দত মতলীয়া হৈ পৰিল। কুশবনৰ ওপৰত অমৃতৰ ঘট থৈ সকলোকে গা ধুই আহিবলৈ ক'লে। অঙ্গীকাৰ মতে কদ্ৰুৱে বিনতাক অমৃতৰ ঘট দেখা পাই বন্ধনৰ পৰা মুক্তি দিলে। সকলো নাগ গা ধুবলৈ যোৱাৰ সময়তে ইন্দ্ৰই অমৃতৰ ঘট হৰণ কৰি স্বৰ্গলৈ লৈ

গ'ল। নাগসকলে আহি দেখা পালে যে ইন্দ্ৰই অমৃতৰ ঘট চুৰ কৰি লৈ গ'ল। উপায় নাপায় নাগসকলে কুশবনকে চেলিকবলৈ ধৰিলে। কুশবনে পাই সাপৰ জিভা দুফাল কৰিলে। তেতিয়াৰে পৰা নাগ বা সাপৰ জিভা দুখন বুলি কোৱা হয় আৰু অমৃতৰ পৰশ পোৱা কুশবনক পবিত্ৰ কামত ব্যৱহাৰ কৰা হয়। ■

*শ্ৰীপ্ৰদীপ ৰায় বৰুৱাৰ গ্ৰন্থ 'অমৃতৰ সন্ধান'ৰ পৰা সংগৃহীত। —সম্পাদনা সমিতি*

# নামঘৰ ঃ এখন লেখত ল'বলগীয়া গ্ৰন্থ

**উপেন্দ্ৰ বৰকটকী**

অসমীয়া বৈষ্ণৱ সমাজৰ অবিচ্ছেদ্য অংগ নামঘৰ-"অসমীয়া জাতীয় সংস্কৃতিৰ যাদুঘৰ', 'জাতীয় ভাওনা ঘৰ', 'অসমীয়া সামাজিক সমতা সংৰক্ষণ কৰি ৰখাৰ আৰু গণতান্ত্ৰিক চিন্তাধাৰ প্ৰকাশ'ৰ উপযুক্ত মাধ্যম বুলি প্ৰসিদ্ধা লোক-সংস্কৃতিবিদ পণ্ডিত ড° বিৰিঞ্চি কুমাৰ বৰুৱাই 'নামঘৰঃ জাতীয় নাটশাল' নামৰ প্ৰবন্ধত উল্লেখ কৰি গৈছে। অসমীয়াৰ সামাজিক, ধাৰ্মিক আৰু সাংস্কৃতিক জীৱনত যুগমীয়া প্ৰভাৱ পেলোৱা নামঘৰেই 'অসমীয়া জাতীয় ৰঙ্গালয়ৰ ভেটি' বন্ধাৰ কথাও কৈছে। অসমীয়াৰ এনে এটা জাতীয় অনুষ্ঠানৰ বিষয়ে ড° বৰুৱাৰ বাহিৰে কোনোয়ে বিষদ চিন্তা-চৰ্চা কৰা নাই বুলি আমি ভাবোঁ। সেই বিষয়ে কোনো গ্ৰন্থও এতিয়ালৈকে প্ৰকাশ পোৱা নাই।

সেই কথা উপলব্ধি কৰিয়েই এগৰাকী ধৰ্মপ্ৰাণা মহিলাই তেওঁৰ সাঁচতীয়া ধনেৰে নামঘৰ বিষয়ক প্ৰবন্ধ সংকলন এখন প্ৰকাশ কৰিবলৈ মনস্থ কৰে। সংকলনখনৰ প্ৰকাশিকা ইন্দু হাজৰিকাই আৰম্ভণিতে কৈছে - "২০০০ চনৰ পৰা শাৰীৰিক অসুস্থতাই জীৱনটো আন দিশলৈ গতি কৰালে। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ দৃষ্টিশক্তি হেৰুৱাই মানসিক আৰু শাৰীৰিক যন্ত্ৰণাত দিশহাৰা হৈ পৰিলোঁ। এনে যন্ত্ৰণাময় জীৱনৰ মাজতেই শাৰীৰিক বাধাগ্ৰস্ততাক অভিশাপ বুলি নাভাবি আধ্যাত্মিক চিন্তাৰে ভগৱন্তৰ চৰণত মন স্থিৰ কৰি .......... নামঘৰত সৎসঙ্গত থাকি......... জীৱনৰ কষ্টোপাৰ্জিত ধন নামঘৰৰ সামগ্ৰিক উন্নয়ন সাধনৰ বাবে উচৰ্গা কৰি, ধৰ্মীয় চিন্তা-চৰ্চাৰে মানসিক আনন্দ লাভ কৰোঁ।" গুৱাহাটী মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ পলিটেকনিকৰ ডিপ্লোমা গ্ৰহণ কৰি অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমত কৰ্মজীৱন আৰম্ভ কৰি অৱসৰ লোৱা ইন্দু হাজৰিকা তেওঁৰ পিতৃ প্ৰয়াত গঙ্গাধৰ হাজৰিকা আৰু মাতৃ প্ৰয়াত গিৰিবালা হাজৰিকাৰ বৈষ্ণৱ ধৰ্মীয় চিন্তা-চেতনাৰে উদ্বুদ্ধ হৈছিল। পিতৃ গঙ্গাধৰহ হাজৰিকা সোঁতৰ বিপৰীতে আজীৱন সংগ্ৰাম কৰা গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ ব্যক্তিগত সচিবৰ দৰে আছিল। সেই কথা ডঃ লক্ষ্মীনন্দন বৰাই 'সেহি সব্যসাচী' (২০১৪) নামৰ জীৱনভিত্তিক উপন্যাসখনত উল্লেখ কৰি গৈছে। স্বাভাৱিকতে শিক্ষক পিতৃৰ আদৰ্শই অনুপ্ৰাণিত কৰা ইন্দু হাজৰিকাই ধৰ্মীয় আৰু সমাজ হিতকৰ কামতে মনোনিবেশ কৰিছিল। তেওঁ 'নামঘৰ' গ্ৰন্থখন প্ৰকাশ কৰাৰ উপৰি অসমৰ ভালেমান ঠাইৰ নামঘৰসমূহৰ বিভিন্ন সম্পদ নিৰ্মাণত সহায় কৰি উদাৰতা আৰু মহানুভৱতাৰ পৰিচয় দিছে।

'নামঘৰ' নামৰ সংকলনখনত মুঠ যোলটা প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। প্ৰথম প্ৰবন্ধটিত শংকৰী সংস্কৃতিৰ গৱেষক ড° সঞ্জীৱ কুমাৰ বৰকাকতীয়ে নামঘৰৰ সৃষ্টিৰ

কাৰণ তেওঁৰ 'শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত একশৰণ নামধৰ্ম' প্ৰবন্ধটিত ব্যাখ্যা কৰিছে। ড° নৰেন কলিতাই জাতীয় অখণ্ডতাক ক্ষেত্ৰত সংকটৰ সৃষ্টি হ'লে অসমীয়া জাতিক ঐক্যবদ্ধ কৰাত নামঘৰৰ অৱদানৰ কথা তেওঁৰ 'নামঘৰ' প্ৰবন্ধত উল্লেখ কৰিছে। একেদৰে বিশিষ্ট গৱেষক, কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাতুল চন্দ্ৰ বৰাই 'নামঘৰ উৎপত্তিত ধৰ্মীয় তাৎপৰ্য আৰু বিৱৰ্তন', শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজক কৰ্মকৰ্তা দীনেশ মহন্তই আধ্যাত্মিক দিশৰ উপৰি বৰ্ণ বৈষম্য দূৰীকৰণ, সৰ্বশিক্ষা আৰু প্ৰাপ্তবয়স্কৰ শিক্ষাত নামঘৰে যোগোৰা অৱদান, ড° দুবৰি গোস্বামীয়ে নামঘৰৰ বিভিন্ন অংগ, সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত বিষয়া হিৰু প্ৰসাদ মহন্তই নামঘৰ আৰু মণিকূটৰ অঙ্গাঙ্গী সম্বন্ধৰ কথা তেওঁৰ 'মণিকূট গৃহ বান্ধি ৰহিলা শংকৰ' প্ৰবন্ধত আলোচনা কৰিছে।

উল্লেখিত লেখক সকলকৰ উপৰি শিক্ষয়িত্ৰী ৰিবা হাজৰিকাৰ 'নামঘৰৰ মুখ্য অংগ গুৰু আসন', ড° গৌতম বৰাই 'নামঘৰ আৰু ইয়াত সংৰক্ষিত পুথি আৰু বাদ্যযন্ত্ৰ ঃ এক অধ্যয়ন' আৰু শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজ অসমৰ সভাপতি ভূপেন দাধৰাই 'ভাওনাৰ থলী নামঘৰ' নামৰ প্ৰবন্ধকেইটিত সংশ্লিষ্ট বিষয়কেইটাৰ পৰ্যালোচনা কৰিছে। গ্ৰন্থখনৰ সম্পাদক কলিয়াবৰৰ উদ্যোগী সাহিত্য সেৱী, সংস্কৃতি সেৱী দিগন্ত মহন্তই সম্পাদকীয়ৰ উপৰি 'অসমৰ সমাজ ব্যৱস্থাত নামঘৰ আৰু উদ্‌যাপিত উৎসৱ অনুষ্ঠান'ৰ বিষয়ে থুলমূল আভাস দিছে।

নামঘৰ বিষয়ক প্ৰবন্ধকেইটাৰ বাহিৰে গ্ৰন্থখনত ড° খৰ্গেশ্বৰ ভূঞাই 'জয়-বিজয় মাহাত্ম্য' প্ৰবন্ধত বিষ্ণুৰ দুজন পাৰিষদৰ জন্ম আৰু বিজয়ৰ কাহিনী, ড° স্বাধীনতা মহন্তই ভক্তিৰ মাহাত্ম্য 'ৰসময়ী মাগোহো ভকতি' প্ৰবন্ধত আৰু 'নাম-প্ৰসঙ্গৰ মহত্ত্ব' কুঠৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ফণীধৰ হাজৰিকাই সেই নামৰ প্ৰবন্ধত আলোচনা কৰিছে। আনহাতে হোজাই ওমেন কলেজৰ সহকাৰী অধ্যাপক ৰেৱত মহন্তই 'গুৰুজনাৰ নাটসমূহ' আৰু কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰবক্তা অলংকৃতা গোস্বামীয়ে 'মাধৱদেৱৰ ঝুমুৰা'ৰ বিষয়ে আলোচনা কৰিছে। শেষত 'গৰুড় পক্ষীৰ জন্ম বৃতান্ত আৰু মাতৃৰ শাপ মোচন' নামৰ লেখা এটাও সন্নিবিষ্ট কৰা হৈছে।

প্ৰকাশিকা ইন্দু হাজৰিকা আৰু সম্পাদনা সমিতিয়ে এনে এখন লেখত ল'বলগীয়া গ্ৰন্থ প্ৰকাশ কৰি প্ৰশংসনীয় কাম কৰিলে। সম্পাদনা সমিতিৰ সভাপতি ৰূপেশ্বৰ হাজৰিকাৰ ভাষাত - "অসমীয়া সমাজত নামঘৰৰ প্ৰাসংগিকতা আগতেও আছিল, এতিয়াও আছে আৰু অনাগত দিনতো থাকিব। কিন্তু এই বিৰল অনুষ্ঠানটিৰ বিশালতাক আমি অসমীয়াই আজি এক ঠেক পৰিসৰৰ মাজলৈ ক্ৰমান্বয়ে সুমুৱাই আনিছো।" (সংস্কৃতি আৰু সংহতিৰ প্ৰতীক নামঘৰ)। কথাষাৰৰ যথাৰ্থতা নুই কৰিব নোৱাৰি। গ্ৰন্থখন ২০১৯ চনৰ জানুৱাৰী মাহত প্ৰকাশ পাইছে।

লেখকৰ মোবাইল - ৯৪০১৫১০৭০১

# প্ৰকাশিকা ইন্দু হাজৰিকাৰ
# জীৱন-পঞ্জী আৰু সামাজিক কৰ্মৰাজি

জন্ম- ১৯ জানুৱাৰী, ১৯৫১ চন
পিতৃ- প্ৰয়াত গঙ্গাধৰ হাজৰিকা
মাতৃ- প্ৰয়াত গিৰিবালা হাজৰিকা
শিক্ষাগ্ৰহণ- গৰুমূৰীয়া গাঁও প্ৰাথমিক বিদ্যালয়, লক্ষীমপুৰ
প্ৰৱেশিকা পৰীক্ষা- উত্তৰ লক্ষীমপুৰ ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়
উচ্চতৰ মাধ্যমিক- উত্তৰ লক্ষীমপুৰ সাধাৰণ কলেজ
পলিটেকনিক ডিপ্লমা- গাৰ্লচ পলিটেক্‌নিক, গুৱাহাটী
স্নাতক- গুৱাহাটী কলেজ

কৰ্মজীৱন- ১৯৭৭ চনৰ ছেপ্টেম্বৰ মাহত অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমত যোগদান আৰু একে বিভাগৰ পৰা ২০১৩ চনত অৱসৰ গ্ৰহণ।

সামাজিক সেৱা ঃ মহাপুৰুষ গুৰুজনাৰ অন্যতম সৃষ্টি নামঘৰৰ উন্নয়নৰ বাবে মন স্থিৰ কৰি কষ্টোপাৰ্জিত ধন ৰাইজৰ সেৱাৰ বাবে উছৰ্গা কৰে। সেই অনুসৰি নামঘৰৰ বাটচ'ৰা, গুৰু আসন নামসিংহ, জয়-বিজয়, হনুমান, কলচীকে প্ৰমুখ্য কৰি বিভিন্ন সম্পদ আগবঢ়োৱা অনুষ্ঠানসমূহ হ'ল ক্ৰমে—

১) ঘাৰমৰা সৰু সত্ৰ, ন-পমুৱা, উত্তৰ লক্ষীমপুৰ
২) হাতীগাঁও নামঘৰ, কলিয়াবৰ
৩) খালৈআটি নামঘৰ, কলিয়াবৰ
৪) চতিয়াল সংঘ নামঘৰ, কলিয়াবৰ
৫) পূৱথৰীয়া হাজাৰী নামঘৰ, কলিয়াবৰ

৬) বাঘজান নামঘৰ, কলিয়াবৰ
৭) বিযয়াচুক নামঘৰ, পুৰণিগুদাম
৮) বৰালীগাঁও নামঘৰ, কলিয়াবৰ
৯) ভিঞ্জৰীগাঁও নামঘৰ, কলিয়াবৰ
১০) উত্তৰ জমখলা নামঘৰ, কলিয়াবৰ
১১) জমখলা নামঘৰ, কলিয়াবৰ
১২) জমখলা হাজাৰ নামঘৰ, কলিয়াবৰ
১৩) জেঙনি নামঘৰ (বৰঘাট), কলিয়াবৰ
১৪) জাৰনী গাখীৰেখাটি নামঘৰ, কলিয়াবৰ
১৫) কটীয়াচুক নামঘৰ, কলিয়াবৰ
১৬) বাঘৰচুক নামঘৰ, কলিয়াবৰ
১৭) শান্তিপুৰ নামঘৰ, কলিয়াবৰ
১৮) হিন্দুগাঁও নামঘৰ, উত্তৰ লক্ষীমপুৰ
১৯) ধেমেলীয়াচুক নামঘৰ, উত্তৰ লক্ষীমপুৰ
২০) গৰুমূৰীয়াচুক নামঘৰ, উত্তৰ লক্ষীমপুৰ
২১) পোৰাভেটি সত্ৰ নামঘৰ, কলিয়াবৰ
২২) মাজ-পূৰ্বথৰীয়া নামঘৰ, কলিয়াবৰ
২৩) চমুৱা বৰ নামঘৰ, বৰভকতি, কলিয়াবৰ
২৪) গজমূৰীয়া খেল নামঘৰ, সোণাৰীগাঁও, কলিয়াবৰ
২৫) দুলালমাধৱ নামঘৰ, কলিয়াবৰ
২৬) মিৰিভেটি নামঘৰ, কলিয়াবৰ
২৭) হাতীপুখুৰী নামঘৰ, শিলঘাট, কলিয়াবৰ
২৮) বালিদুৱাৰ নামঘৰ, কলিয়াবৰ
২৯) লাঙীগাঁও নামঘৰ, কলিয়াবৰ
৩০) চতিয়াল হাজাৰী নামঘৰ, কলিয়াবৰ
৩১) বৰুৱাচুক নামঘৰ, কলিয়াবৰ
৩২) ভোমোৰাগুৰি নামঘৰ, কলিয়াবৰ
৩৩) কেনকেনীয়াগাঁও নামঘৰ, কলিয়াবৰ
৩৪) বৰনামঘৰ, নলতলি, কলিয়াবৰ
৩৫) ধমৰপুৰ তেলিয়া নামঘৰ

৩৬) আমনিৰ নামঘৰ, কলিয়াবৰ
৩৭) ধৰমপুৰ বৰ নামঘৰ, কলিয়াবৰ
৩৮) কলিয়াবৰ তিনিআলি নামধৰ্ম সমাজ নামঘৰ
৩৯) ওপৰ বৰভগীয়া নামঘৰ, কলিয়াবৰ
৪০) কৈৱৰ্ত্ত নামঘৰ, বৰভগীয়া, কলিয়াবৰ
৪১) নামগাঁও নামঘৰ, কলিয়াবৰ
৪২) গড়গুৰি নামঘৰ, কলিয়াবৰ
৪৩) বৰতল নামঘৰ, শিৰস্থান, কলিয়াবৰ
৪৪) বৰসত্ৰ নামঘৰ, কলিয়াবৰ
৪৫) ভোমোৰাগুৰি নামঘৰ, কলিয়াবৰ
৪৬) মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নামধৰ্ম সমাজ, জামুগুৰিহাট
৪৭) আঞ্চলিক নামঘৰ, কলিয়াবৰ
৪৮) চামধৰা নামঘৰ, কলিয়াবৰ
৪৯) নিজ কলিয়াবৰ নামঘৰ, কলিয়াবৰ
৫০) গাড়ীকুৰি হৰিমন্দিৰ, কলিয়াবৰ
৫১) শ্ৰৱণী পাকবন্ধা নামঘৰ, কলিয়াবৰ
৫২) দলিবাৰী হৰিমন্দিৰ, কলিয়াবৰ
৫৩) তুলসীমুখ নামঘৰ, নগাঁও
৫৪) পাঞ্চজন্য নামঘৰ, জামুগুৰি
৫৫) জনতানগৰ নামঘৰ, গুৱাহাটী
৫৬) বালিটিকা নামঘৰ, কলিয়াবৰ
৫৭) দাৰিগজি নামঘৰ, কলিয়াবৰ
৫৮) সেনচোৱা নামঘৰ, জখলাবন্ধা
৫৯) ওপৰ সোণাৰী গাঁও নামঘৰ, কলিয়াবৰ
৬০) বুঢ়া নামঘৰ, মাজ পূৰ্বঠৰীয়া, কলিয়াবৰ
৬১) তেলীয়া নামঘৰ, কলিয়াবৰ
৬২) দলগাঁও নামঘৰ, কলিয়াবৰ
৬৩) হালোৱা নামগৰ, কলিয়াবৰ
৬৪) কলবস্তি নামঘৰ, মিছা
৬৫) বিশ্বনাথ চাৰিআলি আঞ্চলিক নামঘৰ, মধুপুৰ